
উত্তরাকাণ্ড

# উত্তৰাকাণ্ড

ত্ৰৈলোক্য ভট্টাচাৰ্য্য

ASSAM, GUWAHATI

সাহিত্য-প্ৰকাশ ॥
ট্ৰিবিউন বিল্ডিংছ ॥ গুৱাহাটী-৩

**UTTARĀ KĀNDA**

An adopted novel from Epic by Sri Trailokya Bhattacharjya of Tezpur and Published by Sahitya-Prakash, Tribune Buildings, Guwahati-781003. Price Rs. 20.00 Only.

* প্ৰকাশক :
সাহিত্য-প্ৰকাশ ।। ট্ৰিবিউন বিল্ডিংছ ।।
গুৱাহাটী—৭৮১০০৩

* মুদ্ৰক :
ট্ৰিবিউন প্ৰেছ ।। গুৱাহাটী—৭৮১০০৩ ।।

* মূল্য ।। ২০·০০ (বিশ টকা) মাত্ৰ ।।

* প্ৰথম প্ৰকাশ ।। মাৰ্চ, ১৯৮৭ ।।

* প্ৰচ্ছদপট আৰু অলংকৰণ ।। ত্ৰৈলোক্য দত্ত ।।
গুৱাহাটী—৭৮১০০৩

## উছৰ্গা

মা,
আইতা,
খুৰাদেও আৰু
বাইদেউৰ লগতে
যি সকলে গভীৰ বিশ্বাস, ভক্তি আৰু আদৰ্শৰে
অনুপ্ৰাণিত হৈ ৰামায়ণ পঢ়ি
জীৱন ধন্য কৰিছে, সীতাৰ
দুখত আকুলিয়ে আকুলিয়ে
চকুপানী টুকিছে
তেওঁলোকৰ
নামত

কলকাতা ১০।৯।৮৬

এৰাপাথাৰি দেওৰাগাঁও
নাৰ্চ (এটাৰি)

DIRECTORATE OF LIBRARY • ASSAM, GUWAHATI

## কুলনি চৰ্চা

নিচেই সৰুতে, কিতাপ পঢ়াৰ ধাউতি প্ৰথম জন্মাৰ কালত বাইদেৱে এখন কিতাপ হাতত তুলি দিছিল। আওপুৰণি, আগৰ আৰু পাছৰ অলেখ পাত নোহোৱা, ফটা-ছিটা। কোনোটোৰ এফাল আধাফাল, কোনোটোৰ কণমান একোটা টুকুৰাৰ বাহিৰে একো নাই। কিতাপখন কিতাপ নহয়— "পুথি"। নাম, পিছত গম ধৰিব পাৰিছো "সীতাৰ বনবাস"। সীতাক বনবাসত এৰি থৈ উভতি অহাৰ আগতে কৰা লক্ষ্মণৰ বিলাপখিনিয়েই প্ৰথম পঢ়িব পৰা পাত।

পঢ়ি পঢ়ি ভাব হ'ল সীতা আন কোনো নহয় মই নিজে। সীতাৰ দৰেই মইও নিঃসহায়। অৱজ্ঞা, অনাদৰ আৰু অবিচাৰৰ বলি। ফেনে-ফোটোকাৰে বুকু ভাঙি সেইদিনা চকুপানী ওলাইছিল। হৃদয়ৰ উপলব্ধিৰ দুৱাৰখন হঠাৎ সজোৰে সশব্দে মেল খাই যোৱা যেন অনুভৱ কৰিছিলো। দিনৰ পিছত দিন, এআসুৰাৰ কিতাপখন পঢ়িছিলো। পঢ়িবলৈ ল'লেই কান্দোন ওলায়। বুকুখন হাঁহাকাৰ কৰি উঠে। সেই কান্দোনৰ উঁহটোৱেই লিখাৰ উঁহ। হাতত কলম তুলি লৈ লিখা আৰম্ভ হ'ল এক হাঁহাকাৰ ধ্বনিৰ মাজত। অশান্ত, অস্থিৰ অৱস্থাত। মোৰ ৰচনাৰ প্ৰতিটো আখৰৰ আঁৰত আছে এই অশান্ত, অস্থিৰ মন।

আজন্ম দুখিনী সীতাৰ জীৱন-কাহিনী আধুনিক উপন্যাস এখনৰ কাহিনীৰ দৰেই বিচিত্ৰ আৰু মনোৰম যেন এদিন বোধ হ'ল। তেতিয়া কিন্তু মনৰ ওপৰত পৰিছে অসমীয়া/

ভাৰতীয় ৰামায়ণ কথাৰ, তত্বগধুৰ আলোচনা-সমালোচনাৰ অদ্ভুত চাপ। তাৰ মাজতো প্ৰথমৰ সেই অনাদৰ, অৱজ্ঞা আৰু অবিচাৰৰ যাতনাটো অনুভৱ কৰি আছোঁ।

চৰাইৰ পাখি যিমান সবল সি সিমান বেগেৰে আকাশলৈ উৰে। মই জানো মোৰ দুৰ্বলতা ক'ত। আদি কবি বাল্মীকিৰ ওচৰত আঁঠু লৈ মোৰ অক্ষমতাৰ বাবে, ধৃষ্টতাৰ বাবে মই ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। অক্ষম আৰু অযোগ্য হ'লেও মই অনুমান কৰিব পাৰিছো তেওঁৰ সুতীব্ৰ অনুভূতি, জীৱন-জিজ্ঞাসা আৰু দুখ। তেওঁৰ হৃদয়ত সৃষ্টি হোৱা খোকিবাখো টোৰ খলকনি মই নিজ কাণে শুনিবলৈ পাইছোঁ।

কিতাপখনৰ প্ৰকাশকৰ প্ৰতি মই কৃতজ্ঞ। সাহিত্য-প্ৰকাশৰ শ্ৰীৰজনী কান্ত দেৱ শৰ্মাদেৱৰ তাগাদা আৰু ভাৰসাতেই ই সম্ভৱ হ'ল।

পাণ্ডুলিপিটো অশেষ ধৈৰ্য্য আৰু কষ্টেৰে প্ৰতিলিপি কৰি দিছে শ্ৰীমতী অনিমা ভট্টাচাৰ্য্যাই। তেওঁৰ এই সহায় সহযোগ অবিহনেও কিতাপ ছপা কৰিবলৈ অসম্ভৱ হৈ উঠিলহেঁতেন।





# প্রথম সর্গ

# এক

বসন্তকাল।

আকাশখন আবেলিলৈকে পৰিষ্কাৰ হৈ আছিল। পৃথিৱীখনো হৈ আছিল মোহনীয় আৰু আনন্দমুখৰ। চাৰিওফালে মৌকোঁহ, চুপহী, কুঁহিপাত আৰু ফুলৰ সমাৰোহ। ৰং-বিৰঙৰ পখিলাৰ লগতে ভোমোৰা আৰু মৌগুটিবোৰে আমৰ মল আৰু বনফুলবিলাকৰ কাষে কাষে গুণগুণকৈ উৰি ফুৰিছিল। শস্য কাটি নিয়াৰ কাৰণে উদং হৈ থকা পথাৰবিলাকত পোহনীয়া জীৱ-জন্তুবিলাকে আপোনমনে ঘূৰি ফুৰিছিল। বুঢ়া আঁহত এজোপাৰ তলৰপৰা উৰি অহা উইচিৰিঙা কিছুমানক কাউৰী আৰু চিলনী এজাকে থপিয়াই থপিয়াই ধৰি খাইছিল। ঘৰৰ আগচোতাল আৰু পদূলিমুখত ককা আৰু বুঢ়ী-আইহঁতে পাতিছিল জীৱনৰ সুখ-দুখৰ মেলা। কাষত কলহ লৈ জাকপাতি পানী আনিবলৈ যোৱা গাভৰুৰ খিকিন্দালিৰে মুখৰ হৈ আছিল নৈৰ ঘাট।

প্ৰকৃতি আৰু জীৱ-জন্তুৰ এই সকলো আনন্দৰ উৎস আছিল মূৰৰ ওপৰৰ আকাশখন। আকাশখনৰপৰাই পৃথিৱীলৈ নিজৰি নিজৰি বৈ আহে যেন সুখ-দুখ, আনন্দ আৰু বিষাদ। আকাশখন গোমা হৈ অহাৰ লগে লগে পৃথিৱীৰ মুখখনো গোমা হৈ পৰে। আকাশ আৰু পৃথিৱী মানুহৰ পিতৃ-মাতৃ।

সন্ধিয়াৰ আগে আগে আকাশখনৰ ৰং কিন্তু সলনি হৈ গ'ল। পশ্চিম আকাশৰ একোণত প্ৰথমে এখোপা ক'লা মেঘে দেখা দিলে। অলপ সময়ৰ ভিতৰতে গোটেই আকাশখন কলীয়া ডাৱৰে ঢাকি ধৰিলে। মেঘৰ প্ৰচণ্ড গৰ্জন আৰম্ভ হ'ল। আৰম্ভ হ'ল বিজুলী ঢেৰেকনিৰ তাণ্ডৱ নৃত্য। তীব্ৰ বেগেৰে ডাৱৰবিলাক কঢ়িয়াই অনা বতাহ-ধুমুহাই গছ-বন ভাঙি চূৰমাৰ কৰি পেলাব খুজিলে। ডাৱৰ নহয় যেন এডাৰ ক'লা গাৰ ৰং আৰু তেজ ৰঙা চকুৰে জাক জাক দৈত্য আৰু দানৱ। সুখ আৰু শান্তিৰে বাস কৰা পৃথিৱীৰ মানুহৰ ওপৰত প্ৰচণ্ড আক্ৰমণ কৰিবলৈ সিহঁত হিলদ'ল ভাঙি যেন ল'ৰি আহিছে।

প্ৰকৃতিৰ সেই মহা দুৰ্যোগৰ মাজতেই শিমলু আৰু পলাশ গছ-বিলাকৰ তলে তলে থকা বাটটোত প্ৰচণ্ড বেগেৰে হঠাৎ আহি ওলাল দুটীয়া ঘোঁৰাৰ এখন ৰথ। চকাৰ ঘৰ-ঘৰণি আৰু তেল পৰি পিছলা ক'লা ঘোঁৰাকেইটাৰ পিঠিত ঘনে ঘনে আহি পৰা চাবুকৰ কোবৰ শব্দই মেঘৰ গাজনি আৰু ধুমুহা-বতাহৰ সোঁ-সোঁৱনিৰ লগত যেন তাল ধৰিলে।

বহল পথাৰখন সাৰিয়েই নৈখনৰ পাৰৰ বাটটোলৈ উঠিল ৰথখন আৰু সমান বেগেৰে উজাই যাবলৈ ধৰিলে। বতাহৰ কোবত নৈৰ কোবাল পানী তলমল কৰি উঠিছে। কলীয়া ডাৱৰৰ প্ৰতিবিম্ব পৰি পানীডৰা হৈ পৰিছে কেঁহেৰাজ বটাৰ দৰে ক'লা আৰু বিবৰ্ণ।

ৰথখনৰ ভিতৰত নিথৰ হৈ বহি আছে এজন মানুহ। সুঠাম আৰু সুশ্ৰী হ'লেও যৌৱনৰ আনটো মূৰৰ দুৱাৰদলিত আহি যেন মানুহজন থমকি ৰৈছে। প্ৰকৃতিৰ এই অস্থিৰতাৰ মাজতো তেওঁ সুস্থিৰ। কিন্তু সেই সুস্থিৰতা আছিল বাহ্যিক। দেখিলেই ধৰিব পাৰি কিবা এক গভীৰ অন্তৰ্দ্বন্দ্বত ভুগিছে মানুহজনে। কলীয়া ডাৱৰৰপৰা প্ৰতিবিম্ব পৰা পানীডৰাৰ ৰঙৰ দৰে বিবৰ্ণ হৈ উঠিছে তেওঁৰ গাৰ ৰং। ৰথখন ইফালে সিফালে যেতিয়া ঘূৰে নাইবা ওখোৰা-মোখোৰা বাটটোত জোকাৰণি খাই, নৈৰ জাঁজিত লাগি থকা জেং একোডাল সোঁতত কঁপাৰ দৰে তেৰেওঁ কঁপি উঠে। গাত লৈ থকা উত্তৰীয়খন আৰু কান্ধলৈকে বৈ পৰা চুলি কোছা উন্মুক্ত বতাহজাকে ঘনে ঘনে আউল-বাউল কৰি দিছে যদিও তালৈ তেওঁৰ অকণো ভ্ৰূক্ষেপ নাই।

পৰিচ্ছদলৈ চালে সাধাৰণ এজন অমাত্য যেন লাগিলেও ৰথখনৰ কাৰুকাৰ্য, সাৰথিৰ বহুমূলীয়া ৰাজকীয় সাজ আৰু ঘোঁৰাহালৰ সোণালী জীপ ডুখনে প্ৰমাণ কৰিছে তেওঁ দেশখনৰ শাসক শ্ৰেণীৰ লোক।

হঠাৎ তেওঁ সাৰথীজনক উদ্দেশ্য কৰি চিঞৰি উঠিব খুজিলে। তেওঁৰ সেই অস্ফুট আৰ্তনাদ কিন্তু মুহূৰ্ততে ধুমুহাজাকৰ লগত মিহলি হৈ গ'ল। চকুমুজি তেওঁ আন এবাৰ ভোৰভোৰালে—"এতিয়া মই কৰোঁ কি?" লগে লগে নিজৰ মাত শুনি নিজেই যেন তেওঁ চক্ খাই উঠিল। ঘোঁৰাৰ খুৰাৰ খট্‌খট্ শব্দটোৱেও চাৰিওফালে নিজৰ কথাৰ যেন প্ৰতিধ্বনি তুলিলে—"কৰোঁ কি? কৰোঁ কি??"

ৰথখন যিমানেই আগুৱাই গ'ল বতাহ-ধুমুহাজাকো সিমানেই বিপৰীত ফাললৈ আঁতৰি যাবলৈ ধৰিলে। এসময়ত দিগন্তৰ একোণৰ-পৰা মাথোন থাকি থাকি বিজুলী ঢেৰেকণিৰ ক্ষীণ শব্দ ভাঁহি আহিল। আৰোহীজনে ঘনে ঘনে সেইফাললৈ উভতি চালে। তেওঁৰ মনৰ মাজত ধুমুহাৰ সৃষ্টি কৰিবলৈহে যেন আবতৰীয়া ধুমুহা-বতাহজাক আহিছিল।

ৰথখন আগবাঢ়ি যোৱাৰ লগে লগে ধীৰে ধীৰে গাঁও শেষ হৈ আৰম্ভ হ'ল নগৰ। ভগ্ন কুটিৰৰ ঠাইত শাৰী শাৰী সুদৃশ্য অট্টালিকা। কৃষক আৰু শ্ৰমিকৰ ঠাইত বাটে-পথে দেখা গ'ল অমাত্য আৰু সামন্তৰ দল। পথ, বাসস্থান আৰু বস্ত্ৰ পৰিধানৰ, ৰীতি-নীতি আৰু জীৱন-যাত্ৰাৰ আকাশ-পাতাল পাৰ্থক্য। এসময়ত ৰথখন গৈ ৰাজপ্ৰাসাদৰ প্ৰধান তোৰণদ্বাৰ পালেগৈ। দেখাৰ লগে লগে তোৰণদ্বাৰৰ দ্বাৰপাল দুজন সম্ভ্ৰমেৰে একাষৰীয়া হ'ল। মুহূৰ্ততে দ্বাৰ পাৰ হৈ ৰথখন মূল মণ্ডপ আৰু ৰাজ-উদ্যানৰ কাষেৰে গৈ অন্তেষপুৰৰ সুউচ্চ প্ৰাসাদবিলাকৰ আঁৰত অদৃশ্য হৈ পৰিল।

তোৰণদ্বাৰৰ দ্বাৰপালৰ লগতে অন্তেষপুৰৰ প্ৰহৰীয়ে সমস্বৰে চিঞৰি উঠা শব্দ কেইটামান ৰাজপ্ৰাসাদৰ চুকে-কোণে বহুত সময় প্ৰতিধ্বনিত হৈ ৰ'ল।

বহুত সময়।

দ্বাৰপাল আৰু প্ৰহৰীৰ জয়ধ্বনিয়ে ঘোষণা কৰিলে সেইখন অযোধ্যা। ৰথৰ আৰোহীজন অযোধ্যাৰাজ ৰঘুপতি শ্ৰীৰামচন্দ্ৰ বৰ্মা।

## দুই

অন্তেষপুৰৰ প্ৰকোষ্ঠৰ ফালে নগৈ ৰাজ-উদ্যানৰ ভিতৰ সোমাল ৰঘুপতি।

ধুমুহা-বতাহৰ অকণো চিন-চাব নাই উদ্যানত। মাথোন বতাহৰ কোব লাগি সৰি পৰা ফুলৰ পাহি আৰু শুকান গছপাতবিলাক চাৰিওফালে সিচৰতি হৈ আছে। আন সময়ত মানুহৰ সমাগমেৰে উচ্ছল হৈ থকা ৰাজউদ্যান এতিয়া নিৰৱ, সন্ধিয়াৰ ম্লান এন্ধাৰ থুপ খাইছে একোণৰ পদ্ম সৰোবৰৰ ওপৰত।

ধীৰে ধীৰে সৰোবৰৰ পাৰলৈ আগুৱাই গ'ল ৰঘুপতি।

পদ্ম সৰোবৰৰ কেউটা পাৰ শিলেৰে বন্ধোৱা। চাৰিওফালে চাৰি ঠাইত আহল বহল খটখটি। মাজপানীত ৰাজলক্ষ্মীৰ এটা প্ৰস্তৰ মূৰ্তি। যেন এইমাত্ৰ গা ধুই কাষত কলহ লৈ উঠি আহিব খুজিছে পাৰলৈ। কাষত লৈ থকা কলহটোৰপৰা কলকল শব্দ কৰি পৰি আছে পানী। সৰোবৰৰ পানী কলহৰপৰা অনৰ্গল পৰি থকা পানীয়ে বুৰবুৰণি তুলিছে !

অন্তেবপুৰৰ একাংশ আহি আহি সৰোবৰৰ কাষ পাইছেহি। ৰাজমহিষী আৰু কুমাৰীসকল সেইফালৰপৰাই সৰোবৰলৈ অহা-যোৱা কৰে। কোনোবা এঠাইৰপৰা এতিয়াও এজাক গাভৰুৰ খিলখিলনি আহিছে। হাঁহিৰ লগে লগে শুনা গৈছে অন্তঃপুৰাত ৰজাই গোৱা সঙ্গীতৰ সুমধুৰ ধ্বনি। পশ্চিম পাৰত শাৰী শাৰী অশোকফুলৰ গছ। একে সমান ওখ আৰু সমান জোপোহা অশোক গছৰিলাক লহপহ কৰি বাঢ়িছে। প্ৰথম এই বছৰেই ফুলা ৰঙা ৰঙা ফুলেৰে দোঁ খাই পৰিছে ডালপাত। এইটো ফালৰপৰা হঠাৎ চকুত পৰিলে এনে লাগে যেন মূৰৰ ওপৰত চুড়লীয়া বেণী গাথি, গাত ফুলৰ মালা লৈ হাতত ধৰাধৰিকৈ নাচোনৰ ভঙ্গীত থিয় হৈ আছে এশাৰী গাভৰু। বসন্ত উৎসৱত অযোধ্যাৰ গাভৰুহঁতে যিদৰে নাচিবৰ বাবে সাজু হয়, ঠিক তেনেকৈ। একাষৰ বহল খটখটিৰ ওপৰত তেজৰঙা ফুল পৰি আছে। ফুলৰ একোখন যেন দলিছা পৰা আছে সৰোবৰৰ পাৰত।

প্ৰতিদিন আবেলি ইয়াতেই আহি বহে ৰঘুপতি। ছুবৰি বনৰ দলিছাত নাইবা পানীযুৱলিত থকা খটখটিত। দেখিলেই সৰোবৰৰ পানীত সাঁতুৰি থকা ৰাজহাঁহ কেইজনীয়ে ডিঙি বেঁকা কৰি চায়। নাম ধৰি মাতিলেই পানীত কমাই ফুৰা ৰূপালী ফিছা আৰু ফানেৰে প্ৰকাণ্ড বাহু-মাছকেইটা কাষ চাপি আহে। আনন্দত কিৰিলি পাৰি নাচি যেন সিহঁতৰ কাষে কাষে থকা পোনাবিলাকে ৰৰকৈ জপিয়াবলৈ আৰম্ভ কৰে। পাৰৰ ঘাঁহনিত ছুবৰিৰ কোঁহ খাই চৰি ফুৰা হৰিণা পোৱালিটোৰ সৈতে মাকজনীয়ে ৰ লাগি চাই ৰয়।

ৰাজহাঁহ এতিয়া নাই। প্ৰাসাদৰ কোনোবা একাংশৰপৰা আহিছে সিহঁতৰ কঁ কঁ মাত।

কেইখোজমান আগবাঢ়ি গৈ হঠাৎ এঠাইত চকু পৰি চমকি উঠিল তেওঁ। দক্ষিণ ফালৰ এটা খটখটিত এতিয়াও বহি আছে কোনোবা। ৰূপোৱালী বুটাবছা আকাশ নীলা চাদৰ এখনৰ এছোৱা দেখা পোৱা গৈছে। নীলা আকাশখনৰ এছোৱাত কিছুমান তৰাই চিকমিকাইছে। আকাশখনৰ এটা চুক যেন খহি পৰিছে ৰাজপ্ৰাসাদৰ একোণত।

চাদৰখনৰ একাংশৰপৰাই চিনি পালে তেওঁ মানুহজনী কোন। চকুৰ আগত ভাঁহি উঠিল পূৰ্ণিমাৰ জোনৰ দৰে উজ্জ্বল আৰু চকলা এখন মুখেৰে এজনী মানুহৰ প্ৰতিচ্ছবি।

আৰু এখোজ আগবাঢ়ি গ'ল ৰঘুপতি। দেখিলে লতাফুলেৰে ঢাক খোৱা পলাশ গছজোপাৰ আঁৰত বহি আছে আৰু কেইজনী-মান সমান বয়সৰ গাভৰু। কৈ থকা গোপন আৰু আমোদজনক কিবা কথা পৰম উৎকণ্ঠাৰে শুনি থাকি হঠাৎ এটাইকেইজনীয়ে একেলগে হাঁহি উঠিছে। পৰ্বতীয়া ঝৰণাৰ পানী শিলনিত ঠেকা খাই বাগৰি বাগৰি যেন নামি আহিছে তললৈ। এই ফাললৈ।

অকণো দুখ বেজাৰ নাই কাৰো। আকাশ নীলা চাদৰৰ অধিকাৰিণীৰেই নহয় কোনো এজনীৰেই। কথা কোৱা আৰু হাঁহাৰ কি মনোৰম, মোহময়ী ভঙ্গিমা! বিধতাৰ কি অদ্ভুত সৃষ্টি এই নাৰী! দেহৰ সৌন্দৰ্য্যই অপৰূপ আৰু অপূৰ্ব হৈ ধৰা দিয়ে পুৰুষৰ চকুত। ধৰিব নোৱাৰি সি বাহ্যিক।

কিন্তু মনৰ ভিতৰখনো জানো একে সমানেই ধুনীয়া আৰু পৰিষ্কাৰ? হঠাৎ ৰঘুপতিয়ে ভাবি পেলালে। "আকাশী ৰঙৰ চাদৰ গাত ললেই জানো আকাশৰ দৰে নিৰ্মল আৰু উদাৰ হয় মানুহৰ মন? স্বয়ং বসুমতীৰ জীয়াৰী হ'লেই জানো পৃথিৱীৰ দৰে সহনশীলা আৰু ৰত্নগৰ্ভা হ'ব পাৰে কোনোবা?"

অকল তিৰোতা কিয়, বিধতাৰ কি অদ্ভুত সৃষ্টি এই মানুহ! মানুহৰ মন!! কাৰোবাৰ হৃদয় যেতিয়া দুখত ভাগি পৰিব খোজে আন কাৰোবাৰ হৃদয় তেতিয়া আনন্দৰ জোৱাৰেৰে থৌকি বাথৌ কৰি উঠে। আচলতে কাৰো লগত কাৰো মিল নাই। স্বামীৰ লগত স্ত্ৰীৰো, পিতৃ-মাতৃৰ লগত সন্তানৰো। সকলো সম্বন্ধ বাহ্যিক আৰু মনে গঢ়া। অসাৰ আৰু অসত্য।

আকাশী ৰঙৰ চাদৰখন হঠাৎ কঁপি উঠিল। বতাহৰ ঢৌ খেলি গ'ল কেইটামান মুহূৰ্ত। খটখটিৰ ওপৰত বহি থকা মানুহজনী থিয়

হ'ল। চাৰিওফালে চকু ফুৰালে। পানীৰ ওপৰত, আকাশত আৰু চৌদিশত। শেহত খটখটি বগাই ওপৰলৈ উঠি যাবলৈ ধৰিলে। সহচৰী কেইজনীৰ দুজনীমান আগবাঢ়িল আৰু দুজনীমান পাছ পৰিল। যেন এজাক ৰাজহাঁহ উঠি গৈছে সৰোবৰৰপৰা পাৰলৈ।

সৰোবৰৰ আনটো মূৰত লুকাই নপৰালৈকে নিথৰ হৈ চাই ৰ'ল ৰঘুপতিয়ে।

ৰাজপ্ৰাসাদৰ সেইটো ফালে সুদক্ষ কাৰিকৰৰ হতুৱাই নতুনকৈ সজোৱা হৈছে সুদৃশ্য অট্টালিকা। স্বৰ্ণভূমিৰ ৰাজ-অট্টালিকাৰ আৰ্হিৰে সজা হৈছে ৰাজভৱন। অট্টালিকাৰ আনটো ফালত জীয়াই আছে অতীত। এইটো ফাল যদি জীৱন্ত বৰ্তমান হয় সিটো ফাল হ'ব মৃত অতীত। সেইফালে জীয়াই আছে শৈশৱ, কৈশোৰ আৰু যৌৱনৰ শত-সহস্ৰ স্মৃতি।

আঃ সেই সোণাময় দিনবিলাক যে ক'লৈ গ'ল !!

পানীত ডুবা মানুহৰ দৰে জীৱনৰ সৰু-বৰ সকলো কথা আৰু কাহিনী এটি এটিকৈ মনলৈ আহিল ৰামৰ। জীৱন্ত হ'ল মৃত অতীত। জীৱন।

## তিনি

সেইয়া আছিল কৈশোৰ আৰু যৌৱনৰ দোমোজা। এদিন অযোধ্যাৰ ৰাজসভাত মহৰ্ষি বিশ্বামিত্ৰ আহি উপস্থিত হৈছিল। দুৰ্বাসাৰ দৰে খঙাল আৰু অবুজন ক্ষত্ৰিয় বিশ্বামিত্ৰলৈ সকলোৱে ভয় কৰে। নিজৰ তপস্যাৰ বলেৰে ঋষিলৈ ৰূপান্তৰিত হ'লেও বিশ্বামিত্ৰই ক্ষত্ৰিয়ৰ স্বভাৱ আৰু প্ৰকৃতি আজিও ত্যাগ কৰিব পৰা নাই।

ডাঙৰ ডাঙৰ চকুকেইটা ঘূৰাই বিশ্বামিত্ৰই ৰাজসভাৰ চাৰিওফালে চালে। প্ৰথমেই চকুত পৰিল পুৰোহিত বশিষ্ঠৰ গাত। পুৰোহিত শ্ৰেণীৰ দলপতি বশিষ্ঠ। হালধীয়া উত্তৰীয়ৰ ঠাইত শুধবগা চাদৰ, মূৰত জঁটাৰ ঠাইত পিঠিৰ ওপৰত পৰি থকাকৈ পাছফালে বন্ধা শিখা। ভৰিত সোণৰ পাত মেৰিওৱা পাদুকা। হাতত কমণ্ডলুৰ সলনি আছে সোণৰ ঘণ্টা। এইয়া যেন আশ্ৰমবাসী ঋষি-মুনিসকলৰ নগৰীয়া ৰূপ। তেওঁলোকে ঋষি মুবুলি নিজকে পৰিচয় দিবলৈ লৈছে ব্ৰাহ্মণ বুলি। ধীৰে ধীৰে ঋষি-মুনিসকল সন্ন্যাসী আৰু

সংসাৰী এই দুই শ্ৰেণীত বিভক্ত হৈছে। ৰজাৰ আশ্ৰয়াধীন ব্ৰাহ্মণ বশিষ্ঠৰ ইচ্ছা আৰু কূটনীতিৰ দ্বাৰা পৰিচালিত হৈছে দশৰথ। ক্ৰমান্বয়ে এই ব্ৰাহ্মণসকলে পূৰ্ব-পুৰুষৰ ঐশ্বৰিক শক্তি, মানৱীয় গুণ, বিশ্বৰ কল্যাণৰ চিন্তা হেৰুৱাই পেলাব খুজিছে। গৃহস্থী বশিষ্ঠ এজন মহা সামন্তকৈও বেছি সংসাৰী, প্ৰতাপী আৰু ঐশ্বৰ্য্যশালী। ভূত আৰু ভৱিষ্যতৰ দ্ৰষ্টা, জ্ঞান আৰু বিজ্ঞানৰ অধিকাৰী সেই বাক্‌সিদ্ধ মুনি-সকলৰ উত্তৰাধিকাৰীৰ এইয়া অধঃপতন। তেওঁলোকৰ সেই উদাসীনতা আৰু অপৰিসীম দৈৱিক শক্তিক তেওঁলোকে মাথোন সম্পত্তি আৰু প্ৰতিপত্তি আহৰণৰ উপায় হিচাপে ব্যৱহাৰ কৰিবলৈ লৈছে।

বিশ্বামিত্ৰক দেখাৰ লগে লগে মহাৰাজ দশৰথ সিংহাসনৰপৰা নামি আহিল। নিজ হাতেৰে ভৰি ধুৱাই পাদোদক গ্ৰহণ কৰিলে আৰু সিংহাসনৰ একোণত নিৰ্দিষ্ট আসনত বহুৱাই সুধিলে—"ভগৱান, আপোনাৰ উপস্থিতিয়ে মোক আৰু মোৰ প্ৰজাসকলক ধন্য কৰিলে। আশ্ৰমৰপৰা ৰাজসভালৈ অহাৰ কাৰণ কৈ আমাক বাধিত কৰক। আপোনাৰ আশ্ৰমবাসী সকলোৰে বাৰু কুশল নে?"

বিশ্বামিত্ৰই আশীৰ্বাদ বাক্য উচ্চাৰণ কৰি কিঞ্চিৎ অসন্তুষ্টিৰে ক'লে— "আশ্ৰমবাসীৰ কথা মনত পেলোৱাৰ বাবে আপোনাক অসংখ্য ধন্যবাদ। অৰণ্যবাসীসকলৰ কথা আপোনাক জনাবলৈকে মই ইয়ালৈ আহিছোঁ। যদিও আমাৰ কোনো সুবিধা অসুবিধা নাই, অৰণ্যই আমাৰ জীৱন, ৰক্ষকস্বৰূপে আপুনি আমাৰ কথা সঘনাই মনত পেলোৱা কৰ্তব্য। আপুনি আমাৰ বতৰা নোলোৱাত মই নিজেই আমাৰ বতৰা দিবলৈ আহিলোঁ। আমাৰ সুখ-দুখ, কুশল আপোনাৰ ওপৰতেই নিৰ্ভৰ কৰিছে। কিন্তু আপুনি কৰ্তব্য আৰু দায়িত্বলৈ পিঠি দি থকাৰ কাৰণে বনবাসীসকলৰ জীৱন অসহ্য হৈ উঠিছে।"

মহাৰাজ দশৰথ অস্থিৰ হৈ উঠিল। চকু আৰু মুখত লাজৰ লগতে ভয়ৰো চিন ফুটি উঠিছে। যেতিয়া অপুত্ৰক হৈ আছিল বনবাসীসকলৰ আশ্ৰমে আশ্ৰমে ঘূৰি তেওঁ কৃপা ভিক্ষা কৰি ফুৰিছিল। মৃগয়া আৰু যুদ্ধ আছিল এসময়ত তেওঁৰ মুখ্য আনন্দ। এতিয়া সংসাৰৰ সুখ আৰু আনন্দত মত্ত হৈ সকলো পাহৰি পেলাইছে। বুঢ়া বয়সত সংসাৰৰ মোহত তেওঁ মোহাচ্ছন্ন। জীৱনৰ প্ৰতি, ৰাজ্য আৰু নাগৰিকৰ প্ৰতি কৰ্তব্য তেওঁ মনত পেলোৱা নাই। সামন্তসকলৰ

ওপৰত সকলো এৰি দিছে। তেওঁলোকে নিজৰ ইচ্ছাৰে শাসন কৰিছে। সামন্তসকলে সকলোকে সমানে ব্যৱহাৰ নকৰে। নগৰবাসীৰ সুবিধাসমূহ গাঁওবাসীয়ে পোৱা নাই। বন আৰু বনবাসীৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব তেওঁ পালন কৰা নাই।

বিশ্বামিত্ৰই ক'লে—"আপুনি জানে সৰযু নৈৰ সিপাৰে গভীৰ অৰণ্যত মোৰ আশ্ৰম। সেই আশ্ৰমৰ সিফালৰপৰা আৰম্ভ হৈছে দণ্ডকাৰণ্য। সেই অঞ্চল আজিও আৰ্য্যসকলৰ বাবে অগম্য। অগস্ত্যৰ পিছত আজিও তালৈ কোনেও যাবলৈ সাহস কৰা নাই। দৈত্য, দানৱ আৰু ৰাক্ষসবিলাকেই তাৰ অধিকাৰী। স্বভাৱ, প্ৰকৃতি, ধৰ্মাচাৰ আৰু উপাস্য দেৱ-দেৱী সকলো তেওঁলোকৰ স্বকীয়া। মাজে মাজে হঠাৎ আমাৰ ওপৰত তেওঁলোকে আহি অত্যাচাৰ কৰে। আশ্ৰম ভাঙি লণ্ডভণ্ড কৰি, গৰু-গাইৰ লগতে তপস্বী ছাত্ৰ ঋষিমুনি সকলক হত্যা কৰে নাইবা ধৰি-বান্ধি লৈ যায়। দুদিনৰ আগতো সিহঁতে এনেদৰে অত্যাচাৰ কৰি গৈছে। আশ্ৰমৰ ছাত্ৰসকল ভয়ত পলাল। মোৰ কেইবাজনো মৰমৰ ছাত্ৰ নিখোজ হ'ল। পলাই যোৱা ছাত্ৰসকল আশ্ৰমলৈ উভতি আহিবলৈ ভয় কৰে। কোন মুহূৰ্ত্তত পুনৰ ৰাক্ষসহঁত আহি কাক হত্যা কৰে কি ঠিক? জ্ঞান আহৰণৰ প্ৰয়োজনতকৈ জীয়াই থকাৰ মূল্য অধিক। আগতে আশ্ৰমত ছাত্ৰ আছিল পাঁচশজন। এতিয়া মাথোন কুৰিজন আছে। সমিধ আৰু ঔষধি আহৰণ কৰিবলৈ গলেই ছাত্ৰ উভতি নাহে। ইয়াৰ প্ৰতিকাৰ কৰাটো জানো আপোনাৰ কৰ্তব্য নহয়? আপুনি আমাৰ ৰক্ষক। নহ'লে আশ্ৰম ভাঙি পেলোৱাৰ বাহিৰে আমাৰ আন একো উপায় নাই।"

"আশ্ৰমখন সিপাৰৰপৰা সৰযুৰ ইপাৰলৈ উঠাই অনা উচিত হ'ব নেকি?" দশৰথে চিন্তা কৰি ক'লে।

"উঠাই অনা বৰ সহজ কথা।" বিশ্বামিত্ৰৰ মাতত তিক্ততা প্ৰকট হ'ল—"আশ্ৰম সমূহে সীমান্তত দুৱাৰ আৰু কূটনৈতিক শিবিৰ স্বৰূপে কাম কৰে বুলি আপুনি নেজানে? মোৰ আশ্ৰমখনে সেই অটব্য অৰণ্যৰ একাংশ ৰক্ষা কৰি আছে। সৈন্য-সামন্তৰে ৰক্ষণাবেক্ষণ দিলে ধীৰে ধীৰে গভীৰ অৰণ্যাঞ্চল বাসোপযোগী হৈ উঠিব। জনহীন মৌল শিখৰত মন্দিৰসমূহ প্ৰতিষ্ঠা কৰাৰ মূল উদ্দেশ্যও এইয়ে। এনেকৈয়ে যুগ যুগ ধৰি আৰ্য্যাবৰ্ত্ত সম্প্ৰসাৰিত হৈ আহিছে। এসময়ত

এই দেশৰ বিদেহ আদি অঞ্চলো আদিবাসী অধ্যুষিত আছিল। সি এনেকৈয়ে নগৰ আৰু ব্ৰহ্মাবৰ্ত বা আৰ্য্যস্থানত পৰিণত হৈছে।"

নিজৰ ভুল বুজিব পাৰি লৰালৰিকৈ দশৰথে ক্ষমা প্ৰাৰ্থনাৰ ভঙ্গীৰে ক'লে—"মন্ত্ৰী সুমন্ত্ৰক মই এই গোটেই অঞ্চলটোৰ শাসনৰ ভাৰ দিছিলোঁ। কিন্তু ৰাজকাৰ্য্যৰ বাবে তেওঁক তাৰপৰা আঁতৰাই আনি আন কামত লগাব লগা হৈছে।"

"আপুনি ভাৰ দিয়েই ক্ষান্ত আৰু নিশ্চিন্ত হৈ আছে?" বিৰক্তিৰে বিশ্বামিত্ৰই ক'লে—"কোনে ক'ত কি কৰিছে চাবলৈ আপোনাৰ ৰাজ্যত কোনো নাই। ৰাজ্য অৰাজক হৈ উঠিছে। এনেদৰে ৰাজকাৰ্য্য নচলে।"

দশৰথ মনে মনে থাকিল। তেওঁৰ ভয় লাগিল। বিশ্বামিত্ৰৰ খং উঠাই লোৱা উচিত নহয়।

বিশ্বামিত্ৰই পুনৰ ক'লে—"আপুনি বৃদ্ধ। আপোনাৰ সন্তান আপোনাৰ অবিহনে ৰাজ্যৰ উত্তৰাধিকাৰী হ'ব। কিন্তু আচৰিত কথা, আজিও তেওঁলোকক আশ্ৰমৰ শিক্ষা দিয়া হোৱা নাই। তেওঁলোকক আপুনি চিৰদিন ধৰি নৰখায়। তেওঁলোকৰ নিজৰ ভৱিষ্যত আছে। সেই ভৱিষ্যতৰ বাবে গঢ়ি তোলা পিতৃ-মাতৃৰ কৰ্তব্য।"

"সিহঁত বৰ সৰু হৈ আছে—"

"সৰু??" বিশ্বামিত্ৰ কুটুহাই উঠিল। সকলোতকৈ সৰু ল'ৰাটোৰ বয়সেই এতিয়া সাত বছৰ। এতিয়া শিক্ষা নিদি আৰু কেতিয়া দিব? কোনো আশ্ৰমত ৰখাই ৰাজনীতি, সমাজনীতি, ন্যায় আৰু ধৰ্মৰ শিক্ষা তেওঁলোকক দিয়া হোৱা নাই কিয়? ৰাজ্যৰ প্ৰাকৃতিক পৰিবেশ আৰু জনসাধাৰণৰ লগত তেওঁলোকৰ পৰিচয় ক'ত?

"তেওঁলোকে মহৰ্ষি বশিষ্ঠৰপৰা ধৰ্মশাস্ত্ৰ, বেদাভ্যাস আৰু কামদেৱৰপৰা—"

বিশ্বামিত্ৰই ডাঙৰ ডাঙৰ চকুহাল দশৰথৰ গাত থাপি ধৰিলে আৰু তেওঁৰ কথা নুশুনাৰ দৰে ক'লে—"তেওঁলোকক যুদ্ধবিদ্যা শিক্ষা দিয়া কৰ্তব্য।"

"যুদ্ধ??" দশৰথে যেন ভয় খাই গ'ল—"এই ফুলকুমলীয়া ল'ৰাকেইটাক—"

বিশ্বামিত্ৰই বিদ্ৰূপ কৰাৰ সুৰত হাঁহি দিলে—"অপত্য স্নেহেই তেওঁলোকক আপোনাৰ চকুত সৰু কৰি ৰখাইছে। বিদ্যাৰ উপযুক্ত সময় পাৰ হৈ গ'ল, কাৰণ ডাঙৰ হুয়োজন কৈশোৰ পাৰ হৈ এতিয়া যুৱক।"

"মহৰ্ষি গুৰু বশিষ্ঠদেৱে তেওঁলোকক যুদ্ধবিদ্যা শিক্ষাও দিছে।"

বিৰক্তি আৰু প্ৰচণ্ড দৃঢ়তাৰে বিশ্বামিত্ৰই কৈ উঠিল—"ৰাজপ্ৰাসাদৰ ভিতৰত, সোণৰ সিংহাসনত বহুৱাই প্ৰকৃতিৰ কথা শিকাব নোৱাৰি মহাৰাজ! পুথিৰ পাতত যুদ্ধৰ বিষয়ে পঢ়ি প্ৰকৃত যুদ্ধৰ বিষয়ে জ্ঞান আহৰণ কৰিব নোৱাৰি। মই তেওঁলোকক মোৰ লগত লৈ যাম। যুদ্ধবিদ্যা শিকাই আশ্ৰম আক্ৰমণ কৰিবলৈ অহা অসুৰহঁতৰ লগত যুজিবলৈ তেওঁলোকক লগাই দিম।"

দশৰথে কিবা কোৱাৰ তুৰন্ত আগ্ৰহ সামৰিলে। বিশ্বামিত্ৰৰ খঙত ৰঙা হৈ পৰা চকুলৈ চাই কথা কোৱাৰ তেওঁৰ সাহস নহ'ল। তলমূৰ কৰি ৰ'ল।

শুনাৰ লগে লগে অন্তঃপুৰত খলকনিৰ সৃষ্টি হ'ল। কৌশল্যা আৰু সুমিত্ৰাই দশৰথকহে দোষ দি বলকিবলৈ ধৰিলে। দশৰথে ক'লে—"মহৰ্ষিয়ে নিজে গাত লৈছে, মই কৰোঁ কি? নোৱাৰোঁ বুলি কওঁ কেনেকৈ? খং উঠিলে বিশ্বামিত্ৰই তপৰ প্ৰভাৱেৰে বংশটোকেই নিবংশ কৰিব।"

কৈকেয়ী সোমাই আহিছিল, বিশ্বামিত্ৰৰ তপৰ ওপৰত ইমান আস্থাৰ কথা সহ্য কৰিব নোৱাৰি খন্‌খনাই উঠিল—"থওক। ঢোৰা সাপটোলৈও নো ইমান ভয়নে? ঋষি-মুনিহঁতৰ ইমানেই যদি তপৰ প্ৰভাৱ ৰাক্ষসহঁতক চকুৰ জুইৰে ভস্ম নকৰে কিয়? এই ঋষি-মুনি আৰু বশিষ্ঠৰ দৰে ব্ৰাহ্মণ পুৰোহিত মথাক মোৰ চকু পাৰি দেখিবৰ মন নেযায়।"

গুৰুৰ প্ৰতি কৰা ব্যঙ্গ আৰু বক্ৰোক্তি ভাল নেপালেও দশৰথে ভাবিলে কৈকেয়ীৰ কথা সঁচা। তেওঁলোক যদি ইমানেই শক্তিমন্ত অসুৰহঁতক নিজে নিধন নকৰে কিয়? তপৰ প্ৰভাৱেৰে সিহঁতক বশ কৰিব নোৱাৰে কিয়? বন্য, হিংস্ৰ জীৱজন্তুক তেওঁলোকে পোহনীয়া কৰিব পাৰে, নোৱাৰে ৰাক্ষসহঁতক? ৰাক্ষসহঁত হেনো ধুমুহাৰ দৰে উঁৰি আহে। ৰাক্ষসৰ সেইয়া মায়া। মায়াৰ বলত সিহঁতে ভয়ঙ্কৰ সাপ বা বাঘৰ ৰূপ লয়। সেই মায়াৰ কাৰণেই সিহঁতক আৰ্যসকলে ঘৃণা কৰে। মায়াৰ সলনি বশিষ্ঠ আৰু বিশ্বামিত্ৰৰ দলে শ্ৰদ্ধাৰ কথা কয়। ভগৱানৰ প্ৰতি, ৰজাৰ প্ৰতি থকা ভয়ৰেই সি আন এটা ৰূপ। সেই ভয়েই শ্ৰদ্ধা। ভগৱান। ভক্তি। এদিন বশিষ্ঠই হঠাৎ কৈ পেলোৱা কথা দশৰথৰ মনত পৰি গ'ল।

সঁচাকৈয়ে কি আচৰিত কথা! দয়া-মায়াহীন দুৰ্দ্ধৰ্ষ ৰাক্ষসহঁতেও শিলৰ সামান্য মূৰ্তি এটালৈ কেনেদৰে ভয় কৰে! তাৰ সন্মুখত আঁঠু কাঢ়ে। এই শিলা মূৰ্তিটোলৈ সিহঁতৰ যিমান ভয় কৌটি কৌটি সৈন্যলৈও সিহঁতৰ সিমান ভয় নাই। বশিষ্ঠই কৈছিল দৈত্য-দানৱৰ এটাই মাথো ভুল হৈছে, মায়াৰ সেই শক্তিক সিহঁতে নিজৰ ব্যক্তিগত লাভলোকচানত ব্যৱহাৰ কৰে। নিজৰ কুঅভিসন্ধি আৰু দুশ্চৰিত্ৰ চৰিতাৰ্থ কৰাত। খোৱা আৰু স্ফূৰ্তি কৰাৰ বাহিৰে সিহঁতৰ আন একো চিন্তা নাই। আৰ্যসকলে কিন্তু ব্যক্তিগত স্বাৰ্থতকৈ বিশ্বৰ মানুহৰ কল্যাণৰ বাবেহে দৈৱিক শক্তিক খটুৱায়। দশৰথে নিৰৱে তিনিজনীকৈ ৰাণীৰ কৰ্কথনা শুনি থাকিল।

বিশ্বামিত্ৰ ৰাজপ্ৰাসাদৰপৰা ওলাই গ'ল। আগে আগে ৰাম, মাজত লক্ষ্মণ, পাছত বিশ্বামিত্ৰ। ৰাম-লক্ষ্মণৰ কান্ধত ধনু, পিঠিত শৰৰ টুন। বিশ্বামিত্ৰৰ হালধীয়া উত্তৰীয়। মূৰত জঁটা। হাতত কমণ্ডলু, ভৰিত কাঠৰ চুলা লগোৱা খৰম। তিনিও খোজ কাঢ়ি গৈ থাকিল। ৰথৰ কথা মনলৈ আহিছেও দশৰথে কয় কেনেকৈ? নেদেখা নোহোৱালৈকে সতৃষ্ণ নয়নেৰে দশৰথে চাই থাকিল। কাষত কৌশল্যা আৰু সুমিত্ৰা। ইমান দিনে ৰাজসুখত আছিল সিহঁত। মাটিত এদিনো ভৰি পৰা নাছিল। ভৰি দিয়া নাছিল। এতিয়া কি কষ্টত সিহঁত থাকিব লাগিব! হবিষ্যান্ন খাই, কুশাসনত শুই-বহি। আশ্ৰমত উপবাসে, অনিদ্ৰাই।

বুকুখন বিষাই উঠিল দশৰথৰ। কিন্তু তেওঁ নিৰুপায়।

# চাৰি

ৰামহঁত গৈ বিশ্বামিত্ৰৰ আশ্ৰম পালেগৈ। তেওঁলোক আশ্ৰম-বাসীৰ লগৰে একোজন যেন হৈ পৰিল। গাঁত গেৰুৱা বসন, মুণ্ডিত কেশ, হাতত কমণ্ডলু আৰু দণ্ড লৈ বেদাভ্যাসত ৰত হল। যাগ-যজ্ঞ আৰু হোমৰ ধোঁৱাৰে, মন্ত্ৰোচ্চাৰণেৰে উন্মুখ এইখন এখন সুকীয়া পৃথিৱী।

আশ্ৰমবাসীৰ মাজত ৰাম আৰু লক্ষ্মণ মিলি গৈও যেন মিলি যোৱা নাই। তেওঁলোক সকলোতকৈ তেজস্বী, সুস্বাস্থ্য আৰু মাৰ্জিত ব্যৱহাৰৰ অধিকাৰী। বিভিন্ন বিষয়ৰ শিক্ষা আৰু জ্ঞান, যম আৰু নিয়মসমূহ অতি কম সময়ৰ ভিতৰতে তেওঁলোকে আয়ত্ত আৰু অভ্যাস কৰি পেলালে।

তেওঁলোকক উপদেশ দি বিশ্বামিত্ৰই ক'লে, "আজি তোমালোক ৰাজকুমাৰ হৈ আছা, কালিলৈ হবা সম্ৰাট। প্ৰজাৰ লগত নিবিড়ভাৱে পৰিচিত হোৱাটো তোমালোকৰ কৰ্তব্য। তেওঁলোকৰ দুখ-সুখৰ লগত জীৱন-যাপনৰ লগত। মনত ৰখাবা এই সকলো তোমাৰ প্ৰজা। তেওঁলোকৰ সুখ-দুখৰ তোমালোক সমভাগী হোৱা উচিত। তেওঁ-লোকক দয়া, সহানুভূতি আৰু ন্যায়বিচাৰেৰে শাসন কৰাটো সম্ৰাটৰ ধৰ্ম।"

প্ৰায়েই দূৰ-দূৰণিৰপৰা অলেখ ঋষি-মুনি আশ্ৰমলৈ আহে। একোটা বিশেষ বিষয়ৰ ওপৰত গভীৰভাৱে আলোচনা হয়। দিনৰ পিছত দিন তুমুল তৰ্ক, বাদ-প্ৰতিবাদ চলে। ধৰ্ম কি? ন্যায় কি? সত্য কি? প্ৰজাৰ প্ৰতি কৰ্তব্য কি? ভগৱানৰ ৰূপ আৰু অস্তিত্ব, প্ৰকৃতি, সমাজ আৰু সংসাৰ।

একো একোজন সন্ন্যাসী জ্ঞানৰ যেন আঁকৰ। সৌম্য শান্ত। এখন বাঘৰ ছাল আৰু এটা কমণ্ডলুৱেই যাৰ একমাত্ৰ সম্বল। কোনোবাজন ব্ৰতাচাৰী। দেখিলেই মনত প্ৰশ্নৰ উদয় হয়—জীৱনৰ অৰ্থ কি? সংসাৰ নে সন্ন্যাস? সম্ভোগ নে বৈৰাগ্য? কোনটো শুদ্ধ? কোনোবাজন বেদ আৰু ভগৱানৰ ওপৰত খৰ্গহস্ত। আচৰিত

হৈ লক্ষ্য কৰিলে ৰাম-লক্ষ্মণে আনৰ দৰে তেওঁলোক নম্ৰ আৰু বিনয়ী নহয়, বৰ কঠোৰ। বিশ্বৰ সৃষ্টি-স্থিতি-প্ৰলয়ৰ কাৰণ, ভগৱানৰ অস্তিত্ব আৰু ৰূপ সম্বন্ধে আলোচনা কৰি থকাসকলক প্ৰচণ্ডভাৱে বিদ্ৰূপ আৰু ব্যঙ্গ কৰি উঠে। তেওঁলোকৰ মতে ভগৱানৰ প্ৰয়োজন নাই, বিশেষ নীতি-নিয়ম আৰু তথাকথিত ধৰ্মৰ বান্ধোনৰ প্ৰয়োজন নাই। মাথোন খোৱা আৰু স্ফূৰ্তি কৰাই জীৱন। বাকী সকলো বাধা আৰু বন্ধন স্বাৰ্থান্ধ এটা শ্ৰেণীয়ে সৃষ্টি কৰিছে। কিন্তু ধীৰে ধীৰে আন সকলৰ বলিষ্ঠ যুক্তি, বিনয় আৰু শ্ৰদ্ধান্বিত জ্ঞানৰ তাপত বিশ্ব-মানৱৰ কল্যাণকৰ চিন্তাৰ কাষত তেওঁলোকৰ কণ্ঠস্বৰ স্তিমিত হৈ আহে। বলে নোৱাৰা সাপৰ ফোঁপাউৰিৰে তেওঁলোক আঁতৰি যায়।

কিন্তু সকলো সন্ন্যাসী একে নহয়। একে ধৰণৰ নহয়। কোনোৱে জ্ঞান আহৰণৰ বাবে নিজৰ গোটেই জীৱন ত্যাগ কৰিছে। জীৱনৰ প্ৰতি তিলাৰ্দ্ধও মোহশূন্য হৈ। কোনোজন হতাশাগ্ৰস্ত। কোনোবা হয়তো গভীৰ তত্ত্বান্বেষী। আন কোনোবাজনে পৰম নিষ্ঠা আৰু উৎসুকতাৰে নজনাক জনাৰ বাবেই কৰিছে এই কঠোৰ ব্ৰত পালন।

এবাৰ এখন তৰ্ক সভা হৈছিল। বিভিন্ন প্ৰান্তৰপৰা অহা অলেখ ঋষি-মুনি আশ্ৰমত গোট খালে। সকৰেপৰা শুনি থকা অলেখ স্বনামধন্য নামৰ অধিকাৰী তেওঁলোক এজন এজনকৈ আঁতৰৰপৰাই দেখুৱাই গল লগৰীয়া এজনে। ইমানদিনে তেওঁলোকে দেখি আহিছে মাথোন বশিষ্ঠক কিন্তু বশিষ্ঠ ঋষি নহয়। তেওঁৰ আশ্ৰম চহৰৰ একোণত। এখন যেন সৰু-সুৰা সাম্ৰাজ্য। অজস্ৰ সম্পত্তি। দেৱোত্তৰ মাটিবাৰী। গৰু বাথান। সকলো তেওঁ দান হিচাবে পোৱা। কেইবাশ ছাত্ৰই সেই আশ্ৰমত পঢ়া-শুনা কৰে। তেওঁলোকৰ খাদ্য আৰু ভৰণ-পোষণৰ বাবে সৰযু নৈৰ সিপাৰে কেইবাশ পুৰা খেতিৰ পথাৰ, কেইবাশখন গাঁৱৰ মানুহৰ অধিকাৰী বশিষ্ঠ। কিন্তু এওঁলোক প্ৰকৃততেই সন্ন্যাসী। কপৰ্দকশূন্য। গাতেই ছাল গাতেই বাকলি। কোনো ৰজাৰ দাস নহয়। কাৰো অনুগ্ৰহপ্ৰাৰ্থী নহয়। লোমষ, অত্ৰি, ভৰদ্বাজ, কাশ্যপ, গৌতম, জমদগ্নি—

"জমদগ্নি কোনজন?" লক্ষ্মণে উদ্বিগ্নতাৰে সুধি পেলালে। তেওঁৰ নাম শুনি আহিছে সৰুৰেপৰা। জমদগ্নিৰ খং হেনো জুইৰ দৰে। হোমৰ জুইত ঘিউ পৰাৰ দৰে লেলিহান শিখা মেলি মুহূৰ্ততে জ্বলি উঠে।

"সেইজন—"উপমন্যুৱে আঙুলিয়াই দেখুৱালে। শকত ওখ আৰু বলীষ্ঠ মানুহজন। দীঘলীয়া মুখখন। বহল কপালখনত চিন্তাৰ ৰেখা। কিবা যেন গভীৰ অসন্তুষ্টি, বিৰক্তি আৰু খঙত তেওঁৰ মন আচ্ছন্ন।

"তেওঁ ৰামৰ পিতৃ—"

"ৰাম ??"

"ওঁ ৰাম এজনেই। তেওঁৰ নাম পৰশুৰাম। সমগ্ৰ আৰ্য্যাবৰ্ত তেওঁৰ প্ৰতাপত, ভয়ত কম্পমান। হৈহয়ৰাজ কাৰ্তবীৰ্য্যাৰ্জুনে তেওঁৰ কপিলী গাই চুৰি কৰাৰ কাৰণে ক্ষত্ৰিয়সকলক নিক্ষত্ৰিয় কৰাৰ প্ৰতিজ্ঞা কৰিলে। ক্ষত্ৰিয়সকল পলাই গৈছে গঙ্গাৰ অববাহিকা অঞ্চললৈ।

মহৰ্ষি জমদগ্নি আহিছে ব্ৰহ্মাবৰ্তৰপৰা। বছৰি একোবাৰকৈ তেওঁ আহে মহাসভাৰ সময়ত। ধৰ্মালোচনা হয়। একোটা বিষয়তে তুমুল তৰ্ক-বিতৰ্ক। যি হাৰে তেওঁক পৰাজিত দলে গুৰু বুলি মানে।

ব্ৰহ্মাবৰ্তৰ ব্ৰাহ্মণসকল আজিও ক্ষত্ৰিয়ৰ দৰে। বশিষ্ঠৰ দৰে মাথোন পুৰোহিতালি নহয়। ভৃগুৰ বংশ ৰণনীতিজ্ঞ আৰু যুদ্ধ-বিশাৰদ। ঋষি ভৰদ্বাজো এনে এজন। তেওঁৱেই পৰশুৰামৰ শিক্ষাগুৰু। আনকি তেওঁলোকে ক্ষত্ৰিয়সকলকো যুদ্ধবিদ্যা শিক্ষা দিয়ে। দুৰ্দান্ত অনাৰ্য্যবীৰ কচে মায়াৰূপত ক্ষত্ৰিয় হৈ যুদ্ধৰ গোপন নীতি-শিক্ষা গ্ৰহণ কৰাৰ বাবে তেওঁক কেনেকৈ ধ্বংস কৰা হৈছিল তাক সকলোৱে জানে। গতিকে ক্ষত্ৰিয় আৰু ব্ৰাহ্মণ সকলোৱে তেওঁলোকক সমীহ কৰে। ভয়ৰ চকুৰে চায়। পৰশুৰামৰ দৰে বীৰ আৰু ভাৰতত নাই।

পৰশুৰামৰ গৰ্ব আৰু গৌৰৱৰ কথা শুনি থাকি সহিব নোৱাৰি এজন ছাত্ৰই বিৰক্তিৰে কৈ উঠিল—"যিমানেই বীৰ নহওঁক তেওঁ মাতৃহন্তা। জমদগ্নিয়ে নিজৰ পত্নী ৰেণুকাক পুত্ৰৰ হতুৱাই হত্যা কৰোৱা নাই ?"

"নিজৰ পুত্ৰৰ হতুৱাই ? পুত্ৰ হৈ মাতৃক—" ৰাম শিয়ঁৰি উঠিল। বিশ্বামিত্ৰক সুধিলে—"প্ৰভু ! ক'বনে ই কেনে বিচাৰ ? কেনে ধৰ্ম আৰু ন্যায় ? পৃথিৱীত মাতৃতকৈ ডাঙৰ আৰু আছে কোন ? পৰশুৰামে মাতৃহত্যা কৰিও কেনেকৈ ব্ৰাহ্মণ হৈ আছে ?"

বিশ্বামিত্ৰ কেইটামান মুহূৰ্ত মনে মনে থাকিল। পৰশুৰাম তেওঁৱেই ভাগিন। ৰেণুকা তেওঁৰ ভনী। চিন্তান্বিতভাৱে তেওঁ ক'লে—"সেইখন ব্ৰহ্মাৱৰ্ত। মাতৃতকৈ তাত পিতৃৰ প্ৰাধান্য বেছি।

মাতৃ নহয় পিতৃ তাত সকলোতকৈ ডাঙৰ। তেওঁৰ আদেশ শিলৰ ৰেখা। সেই আদেশ পালন পুত্ৰৰ সৰ্বশ্ৰেষ্ঠ কৰ্তব্য" বিশ্বামিত্ৰ ক্ষন্তেক ৰ'ল আৰু পুনৰ ক'লে—"দ্বিতীয়তঃ ৰেণুকাই আশ্ৰমৰ পৱিত্ৰতা নষ্ট ক'ৰিছে। স্বামী আৰু স্ত্ৰীৰ পৱিত্ৰ সম্পৰ্কও। ইটোৰে সিটোৰ প্ৰতি বিশ্বাস আৰু প্ৰেমেই বিবাহিত জীৱন। স্ত্ৰী হিচাপে ৰেণুকাই তেওঁৰ কৰ্তব্য আৰু দায়িত্ব পালন কৰা নাই।

"কিন্তু মই শুনিছোঁ ইন্দ্ৰই ছদ্মবেশ ধাৰণ কৰিহে ৰেণুকাক বলাৎকাৰ কৰিছিল।" উপমন্যুৱে মাজতে ক'লে—"তেওঁৰ দোষ হল কেনেকৈ? পৰশুৰামে মাতৃহত্যা নকৰি যদি ইন্দ্ৰহত্যাৰ প্ৰতিজ্ঞা কৰিলে-হেঁতেন তেতিয়াহে মই—"

"সেইখিনিতেই আছে প্ৰকৃত কথা" বিশ্বামিত্ৰই হাঁহিলে আৰু ক'লে—"তোমালোকে প্ৰকৃত সত্যটো ধৰিব পৰা নাই। ছদ্মবেশ শব্দটোলৈ মন কৰা। নিজ স্বামীক চিনিব নোৱাৰে এনে তিৰোতা আছে ক'ত? যি ধৰণৰ পৰিচ্ছদকেই পিন্ধি নাহক আন এজন মানুহ স্বামীৰ নিচিনা হব নোৱাৰে। এনেদৰে দৈহিক সম্ভোগ অসম্ভৱ। দেখাদেখিকৈয়ে প্ৰমাণ হয় ৰেণুকাই ইন্দ্ৰৰ লগত গোপন অভিসাৰ কৰিছিল। দেৱতা আৰু সম্ৰাটৰ প্ৰতি ৰেণুকাৰ ইচ্ছাকৃত মোহ আছিল। স্বচ্ছন্দ জীৱনৰ প্ৰতি অহৈতুক প্ৰীতি। আদৰ্শ জীৱন আৰু আশ্ৰমবাসীৰ জীৱনৰ ৰীতি-নীতি-বিশ্বাসৰ প্ৰতি তেওঁ বীতৰাগী।"

"কিন্তু যদি ইন্দ্ৰই যি কোনো ছলনাৰে তেওঁক বলাৎকাৰ কৰিছে, তেন্তে? তেনে ক্ষেত্ৰত অবলা তিৰোতা এজনীৰ দোষ কি? দৈহিক শক্তিত পুৰুষতকৈ স্ত্ৰী দুৰ্বল। কিন্তু তেনে হলেও তাৰ শাস্তি ইমান ভয়ানক? নিজৰ পুত্ৰৰ হতুৱাই মাতৃহত্যা! কি ভয়ঙ্কৰ!"

"আদৰ্শ ৰক্ষাও এনেদৰেই ভয়ঙ্কৰ ৰঘুনাথ। পিতৃৰ আজ্ঞা পালন কৰা পুত্ৰৰ কৰ্তব্য। ভুল হওক, শুদ্ধ হওক, পাপ হওক, পুণ্য হওক, পিতৃৰ—"

"আদৰ্শ??" মনোযোগেৰে শুনি থকা লক্ষ্মণে হঠাৎ কুটুহাই উঠি ক'লে—পিতৃ নে মাতৃৰ আদেশ? মোৰ মতে মাতৃৰহে হব লাগে। কাৰণ তেওঁ জন্মদাতৃ। কিন্তু মই কাৰো দাস নহয়। নিজৰ ইচ্ছাৰ, যুক্তিৰ দাস। এখন ঘৰত পিতৃ-মাতৃৰ আধিপত্য থাকিব পাৰে কিন্তু এখন আশ্ৰমত?"

"গুৰুৰ। ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰত কৈও গুৰু ডাঙৰ।" বিশ্বামিত্ৰই ক'লে। ছাত্ৰৰ প্ৰশ্নই এতিয়া তেওঁলোকৰ আলোচনাৰ বিষয় হৈ পৰিল।

"বহুতে সেই কাৰণেই সংসাৰ ত্যাগ কৰে মানে সংসাৰৰপৰা পলায়? কিন্তু তেওঁলোক দুখৰপৰা পলাই সাৰিব নোৱাৰে। অৰণ্যতো জানো দুখ নাই? অসুবিধা আৰু অভাৱ-বোধ নাই? হিংস্ৰ জন্তুৰ মাজত—"

"তাতোকৈও হিংস্ৰ মানুহ।" এজনে তিক্ত কণ্ঠেৰে কৈ উঠিল— "সেইদেখি সংসাৰৰ মায়াৰপৰা আঁতৰত—"

"সি মায়া হব পাৰে, কিন্তু বেয়া হয় কেনেকৈ?" অত্ৰি মুনিয়ে গম্ভীৰ স্বৰেৰে ক'লে—"সিয়েই জীৱন। জীৱনৰ মূল প্ৰকৃতি। সমাজ পাতি, সংসাৰ পাতি জীয়াই থকা বেয়া ফালটোলৈ চায়েই আমি কোনো বস্তুক পৰিত্যাগ কৰা অনুচিত। সকলো যদি বৈৰাগী হয়, সংসাৰ চলিব কেনেকৈ? মানুহ জাতিটোৱেই নিশ্চিহ্ন হৈ নপৰিবনে? সিও জানো মানুহৰ বাবে আত্মঘাতী নহয়?

ৰাম-লক্ষ্মণে একান্ত মনেৰে এই আলোচনা শুনি আছিল, বিস্ময়ত তেওঁলোক হতবাক হৈ পৰিল। পৃথিৱীত ইমান কথা ভাবিব লগা আছে। বিশ্বামিত্ৰই লৈ নহা হ'লে সঁচাকৈয়ে অপূৰ্ণ হৈ বলহেঁতেন তেওঁলোকৰ জীৱনৰ পাত্ৰ। জ্ঞানৰ ভৰাল।

ইতিমধ্যে যজ্ঞ আৰম্ভ হৈছিল। অগ্নিত ঘনে ঘনে ঘিউৰ আহুতিৰে পোৰা তিল-চাউল আৰু নৈবেদ্যৰ গন্ধৰ ধোঁৱাৰে ধূঁৱলী-কুঁৱলী হৈ উঠিল চৌদিশ। প্ৰধান পুৰোহিতৰ স্পষ্ট আৰু গলগলীয়া মাতৰ মন্ত্ৰোচ্চাৰণৰ ধ্বনিৰে মুখৰিত হৈ পৰিল যজ্ঞথলি।

হঠাৎ প্ৰচণ্ড চীৎকাৰ ধ্বনিত যেন চৌদিশ কঁপি উঠিল। জাক জাক কলীয়া ডাৱৰ যেন যজ্ঞথলিলৈ কেউফালৰপৰা উৰি আহিছে। ঋষি-মুনিসকল ভয়ত পেপুৱা লাগিল। যজ্ঞৰ থলি এৰি যেনি-তেনি তেওঁলোক পলাবলৈ আৰম্ভ কৰিলে। দলে দলে উৰি অহাদি আহিছে কেটোৰ ক'লা আৰু কিম্ভূত কিমাকাৰ চেহেৰাৰ মানুহ। মতা আৰু তিৰোতা। তিৰোতাৰ বক্ষস্থল নিৰাভৰণ। কিছুমান নাঙঠ। গছৰ লতা বা বাকলিৰে মাথোন তল অংশ আবৃত। কেটোৰ ক'লা গাৰ ওপৰত ৰঙা-নীলা পোৱাল মণিৰে আৰু অদ্ভুত যেন লাগিছে সিহঁতক।

চকুৰ মণিও যেন তেজৰ দৰে ৰঙা। চটাচট বগা দাঁত। বিকট হাঁহি আৰু খিকিন্দালিৰে সিহঁতে যজ্ঞথলিৰ একোণত থকা ভৰালৰ বয়বস্তুবিলাক ভাঙি তহিলং কৰিবলৈ ধৰিলে। নৈবেদ্যসমূহ সোপা-সোপে মুখত ভৰালে। আশ্ৰমৰ বাথান খুলি গৰুবিলাক খেদি গ'ল। হাতে হাতে সিহঁতৰ দণ্ড আৰু খৰ্গ। ভৰাল ৰখীয়াইঁতৰ তেজেৰে ৰঙলী হাত আৰু অস্ত্ৰ।

যজ্ঞবেদীৰ চাৰিওফালে কিংকৰ্তব্যবিমূঢ়ভাৱে তেতিয়াও বৈ থকা ৰাম-লক্ষ্মণৰ লগতে ক্ষত্ৰিয় ছাত্ৰকেইজনক উদ্দেশি বিশ্বামিত্ৰই ক'লে,—

"তোমালোক ক্ষত্ৰিয়। অস্ত্ৰশিক্ষা পাইছা। আমাক ৰক্ষা কৰা। মই নিজে যুদ্ধ-বিদ্যা জানেনা। কিন্তু ক্ষত্ৰিয়ত্ব ত্যাগ কৰি সন্ন্যাস ধৰ্ম গ্ৰহণ কৰা বাবে সেইয়া মোৰ কৰ্তব্য নহয়।

ৰাম-লক্ষ্মণে ধনুত শৰ জুৰিলে। অসুৰৰ হাতত যাঠি আৰু দা। কাৰো ধনুশৰ নাই। ধনুশৰৰ ব্যৱহাৰ সিহঁতে নেজানে। গতিকে সিহঁতে যাঠি মৰাৰ আগতেই গৈ গাত শৰ লাগিবলৈ ধৰিলে। পাখি লগা বিহ কাঁড়। জাকে জাকে সিহঁত পৰিবলৈ ধৰিলে। বিকট চিংকাৰ ধ্বনিৰে খেদি অহা একোটা বীভৎস মূৰ্তি একোপাট শৰ লগাৰ লগে লগে আৰ্তনাদ কৰি পৰি যায়। মুখেৰে হোলোকা হোলোকে তেজে বৰিয়ায়। এই দুই অসম অস্ত্ৰৰ যুঁজ শেষ হবলৈ বেছি সময় নালাগিল। অসুৰইঁতে ভয় খাই গ'ল। কাষৰপৰা হতা-হতি যুঁজ কৰিবলৈ পোৱা হলে সিহঁতক পৰাজয় কৰিব পৰা নগ'লহেঁতেন। লুকাই লুকাই গছ-বনবিলাকৰ আঁৰ লৈ সিহঁত পলাবলৈ ধৰিলে। কাৰ গাত আহি কোন সময়ত পাছফালৰপৰা কাঁড় লাগে কি ঠিক? শৰে সিহঁতক খেদি গৈ থাকিল। ৰাম-লক্ষ্মণৰ সৈতে ছাত্ৰকেইটা পৰম-উৎসাহ আৰু আনন্দেৰে গৰুৰ পাল খেদাৰ দৰে সিহঁতক খেদি নিলে। কিছুমাত্ৰ ৰাক্ষস সৰযু নৈৰ কাষত পৰিলগৈ। কোবাল সোঁতত সাঁতুৰি যাবলৈ প্ৰাণপণে চেষ্টা কৰিলে। ৰাম-লক্ষ্মণে পাৰত বৈ বৈ শৰ মাৰি থাকিল। সৰযু নৈৰ পানী তেজেৰে ৰঙলী হৈ উঠিল। ইতিমধ্যে সন্ধিয়াই হৈছিল। চাৰিওফালে আঁৰিয়া লগাই সকলোৱে যজ্ঞ-বেদী পহৰা দি থাকিল।

দোকমোকৰ সময়ত আকৌ এজাক দৈত্য আহিল। সিহঁতৰ আগত আছিল ওখ, শকত আৰু সকলোতকৈ বীভৎস একজনী তিৰোতা। আউল-বাউল চুলি। চুলিৰ আগবিলাক কেঁকোৰা।

যেন শ শ সাপে মেৰ পাতি লিক্‌লিক্ কৰি জিভা উলিয়াইছে। তাইৰ বুকুখন দুটা যেন প্ৰকাণ্ড উঁই-হাফলু। কঁকালৰ তল ছোৱাত এছটা গছৰ বাকলিৰ বাহিৰে আন একো নাই। হাতত লৈ থকা যাঠিডাল জোকাৰি জোকাৰি লেকুৰা ওঠ ফালি বকবকাই কিবা কৈ কৈ তাই লৰি আহিছিল, এপাট শৰ তীব্ৰ গতিৰে আহি হঠাৎ তাইৰ বুকুত লাগিল। দঁাত মূৰ কামুৰি তাই বীভৎস ৰূপ ধাৰণ কৰিলে, হাতৰ যাঠিডাল মাৰিব খুজি বিকট চিঞৰ মাৰি মাটিত বাগৰি পৰিল। পাছে পাছে অহা আন এটাৰ বাউসীত শৰ লগাৰ লগে লগে বিশ্বাশবদে সি ভিৰাই দৌৰিবলৈ আৰম্ভ কৰিলে। শৰডালে তাক যেন পাছ লৈ ঠেলি উৰাইহে লৈ গ'ল।

মৰি পৰি থকা প্ৰকাণ্ড চেহেৰাৰ ৰাক্ষসীজনীক দেখুৱাই উপমন্যুৱে ক'লে—"এইজনীয়েই তাড়কা। তাই এসাজত এনাও ভাত, এশ চুঙা গাখীৰ আৰু এটা ম'হ খাব পাৰে।" অতিৰঞ্জিত হ'লেও ৰাম-লক্ষ্মণে তাইৰ প্ৰকাণ্ড চেহেৰালৈ চাই ধৰিব পাৰিলে তিনি চাৰিটা মানুহৰ আহাৰ সঁচাকৈয়ে তাই অকলেই খাই শেষ কৰিব।

ঘূঁজিবলৈ উদগনি দি থকা বিশ্বামিত্ৰলৈ চাই ৰামে সুধিলে,—"অসুৰহঁতক নৈৰ সিপাৰ হৈ খেদি যোৱা ভাল হব নেকি?" "উঁহো"—বিশ্বামিত্ৰই বাধা দি ক'লে— "সিহঁতৰ কাষ চাপি গৈ জিকাৰ সাধ্য নাই। সিহঁত আমাতকৈ বেছি বলবান, যুজাৰু আৰু বুদ্ধিমান। নদীখন পাৰ হৈ আহিব লগা হোৱাটোৱেই সিহঁতৰ বাবে অসুবিধা আৰু আমাৰ বাবে সুবিধা।"

## পাঁচ

যজ্ঞৰ পিছত দিহাদিহি যাবলৈ ওলোৱা ঋষিসকলৰ মাজৰ এজনে ৰাম-লক্ষ্মণৰপৰা বিদায় লৈ ক'লে,—"মোৰ জন্মভূমি কোশললৈ তোমালোকক আমন্ত্ৰণ জনাইছোঁ—"

"কোশল ৰাজকন্যা কৌশল্যা মোৰ মাতৃ।" ৰামে ক'লে।

"এতিয়া কিন্তু তাত আগৰ সেই ৰাজবংশ নাই। ৰাজৰ্ষি জনক এতিয়া আমাৰ ৰজা।" বিশ্বামিত্ৰলৈ চাই ঋষিজনে ক'লে,—"শুনি আহিছোঁ ৰাজৰ্ষি জনকে তেওঁৰ জীয়েকৰ স্বয়ম্বৰ পাতিছে।"

"জীয়েক ? মই জনাত জনকৰ—"

"মানে তোলনীয়া জীয়েক। খেতিৰ পথাৰত পৰি থকা পাই তুলি-তালি তেওঁ ডাঙৰ কৰিছে।"

"নিশ্চয় কাৰোবাৰ অবৈধ সন্তান।"

"হব পাৰে। ৰজাই তেওঁক কিন্তু নিজৰ জীয়েকতকৈও বেছি ভাল পায়।" শুনি থকা এজন ঋষিয়ে কৈ উঠিল— "যিমানেই নহওক ৰজাই তুলি লোৱাৰ কাৰণেহে তেওঁ ৰাজকন্যা। কোনে জানে কি কূল আৰু—"

"তিৰোতাৰ পৰিচয় কূল নহয় প্ৰত্যুৎ। সৌন্দৰ্য্য আৰু শীল। দেখাত তেওঁ দেৱৰাজ ইন্দ্ৰৰ শচীকো চেৰ পেলাব। হৰৰ পাৰ্বতীৰ লগতেহে তুলনা কৰিব পাৰি।" আন এজনে ক'লে

"তুমি দেখিছা ?"

"ওঁ। মন্দিৰলৈ যাওঁতে এবাৰ মুখা-মুখি হৈছিল। নিশ্চয় অপ্সৰাসকলৰ কোনোবাই এৰি থৈ গৈছিল দেৱৰাজ্যলৈ। তেওঁলোকৰ তেজৰ বিশুদ্ধতা ৰক্ষাৰ কাৰণে ইয়াৰ প্ৰয়োজন।"

"এই প্ৰথা এতিয়া আমাৰ ইয়াতো আৰম্ভ হৈছে। নিজক যিমানে শ্ৰেষ্ঠ বুলি ভাবে ব্যভিচাৰ সিমানে বেছি হয়। যিসকল 'শ্ৰেষ্ঠ', ব্যভিচাৰৰপৰা ওপজা সন্তানক তেওঁলোকে গ্ৰহণ নকৰে। এনেকৈয়ে ব্ৰাহ্মণ, ক্ষত্ৰিয় আদিৰ দৰে বৈশ্য আৰু শূদ্ৰ নামৰ দুটা জাতিৰো সৃষ্টি হৈছে।"

ৰামৰ মুখত হঠাৎ চকু পৰাত আচৰিত হোৱাৰ দৰে ঋষিজনে কৈ উঠিল—"কি আচৰিত ! এওঁৰ মুখৰ লগত জানকীৰ কি অদ্ভুত মিল !"

ৰামৰ দেহৰ ভিতৰেদি কিবা এটা যেন হঠাৎ পিৰপিৰাই গ'ল। কৈশোৰ শেষ হৈ মুহূৰ্ততে তেওঁ যুবক হ'ল। যৌৱন প্ৰাপ্তিৰ লক্ষণে মনৰ মাজত খুদুৱনি আৰু খলকনি তুলিলে। তেওঁৰ দেহৰ লগত মিলা গাভৰুজনীক এবাৰ দেখা পোৱাৰ দুৰ্নিবাৰ হাবিয়াস জন্মিল।

ঋষিজনে ক'লে,—"জনকে তেওঁৰ জীয়েকৰ সয়ম্বৰ পাতিছে। পণ হৈছে হৰধনু ভঙ্গ। তেওঁলোকৰ ঘৰত উত্তৰাধিকাৰ হিচাপে লাভ কৰা এখন প্ৰকাণ্ড ধনু আছে। এই পৃকষৰ মানুহে তাক দাঙি ল'বই নোৱাৰিব। আগৰ চাম মানুহ আছিল গুখ, ডাঙৰ, বীৰ্য্যবান। কিন্তু—"

শুনি থকা প্ৰবাহন নামৰ ঋষিজনে কৈ উঠিল—“সকলো ভাগ্যৰ ওপৰত নৈমিষ! মানুহৰ ভাগ্যইহে জীৱনক ৰূপ দিয়ে। জন্মৰ লগে লগে জীৱৰ নিৰ্দিষ্ট পথ আৰম্ভ হয়। আৰম্ভৰ লগে লগে সেই পথৰ শেষটোও সুনিৰ্দিষ্ট হৈ যায়। সেইমতেই চলে জীৱন। জগত। মানুহৰ সৰ্বজ্ঞতা গুণ আছে। ভগৱানৰ একো অংশ লৈ আমি জন্ম হৈছো। ইয়াক বিকাশৰ সাধনাই তপস্যা।”

“হঠাৎ মোৰ মনত উদয় হোৱা এই চিন্তা নিশ্চয় সেই ভাগ্য-দেৱতাৰেই কাৰ্য্য। জানকীৰ লগত থকা এওঁৰ অদ্ভুত সাদৃশ্য—ই হয়তো প্ৰকৃতিৰ এক অমোঘ বিধানৰ আৰম্ভণিৰ ইঙ্গিত—”

“হব পাৰে, কোনে জানে? বিধাতাৰ ইচ্ছাৰ কথা কোনে কব পাৰে?”

ৰামৰ মনত ছোৱালীজনী দেখাৰ বাবে পুনৰায় দুৰ্বাৰ বাসনা জন্মিল। হৃদয়ত থাকি থাকি খলকনিৰে এক অদ্ভুত আনন্দৰ শিহৰণ বৈ গ'ল। অজান আনন্দ। বুজাব নোৱাৰা, বুজিব নোৱাৰা।

বিশ্বামিত্ৰই হঠাৎ ক'লে, “আমিও সেইফালেই যাম। সমৃদ্ধি-শালী কোশল ৰাজ্যখন দেখুৱাবলৈকে এওঁলোকক লৈ যাব লাগিব।”

## ছয়

ৰাম-লক্ষ্মণক লৈ বিশ্বামিত্ৰই বিদেহ অভিমুখে যাত্ৰা কৰিলে। প্ৰাচীন কোশলৰ একখণ্ড হ'লেও একে সমভূমি অঞ্চল কোশল আৰু বিদেহৰ পাৰ্থক্য অসীম। দেখাৰ লগে লগেই দুইখন দেশৰ পাৰ্থক্য ধৰা পৰে। এসময়ত সমগ্ৰ কোশলৰ ৰাজধানী আছিল অযোধ্যা। এতিয়া তাৰে অংশ বিদেহৰ ৰাজধানী মিথিলা। প্ৰাসাদসমূহ, ৰথ আদি বাহন আৰু পৰিচ্ছদৰপৰা তেওঁলোকৰ প্ৰভাৱ আৰু প্ৰতিপত্তি ধৰিব পাৰি। নগৰ আৰু চহৰৰ অৱশ্যে বিশেষ কোনো পাৰ্থক্য নাই। সকলোতে প্ৰায় একে সাঁচৰ ঘৰ। একে ধৰণৰ পিন্ধা সাজ আৰু বাহন। পাগুৰী আৰু উত্তৰীয়। সকলো মানুহ একে গোষ্ঠীৰ হোৱা বাবে দেখা, শুনা আৰু মুখৰ ভাষাত তেওঁলোকে একে। কিছুমান আচাৰ-ব্যৱহাৰ মাথোন পাৰ্থক্য।

বিশ্বামিত্ৰই ক'লে, “এই দুইখন দেশৰ মূল পাৰ্থক্যৰ বিষয়ে তোমালোকে জনা উচিত। অযোধ্যাত ৰাজতন্ত্ৰ কিন্তু বিদেহ গণতন্ত্ৰৰ দেশ।”

"গণতন্ত্ৰ ??"

"ওঁ, অযোধ্যাৰ ৰজা জন্মসূত্ৰত ৰজা। পুত্ৰৰ পিছত পুত্ৰ উত্তৰাধিকাৰী সূত্ৰে ৰজা হৈ আহিছে। ইক্ষাকুৰপৰা ৰজা দশৰথলৈ এনেকৈয়ে হৈছে। দশৰথৰ পিছত তেওঁৰ বৰপুত্ৰ শ্ৰীৰাম ৰজা হ'ব!"

"কিন্তু ইয়াত ?"

"ইয়াত ৰজাক ৰাইজে নিৰ্বাচিত কৰে। সকলো প্ৰজাৰে ৰজা হ'বলৈ অধিকাৰ আছে। সৰহ প্ৰজাই যদি নিৰ্বাচন কৰে যি কোনো লোক ৰজা হ'ব। ইয়াতো কিন্তু আগতে ৰাজতন্ত্ৰ আছিল। সেই ৰাজতন্ত্ৰক ওফৰাইহে গণতন্ত্ৰ স্থাপিত হৈছে।"

"আগৰ সেই ৰাজবংশ ?"

"এতিয়া সাধাৰণ প্ৰজা। তেওঁলোকৰ তেতিয়াৰ সকলো সম্পত্তি এতিয়া প্ৰজাৰ সমূহীয়া সম্পত্তি।"

ৰাম-লক্ষ্মণে আগ্ৰহেৰে শুনি গ'ল। বিশ্বামিত্ৰই পুনৰ ক'লে,—"এইখন দেশৰ প্ৰতিজন লোকে দেশখনক নিজৰ বুলি ভাবে। দেশখন অকল সম্ৰাটৰ নহয়। স্বদেশৰ কাৰণেই তেওঁলোকে কৰ্তব্য কৰে; ৰাজতন্ত্ৰী দেশৰ দৰে মাথোন শাসকৰ কাৰণে নহয়। বিদেহৰ শাসক জনক ৰজা নহয়, ৰাজৰ্ষি। ধাৰ্মিক, জ্ঞানী। দেশৰ ভালৰ কাৰণেই তেওঁৰ দৰে ঋষিক সম্ৰাট পতা হৈছে। তেওঁৰ সকলো কৰ্তব্য দেশখনৰ ভালৰ কাৰণে। সকলো প্ৰজা সমান। অযোধ্যাত সকলো প্ৰজা ৰজাৰ। কিন্তু ইয়াত ৰজাও প্ৰজাৰে এজন। তেওঁ প্ৰজাই কৰা সকলো কাম কৰিব লাগে। জনক জ্ঞানী আৰু ৰাজৰ্ষিয়েই নহয়, এজন ভাল খেতিয়কো। আজিৰ সময়ত তেওঁ পথাৰত কাম কৰে।"

"বৰ ভাল কথা।" ৰাম-লক্ষ্মণ দুইটাই বৰ আনন্দেৰে উচ্চাৰণ কৰিলে—"শাসনৰ ক্ষেত্ৰত তেন্তে গণতন্ত্ৰই সকলোতকৈ বেছি ভাল পদ্ধতি ?"

"অৱশ্যে। শাসকৰ সুমতি আৰু সুচৰিত্ৰৰ ওপৰতে এই ভাল-বেয়া নিৰ্ভৰ কৰিছে। জনকৰ দৰে ৰাজৰ্ষি যদি ৰজা হয় তেহে। শাসকজন অত্যাচাৰী আৰু অনাচাৰী হ'লে নামত ৰাজতন্ত্ৰই হওক বা গণতন্ত্ৰই হওক লাভ কি ? কৈছোৱেই জনক কেইবছৰমান আগলৈকে সাধাৰণ

প্ৰজা আছিল। এদিন হাল বাবলৈ যাওঁতে খেতি পথাৰত তেওঁ এটি নৱজাত শিশু হেৰাই পালে—"

ৰাম উদগ্ৰীৱ হৈ উঠিল। লক্ষ্মণে ক'লে, "কোনোবাই নিশ্চয় পেলাই থৈ গৈছিল।"

"হব পাৰে। ছোৱালীজনী বৰ সুলক্ষণী। তাইক পোৱাৰ পিছৰেপৰাই জনকৰ পৰিবৰ্তন হবলৈ ধৰিলে। ধনে-ধানে উপচি পৰিল। নিৰ্বাচনত জয়ী হৈ হ'ল বিদেহৰ শাসক। কেইবাবছৰো অৰাজক হৈ থকা বিদেহ ৰাজ্যত শান্তি, সুখ আৰু সমৃদ্ধিয়ে বিৰাজ কৰিলে। সকলোৱে ছোৱালীজনীক বিদেহৰ ৰাজলক্ষ্মী বুলিবলৈ ধৰিলে।" সঁচাকৈয়ে তাই লক্ষ্মী। জনকৰ সতি-সন্ততি নাছিল। নিঃসন্তান হৈ থকা জনক অলপ দিনৰ পিছতে এজনী কন্যা সন্তানৰ পিতৃ হ'ল। কিন্তু এই তোলনীয়া জীয়েকহে তেওঁলোকৰ বেছি মৰমৰ। ৰূপে-গুণে তাই জাকত জিলিকা। খেতিৰ পথাৰত, নাঙলৰ শিৰলুত জন্মৰ বাবে ছোৱালীজনীৰ নাম থোৱা হ'ল "সীতা"।

সীতা !! ৰামৰ মনত শব্দটোৱে হঠাৎ আহি আঘাত কৰিলে। এটা যেন পাহৰি যোৱা শব্দ হঠাৎ মনত পৰি গ'ল। বিস্মৃতিৰ গৰ্ভত লীন হৈ যোৱা কথা আৰু কাহিনী ধীৰে ধীৰে মনত পৰি যাব খোজাৰ দৰে ৰোমাঞ্চিত হৈ উঠিল তেওঁ।

লক্ষ্মণে সুধিলে —"ৰাজতন্ত্ৰৰ ৰজাই গণতন্ত্ৰৰ শাসকক হীন বুলি নেভাবে ?"

"নেভাবে।" বিশ্বামিত্ৰই ক'লে, "বৰঞ্চ জনক তেওঁলোকতকৈও বেছি শ্ৰদ্ধাৰ পাত্ৰ। জনক ধাৰ্মিক, ৰাজৰ্ষি, তৰ্কত পাৰ্গত। পৰম জ্ঞানী। তেওঁৰ লগত শাস্ত্ৰৰ তৰ্ক কৰি জিকা সহজ নহয়। আদৰ্শত তেওঁ অচল-অটল। সকলোৱে তেওঁক ভয় আৰু ভক্তি কৰে। ৰজা জনকৰ লগত সম্বন্ধ স্থাপিত হোৱাটো জম্বু দ্বীপৰ যি কোনো ৰজাই বাঞ্ছা কৰে। গণতন্ত্ৰ কাৰণে এই দেশখনলৈ সকলোৰে চকু। সকলোৱে প্ৰজাৰ সম্মিলিত শক্তিক ভয় কৰে।" খোজকাঢ়ি গৈ থাকি বিশ্বামিত্ৰই কৈ গ'ল।

বাটেদি গৈ থাকোঁতে ৰাম-লক্ষ্মণলৈ মানুহবিলাকে পৰম ঔৎসুক্যতাৰে ৰ-লাগি চাবলৈ ধৰিলে। পানী নিবলৈ অহা তিৰোতা মানুহ আৰু গাভৰু ছোৱালীৰ জাকে, গম আৰু যৱৰ পথাৰত

কাম কৰা লোক । মাজে মাজে একোখন ৰথ পাৰ হৈ যায় বাটটোৱেদি । আগে পাছে অসংখ্য মানুহ । ৰথীয়াৰ সংখ্যা আৰু পৰিচ্ছদে সম্ভ্ৰান্ত লোক বুলি চিনাকি দিছে । একোখন সোণৰ পাত মেৰিওৱা দোলাই তেওঁলোকক পাছ পেলাই থৈ আগবাঢ়ি যায় ।

ৰাজধানী মিথিলাৰ যিমানেই কাষ চাপি গ'ল সিমানেই উদ্ছলি মুদ্ছলিৰ উমান বেছি হ'ল । দেশ বিদেশৰ ৰজা আৰু ৰাজকোঁৱৰ সকলে আহি ঠায়ে ঠায়ে বাহৰ পাতি আছেহি । অ'ত ত'ত কুটিৰ আৰু চামিয়ানা তৰা । সৈন্যদলেৰে সুসজ্জিত । নিজৰ নিজৰ শক্তি আৰু সামৰ্থ্য, বিভূতি আৰু বৈভৱ তেওঁলোকে প্ৰদৰ্শন কৰিছে । একোজন বুঢ়া আৰু ৰুগীয়া ৰজা কিন্তু সোণ আৰু মণি মৰকতেৰে ওপচা দোলা, ঘোঁৰা, ধনজনৰ গৰ্ব আৰু গৌৰৱেই যাৰ মূলধন । সেই গৰ্ব আৰু গৌৰৱেৰেই এজনী গাভৰুক নিজৰ স্ত্ৰী কৰাৰ কি দুৰন্ত হাবিয়াস !

বিশ্বামিত্ৰৰ পাছে পাছে গৈ ৰাম-লক্ষ্মণ ৰাজসভা পালেগৈ । উপস্থিত সকলোৱে ঔৎসুক্যভাৱে লক্ষ্য কৰিলে-- দুজন ল'ৰা— স্বাস্থ্য-বান আৰু সুশ্ৰী, কিন্তু তাপসৰ বেশ । যেন দুই গন্ধৰ্ব কুমাৰ ।

## সাত

বিশ্বামিত্ৰক দেখি ৰজা জনক সিংহাসনৰপৰা নামি আহিল । পাদ্য-অৰ্ঘৰে অৰ্চনা কৰি সুধিলে—"প্ৰভু । পবিত্ৰ দিনত আমাৰ ৰাজ্যত আপোনাৰ শুভাগম'ন হ'ল । মই নিজকে ধন্য মানিছোঁ । আজি আবেলি মোৰ জীয়ৰী সীতাৰ সয়ম্বৰ । তাইৰ পৰম সৌভাগ্য এনে পুণ্য দিনত আপোনাৰ আশীৰ্বাদ তাই লাভ কৰিব ।"

"সীতাৰ সয়ম্বৰৰ কথা আশ্ৰমতেই আমি গম পাইছোঁ ৰাজৰ্ষি । এওঁলোকক আপোনাৰ আৰু আপোনাৰ ৰাজ্যৰ বিষয়ে মই বাটে বাটে কৈ আহিছোঁ, — "

"এওঁলোক ??" ঔৎসুক্যভাৱে জনকে ৰাম-লক্ষ্মণৰ মুখলৈ চালে । তেওঁলোকে নমস্কাৰ জনালে । বিশ্বামিত্ৰই পৰিচয় দি ক'লে,— "এওঁলোক অযোধ্যাৰাজ দশৰথৰ পুত্ৰ ।"

"দশৰথৰ ?? দশৰথ মোৰ বন্ধু । বহুতদিন তেওঁৰপৰা কোনো বতৰা পোৱা নাই । তেওঁ কেনে আছে ?"

"অযোধ্যাৰ পৰা অহা আমাৰ বহুত দিন হ'ল। অলপ দিন আমিও তেখেতৰ সম্বেদ পোৱা নাই।" ৰামে ক'লে।

"এওঁলোক মোৰ আশ্রমৰ ছাত্র।" বিশ্বামিত্রই ক'লে—"ধনুর্বিদ্যাকে ধৰি শিক্ষা সমাপ্ত কৰিছে। বেদ বেদাঙ্গ আদি শাস্ত্রও—"

সতানন্দ ওচৰলৈ আহিছিল, জনকে তৎপৰতাৰে তেওঁক নির্দেশ দি ক'লে,— "এওঁলোকক অন্তেষপুৰলৈ লৈ যোৱা। মহাদেৱীক পৰিচয় দি ক'বা মোৰ বন্ধু পুত্র। অতিথি।"

আঁতৰি যাব খোজা সতানন্দক মাতি পুনৰ জনকে ক'লে,— "অন্তেষপুৰৰ বিশেষভাৱে সজ্জিত এটি প্রকোষ্ঠত এওঁলোকক থাকিবলৈ দিবা। বহুত দূৰ খোজ কাঢ়ি আহিছে, ভাগৰত ক্লান্ত।"

## আঠ

সতানন্দই ৰাম-লক্ষ্মণক পাটমাদেৱৰ লগত পৰিচয় কৰাই দিবলৈ অন্তেষপুৰলৈ বাট দেখুৱাই লৈ গৈ দেখিলে মহাদেৱী আয়তীসকলৰ সৈতে পানী তুলিবলৈ গৈছিল. উভতি আহিছে। কাষত হালধীয়া ৰঙৰ কাপোৰেৰে বন্ধা মঙ্গলঘট। ওপৰত নৱপত্রিকা। এজনীৰ কাষত ৰিৰি। চাউলেৰে পূর্ণ ঢুণৰিটোৰ ভিতৰত জ্বলি থকা মাটিৰ চাকিৰ কাষত দেখা গৈছে এহাল হাঁহকণী আৰু এযোৰ তামোল পাণ। মহাদেৱীক মাজত লৈ আয়তীসকলে লেহেৰীয়া সুৰেৰে পানী তুলিবলৈ যোৱা বিয়া-নাম গাই চিৰি ভাঙি ভাঙি ক্রমাৎ প্রাসাদৰ ওপৰলৈ উঠি আহিব খুজিছে। মুকলি প্রাঙ্গণৰ একোণত মন্দিৰ। মাজত ঢুজোপা দোঁ-খাই ফুলা শেৱালি আৰু বগা কাঞ্চন ফুল। চাৰিওফালে ধূপ-ধূনাৰ পবিত্র গোন্ধ। উৰুলিৰ ধ্বনি আৰু এজাক গাভৰুৰ হাঁহিৰ খিল্‌খিলনি আহিছে মন্দিৰৰ একাষৰপৰা।

মুখা-মুখি হব লগা হোৱাত ৰাম-লক্ষ্মণৰ সৈতে সতানন্দ একাষৰীয়া হৈ থিয় হল। আয়তীসকলৰ চকু ৰাম-লক্ষ্মণৰ ওপৰত পৰিল। ৰাজ-আভৰণ আৰু অলঙ্কাৰবিহীন হ'লেও ফুলৰ মালাৰে বিভূষিত কোনোবা তাপস মুনি-পুত্রৰ দৰে ব্রহ্মচাৰী। খালি ভৰি। সঁচাকৈয়ে যেন ঢুজন গন্ধর্বকুমাৰ।

সতানন্দই পৰিচয় কৰাই দি ক'লে—"কোশল কন্যাৰ পুত্র হিচাবে এইয়া এওঁলোকৰ মাতামহৰ ঘৰ। প্রাচীন সেই ৰাজবংশ নাই যদিও অদৃশ্য তেজৰ সম্পর্ক আছে বিদেহৰ লগত।"

সম্বন্ধতকৈ তেওঁলোকৰ অমায়িক ব্যৱহাৰে আৰু সুস্বাস্থ্যযুক্ত সুগঠী দেহে সকলোকে আকৃষ্ট কৰিলে। লোদোৰ-পোদোৰ ছুটা পোৱালি হাতীলৈ মৰমেৰে চোৱাৰ দৰে সকলোৱে তেওঁলোককলৈ চাই ৰল। ৰাজপুত্ৰ এনেদৰে সাধাৰণ লোকৰ দৰে আহিব বুলি কোনেও কল্পনা কৰা নাছিল। ৰজা আৰু ৰাজপুত্ৰৰ সোণ-ৰূপৰ প্ৰাচুৰ্য্যৰ কথা কোনে নেজানে? ৰথ, সাৰথি আৰু সামন্তৰে পৰিবেষ্টিত নহলে তেওঁলোক কলৈকো এখোজো নেযায়।

ৰাম-লক্ষ্মণ কাষ চাপি গ'স আৰু মহাদেৱীক ভৰি ছুই সেৱা কৰিলে।

মহাদেৱীয়ে সতানন্দক তেওঁলোকৰ থকা-মেলাৰ ব্যৱস্থাৰ কথা সুধিলে। নিজৰ লিগিৰীজনীক তদাৰক কৰিবলৈ ক'লে। তেখেতৰ আগ্ৰহ আৰু ব্যস্ততা দেখি ৰামে বিনয়েৰে কৈ উঠিল—"আপুনি ব্যস্ত হ'ব নালাগে আই! এখেতে সকলো ব্যৱস্থা কৰি দিছে। আমি অকণো অভাৱ অসুবিধা বোধ কৰা নাই। আশ্ৰমবাসী হিচাপে সহজ জীৱন যাপনত আমি অভ্যস্ত। আমি গুৰুদেৱৰ লগতহে আহিছোঁ—এতিয়াও ছাত্ৰ।"

লক্ষ্মণে ক'লে,—"আপুনি বৰ ব্যস্ত। এনে পুণ্য কামৰ সময়ত আমি আহি আমনি দিছোঁ। আমাৰ কথা নেভাবি কামলৈ যাওক।"

দেৱীঘৰৰ মুখত হঠাৎ শঙ্খ-ঘণ্টা আৰু উৰুলিৰ ধ্বনি শুনি সকলোৱে সেইফাললৈ চালে। গৰ্ভগৃহৰপৰা উৰুলিকৃত হৈ এজাক গাভৰু ওলাই আহিছে। মাজত বেৰি লৈ আহিছে এগৰাকী যুৱতী। হালধিৰ বোল লগা কাপোৰ, ডিভিত ৰঙা ফুলৰ মালা পিন্ধা এগৰাকী যেন তপস্বিনী। আগে আগে পৱিত্ৰ মঙ্গলপানী ছটিয়াই আহিছে এজনী কিশোৰীয়ে। দুবৰি, চাউল, আম আৰু বেলৰ পাত অ'ত ত'ত সিঁচৰিত হৈ পৰিছে।

তেওঁলোক আগবাঢ়ি আহিল। মাক মহাদেৱীক সেৱা কৰিবলৈ আহি ন-কন্যাই দেখিলে মাকৰ কাষত দুজন অচিনাকি ল'ৰা বৈ আছে। ওখ আৰু শ্যাম বৰণীয়া ল'ৰাজনে কিবা কৈছে, আনজনে মনোযোগেৰে শুনিছে। দুইজন ১৪/১৬ বছৰীয়া ল'ৰা। হালধীয়া ৰঙৰ বসনৰ ওপৰত মাখোন উত্তৰীয় গাত। ডিভি আৰু হাতত ফুলৰ মালা।

মাকক সেৱা কৰি একাষত থিয় হ'ল সীতা। পুৰোহিতে মন্ত্ৰপুত জল ছটিয়াই মন্ত্ৰ মাতিলে। সীতাই গম পালে ভাৰৰ ল'ৰাজনৰ

বাওঁফালে নিচেই কাষত তেওঁ আহি অজ্ঞানিতে থিয় হৈছে। উফৰি যোৱা দুই-চাৰিটা চাউল তেওঁৰ গাতো গৈ পৰিছে। তেৱোঁ যেন সীতাৰ দৰেই বিবাহৰ বাবেহে প্রস্তুত হৈ একে কাপোৰ পিন্ধিছে। একেফুলৰ মালা ডিঙিতো। তপস্বী আৰু ব্ৰহ্মচাৰীৰ বেশ। এক অলৌকিক সংযোগ। ঋষি কুমাৰৰ বেশত কোনোবা ৰাজপুত্ৰ ? এবাৰ হঠাৎ মূৰ তুলি চালে সীতাই। একে সময়তে ল'ৰাজনেও চাই দিয়াত দুয়োৰে চকুৱে চকুৱে পৰিল। এক অদ্ভুত প্রবাহ বৈ গ'ল দুয়োৰে মনৰ ভিতৰেৰে। কাৰোবাৰ চকুত এনে জেউতি আছে ? চকুৰ চাৱনিৰেই মনৰ ভিতৰৰ কথা ক'ব পাৰে। শিয়ৰি উঠিল মন। যেন ক'ৰবাত দেখিছে— আজন্মৰ চিনাকি। হঠাৎ দেখা হৈ গ'ল জীৱন আৰু মৰণৰ লগৰীক। কোনোবাই যেন মনৰ ভিতৰত ফুচ-ফুচাই কৈ উঠিল তেৱেঁই তুমি। তোমাৰ জীৱন-মৰণ। ইহকাল-পৰকাল। চক্ খাই উঠি আকৌ এবাৰ চাই দিলে সীতাই। আকৌ ল'ৰাজনে একে সমান সময়ত চাই দিলে। মনৰ কথা যেন গম পাই গৈছে মনে। মই চাম এতিয়া এইফালে চোৱা। কিবা এক অবুজ ভাষাৰে জানি গৈছে মনৰ কথা। কেইটামান মুহূর্ত চকু তললৈ নমোৱাৰ কথা পাহৰি গ'ল সীতাই। সম্বিত ঘূৰাই পাই তলমূৰ কৰিলে। 'কিছুমান মানুহক দেখাৰ লগে লগেই চিনাকি আৰু আত্মীয় যেন বোধ হয়।' ৰামে ভাবিলে।

দলটো প্ৰাসাদৰ আন এটা কোণ অভিমুখে খোজ ল'লে। ল'ৰা দুজন পাছ পৰি ৰ'ল। সীতাৰ চকুৰ আগত ঢৌৰ দৰে ল'ৰা-জনৰ ৰূপটো ভাঁহি উঠিল— গাৰ বৰণ আৰু গঠন। চকু আৰু মুখৰ আকৃতি। হঠাৎ সেই চকুৰ চাৱনি। চাৱনিত প্ৰকাশ পোৱা মনৰ গোপন কোঠাৰ সম্ভেদ।

নিজ কোঠাত সোমাব খুজি কওঁ-নকওঁকৈ সংকোচেৰে সীতাই অনুৰাধাক সুধিলে,— "তেওঁলোকক কোন বুলি কৈছিল ?"

"কোন তেওঁলোক ? কাৰ কথা কৈছা ?" বুজি পালেও নোপোৱাৰ ভাও জুৰিলে অনুৰাধাই।

"সেই ল'ৰা দুজন—মাৰ কাষত যে আছিল।"

গামোচাৰে গা মচি দি নতুন সাজ পিন্ধাৰলৈ ধৰি অনুৰাধাই ক'লে— "অযোধ্যাৰ ৰাজকুমাৰ—"

"তপস্বীৰ দৰে কিয় ?"

"শিক্ষা সাংকৰি বিশ্বামিত্ৰৰ আশ্ৰমৰপৰা বাহিৰে বাহিৰে ইয়ালৈ আহিছে। তোমাক আকৌ তেওঁলোকৰ কথা কেলেই? পেঘেনিয়াই সুধি আছা দেখোন? সয়ম্বৰলৈ অহা নাই দিয়া,— ৰাজ্য চাবলৈহে আহিছে।" ভৰিৰ গৰোৱাৰ কাষত পৰা অন্তৰ্বাস-খন ঠিক কৰি দিব খুজি, মূৰ তুলি মুখলৈ চাই মস্কৰা কৰিলে অনুৰাধাই—"মন খালে কি হব আইকণ ধনু ভাঙিব জানো পাৰিব?"

উৰ্মিলা সোমাই আহি শুনি আছিল, ক'লে,— "দুইটা ওচৰা-উচৰিকৈ থকা দেখি হঠাৎ মই ভাবি পেলাইছিলো— সয়ম্বৰ যেন হৈয়ে গ'ল। তুমি যেন ডিঙিত মালা পিন্ধাই দিহে একাষত থিয় হৈ আছা।"

"যাঃ" লাজ লাজ কৰি সীতাই উচ্চাৰণ কৰিলে। সঁচাকৈয়ে কথাটো সেই সময়ত সীতাৰো মনলৈ আহিছিল। একাষত থিয় হৈ থাকোঁতে উপস্থিতিৰ উমান হৃদয়ে হৃদয়ে অনুভৱ কৰিছিল। মুখলৈ নেচালেও মনৰ চকুৰে তেওঁৰ মুখতেই চকু থৈছিল।

"দুইটাৰ মুখ দুখন বাৰু ইমান একে কেনেকৈ হ'ল?" উৰ্মিলাই কৈ উঠিল—"মই আকৌ আমাৰ কোনোবা নিজৰ মানুহ বুলিহে ভাবিছিলো। দুইটা যেন একেটা সাঁচতে গঢ়া। দুইটাক যেন দুইটাৰে কাৰণেহে সৃষ্টি কৰিছে।"

অনুৰাধাই ক'লে—"সয়ম্বৰৰ স্বদ্ব-তত্ত্ব বাদ দি একেবাৰে বিয়াৰ ব্যৱস্থা কৰা হ'লেই ভাল আছিল নহয়?"

মনে মনে দেৱীঘৰৰ ফালে হাত যোৰ কৰি সীতাই নিজৰ মনেৰেই দেৱীক উদ্দেশি ক'লে— "মোৰ ভাগ্য আৰু ভৱিষ্যত এওঁৰ হাতটেই সঁপি দিয়া গোসাঁনী। এওঁৱেই মোৰ জীৱন-মৰণ। ইহকাল পৰকাল।"

## ন

সয়ম্বৰ সভা।

উন্মুক্ত প্ৰাঙ্গনৰ মাজঠাইত ওখ বেদীৰ ওপৰত থোৱা আছে এখন প্ৰকাণ্ড ধনু। বেদীক কেন্দ্ৰ কৰি কুৰিহাতমান খালি ঠাই

এৰি ধেনুভিৰীয়া আৰু শাৰী শাৰীকৈ পতা আছে সুসজ্জিত আসন। ভাগে ভাগে বহি আছে বিদৰ্ভ, উৎকল, অঙ্গ, প্ৰাগ-জ্যোতিষ, কেৰল, পাৰসিক, কনৌজ আৰু কাশ্মীৰ আদি প্ৰখ্যাত ৰাজ্যৰ ৰজা-মহাৰজা আৰু সম্ৰাটসকল। সোঁফালে একোণত দৰ্শকৰ ঠাইত বিশ্বামিত্ৰৰ দুইকাষে নিম্নাসনত বহি আছে ৰাম আৰু লক্ষ্মণ। সেই ফালেই মুখা-মুখিকৈ আঁৰ-কাপোৰৰ আঁৰত আয়তীসকলৰ স্থান। আঁৰৰপৰা তিৰোতাসকলে সকলো দেখি আছে যদিও তেওঁলোকক কিন্তু কোনেও দেখা নাই। তেওঁলোকৰ মাজত কন্যাৰ বেশত সীতা। লগত অনুৰাধা, উৰ্মিলা, বিপাশা, সৰযু আৰু নৰ্মদাহঁত। চঞ্চলা-চপলা উৰ্মিলাই থৌকিবাথৌকৈ ঘূৰি ফুৰিছে। মাজে মাজে ইটো সিটো কথা কৈ ৰগৰ কৰিছে। একোটা হাঁহি উঠা কথাৰে আঁৰ-কাপোৰৰ বাহিৰত দেখি থকা সমজুৱাসকলৰ ৰূপ, আওভাও, স্বভাৱৰ ওপৰত অদ্ভুত উৰ্বৰ বিদ্ৰূপাত্মক মন্তব্যত গিৰ্জনী মাৰি সকলোৱে হাঁহি উঠিছে। উৰ্মিলা এনে কথাত বৰ পাকৈত! মানুহৰ মাত-কথা, খোজ-কাটল আৰু ভাও-ভঙ্গিমাৰ যথাযথ অনুকৰণ তাই কৰিব পাৰে। মুখফালে ৰাম-লক্ষ্মণক সীতাৰ কাষৰপৰা দেখি থকাৰ কাৰণে ঘনে পতি সীতাক তাই জোকাইছে—"কাৰ ভাগ্যত কি আছে কি ঠিক! মনে মনে কিবা প্ৰকাৰে ধনুখন আধা ভঙাকৈ থ'ব পৰা হ'লে!"

এবাৰ ভিতৰ ফালৰপৰা উধাতু খাই আহি আনন্দত উৎফুল্ল হৈ ক'লে—"শুনিছনে নাই? ধনু ভঙ্গৰ পণ উঠাই লোৱা হ'ল। এতিয়া কন্যাই নিজৰ ইচ্ছামতে বৰণ কৰিব পাৰিব—"

"সঁচা??" সকলোৰে লগতে সীতাইও পৰম ঔৎসুক্যতা আৰু উল্লাসেৰে উচ্চাৰণ কৰি পেলালে। লগে লগে "মিছা" বুলি কৈ উৰ্মিলাই হো হোকৈ হাঁহি দিলে আৰু হাঁহি সামৰি ক'লে,—"আৰৈ দেহি! এনে কৰিব পৰা হ'লে! মহাদেৱীলৈ মনে মনে কিমান কঠোৰ ব্ৰত পালন কৰিম বুলি চাগৈ মানস কৰিছে।"

সীতাই লাজ আৰু বিৰক্তিৰে ধমক দি কৈ উঠিল—"তইঁতে এনে কৰি থাকিলে মই ইয়াত কিন্তু নেথাকিম।"

"নেথাকি আৰু কলৈ যাবা? যিকোনো এজনলৈতো যাবই লাগিব।—এ ৰাম, চোৱাচোন চোৱা—সেই পেটুৱাজনে কেনেখন কৰিছে। কেনেবাকৈ তেওঁ যদি ধনুখন ভাঙিব পাৰে?"

শকত আৰু মঙহাল মানুহজনৰ গাত সকলোৰে চকুত পৰিল। সোণৰ কিৰীটিৰে সৈতে ৰাজসিক পোছাক জকমকাইছে। মঙহৰ এটা যেন লদা, মুখখনত চকুৰ ডাঠ ভ্ৰূ। কেনেকৈ বহিলে ভাল লাগিব তেওঁ ধৰিব পৰা নাই। এবাৰ এটা ভৰি আনটোৰ ওপৰত তুলি লৈছে। আন এবাৰ দুইটা ভৰি মেলি দিছে। হঠাৎ হামিয়াই দিয়াত মুখখন তালুলৈকে দেখা গ'ল। অদ্ভুত ভোটোকা নাকটো কোঁচ খাই গ'ল। চকুহাল ভুৰুৰ মঙহৰ আঁৰত লুকাই নেদেখা হৈ পৰিল।

হঠাৎ সমুখত থোৱা প্ৰকাণ্ড থালখনৰপৰা ডাঙৰ লাড়ু এটা হাতত লৈ জোৰেৰে দলিয়াই দিয়াৰ ভাওজুৰি উৰ্মিলাই কৈ উঠিল—"মুখলৈ মাৰি দিওঁ নেকি?" এটাইমখাই গিৰ্জনি মাৰি হাঁহি উঠিল। আনকি সীতাইও। উৰ্মিলাই ভয় খোৱাৰ দৰে কৈ উঠিল—"অ' মা! সেইদালে কেনেবাকৈ ভাঙিব পাৰিলে কি হ'ব বাৰু অম্বু?"

"চিকৌ—নিবলৈ নিদিওঁ। জোৰ কৰি আমি ৰখাই থ'ম।"

"দেউতাইনো এনে পণ কৰিব লগা হ'ল কিয়? বীৰ হ'লেই হ'ল? বীৰৰ ভিতৰত বীৰ বছাৰ লগতে দেখাই শুনাইও ভাল হ'ব লাগিব তেহে। দেউতাক কৈ এইবিলাক ধেমালি বন্ধ কৰা উচিত। দেউতা-মাই নেলাগে, আমি নিজে ল'ৰা চাম—"

"আমি" শব্দটো শুনি মালবিকাই কাষত থকাজনীক কিলা-কুটিৰে ঠেলা মাৰি দি ক'লে—"অকল সীতাৰ বাবেই নহয়, সকলোৰে বাবে। উৰ্মিলা, কীৰ্তি আৰু অম্বুৰাধাৰো!!"

"উৰ্মিৰ বাবেতো ঠিক হৈয়ে আছে--" এজনীয়ে লক্ষ্মণলৈ আঙুলিয়াই দেখুৱাই কৈ উঠিল।

"মন খাইছে যদি যাগে তুইয়ে।" উৰ্মিলাৰ সকলো চঞ্চলতা জুইত পানী পৰাৰ দৰে যেন মুহূৰ্ততে সেমেকি গ'ল।

হঠাৎ সভামণ্ডপত গিৰ্জনি মৰা হাঁহি শুনি সকলোৱে সেই-ফালে চালে। ধনুভঙ্গৰ খেল আৰম্ভ হৈ গৈছে। ঘোষকে একো-জনৰ নাম আৰু পৰিচয় ঘোষণা কৰিছে। একোজন শেনটোৰ দৰে আগবাঢ়ি গৈ কেঁচাটোৰ দৰে উভতি আহিছে। পৰিচয় দিছে বৰ গৌৰৱেৰে কিন্তু উভতি গৈছে বৰ লাজ আৰু ধিক্কাৰেৰে। লেং লেং

কৰে ওখ কিন্তু খাগৰি এডাল যেন লিটা মানুহ এটা জলমলীয়া কাপোৰ পিন্ধা, মুখত প্ৰকাণ্ড একোছা গোঁফেৰে—ধনুখন দাঙিবৰ চেষ্টা কৰিছে। কিন্তু পৰা নাই। বাৰেপতি হাউলি, চকু-মুখ বন্ধ কৰি জোৰেৰে উশাহ সলাইছে। আহোঁতে তেওঁ বীৰদৰ্পে আহিছিল। আঁঠুৰ মূৰলৈকে দাঙিব নোৱাৰি তলমূৰ কৰি উভতি আহিল। চাৰিওফালে হাঁহিৰ ৰোল।

উৰ্মিলাই গুজুপ কৰে ক'লে—"বেছিকৈ হাউলি জোৰ নিদিলে ভালেই হ'ল, যিহে চিঞোঁ কঁকাল মটৰ কৰে ভাগিলহেঁতেন।"

কিছুমান সময় কোনো অহা নাই। দৰ্শকসকলে ঔৎসুক্যভাৱে লক্ষ্য কৰিছে কোনোবা আহে নেকি? ইজনে সিজনক কিবা কৈছে। কোনোবাই এনে বুলি কোৱা যেন লাগিছে—"আমি চাবলৈহে আহিছোঁ, সয়ম্বৰত যোগ দিবলৈ নহয়।"

বিখ্যাত ৰাজ্য একোখনৰ বীৰ বুলি পৰিচিত ৰজা একোজনেও নোৱাৰাৰ কাৰণে সৰুসুৰা পালি ৰজাবিলাক ভয় খাই উঠি অহা নাই।

বহুত সময় কোনো অহা নাই। সঘনাই ঘোষকৰ কণ্ঠস্বৰ শুনা গৈছে। সনিৰ্বন্ধে বীৰসকলক প্ৰতিযোগিতাত যোগদান কৰিবলৈ অনুৰোধ কৰিছে। কিন্তু কোনো অহা নাই। বিশ্বামিত্ৰই ৰামক কিবা কোৱা যেন দেখা গ'ল। লক্ষ্মণে শুনি মূৰ দুপিয়াই সমৰ্থন কৰিলে। ৰাম বহাৰ পৰা থিয় হ'ল আৰু বিশ্বামিত্ৰক প্ৰথমে সেৱা কৰিলে। বিশ্বামিত্ৰ থিয় হৈ গল্‌গলীয়া মাতটোৰে সকলোৱে শুনাকৈ ক'লে,—

"মোৰ প্ৰিয় শিষ্য, অযোধ্যাৰ ৰাজকুমাৰ ৰামচন্দ্ৰ এই সভাত উপস্থিত আছে। তেওঁ এতিয়াও ছাত্ৰ। সয়ম্বৰৰ বাবে নিমন্ত্ৰিত হৈ অহা নাই। কিন্তু মই আদেশ দিছোঁ তেওঁ প্ৰতিযোগিতাত নামিব। স্ত্ৰীলাভৰ বাবেই নহয়, ভাৰতবৰ্ষত হৰধনু ভাঙিব পৰা বীৰ কোনো নাই এই অপবাদ খণ্ডন কৰি নিজক বীৰ বুলি পৰিচয় দিবলৈও।"

দৰ্শকে হাত চাপৰিৰে সমৰ্থন জনালে। ঢবা, শঙ্খ, কাঁহ-কৰতাল বাজি উঠিল।

কোনোৱা এজনীয়ে সীতাক চিকুটি দিলে। উৰ্মিলাই কৃত্ৰিম ভঙ্গিৰে কৈ উঠিল— "আই মহাদেৱী ৰক্ষা কৰা—" মনে মনে সীতাই সঁচাকৈয়ে মহাদেৱীক স্মৰণ কৰিলে।

ৰাম বেদীৰ সমুখলৈ আগবাঢ়ি গ'ল— আঁঠু কাঢ়ি সেৱা কৰিলে— যেন মন্ত্র মাতিলে। এটা ভৰি আঁঠুকঢ়াৰ ভঙ্গীৰেই থাকি আনটোৰ ওপৰত দেহৰ ভাৰ দি ধনুত হাত দিলে। মুখখনলৈ তেজৰ আভা বিয়পিল। চিপ্ মাৰি উৰুৰ ওপৰলৈ উঠালে। দৰ্শকসকলে হাত তালি আৰু হৰ্ষধ্বনি কৰিলে। ধনুখনত হাতৰ শৰডাল জোৰাৰ চেষ্টা কৰি গুণত টান দিলে। হঠাৎ প্ৰচণ্ড শব্দ কৰি ধনুখন ছুটুকুৰ হৈ ভাগি গ'ল। ঔৎসুক্যভাৱে সকলোৱে চাবলৈ থিয় হৈ ৰ'ল। সীতা অবাক। উৎকণ্ঠা আৰু উত্তেজনাত যেন অচেতন। চেতনা লভিলে যেতিয়া মালবিকা আৰু উৰ্মিলাই দৌৰি গৈ সাৱটি ধৰিলে। উৰ্মিলাই দুই গালত শব্দ কৰি চুমা খালে আৰু কৈ উঠিল,— "চোৱা মোৰ কথা সত্য হ'ল। উঠা উঠা। মালাধাৰ ক'ত—" সকলোৰে মাজত প্ৰচণ্ড হাঁহিৰ বোল উঠিল। সীতাক সয়ম্বৰ সভালৈ লৈ যাবৰ বাবে খৰখেদা লগালে। উৰুলিৰ ধ্বনিৰে ছোৱালীজাকে পিন্ধা সাজ ঠিক কৰি দিলে। আঁৰ-কাপোৰৰ আঁৰৰপৰা ৰাজসভালৈ লৈ গ'ল। ৰাজৰ্ষি জনক আগবাঢ়ি আহি আগুৱাই নিলে। ৰামৰ ডিঙিত সীতাই মালা পিন্ধাই দিলে। দুইটাক বিশ্বামিত্ৰৰ কাষলৈ নি সেৱা কৰালে। বিশ্বামিত্ৰই সীতাক আশীৰ্বাদ দি ক'লে,—"পাৰ্বতীৰ দৰে হোৱা— হৰ-গৌৰী বসতি হওক।"

জনকৰ মুখলৈ চাই সভাসদসকলক সম্বোধি বিশ্বামিত্ৰই ক'লে,— "এওঁলোকক আশ্ৰমৰপৰা বাহিৰে বাহিৰে মই লৈ আহিছিলোঁ, পিতাকৰ অনুমতি লোৱা নাই। গতিকে সম্রাট দশৰথক বিয়াৰ বাবে আনিবলৈ মানুহ পঠিওৱা হওক—"

জনকে লক্ষ্মণক আৰু একাষত ৰৈ থকা উৰ্মিলাক দুই হাতেৰে ধৰি আছিল। কিবা কোৱাৰ আগতেই জোৰ কৰি উৰ্মিলাই হাত একৰালে আৰু সভাথলিৰ মানুহ ভাঙি ল'ৰি আঁতৰি গ'ল।

চৌদ্ধ বছৰৰ আগৰ সেই জীৱন-কাহিনী কেনে ৰহস্যময়! ৰোমাঞ্চকৰ !!

চৌদ্ধ বছৰৰ পিছৰ আজিৰ এই জীৱন কেনে কণ্টকাকীৰ্ণ! বিভীষিকাময় !!

## দহ

ধীৰে ধীৰে উদ্যানৰ আনটো অংশৰ ফালে গৈ থাকিল ৰঘুপতি। অশোক বনৰপৰা আনটো মূৰৰ কুৰুবক, শেৱালি আৰু বকুল ফুলৰ শাৰীৰ কাষলৈ। অশোক বন যেন বৰ বেছি ৰাজসিক। তেজৰঙা ফুল দেখিলে ভাল নেলাগে তেওঁৰ। সি যেন কাৰোবাৰ তেজেৰেহে ৰঙা হৈছে। গৰ্ব আৰু গৌৰৱৰ যেন সেইয়া সংমিশ্ৰণ। সেইটো ফাল বিষয়, এইটো ফাল বৈৰাগ্য। পৱিত্ৰ এখন আশ্ৰম যেন এইটো ফাল। এশাৰী বকুল ফুলৰ তলত অ'ত ত'ত কেইবাখনো শিলাসন। ভাই লক্ষ্মণে ঠাইখিনিৰ নাম দিছে শান্তিবন। সঁচাকৈ যেন শান্তিৰ আলয়।

একোণৰ এজোপা অকলশৰীয়া গুলঞ্চ ফুলৰ তলত বহি পৰিল ৰঘুপতি। অন্তেষপুৰৰ এটা প্ৰকোষ্ঠৰ সেইয়া পাছফাল। সৰোবৰৰ সিফালে গভীৰ নিৰৱতা। আনফালৰ দৰে ব্যস্ত প্ৰহৰী আৰু পৰিচাৰিকাৰ দল নাই। নিঝুম। নিশ্চুপ।

ধীৰে ধীৰে গভীৰ প্ৰশান্তিয়ে যেন অধিকাৰ কৰিব খুজিলে তেওঁৰ মন। অস্থিৰ আৰু আলোড়িত হৈ থকা হৃদয় শাঁত পৰি যাব খুজিলে। এই ঠাইত সকলো পাহৰি বহি থাকিব পাৰি। ৰাজ্য আৰু ৰাজত্বৰ কথা। জীৱনৰ কথা। কাম, ক্ৰোধ, লোভ, মোহ সকলোৰে কথা। এবাৰ হঠাৎ তেওঁৰ চকুত পৰিল সৰোবৰৰ সিটো পাৰত, এন্ধাৰত, অশোকবনৰ ফালে থকা ৰাজভৱনৰ কোনোবা এঠাইত একমনে চকু থৈ প্ৰস্তৰ মূৰ্তিৰ দৰে নিৰৱ নিষ্পন্দ হৈ কোনোবা এটা বহি আছে।

উৰ্মিলা! শব্দটোৱে প্ৰচণ্ড জোৰেৰে আহি বুকুত আঘাত কৰিলে ৰঘুপতিৰ।

উৰ্মিলা নহয় যেন মূৰ্তিমতী বিষাদ। অচিন ৰোগে খুলি খুলি খাইছে এটা গাভৰু জীৱন। যৌৱন।

প্ৰথম দেখোঁতে কিন্তু জানকীতকৈও উৰ্মিলা আছিল বেছি মনোৰমা — ৰঙিয়াল, চঞ্চলা, চপলা। হাঁহিৰ নিজৰাৰ দৰে প্ৰাণোচ্ছল। এদিনৰ কিশোৰী উৰ্মিলা আজি হল দায়িত্বশীলা বধূ। সুমিত্ৰা আৰু কৌশল্যাৰ পৰিচৰ্য্যাৰ ভাৰ স্বইচ্ছাই বহন কৰিছে উৰ্মিলাই।

তাইৰ ওপৰতেই পৰিছে যেন ইক্ষ্বাকু বংশৰ ঐতিহ্য আৰু সম্মান ৰক্ষাৰ ভাৰ।

উৰ্মিলাৰ কথা মনত পৰিলেই এটা বিশেষ দিনৰ কথা চাঁৎ কৰে মনলৈ আহে। চৈধ্য বছৰ বনবাস খাটি অযোধ্যা আহি পোৱাৰ কথা। অন্তঃপুৰৰ দুৱাৰমুখত আহি থিয় হৈছিল ৰঘুপতি। পাছত সীতা আৰু লক্ষ্মণ। সৰু কোঠাটোৰ একোণত এখন বিচনাত বিধৱাৰ বেশত আই সুমিত্ৰা শুই আছে। কগীয়া, জীৰ্ণা-শীৰ্ণা। ভৰি-পথানত বহি তালপাতৰ বিচনী এখনেৰে বিচি আছে উৰ্মিলাই। আই সুমিত্ৰাৰ দেহত এযোৰ শুধ বগা কপাহী কাপোৰ। মুখ শুকান আৰু কঠিন। অকাল বাৰ্দ্ধক্যৰ চিন পৰিছে চকু-মুখে। কপালত কণমান এটা বগা চন্দনৰ ফোঁট।

সুমিত্ৰাৰ দৰে উৰ্মিলাও যেন বিধৱা। জীৰ্ণা-শীৰ্ণা। গাত লৈ থকা সাধাৰণ হালধীয়া ৰঙৰ চাদৰখনেৰে উৰ্মিলাক আৰু বেছি শুকান যেন লাগিছে।

এজনী লিগিৰী বুলি ভ্ৰম হৈ গৈছিল ৰামচন্দ্ৰৰ। "উৰ্মিলা" বুলি সীতাই দৌৰি গৈ সাবটি নধৰা হ'লে লিগিৰী বুলিয়েই ভাবি থাকিলহেঁতেন তেওঁ।

সীতাৰ আলিঙ্গনৰপৰা নিজক মুক্ত কৰাৰ চেষ্টা কৰিলে উৰ্মিলাই। অকণো আনন্দ আৰু আহ্লাদ নাই। নিৰ্বিকাৰ। চৈধ্যবছৰ অদৰ্শনৰ পিছত বাই-ভনীৰ এইয়া প্ৰথম মিলন। অস্বাভাৱিক নিৰানন্দ!

"তোমাৰ কিবা অসুখ নেকি উৰ্মিলা?" একে সমান সময়ত ৰাম আৰু সীতাই প্ৰশ্ন কৰি উঠিল।

সৰু সৰুকৈ মূৰটো লৰালে, উৰ্মিলাই মুখেৰে একো নক'লে। ওৰণিখনৰ আগটো সোঁহাতৰ আঙুলিদুটাৰে টানি ললে, দাঁতেৰে একাংশ কামুৰি ধৰিলে আৰু একাষৰীয়া হৈ তলমূৰ কৰি থিয় হৈ ৰ'ল। লক্ষ্মণৰফালে এবাৰো চোৱা নাই উৰ্মিলাই। মাথোন যন্ত্ৰৰ দৰে নিৱৰে ৰামৰ লগতে সীতা আৰু লক্ষ্মণকো সেৱা কৰিলে। লক্ষ্মণৰ উপস্থিতি যেন অনুভৱেই কৰিব পৰা নাই। চৈধ্যবছৰৰ পিছত স্বামী-স্ত্ৰীৰ সেইয়া আছিল প্ৰথম সাক্ষাৎ। প্ৰথম মিলন হঠাৎ—

হঠাৎ আজি আকৌ এবাৰ বুকুখনত বিষ অনুভৱ কৰিলে ৰঘুপতিয়ে। স্বামী-স্ত্ৰীৰ মাজঠাইত বাধাৰ প্ৰাচীৰ হিচাপে থিয় হৈ আছে সীতা

আৰু ৰাম। উৰ্মিলাৰ অস্বাভাৱিক মৌনতা আছিল তাৰ প্ৰতিবাদৰ ধ্বনি। এজনী ছোৱালীৰ জীৱনৰ সকলো আনন্দ, দেহৰ সকলো তেজ আৰু মঙহ তিল-তিলকৈ নিঃশেষ কৰাৰ বাবে দায়ী ৰঘুপতি। লক্ষ্মণক চৈধ্যটা বছৰ উৰ্মিলাৰ জীৱনৰপৰা আঁতৰাই নৰখোৱা হ'লে উৰ্মিলাৰ দেহ আৰু মনৰ এই দুৰৱস্থা নহ'লহেঁতেন।

নিচেই কাষত মতা কাৰোবাৰ মাতত চক্ খাই উঠিল ৰাম। বহুতদিনৰ আগৰপৰা বহুতদিনৰ পিছলৈ উভতি আহিল। তেওঁ উৰ্মিলা নহয়, সমুখত প্ৰহৰী প্ৰতিহাৰী আঠুকাঢ়ি আছে। কিবা কৈছে, দুবাৰ কোৱাৰ পিছতো একো বুজিব নোৱাৰি পুনৰ সুধিলে,—"কি হৈছে প্ৰতিহাৰী ?"

"মহাদেৱীয়ে স্মৰণ কৰিছে ভগৱান !"

"মহাদেৱী !! ক'ত আছে ?"

"অগ্নিগৃহত ভগৱান !"

যন্ত্ৰৰ দৰে ৰঘুপতি থিয় হ'ল। প্ৰতিহাৰীৰ পাছে পাছে মন্ত্ৰমুগ্ধ সাপৰ দৰে ধীৰে ধীৰে যাবলৈ ধৰিলে।

অগ্নিগৃহৰ মূল দুৱাৰমুখ পাই কেইটামান মুহূৰ্ত থমকি ৰ'ল ৰাম আৰু পাদুকা খহাই মন্দিৰৰ গৰ্ভ-গৃহৰ একোণত গৈ থিয় হ'ল।

প্ৰাচীন যজ্ঞ-বেদীৰ একোণৰ মুকলি ঠাইখিনিত বিষ্ণুমন্দিৰৰ একোণত নতুনকৈ সজা মহাদেৱীৰ মন্দিৰ। সিংহাসনত উপবিষ্টা দেৱী মূৰ্তি। সোণ-ৰূপৰ ফুলেৰে জকমক কৰিছে। মূৰত সোণৰ কিৰীটি। বিষ্ণুমন্দিৰত সাতটা ঘোঁৰাই টনা ৰথৰ আকৃতিৰে সজা সিংহাসনত গড়ুড়ৰ পিঠিত বহি থকা অৱস্থাত বিষ্ণু। এটা হাতত সুদৰ্শন চক্ৰ আন তিনিটাত শঙ্খ, গদা, আৰু পদ্ম। বিষ্ণুমন্দিৰৰ একোণত সৰু এটা অগ্নিগৃহ। প্ৰাচীন অমূৰ্তক অগ্নিষ্টোম হোমযজ্ঞৰ থলি। ধীৰে ধীৰে ই অৱহেলিত হবলৈ ধৰিছে তাৰ ঠাই লৈছে সোণৰ মূৰ্তিৰ জাক-জমকীয়া পূজাই। বিষ্ণুৰ ঠায়ো লব খুজিছে মহাদেৱীয়ে। সোণদীপৰ দৰে ৰাজকীয় পূজা আৰু নৈবদ্যৰ পয়োভৰে।

যজ্ঞ-কুণ্ডৰ প্ৰজ্বলিত অগ্নিৰ সমুখত গৈ ৰঘুপতিয়ে আঠু কাঢ়িলে। মূৰত হাত থৈ বিৰবিৰকৈ মন্ত্ৰ মাতি আশীৰ্বাদ কৰিলে পুৰোহিতে। ডাঢ়ি আৰু চুলিৰে ভৰা তেজাল মুখখনেৰে পৌঢ় সন্ন্যাসী পুৰোহিত। গাত হালধীয়া ৰঙৰ কাপোৰ। কপালত বগাৰ কাষে কাষে ৰঙা চন্দনৰ ফোঁট। গণেশৰ দৰে ফিটোৰ যদিও স্বাস্থ্যবান। বিশ্বামিত্ৰ

আৰু বশিষ্ঠৰ দৰে বৃদ্ধ নহয়। বাওঁবাহুৰপৰা ওলমি আছে যজ্ঞোপবিত। হাতত লৈ থকা হোমবাৰি দুদালো সোণৰ। সমুখৰ অগ্নিকুণ্ডৰপৰা আহিছে ভজা তিল চাউল আৰু পোৰা ঘিউৰ লগতে ধূপ-দ্বীপৰ সুগন্ধ। বোধকৰো যজ্ঞত এইমাত্র আহুতি দিয়া হৈছে। শঙ্খ-ঘণ্টা বাদ্যৰ শব্দ শুনিছিল আহি আহিয়েই। একোণত থকা ঘণ্টাটোৰ ওপৰত আঁঠুকাঢ়ি হাতযোৰ কৰি থকা গড়ুড়ৰ মূর্তি। সমুখৰ থাল এখনত সেন্দূৰ, ৰঙা চন্দন আৰু একাঁজলিমান ৰঙা-বগা ফুল।

যজ্ঞকুণ্ডৰ আনটো মূৰত বহি আছে ৰাজমহিষী কৌশল্যা আৰু সুমিত্রা। মহর্ষিৰ মুখা-মুখিকৈ একেখন হৰিণাৰ ছালত বহি আছে লক্ষ্মণ আৰু উৰ্মিলা। দুইটাৰ স্বাস্থ্য আৰু স্বভাৱৰ অকণো মিল নাই। লক্ষ্মণ তেজাল। ঘূৰণীয়া মুখখনেৰে আটিল দেহ। উৰ্মিলাৰ মুখখন দীঘলীয়া আৰু কণীয়া চেহেৰাৰ। অপৰাজিতা ফুলৰ ৰঙেৰে বোলোৱা চাদৰখনেৰে উৰ্মিলাক আৰু বেছি কণীয়া দেখা গৈছে। মূৰত বন্ধা শিৰবন্ধডালৰ গুটি গুটি মণিবিলাক আগচোতালৰ ফালে বাঢ়ি অহা দুবৰি বনৰ আগবিলাকৰ দৰে কপালৰ ওপৰলৈ নামি আহিছে। লাজত ৰঙা পৰা জোঙা নাকৰ আগটো ঘামিছে। কৰবী ফুলৰ পাহিৰ দৰে বহল নাকৰ পাহি দুটা মাজে মাজে ফুলি ফুলি উঠিছে।

দুইটাক দেখিলে এনে লাগে যেন ধৰি-বান্ধি আনি জোৰ কৰি দুইটাক একেলগে বহুৱাই দিয়া হৈছে। দুইটা দুইটাৰ যেন অচিনাকী। নৱ-বিবাহিতাৰ দৰে সংকোচ আৰু লাজৰ ভৰত দুইটাই দুইটাৰ ফালে চোৱা নাই। উৰ্মিলাই মাজে মাজে অস্থিৰভাৱে উচ্ পিচ্ কৰিছে। যজ্ঞ কেনেকৈ শেষ হয়, কেনেকৈ আঁতৰি যাব পাৰে তাৰহে যেন তাই ক্ষণ গণিছে। লক্ষ্মণ চিৰদিনৰ দৰে অচঞ্চল। শ্রদ্ধা আৰু ভক্তিৰে কৰ্তব্য আৰু দায়িত্ব পালনৰ বাবেহে ইমান নিষ্ঠা আৰু আগ্ৰহেৰে যেন সি চকু মুদি বহি আছে। কাৰোবাৰ আদেশৰ বলত, নিজৰ ইচ্ছাৰ বিপৰীতে। আদেশ পালনৰ, দায়িত্ব পালনৰ ঐকান্তিকতাই লক্ষ্মণৰ জীৱন।

যজ্ঞকুণ্ডৰ সোঁহাতে মহাদেৱী কৌশল্যাৰ কাষত বহি আছে সীতা। ৰাম অহা দেখি তেওঁ মূৰ তুলি চালে। চকুত চকু থৈ স্বাগতম জনাবলৈ আগ্রহেৰে বাট চোৱাৰ ইচ্ছা চকুৰে মুখে প্রকাশ পালে। চকুত চকু পৰিলেই সকলোৰে অলক্ষে মিচিকিয়াই হাঁহি অস্ফুট

ইঙ্গিতেৰে নিজৰ উপস্থিতি জনাবলৈ সীতাৰ বৰ মন গ'ল। কিন্তু ইচ্ছা কৰিয়েই ৰঘুপতিয়ে সেই ফালে নোচোৱাকৈ থাকিল। তেওঁ যেন যজ্ঞৰ দেৱতা আৰু তেওঁৰ প্ৰতিনিধি এই পুৰোহিত ঋষিজনৰ বাহিৰে আন কাকো চিনি নেপায়। নেচালেও কিন্তু ৰামচন্দ্ৰই মৰ্মে মৰ্মে অনুভৱ কৰিলে জানকী ক্ষুণ্ণ হৈছে। আন সময়ত হোৱা হ'লে ৰামৰ চকু প্ৰথমে সীতাৰ মুখৰ ওপৰতেই পৰিলহেঁতেন। কণমান হাঁহি এটাৰে সীতাই স্বাগতম জনালেহেঁতেন। গোটেই আবেলিটোৰ পিছত এইয়া তেওঁলোকৰ প্ৰথম দেখাদেখি। পুৰোহিত আৰু ছুগৰাকী শাহুআইৰ উপস্থিতিত আৰু তাতোকৈ যজ্ঞথলিৰ এমূৰত থকা কাৰণেই সীতাই তেওঁক মুখেৰে একো কব নোৱাৰি গোমোঠা মুখেৰে বহি ৰল।

ৰাজমহিষী সুমিত্ৰাৰ দৰে মাতৃ কৌশল্যাইও চকু মুদি আছে। এবাৰ চকু মেলি মহৰ্ষিক ভক্তিভাৱে ক'লে,—“প্ৰভু! আপোনাৰ বৰতেই সিহঁতৰ জন্ম। সিহঁতক ৰক্ষাৰ ভাৰও আপোনাৰ ওপৰতেই। আশীৰ্বাদ দিয়ক--” মুহূৰ্ততে ৰামৰ মনত পৰিষ্কাৰ হৈ পৰিল মানুহজন কোন, অসময়ত আৰু হঠাৎ এই হোম যজ্ঞৰ আয়োজন কিহৰ বাবে, লক্ষ্মণ আৰু উৰ্মিলা এনেদৰে একেখন হৰিণাৰ ছালত বহি থকাৰ অৰ্থ কি?

যজ্ঞবেদী পৰিষ্কাৰ কৰি কৰি মহৰ্ষি ঋষ্যশৃঙ্গই ক'লে,–“চিন্তাৰ কোনো কাৰণ নাই মহাদেৱী। মহাপ্ৰভু বিষ্ণুৱে এওঁলোক দুইজনৰ ওপৰত কৃপাবৰ্ষণ কৰক। তেওঁৰ দয়াতেই আপোনালোকৰ গুণধৰ পুত্ৰকেইজনৰ জন্ম হৈছিল। এওঁলোকৰো সন্তানে ইক্ষ্বাকুবংশৰ সুনাম ৰক্ষা কৰিব।”

উৰ্মিলাই নিথৰ হৈ হোমৰ জুইকুৰালৈ চাই ৰ'ল। লক্ষ্মণে ধোঁৱাই ধৰাৰ নিচিনাকৈ চকুহাল মুদি দিলে। আকৌ এবাৰ সীতাৰ মন গ'ল; ৰঘুপতিৰ চকুহালত নিজৰ চকু থৈ কথাটো কি ইঙ্গিত দিবলৈ। ৰঘুপতি কিন্তু নিৰ্বিকাৰ। নিথৰ।

সীতাৰ ভিতৰি ভিতৰি খং উঠি গ'ল। যজ্ঞৰ পিছত ধীৰ খোজেৰে নিজ ভৱনলৈ উভতি আহিল ৰাম। পাছফালৰ দুৱাৰেৰে আয়তী-সকলৰ দ্বাৰা বেষ্টিত হৈ আগতে আঁতৰি গ'ল জানকী। আনফালে উৰ্মিলা। ৰঘুপতি ইমান আঁতৰত থাকিল যে ইচ্ছা কৰিলেও সীতাই একো কোৱাৰ সুবিধা নেপালে।

## এষাৰ

যজ্ঞ শেষ হোৱাৰ লগে লগে থিয় হ'ল। এৰি থৈ অহা কঠোৰ কৰ্তব্যৰ তাড়ণাত আঁতৰি যোৱাৰ দৰে খৰ খোজেৰে গৰ্ভগৃহ আৰু চণ্ডিমণ্ডপ পাৰ হৈ প্ৰাসাদৰ কোনোবা এঠাইত নিমিষতে লুকাই পৰিল।

অন্তেষপুৰৰ কোঠা এটাৰ ফালে ধীৰে ধীৰে আগুৱাই গ'ল উৰ্মিলা। জুইৰ তাপত ইমান পৰে বন্দী কৰি থোৱা উৰ্মিলাই যেন এতিয়া উশাহ সলাই বাচিলে। কিন্তু ৰাজপ্ৰাসাদ নামৰ এই কাৰাগাৰটোত উশাহ লবলৈ পৱিত্ৰ বতাহ ক'ত? চাৰিওফালে প্ৰাসাদ। বিস্তীৰ্ণ প্ৰান্তৰৰ মিথিলা নহয়, এইখন প্ৰাসাদ আৰু প্ৰাচীৰৰ ৰাজ্য অযোধ্যা। পদ্ম সৰোবৰৰ সেইটো ফালেই মাথোন মুকলি। সেইফালেই অকণমান স্বাধীনতা, সুখ আৰু শান্তি। ৰূপৱতী পৰিচাৰিকা, বৃদ্ধা ৰাজমহিষী আৰু এলাগী ৰাণীৰ জায়বীহঁতৰ ভীৰ নাই তাত। কুৎসাৰতনা, ঈৰ্ষা আৰু অশ্লীল ইঙ্গিতেই যাৰ জীৱনৰ একমাত্ৰ ধৰ্ম। প্ৰাসাদৰ মাজৰ এই বতাহ তেনে শত সহস্ৰলোকৰ নিশ্বাসেৰে বিষাক্ত।

নিজ প্ৰাসাদৰ ওচৰ পাই কাৰোবাৰ হাঁহিৰ খলকনি শুনি হঠাৎ ৰৈ যাব খুজিলে উৰ্মিলা। প্ৰাসাদৰ একোণত বহি কোনোবা এজাকে কথা পাতিছে। কোনোবাজনীয়ে হঠাৎ কৈ উঠিছে— "ফুঃ। যজ্ঞ কৰিলে ক'ৰবাত ল'ৰা হয়?"

বহুতদিনৰ আগতে আন এদিনো এই একেষাৰ কথাকে শুনি ৰৈ যাব লগা হৈছিল উৰ্মিলা। সেই সময়ত সেইটো আছিল মাজু আই কৈকেয়ীৰ প্ৰাসাদ। খুটা এটাৰ আঁৰত বহি কথা পাতি থকা কোনোবাকেইজনীৰ মাজৰ এজনীয়ে আজিৰ দৰেই কৈ উঠিছিল, —"যজ্ঞ কৰিলে ক'ৰবাত ল'ৰা হয়?" ব্যঙ্গ আৰু বিদ্ৰূপভৰা কণ্ঠৰ কথাষাৰৰ লগে লগে প্ৰচণ্ড হাঁহিৰ খিল্ খিলনি শুনিছিল।

মাতৰ গৰাকী মানুহজনী চকুৰ আগত ভাঁহি উঠিল উৰ্মিলাৰ। চুটি-চাপৰ মানুহজনীতকৈ মুখখন ডাঙৰ। মুখলৈ চালে ঠিঁ ঠিঁ কৰে জোঙা নাকটোতেই প্ৰথম চকুত পৰে। চকুত পৰে কাজলী গাইৰ

চকুৰ দৰে ডাঙৰ ডাঙৰ ডঁহা চকুহালত । থল থল কৰে আহি পৰে অনবৰত পানী লাগি থকাৰ দৰে গেন-গেনীয়া মাতটো । সুৰত প্ৰচণ্ড বিদ্ৰূপ । মস্কৰা আৰু ব্যঙ্গ । সৰু বুকুখন দুৰ্বুদ্ধি আৰু কুটিলতাৰে ভৰা আছিল মানুহজনীৰ ।

প্ৰায়েই কোৱাৰ দৰে সেইদিনাও বহি বহি এজনীয়ে সাধু কৈছিল । বাকী মখাই মনে মনে শুনি গৈছিল । মাজে মাজে তিত্‌কাৰী মাৰি হাঁহি উঠিছিল সকলোৱে ।

এন্ধাৰৰ আঁৰ লৈ মনে মনে প্ৰাঙ্গনৰ একোণত বহি শুনি গ'ল উৰ্মিলাই ।

"এজন ৰজা আছিল ।" কথকী বুঢ়ীয়ে ক'লে, —"ৰজাৰ তিনিজনী ঘৈণী । চাৰিওফালে জয় জয় ময় ময় । কিন্তু ৰজা-ৰাণীৰ মনত বৰ দুখ । কাৰণ বয়সে ভাটি দিলে সতি-সন্তান নাই । বংশৰক্ষাৰ চিন্তাত ৰজা-ৰাণীৰ নিশা টোপনি নহা হ'ল ।

এদিন ৰাতিপুৱা । বুঢ়া মন্ত্ৰী আহি আঁঠু ল'লেঃ "মহাৰাজ! যোৱাকালি শেহ নিশা মই এটা অদ্ভুত সপোন দেখিলোঁ । দেখিলোঁ ঘৰৰ মুখত এজন সন্ন্যাসী । মূৰত জঁটাভাৰ । গাত ছাঁই ভস্ম । হাতত ত্ৰিশূল আৰু কমণ্ডলু । মোৰ মুখলৈ থৰ হৈ চাই থাকি সুধিলে,— "কি বৰ লাগে ক—" মই কি কওঁ কি নকওঁ কৰিলো আৰু কলোঁ, প্ৰভু ! আমাৰ মহাৰাজ অপুত্ৰক । যদি দয়া কৰি বৰ দিব খুজিছে, সিংহাসন ৰক্ষাৰ বাবে এটি পুত্ৰ—"

"পুত্ৰেষ্টি নামৰ যজ্ঞ কৰিলেই পুত্ৰ হব ।"

"কৰা হৈছে প্ৰভু! কিন্তু—"

"যজ্ঞ কোনে কৰিছে ? বশিষ্ঠই ?"

"মহৰ্ষি বশিষ্ঠ আমাৰ ৰাজ পুৰোহিত প্ৰভু।"

"বশিষ্ঠ নহয়, হিমালয়ৰ অগম্য ঠাইত এখন আশ্ৰম আছে । তাতেই আছে এজন ডেকা সন্ন্যাসী । যুৱক হ'লেও যৌৱন কাক কয় তেওঁ নেজানে । তিৰোতাৰ মুখ জীৱনত কোনো দিনে তেওঁ দেখা নাই ।"

"যজ্ঞ কৰিলে ?" হঠাৎ কোনোবা এজনীয়ে সাধুৰ মাজতে সুধি পেলালে।

"কৰিলে ।" মন্ত্ৰীয়ে ক'লে। "সেই যজ্ঞৰ অগ্নিৰ পৰা উৎপন্ন হ'ল এথাল পায়স।"

"পায়স ??"

"অ' পায়সখিনি ৰজাৰ বৰ আৰু সৰু দুইজনী ৰাণীক খাবলৈ দিলে ।"

"মাজু ঘৈণীক ?"

"নিদিলে । কাৰণ সেইজনী আছিল বৰ দন্দুৰী । ৰাজসিংহাসন তেওঁৰ হ'ব লাগে বুলি সদায় কৈ থাকে । কাজিয়া কৰে । কিন্তু লুকুৱাব খুজিলে কি হ'ব, মাজু ৰাণীয়ে কেনেবাকৈ গম পালে । টিঙিৰি তুলা হ'ল । তেওঁৰ পিতাকৰ বংশ বৰ প্ৰতাপী । ছলে-বলে-কৌশলে ৰাজপাট লোৱাৰ আশা কৰি আছে । নিদিলে হ'ব ? নিৰুপায়ত পৰি দুইজনীৰ পৰা অলপ অলপ চান কাঢ়ি তেওঁকো এভাগ খাবলৈ দিলে ।

"ল'ৰা হ'ল ?"

"হ'ল । প্ৰথম দুজনীৰ এটাকৈ । কিন্তু মাজুজনীৰ দুটা । যঁজীয়া । দুভাগযে পায়স খালে !"

ঠিক সময়তেই আজিৰ দৰে কোনোবা এজনীয়ে কুটুহাই কৈ উঠিল— "ধ থ গছত গৰু উঠা কথা নক'বি । পায়স খালে ক'ৰবাত ল'ৰা হয় ?"

মন্থৰাই ঢেকনি ফুটাই হাঁহি দিলে আৰু ক'লে,— "পায়স মানে কি নেজান বেঙী ?"

হাঁহিটোতেই পৰিষ্কাৰ হৈ পৰিল পায়স মানে কি ? পায়স খোৱাৰ গুপুত অৰ্থ ।

ধীৰে ধীৰে উৰ্মিলা আঁতৰি আহিল ।

বান্দী আৰু পৰিচাৰিকা, মন্ত্ৰী আৰু অমাত্য সকলোৱে জানে সেই গোপন ৰহস্যৰ কথা । কিন্তু কোনেও মুখ ফুটাই সঁচা কথা নকয় । কব নোৱাৰে ।

অন্তেষপুৰৰ একোণত গৈ বহি পৰিল উৰ্মিলা ।

লোপামুদ্ৰাই গুণ গুণাই কিবা গাইছে । গীতৰ ছন্দ বৰ মধুৰ । মন-প্ৰাণ জুৰ পৰি যাব খুজিলে । অসহ্য গৰমৰ পিছত এইয়া যেন শীতল বতাহ । কিন্তু গীতৰ কথা— আচৰিত ! শিঁয়ৰি উঠিল উৰ্মিলা । সেই একেটাই কাহিনী, একেই কথা । বুঢ়া ৰজাই ল'ৰা পোৱাৰ সেই ৰহস্যময় উপাখ্যান । মুখৰোচক কাহিনীৰ ওপৰত কোনোবাই ৰহন সানি কবিতা ৰচিছে । মুখে মুখে হৈছে ভগীৰথ,

সগৰ, হৰিশ্চন্দ্ৰ আৰু ৰঘুবংশৰ কাহিনী। কলঙ্ক আৰু কাপুৰুষত্বক ঢাকি বীৰত্বৰ, যশ আৰু গৌৰৱ বুলি প্ৰচাৰ কৰাৰ ই এক নতুন বুদ্ধি।

অসহ্য বিৰক্তিৰে মনৰ ভিতৰখন জ্বলি যাব খুজিলে উৰ্মিলাৰ। সত্যক ঢাকোন দি থোৱাৰ এই দুৰ্বুদ্ধিৰে কিমান কাপুৰুষক বীৰ কৰা হ'ল। কিমান কলঙ্ক আৰু কেলেঙ্কাৰী ঢাক খাই পৰিল !! সৰু হ'ল বৰ। বৰ হ'ল সৰু।

"মধু।" লোপামুদ্ৰাই মুখৰ আগত পান-পাত্ৰ এটা ধৰি কৈ উঠিল—"মহাৰাণীয়ে দি পঠাইছে। হোমৰ মধুপৰ্ক যুৱৰাণীয়ে এতিয়াও গ্ৰহণ কৰা নাই—"

লওঁ-নলওঁকৈ পান-পাত্ৰটো হাতলৈ তুলি ল'লে উৰ্মিলাই। ডিঙিৰ ভিতৰ শুকাই গৈছে। এতিয়াহে গম পালে সচাঁকৈয়ে তেওঁৰ পিয়াহ লাগিছে। পিয়াহত অণ্ঠ-কণ্ঠ শুকাই যাব খোজাৰ কাৰণেই তেওঁ ইমান অস্থিৰ। দুৰ্বাৰ গতিৰে মন চলি থকাৰ কাৰণে দৈহিক অৱস্থাৰ কথা মনলৈ অহা নাই। ঠিক সময়তে মুখৰ আগত তুলি ধৰা হৈছে পান-পাত্ৰ।

একেশোহাই মধুখিনি শেষ কৰি পান-পাত্ৰটো ওভোতাই দিলে লোপামুদ্ৰাক উৰ্মিলাই। আঃ। শীতলতাৰ ঠাইত কিবা এক উষ্ণতা। তিক্ততা। পাঁচবিধ মধুৰ মিশ্ৰণ মধুপৰ্ক নামতেই মাথোন অমৃত।

লোপামুদ্ৰাই গুণ গুণ কৰি পুনৰ গীত জুৰিছে। নিচুকনি গীতৰ দৰে সুমধুৰ সুৰ। স্তুতি গীত। হৃদয় শাঁত পৰি যাব খুজিলে। ৰিম্ ঝিম্ কৰিছে মূৰ। টোপনিয়ে ধৰিছে। কিমান দিন টোপনি অহা নাই। উজাগৰে কটাইছে। বহি বহি, শুই শুই নিমাতে নিস্তব্ধে শৈতেলীত পৰি থাকি, ক্ষণ গণি গণি। প্ৰহৰীৰ চিঞৰ আৰু বনৰীয়া চৰাইৰ কাকলি। নিশাচৰ বন্য জীৱৰ চিঞৰ শুনি শুনি। বনৰজাৰ গোঁজৰণি প্ৰহৰে প্ৰহৰে—

বাঘটো ওচৰ চাপি আহিছে নেকি ? তাৰ হাওৰণি ফুচ্-ফুচনি হ'ল ?

"লোপা ?" উৰ্মিলাই মাতিব খুজিলে। কিন্তু কিবা এটা হৈছে। মাতটো মনৰ ভিতৰতে বন্দ। টোপনিৰ আমেজ বেছি হৈছে। গাঢ় হৈ আহিছে টোপনি বহুত দিনৰ পিছত। কিন্তু

বুকুৰ ভিতৰখন ! ৰৌ ৰৌৱাই যেন পুৰিছে । গাটো দেই পুৰি গৈছে । কাকো কিন্তু ক'ব নোৱাৰি, মাতিব নোৱাৰি ।

"কোন ?" কোনোবাই যেন কপালত হাত থলে । গালে-মুখে হাত ফুৰালে । স্পৰ্শত চমকি উঠিল ঊৰ্মিলা । হাতৰ আঙুলি কেইটাই দেহৰ চুকে-কোণে যেন বিচাৰিছে । হাতটো জোৰেৰে আঁতৰাই দিয়াৰ চেষ্টা কৰিলে । কিন্তু সেই চেষ্টা দেহৰ নহয় মনৰ । হাত এটা নহয় দুটা । সাৱটি ধৰিছে ঊৰ্মিলাক— আঃ লোপা এৰি দে এৰি দে, কিন্তু ঊৰ্মিলা নিৰুপায় । সকলো গম পাই থাকিলেও একো ক'ব নোৱাৰে, কৰিব নোৱাৰে । মাথোন গম পাইছে মুখৰ ওপৰত গৰম উশাহ । ঘূৰিছে পৃথিৱীখন । ভন ভন শব্দটো কাণত পৰি আছে । কেতেকী নে চম্পাফুলৰ কিবা এটা অকটা গোন্ধ । উগ্ৰ গোন্ধটোৱেই সকলো চেতনা হৰি নিছে ঊৰ্মিলাৰ ।

নিশ্চল, নিস্পন্দ ঊৰ্মিলা ।

লোপামুদ্ৰাই তেতিয়াও গীত গাই আছে । সেই একেটা কাহিনীকে কৈছে— বুঢ়াৰজাৰ ল'ৰা হোৱাৰ ৰহস্য কাহিনী । এটা ডেকা ল'ৰা, যুৱক হৈয়ো সি যৌৱন চিনি নোপোৱা । গাভৰু তেজৰ উম পাই তগ্‌বগ্‌ কৰিছে তাৰ দেহা-মন । কেঁচা তেজ-মঙহৰ গোন্ধত উন্মত্ত কৰি তোলা হৈছে তাক । অন্তেষপুৰৰে কোনোবা এঠাইত যেন স্পষ্ট হৈ উঠিছে গোপন মন্ত্ৰধ্বনি । ক্ৰমাৎ ওচৰ চাপি আহিছে ফুচফুচনি । ঘন ঘনকৈ লোৱা উশাহ-নিশাহৰ শব্দ । হঠাৎ কাৰোবাৰ স্পৰ্শ অনুভৱ কৰিলে ওঁঠত গালত । সমস্ত দেহত । এটা যেন সাপে কিল-বিল কৰিছে ঊৰ্মিলাৰ দেহত । দেহৰ প্ৰতিটো ভাজত, চুকে কোণে তাৰ জিভাৰ লিকলিকনি । বিষাক্ত ৰস ঢালি দিব খুজিছে সি ঊৰ্মিলাৰ দেহত । এক অদ্ভুত অস্বস্তিত, ভয় আৰু আতঙ্কত চমকি চমকি হঠাৎ মৰণ কাতৰ আৰ্তনাদ কৰি অচেতন হৈ প'ল ঊৰ্মিলা ।

অচেতন হৈ পৰি ৰ'ল ।

পৰি ৰ'ল ।

## বাৰ

শোৱনি কোঠাত সোমাব খুজি থমকি ৰ'ল ৰাম । অদ্ভুত শিহৰণ বৈ গ'ল হৃদয়ৰ ওপৰেৰে । কঁপি উঠিল দেহৰ প্ৰতিটো অণু-

পৰমাণু । পালঙ্কৰ একোণৰ মাটিত অঁকা আছে এটা প্ৰতিমূৰ্তি । বীভৎস তাৰ ৰূপ— মঙহাল দেহ, বাবৰি চুলি, কেটোৰ ক'লা গাৰ বৰণ, ষাঁড় গৰুৰ দৰে ডাঙৰ ডাঙৰ দুটা চকু ।

নিজৰ চকুক বিশ্বাস কৰিব নোৱাৰিলে তেওঁ। সঁচাকৈয়ে প্ৰতিমূৰ্তিটো মজিয়াত অঁকা আছেনে চকুৰে তেওঁ ভ্ৰম দেখিছে । মনৰ ভ্ৰম বুলি ভাবি চকু জপাই পুনৰ মেলি চালে । ভ্ৰম নহয় সত্য । বাস্তৱ । হঠাৎ অনুভৱ কৰিলে ৰঘুপতিয়ে সি সাধাৰণ মূৰ্তি নহয়। ৰাজপ্ৰাসাদৰ প্ৰতিটো ধূলিকণাত, চূণ-শিল বালিছন্দাৰ কোঁহে কোঁহে সি সোমাই পৰিছে । অযোধ্যাৰ সকলোৰে ৰক্ত-মাংসত মিহলি হৈ গৈছে সি । সাপৰ বিষৰ দৰে বিয়পি পৰিছে ইক্ষ্বাকু বংশৰ ধ্বনিত। হাঁহি-কান্দোনত, আনন্দ-উৎসৱত ।

নিথৰ হৈ চাই ৰ'ল তেওঁ । মুহূৰ্তৰ পিছত মুহূৰ্ত । এসময়ত হঠাৎ কাৰোবাৰ উপস্থিতি আৰু কণ্ঠস্বৰত সম্বিত ঘূৰাই পালে। হাঁহি আৰু কোলাহলেৰে আহি আহি দুৱাৰমুখ পাই উভতি গৈছে এজাক তিৰোতা। দুৱাৰডলি পাৰ হৈ সোমাই আহিব খুজিছে আকাশ-নীলা এখন চাদৰ ।

চকুৰ পলক নেপেলোৱাকৈ মাটিৰ ফালে নিথৰ হৈ চাই থকা ৰামক দেখি আচৰিত হ'ল সীতা। হাঁহি হাঁহি কিবা কবলৈ আহিছিল, থমকি ৰ'ল। হাঁহিটো আধা বাটতে বন্ধ হৈ গ'ল। দৃষ্টি অনুসৰণ কৰি সচেতন হৈ পৰিল । মুহূৰ্ততে বুজি পাই গ'ল, কি হৈছে, ইমান মনোযোগেৰে কি চাই আছে ৰঘুপতিয়ে ? কিহে তেওঁক ইমান অন্যমনস্ক কৰি তুলিছে ?

বুজি পোৱাৰ লগে লগে দ্ৰুতগতিৰে সীতা প্ৰতিমূৰ্তিটোৰ ফালে আগবাঢ়ি গ'ল আৰু সোঁভৰিখনেৰে মজিয়াত আঁকি থোৱা প্ৰতিমূৰ্তিটো মোহাৰি পেলালে— তাৰ দীঘল মুখখন, নাকটো, কাণখন, মঙহাল আৰু বীভৎস দেহটো । মচি মচি ক'লে,— "দেৱযানীহঁতে ৰাক্ষস কেনেকুৱা চাব খুজিছিল ।"

"ৰাক্ষস" !! ভৰিৰ মোহাৰত নিশ্চিহ্ন হৈ যাব খোজা প্ৰতিমূৰ্তিটোৰ অস্পষ্ট আকবিলাকলৈ চাই থাকি উচ্চাৰণ কৰিলে ৰঘুপতিয়ে। মাথোন এটা শব্দত ব্যক্ত হ'ল তেওঁৰ মনৰ দুশ্চিন্তা আৰু হৃদয়ৰ সমস্ত দুখ । সীতাই আজিও মনৰপৰা মচি পেলাব পৰা নাই ৰাক্ষসৰ ৰূপ? মনৰ মণিকূটত থুপ খুৱাই ৰখাইছে তাৰ প্ৰতিমূৰ্তি ? স্নেহ-

প্ৰীতি আৰু প্ৰেমৰ মূল উৎস হৃদয়খনতে বাহ বান্ধি আছে ৰাক্ষস ৰাৱণে। ৰামৰ বাবে পাতি থোৱা আসনত বহি আছে সাত শত্ৰু ৰাৱণ।

ৰাৱণৰ সেই কদাকাৰ চেহেৰাত কি এনে সৌন্দৰ্য্য আছে যাৰ কাৰণে হৃদয়ত ৰখাই থব লগা হ'ল তাৰ স্মৃতি? ৰাৱণৰ তুলনাত ৰাম দেৱতা। সুশ্ৰী, সুঠাম আৰু সুৰুচিপূৰ্ণ। ৰাম যুৱক, ৰাৱণ প্ৰৌঢ়। আচাৰ-নীতিটো দুয়ো বিপৰীত। এটা শক্তি আনটো শ্ৰদ্ধা আৰু ভক্তি। এটা দৰ্প আৰু অহঙ্কাৰ, আনটো নম্ৰতা আৰু সহিষ্ণুতা। তেন্তে? কিন্তু তিৰোতাৰ মনত জানো এনে বিচাৰৰ কিবা মূল্য আছে? সুস্বভাৱ আৰু সুচৰিত্ৰৰ? সোণৰ লঙ্কাৰ অধিপতি ৰাৱণ অজস্ৰ ঐশ্বৰ্য্য-বিভূতি সোণৰূপ-মণি-মৰকতৰ গৰাকী, সপ্তদ্বীপৰ অধীশ্বৰ। তিৰোতাক পুৰুষে আকৃষ্ট কৰিব পৰা একমাত্ৰ আহিলা ৰূপ-গুণ নহয়, দৈহিক শক্তি। পৌৰুষত্ব। হৃদয় নহয়, দেহ। জড়তাৰ মূল্যই সিহঁতৰ বাবে বেছি। ঐশ্বৰ্য্য-বিভূতি, দৰ্প আৰু অহঙ্কাৰৰ। ৰামতকৈ ৰাৱণ সেইবাবেই সীতাৰ মনত সুন্দৰ, সুপুৰুষ। ৰামতকৈও বেছি ডাঙৰ বীৰ, বলবান প্ৰভাৱশালী আৰু প্ৰতিপত্তিশীল। তিৰোতাই মাথোন তাকেই বিচাৰে পুৰুষৰূপৰা। পুৰুষৰ পৌৰুষত্ব, মহত্ব নহয়। ন্যায়বান, ধাৰ্মিক, সত্যবাদী পুৰুষ নহয় ৰাজসিক, অহঙ্কাৰী, ক্ষমতাশালী সুপুৰুষ। তাৰেই বাবে অযোধ্যাৰ ৰাজবংশৰ ওপৰত পৰিছে লঙ্কাৰ প্ৰভাৱ। ৰাৱণক হত্যা কৰা হ'লেও তাৰ অশৰীৰী আত্মাই যেন চাৰিওফালৰ পৰা মেৰাই ধৰিব খুজিছে সাপৰ দৰে লক্‌লক্ জিভা মেলি, তাৰ সহস্ৰ ফনাৰে বিষবাষ্প ছটিয়াই। তেন্তে সেই মানুহটোৰ কথাই সঁচা? তিৰোতাৰ বিশ্বাস নাই?

মানুহটোৰ কথা মনত পৰাৰ লগে লগে তীব্ৰ জোকাৰণি অনুভৱ কৰিলে মনত ৰঘুপতিয়ে। শুনিবলৈ অপ্ৰিয় হ'লেও, কঠোৰ আৰু গ্ৰাম্য হ'লেও সি সত্য। মহাসত্য।

মানুহটোৰ কদাকাৰ ৰূপ ভাঁহি উঠিল চকুৰ আগত। প্ৰচণ্ড খঙেৰে তিৰোতাজনীক কৰা ককৰ্থনাৰ শব্দকেইটা ঠন্ ঠন্ কৰে কাণত আকৌ এবাৰ বাজি উঠিল—"মই ৰাম বুলি ভাবিছ? এবছৰে লোকৰ পাটিত শুই থকা তিৰোতাক সতী হৈ আছে বুলি ৰামৰ দৰে কোনোবা কাপুৰুষে ভাবিব পাৰে, মই নোৱাৰোঁ।" আৰেজি

আৰু সন্ধিয়াটোৰেই নহয়, গোটেই জীৱন সি বিষময় কৰি তুলিব খুজিলে।

মানুহটোৱে সঁচা কথাকেই কৈছিল। সঁচাকথা। এটা বছৰ ৰাক্ষসৰ লগত থকাৰ পিছতো সীতা জানো সঁচাকৈয়ে সতী হৈ আছে? সতীত্বৰ প্ৰমাণ জোখা যায় কিহেৰে? কোনে জানে? কোনে ক'ব পাৰে? মনৰ ভিতৰখন চাই অহাৰ উপায় আছে কি? দেহেৰে নহ'লেও সীতায়ো মনেৰেই ব্যভিচাৰিণী নহয়, 'নহয়' বুলিবলৈ কাৰ সাধ্য? পানীৰ দৰে তিৰোতাৰ ধৰ্ম বৰ্ণহীন, গোন্ধহীন, আকাৰহীন। যি পাত্ৰতেই থোৱা হয় সেয়ে তাৰ আকাৰ। ওপৰৰপৰা তললৈ নামি যোৱাই তাৰ ধৰ্ম। নিজৰ ৰূপ নাই, পুৰুষৰ চকুৰ ৰূপেই তাৰ ৰূপ।

মাজনিশালৈকে টোপনি নাহিল ৰঘুপতিৰ। টোপনি নাহিল।

## তেৰ

দোকমোকৰ আগতে চিল্‌মিলকৈ টোপনি আহিব খুজিছিল, বুকুৰ মাজত অনুভৱ কৰিলে কাৰোবাৰ দেহৰ উম। প্ৰতিটো উশাহ-নিশাহৰ লগে লগে উঠা নমা কৰা বুকুৰ দুৰু দুৰু কঁপনি। শোৱনি কোঠাৰ একোণৰ টিমিকি টিমিকি জ্বলা দীপ-শিখাৰ পোহৰত দেখিলে টোপনিত লালকাল হৈ পৰি আছে সীতা। গালে মুখে চুলিবিলাক সিঁচৰতি হৈ পৰিছে। চাদৰৰ আচলটো বুকুৰ ওপৰৰপৰা খহিপৰাৰ কাৰণে স্পষ্ট হৈ পৰিছে বক্ষ বন্ধনীৰে বদ্ধ নিটোল বুকু আৰু ভকুণ তলপেট, প্ৰশান্ত মুখমণ্ডলত বিমল আনন্দৰ আভা। কণমান হাঁহি এটাৰ ৰূপ লব খুজিছে ওঁঠৰ একোণত। সপোনত যেন বিৰবিৰকৈ কাৰোবাক কিবা কৈছিল হাঁহি হাঁহি।

স্বপ্ন দেখিছে সীতাই। ৰামৰ বুকুৰ মাজত শুই শুই ৰাৱণৰ স্বপ্ন।

শিলৰ মূৰ্তিৰ দৰে নিথৰ হৈ পৰি ৰ'ল ৰাম। হেৰাই যাব বুলি যেন দুই হাতেৰে সাৱটি ধৰি আছে সীতাই। হঠাৎ ভাব হ'ল সীতা নহয়, এটা ভয়ঙ্কৰ সাপে মেৰাই ধৰি আছে। তাৰ বিষাক্ত নিশ্বাস প্ৰশ্বাসৰ শব্দ শুনিছে কাণৰ কাষত। গালে মুখে অনুভৱ কৰিছে জিভাৰ লক্‌লক্‌নি। যি কোনো মুহূৰ্তত সি প্ৰচণ্ড খোঁট মাৰিব পাৰে।

সন্তৰ্পণে সীতাৰ বাহুবন্ধনৰপৰা নিজক মুক্ত কৰি পালঙ্কৰপৰা নামি আহিল ৰাম। বহল কোঠাটোৰ এটা মূৰৰ পৰা আনটো মূৰলৈ অহা-যোৱা কৰিলে। গবাক্ষত এবাৰ চকু থলে। মেঘাচ্ছন্ন। বাহিৰত ঘন অন্ধকাৰ। কেইটামান মুহূৰ্তৰ পিছতে জোনৰ মুখৰপৰা হঠাৎ ডাৱৰ আঁতৰি গ'ল। দূৰণিৰ সৰযূ নৈলৈকে ঢৌ ঢৌ কৰে ৰূপোৱালী বালি। শুনা গ'ল বন্য জীৱ-জন্তুৰ বিচৰণৰ শব্দ, বনৰীয়া চৰাইৰ ডেউকাৰ ঢপ্ঢপনি। চাকৈ-চকোৱা এহালৰ কুঁ কুঁ কান্দোনৰ ধ্বনি।

কোঠাটোৰ এটা মূৰৰ পৰা আনটো মূৰলৈ আকৌ কেইবাবাৰো অহা-যোৱা কৰিলে ৰঘুপতিয়ে। কাষেৰে আনটো মূৰলৈ গৈ গৈ পালঙ্কত ঘনে ঘনে চকু থলে। হংস তুলিৰ ওপৰত নিশ্চিন্ত মনে শুই আছে সীতা। কোঠাটোৰ চাৰিওফালে সোণৰূপ-মণি-মৰকতৰ চমকপ্ৰদ কাৰুকাৰ্য্য, মহামূল্যবান সম্পত্তিৰ অপৰূপ সম্ভাৰ। ইমান ঐশ্বৰ্য্য-বিভূতি সত্ত্বেও তেওঁৰ সুখ আৰু শান্তিৰ অভাৱ হ'ল কিয়? ঋষি-মুনিসকলে সুখ-শান্তি বিচাৰি পায় কেনেকৈ? সংসাৰৰ মায়া মৰীচিকা বিভীষিকাময় অৱস্থাৰপৰা আঁতৰি থকাৰ কাৰণে খাদ্যবস্ত্ৰৰ অভাৱ হ'লেও আশ্ৰমবাসীয়ে উপভোগ কৰে সুখ। শান্তি আৰু সুখেই যদি জীৱন হয় তেন্তে তাৰ অন্বেষণেই জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য। আনন্দ উপভোগ নহয়।

গবাক্ষত পুনৰ চকু থলে ৰামে। সৰযূ নৈখনে শেষৰাতিৰ জোনৰ পোহৰত ৰূপোৱালী শিখাৰ দৰে ঢৌ খেলাইছে। দুই পাৰৰ বালিত অসংখ্য চৰাই। পাৰৰ অৰণ্যত বন্য জীৱজন্তু। নিঃসাৰ হৈ পৰি আছে সকলো। দোকমোকৰ লগে লগে সকলো জী উঠিব। নৈখনৰ খলকনিৰ তালে তালে কিচিৰ মিচিৰ শব্দ কৰি উঠিব চৰাই-জাকে। এতিয়া যেন নৈখনো শুই আছে। কোনোবা এঠাইত দুইপাৰত পৰি থকা দুটা চাকৈ-চকোৱাই থাকি থাকি মাতিছে। ইটোৱে সিটোক নেদেখি সিহঁত ব্যাকুল হৈ উঠিছে। ৰাতিটো চলে সিহঁতৰ প্ৰাণফটা কান্দোনৰ ধ্বনি। দোকমোকৰ আগে আগে মাৰ যায়। পোহৰ হোৱাৰ লগে লগে দুইটাই দুইটাক বিচাৰি পায়। ইহঁতৰ-ইটোৱেই সিটোৰ জীৱন। "প্ৰেমেই জীৱন" হঠাৎ ৰামৰ মনলৈ আহিল। ৰামৰ বাবে সীতাও একেদৰেই আছিল জীৱন। চাকৈ-চকোৱাৰ সেই প্ৰাণফটা হিয়াভৰ, হৃদয় বিদাৰক ধ্বনি মৰ্মে মৰ্মে

অনুভৱ কৰিছিল দণ্ডকাৰণ্যত। সোণৰ হৰিণাৰ পাছে পাছে ল'ৰি গৈ উভতি আহি কুটিৰত সীতাক বিচাৰি নোপোৱাৰ দিনা।

বাগৰ সলোৱাৰ শব্দত উভতি চালে ৰামে আৰু পালঙ্কৰ কাষলৈ লৰালৰিকৈ উভতি আহিল। প্ৰজ্বলিত বন্তিৰ পোহৰ স্পষ্ট হৈ পৰিছে সীতাৰ মোহময়ী মুখখনত। টোপনিতে বাগৰ সলাই নিশ্চিন্ত মনে শুই আছে। মূৰটো গাৰুৰপৰা কিঞ্চিত তললৈ নামি গৈছে। ডিঙিটো বেঁকা হৈ পৰিছে। সোঁহাতটো বেয়াকৈ গাৰ তলত সোমাই পৰি আছে। আঁতৰাই দিব খুজি ৰৈ গ'ল ৰাম। থাওক। ইমান স্নেহ আৰু মমতা নিৰৰ্থক। মৰম মানেই দুখ।

বিচনাৰ কাষত কেইটামান মুহূৰ্ত ৰৈ আঁতৰি আহিল ৰঘুপতি। কিন্তু যায় কলৈ? কোঠাটোৰ চাৰিওফালে ওখ দেৱাল। চাৰি বেৰৰ মাজত বন্দী ৰাম।

আকৌ এবাৰ আনটো মূৰ পালেগৈ ৰঘুপতি। সেইটো মূৰত দাপোণখন। পালঙ্কখনেৰে সৈতে গোটেই ঠাইডোখৰ দাপোণখনত জীৱন্ত হৈ আছে। কোঠাৰ এফালৰ সৈতে গোটেই মানুহজনী। বিচনাখনত নিশ্চিন্ত মনে সেইয়া শুই আছে সীতা। উশাহ-নিশাহত কপি কপি উঠিছে দেহ।

দাপোণৰ এই মানুহজনীৰ সৈতে প্ৰতিফলিত কোঠাটোৰ কাৰু-কাৰ্য্য খচিত সামগ্ৰী যিদৰে কাল্পনিক আৰু অবাস্তৱ পৃথিৱীখনো সেইদৰেই মায়া আৰু ৰহস্যময়। তেজ-মঙহৰ, দুখ, সুখ, আনন্দৰ বুলি আচলতে একো নাই। সাময়িক সুখ আৰু শান্তি নিৰৰ্থক। স্থায়ী নহয়, সত্য নহয়। মৰীচিকা।

বুকুখন হঠাৎ মোচৰ খাই উঠিল ৰামৰ। জীৱনভৰ সেই মায়া মৰীচিকাৰ পিছে পিছে খেদি ফুৰা হ'ল। সোণৰ হৰিণাৰ পাছত। আঃ কি দুখ! কি কষ্ট!! কিন্তু কাৰ আগত কোৱা যায় এই দুখৰ কথা? এই কষ্টৰ কথা? কোনে বুজে?

গভীৰ হতাশা অনুভৱ কৰিলে হৃদয়ত ৰঘুপতিয়ে। জীৱনটো মৰীচিকা। অনিত্য আৰু অসাৰ প্ৰতিটো ছবি আৰু কাহিনী শৈশৱ কৈশোৰ আৰু যৌৱনৰ—অসত্য। সেইদিনাৰ সেই জীৱন্ত ছবিবোৰ ক'ত শেষ হ'ল? জীৱন্ত বাস্তৱবোৰ কেনেকৈ এনে অবাস্তৱ হ'ল? ইমান সঁচা আছিল কেনেকৈ ইমান মিছা হ'ল? যেন সেইয়া আছিল

স্বপ্ন। নিজৰ মনতেই আজি সকলো সপোন যেন লাগে। যেন সেই মানুহটো এইটো নহয়। শৈশৱৰ সেই ল'ৰাটো এই প্ৰৌঢ় মানুহটোৰ কোনখিনিত সোমাই আছিল? সেইদিনা সীতা নাছিল, ৰাৱণ নাছিল, দুখ নাছিল।

দাপোণত সীতাৰ মুখখনত পুনৰ চকু থলে ৰামে। কি অপৰূপ লাৱণ্যময়ী সীতা। চাই চাই হেপাহ নপলোৱা ৰূপ। অপৰূপ প্ৰতিটো অঙ্গ। অঙ্গে অঙ্গে শোভা। এই এজনী তিৰোতাৰ বাবে কি যে কৰা নহ'ল! সেইদিনা, ৰাৱণে হৰণ কৰাৰ পিছত কি অদ্ভুত মানসিক কষ্ট আৰু অস্থিৰতা অনুভৱ কৰিছিল হৃদয়ত। মূৰৰ ওপৰত হঠাৎ আহি পৰিছিল যেন বজ্ৰপাত। হৃদয় ফালি সি চিৰাচিৰ কৰিছিল।

কিন্তু আজি? আজি যদি পুনৰ সীতা হঠাৎ নোহোৱা হৈ যায় সেইদিনাৰ দৰে একে সমান যন্ত্ৰণা হ'ব জানো? মানুহৰ হৃদয়ত দুখ আৰু যন্ত্ৰণাৰ সহ্যৰো সীমা আছে। সেই সীমা অতিক্ৰম কৰিলেই সেই যন্ত্ৰণা আৰু যন্ত্ৰণা হৈ নেথাকে। দুখৰ সেই একে অৱস্থা প্ৰাপ্ত নহয়। প্ৰথমবাৰৰ অভিজ্ঞতাৰ দৰে সৰ্বসংহাৰী; হৃদয়বিদাৰক হৈ সি উঠিব নোৱাৰে।

সীতাহৰণৰ সময়তেই শেষ হ'ল হৃদয়ৰ বিৰহ-যন্ত্ৰণা। সীতাৰ যেন মৃত্যু হ'ল। যিমানেই দিন গৈছিল যন্ত্ৰণা কমি গৈছিল। সীতাৰ অস্তিত্ব ধীৰে ধীৰে নিঃশেষ হৈ যাব খুজিছিল। মনত পৰিলে মাথোন এক অস্থিৰ আৰ্তনাদ কৰি উঠিছিল হৃদয়ে। জুইত পৰা ফৰিঙৰ দৰে ছটফট কৰি উঠিছিল মন। আন সময়ত হৃদয় হৈ আছিল শান্ত।

শ্ৰীলঙ্কাৰ সেই যুদ্ধখন মাথোন প্ৰয়োজনৰ খাতিৰত কৰা হ'ল। সীতা উদ্ধাৰৰ বাবে নহয়। হৃদয়ত যি তোলপাৰ কৰি উঠিছিল জোৰ'ৰৰ ঢৌ সি মাৰ গ'ল সীতাক ঘূৰাই পোৱাৰ তীব্ৰ আশা দুদিনমানলৈ আছিল। হনুমানক দেখা পোৱাৰ লগে লগে সুগ্ৰীৱৰ মিত্ৰতাই ধীৰে ধীৰে কৰ্তব্যলৈ ৰূপান্তৰিত কৰিলে সেই যন্ত্ৰণা। যুদ্ধৰ বাবেই যুদ্ধখন কৰা হল। মাজে মাজে পাহৰিয়েই থকা হ'ল মূল উদ্দেশ্য যে সীতা উদ্ধাৰ। সীতা উদ্ধাৰৰ বাবে নহয় যেন ৰাৱণ বধৰ বাবেহে কৰা হৈছে এই আয়োজন। যেন লঙ্কা বিজয় কৰি ৰাজ্য বিস্তাৰৰ

ৰাবেই। সীতাহৰণ ৰাৱণৰ মৃত্যুৰ কাৰণ। সীতা উদ্ধাৰ ৰাৱণ বধৰ এটা মাথোন অচিলা।

যুদ্ধখনৰ শেষত যেতিয়া ৰামৰ কাষলৈ লৈ আহিছিল সীতাক, তিলমানো আনন্দ লগা নাছিল মনত। বাৰটা মাহৰ অদর্শনে সহ্য কৰিব পৰা কৰি তুলিছিল বিৰহ-যন্ত্রণা। মর্মে মর্মে অনুভৱ কৰিছিল। ৰামৰ জীৱনত সীতাৰ আৰু কোনো প্রয়োজন নাই।

সমুখত সীতা আহি থিয় হৈছিল। হঠাৎ অদ্ভুত অস্বস্তি অনুভৱ কৰিছিল ৰামে। এই এজনী তিৰোতাৰ বাবে এখন অপৰূপ সাম্রাজ্য ধ্বংস কৰা হ'ল। এটা বংশ নির্বংশ কৰা হ'ল। ৰাক্ষসৰ কুল। সঁচাকৈয়ে জানো প্রয়োজন আছিল তাৰ কিবা? এই এজনী সামান্য তিৰোতাৰ বাবে হেজাৰ হেজাৰজনী তিৰোতাৰ ভাগ্যক চুৰমাৰ কৰা হ'ল। দুই-পক্ষৰ হেজাৰ-বিজাৰ সৈন্য সামন্তৰ জীৱন। আঃ কি অন্যায়! অবিচাৰ !!

আনন্দতকৈ দুখ অনুভৱ কৰিলে ৰামে বেছি। সীতা নহয় এইয়া যেন আন কোনোবা। আন কোনোবা এজনী তিৰোতা হোৱা লে মনত যি ভাৱ হলহেঁতেন একে ভাৱ। আনফালে মুখ কৰি বৈ আছিল ৰাম। সাগৰৰ উত্তাল তৰঙ্গমালা যেন গভীৰ নিৰীক্ষণ কৰিছে পাছফালে বিস্তীর্ণ প্রান্তৰ। যুদ্ধভূমি। ৰথ, ঘোঁৰা, সাৰথি আৰু যোদ্ধা। মৃত আৰু আহত ৰথি আৰু মহৰথী।

সীতাৰ ফালে এবাৰো চোৱা নাই ৰামে। হৃদয় উথলি উঠা নাই আনন্দত। আবেগ, অনুভূতি শূন্য মন। আনন্দও নাই, বিষাদো নাই। বুকুখন যেন খালি দয়া, মায়া, মমতা একো নাই। হঠাৎ সেই সময়তে মনলৈ আহিছিল সঁচাকৈয়ে জানো এইজনী সীতা? সঁচাকৈয়ে জানো সেই একেজনী মানুহ। সেইদিনাৰ চঞ্চলা-চপলা কিশোৰী সীতা সময়ে, পৰিস্থিতি আৰু পৰিবেশ, নিদাৰুণ নিয়তিয়ে এইয়া কি কৰিলে? একেদৰে জানো সীতা পৱিত্র হৈ আছে? এদিনৰ আঁজলী হৰিণীৰ দৰে সীতা যি চঞ্চলতাই হৰিণীৰ প্রকৃতি। মানুহৰ ঘৰত বন্দী হৈ থকাৰ পাছত হৰিণী জানো একেদৰেই পবিত্র হৈ থাকে? মুক্তমনে বিচৰণ কৰা সেই স্বাধীনতা সেই প্রকৃতিৰ মৃত্যু মানেই জানো হৰিণাৰ মৃত্যু নহয়?

মনলৈ আহিছিল, ৰামৰ জীৱনৰপৰা চিৰদিনৰ বাবে সীতা আঁতৰি গ'ল। যিজনী তিৰোতা উদ্ধাৰৰ বাবে ৰাৱণৰ বংশ নির্বংশ কৰা

হ'ল, ধ্বংস কৰা হ'ল, ধ্বংস কৰা হ'ল স্বৰ্ণলঙ্কা, সেইজনী সীতাক জানো পুনৰ গ্ৰহণ কৰিব পাৰি? এই এটা বছৰ পাহৰি জীৱন জানো পুনৰ আৰম্ভ কৰিব পাৰি? ওহো, এই এটা বছৰেই জীৱনৰ সকলো। সকলো অনৰ্থৰ মূল। জীৱনৰ সুখ-স্বপ্নৰ আঁত ছিগি গ'ল। এই সকলো পাহৰি জীয়াই মই থাকো কেনেকৈ?

ঠিক তেতিয়াই, সেই সময়তে সেই কথাকেইষাৰ কৈছিল,— "মই মোৰ কৰ্তব্য কৰিলো। ৰাৱণ বধ কৰি তোমাক উদ্ধাৰ কৰা মোৰ আছিল দায়িত্ব। এতিয়া তুমি মুক্ত। নিজৰ ইচ্ছামতে যেনেকৈ ইচ্ছা, যালৈ ইচ্ছা, যাব পাৰা।"

আচম্বিতে বজ্ৰপাত আহি বুকুত পৰাৰ দৰে হঠাৎ সীতাই মূৰ তুলি চাইছিল। ভয়ত থৰ্‌থৰ্‌ কৰি কঁপি উঠিছিল। পিন্ধি থকা হালধীয়া চাদৰখন বতাহত কঁপাৰ দৰে। শুনি থকা সকলো বিস্ময়ত হতবাক। নিৰৱ। নিস্পন্দ।

সঁচাকৈয়ে সেইয়া আছিল ৰামৰ মনৰ কথা। ৰামৰ জীৱনত সীতা হৈ পৰিছে প্ৰয়োজনহীন ।

আজিও।



# দ্বিতীয় সর্গ

# এক

গ্ৰীষ্মকাল শেষ হওঁ হওঁ। কেইদিনমানৰ আগৰ সেই অতিচাৰ গৰম আৰু নাই। পৃথিৱীৰ ওপৰত প্ৰখৰ ৰ'দ আৰু উত্তাপ ছটিয়াই দিব নোৱাৰাৰ লাজত বেলিটোৱে যেন কোনোবা এচুকত মুখ লুকুৱাই আছে। মাজে মাজে পৰিষ্কাৰ আকাশখনত কমোৱা তুলাৰ দৰে পাতল একো চমকা ডাৱৰে আহি ভুমুকি মাৰে। কিন্তু যৌৱনৰ প্ৰচণ্ড শক্তি আৰু সামৰ্থ্য হেৰুৱাই সিহঁতো এতিয়া শান্ত। ধুমুহা-বতাহ আৰু বিজুলী-বৰষুণৰ তাণ্ডৱ-নৃত্যৰ পৰিবৰ্তে স্থিৰ আৰু গম্ভীৰ। খেলাত মগ্ন হৈ থকা এজনী চঞ্চলা-চপলা কিশোৰীৰ দৰে একো একোবাৰ হঠাৎ কোনোবা এফালৰপৰা ল'ৰি আহি বেলিটো ঢাকি ধৰে। দুই হাতেৰে চকু জপাই মুখ টিপি হাঁহি সোধে—"কোৱাচোন কোন ?"

চকুৰ ওপৰৰপৰা জোৰ কৰি হাত এৰুৱাই খিলখিলাই হাঁহি কৈ উঠে—"তুমি, তুমি" কৈ কৈ দুষ্টামি ভৰা চাৱনিৰে বেলিটোৱে চাৰিওফালে এবাৰ চকু ফুৰালে। প্ৰথমেই চকুত পৰিল দুশাৰী পুলি-নাহৰ আৰু এজাৰ ফুলৰ মাজৰ এটা আহল-বহল বাটত। পুলি-কেইটা একে সমান জোপোহা। আশে পাশে আৱতৰীয়া ফুলৰ মৌ বিচাৰি ভোমোৰা আৰু মৌ-মাখি কেইটামান উৰি ফুৰিছে। উৰি উৰি সিহঁতৰ কেইবাটাও নাহৰ ফুল কেইজোপাৰ আনটো মূৰলৈ উৰি গ'ল। সেইটো হাতীদাঁতৰ দৰে বগা চূণ-শিলেৰে সজা প্ৰাসাদ এটাৰ পাছফাল। ৰঙচুৱা ৰ'দ মিহলি পোহৰেৰে চিক্‌মিকাই উঠিছে প্ৰাসাদটো। সমুখত ৰমকজমককৈ ফুলি থকা ৰঙচুৱা ৰঙৰ লতা-ফুলেৰে ঢাক খোৱা এখন তোৰণ। একাষত ওপৰৰপৰা নামি অহা শটখটি এটা বেঁকা হৈ আহি মাটি চুইছেহি। তাৰ কাষত ৰৈ আছে এহাল ঘোঁৰা। তেল পৰি পিচলা গাৰে মুগা বৰণীয়া ঘোঁৰাহালৰ ডিঙিৰপৰা আৰম্ভ হোৱা বাঘজৰীৰে বন্ধা আছে এখন সু-সজ্জিত ৰথ। ভিতৰলৈ ভুমুকি মাৰি চাই বেলিটোৱে দেখিলে ভিতৰত অকলশৰে আমন-জিমনকৈ

বহি আছে এগৰাকী অপৰূপ লাৱণ্যময়ী গাভৰু তিৰোতা। আবেলিৰ ৰ'দ চেৰেঙাৰ দৰে সোণোৱালী গাৰ ওপৰত ৰূপোৱালী তৰা বছা আকাশনীলা এখন চাদৰ। চকলা টেঙাৰ দৰে ঘূৰণীয়া মুখখন কোমল, মিহি আৰু মঙহাল। দুই গণ্ডুষ কজলা পানীৰ দৰে চকু-হালৰ মণিৰ চাৱনি নিথৰ হৈ আছে খটখটিৰ ওপৰত। অধীৰ আগ্ৰহেৰে কাৰোবালৈ বাট চাই চাই আমনি লাগি যোৱাৰ বাবে বিৰক্তি উপচি পৰিছে চকুৰ চাৱনিত।

বেলিটোৱে মনে মনে হাতত সাৰে ভৰিত সাৰে খুপি খুপি আহি খিৰিকীখনেৰে দেখি .থকা মঙহাল গালখনৰ ওপৰেৰে হাত ফুৰাই দিলে। তাৰ এই মৰসাহ আৰু অতপালিত বৰ বেছি বিৰক্তিবোধ কৰিলে তিৰোতা গৰাকীয়ে। চকুৰ কোণত থকা বিৰক্তি মঙহাল গাল দুখনলৈ বিয়পি আহিল। গাৰ একাষত পৰি থকা সোঁহাতৰ আঙুলিকেইটাৰে চাদৰখনৰ আচল এটা মুখৰ ওপৰলৈ দাঙি ধৰি অস্ফুট চমকনিৰে দুষ্ট বেলিটোক শাসন কৰিলে আৰু মুখখন ঘূৰাই অলস চকুৰ চাৱনি থলে পুনৰ প্ৰাসাদৰ চূড়াকেইটাত। খটখটি আৰু গবাক্ষত ক'তো কাকো নেদেখি যেন তেওঁ বেছি বিৰক্ত হ'ল। চকুৰ চাৱনিত উপচি পৰিল অধীৰতা আৰু আকুলতা। অলপ সময় তলমূৰ কৰি থাকি নিজক সংযত কৰাৰ চেষ্টা কৰিলে আৰু সতৃষ্ণ নয়নেৰে ওপৰৰ সুপ্ৰশস্ত খটখটিত পুনৰ চকু থলে। খটখটিটো বেঁকা হৈ তললৈ যি ঠাইত নামি অহা প্ৰথম দেখা গৈছে সেই ঠাইত পূবৰ পৰা পশ্চিমমুৱা হৈ পৰিছে। একাষৰপৰা উত্তৰা-দক্ষিণাকৈ আৰম্ভ হৈছে। বহুদূৰলৈ বিস্তৃত প্ৰাসাদৰ একাংশ। ওপৰৰ কেইবাটাও কোঠাৰ দুৱাৰ আৰু খিৰিকী দেখি ইয়াৰপৰা। সকলোৰে শেষত আছে উত্তৰৰপৰা দক্ষিণমুৱা হোৱা ভাঁজটোত কোঠাটো। সেইফালেই নদীখন। বালিৰ চটৰ মাজত দুৰাণিত বহল এসোঁতা পানী। প্ৰাসাদৰ লগে লগে নৈখনেও ভাঁজ লৈছে। ৰিব্‌ৰিবকৈ বলা বতাহ লাগি পানীৰ ওপৰত ঢৌৰ পিছত ঢৌৰ কঁপনি। হঠাৎ প্ৰাসাদৰ এমূৰৰ এটা কোঠাৰপৰা পুৰুষ কণ্ঠৰ মাত ভাঁহি উঠিল—সীতা! সীতা !! মাত শুনি চমকি উঠাৰ দৰে উঠিল গাভৰু তিৰোতাগৰাকী। কিবা ক'ব খোজাৰ দৰে ওঁঠহাল কঁপি উঠিল। সেইফাললৈ এবাৰ তেওঁ চকু ঘূৰালে। কোনোবাই তেওঁৰেই নাম ধৰি মাতিছে। চোৱাৰ ধৰণটোৰপৰাই ধৰিব পৰা গ'ল 'সীতা' এই গাভৰু তিৰোতা গৰাকীৰে নাম।

হয়। ৰামায়ণ নামৰ মহাকাব্যৰ সেই করুণ ধ্বনিৰ অধিকাৰিণী তেওঁ। "ৰাম" আৰু "সীতা" এই শব্দ দুটাই হেজাৰ হেজাৰ বছৰ মানুহৰ মনত খলকনি তুলিছে। তেওঁলোকৰ দুখৰ কাহিনীয়ে মানুহক দুখ দিছে। দুখুনী সীতা নামৰ এই এজনী হতভগীয়া তিৰোতা। পতিৰ অবিবেচনাৰ, দুৰ্ভাগ্য আৰু সামাজিক অবিচাৰৰ বলি।

পুনৰ খট্‌খটিৰ ওপৰত চকু থলে সীতাই। চকু পৰাৰ লগে লগে হঠাৎ চমকি উঠিল। মনত আনন্দৰ জোৱাৰৰ খলকনি।

"আহিছে, আহিছে।" বুকুৰ ভিতৰত সৃষ্টি হোৱা আকুলতা বাহিৰতো যেন ক'ৰবাত শুনা গ'ল। কিন্তু লগে লগে সেই ব্যাকুলতাত ছেদ পৰিল। ব্যাকুলতা পৰিবৰ্তিত হ'ল হতাশালৈ। যাৰ বাবে ইমান উৎকণ্ঠা, অধীৰ আগ্ৰহ, এইজন তেওঁ নহয়।

জীৱনভৰ এই এটা মানুহে আমাৰ সেৱাত কটালে। সীতাৰ মনলৈ আহিল। স্ত্ৰীৰ প্ৰতি অকণো তাৰ আসক্তি নাই। উৰ্মিলাতকৈ আমাৰ প্ৰতিয়েই যেন দায়িত্ব বেছি।

উৰ্মিলাৰ মুখখন সীতাৰ চকুৰ আগত ভাহিঁ উঠিল। উৰ্মিলা যেন বিষাদৰ এক প্ৰতিমূৰ্তি। চকুৰ পতা সেমেকা। মুখ শুকান। চকুৰ গুৰি উখহা। মনৰ ভিতৰত উমি উমি জ্বলি থকা জুইজুৰা ধীৰে ধীৰে বাহিৰতো প্ৰকাশ পাইছে। কিন্তু তাই কাকো একো নকয়। কিবা সুধিলে চকুৰ গুৰিকেইটাত জোৰেৰে হাঁহিৰ ৰেখা ফুটাই তোলে নাইবা নিৰৱে তলমূৰ কৰি থিয় হৈ থাকে।

আজিও উৰ্মিলা অন্তৰ্বৰা। দিনে দিনে খীণাইছে। শুকাই শুকাই যেন চিৰা চলাৰ দৰে হৈ পৰিছে চেহেৰা। উৰ্মিলাৰ শেঁতা আৰু বিষাদপূৰ্ণ মুখখন করুণ হাঁহিটোৰ সৈতে চকুৰ আগত ভাঁহি উঠাত সীতাৰ বুকুখন ফাটি যাব খুজিলে। বিবাহিত জীৱনত স্বামীৰপৰা আদৰ আৰু স্নেহ নোপোৱাতকৈ তিৰোতাৰ বাবে পৃথিৱীত আৰু কি দুখৰ কথা আছে? লক্ষ্মণৰপৰা উৰ্মিলাই পাইছে কি? অনাদৰ, অৱজ্ঞা আৰু অৱহেলা।

নিজক দোষী দোষী লাগি গ'ল সীতাৰ। উৰ্মিলাৰ বুকুৰ মাজৰপৰা লক্ষ্মণক আঁতৰাই অনাৰ বাবে সীতা নিজেই দায়ী। শূৰ্পণখাই সেই দিনা বিকট হাঁহি মাৰি কোৱা কথা মনত পৰি গ'ল: "নিজৰ তিৰোতাক

অযোধ্যাত এৰি কিয় সি আহিছে বনবাসলৈ ? কাৰ কাৰণে ?” ঢেক্‌ঢেক কৰে মৰা হাঁহিত সিঁচৰতি হৈ পৰিছিল সন্দেহ। কি বীভৎস! ঘনে ঘনে হিঁ হিঁকৈ হাঁহি উঠিছিল তাই! কৈছিল— “ভাতৃস্নেহনে ভাতৃজায়াৰ প্ৰতি—”

“ৰাক্ষসী !!” সীতাই হঠাৎ চিঞৰি উঠিল।

উৰ্মিলাই আহি সমুখত থিয় হ’লে হাঁহি থকা শূৰ্পনখাৰ বিকট আৰু কিম্ভূত কিমাকাৰ মুখখন চকুৰ আগত মুহূৰ্ততে ভাঁহি উঠে। প্ৰতিবাদ কৰিলেও কোনোবা সময়ত সীতাৰ মনৰ গহন বনত হঠাৎ নিজৰেই সন্দেহ জাগে। তেন্তে সঁচাকৈয়ে লক্ষ্মণ—

ছিঃ! কি পাপৰ কথা! লাজ আৰু ঘৃণাৰ কথা, মনৰ ভিতৰৰ কথা বাহিৰৰ আন কোনোবাই গম পাই যোৱাৰ দৰে হঠাৎ শিয়ঁৰি উঠিল সীতা।

লক্ষ্মণ আহি ৰথৰ কাষ পালেহি। আনদিনাৰ দৰে হাঁহি নাই মুখত। সীতাৰ ফালে এবাৰো নাচালে, একো নকলে।

প্ৰাসাদৰপৰা নামি আহি লক্ষ্মণ ৰথৰ কাষ পোৱালৈকে তীব্ৰ দৃষ্টিৰে লক্ষ্য কৰি আছে উৰ্মিলাই। নিজৰ হাতটো সৰু সৰুকৈ লৰাই দিলে সীতাই। কিন্তু উৰ্মিলাৰ সঁহাৰি নাই। দেহতকৈও মনৰ দ্ৰুত গতিৰ বাবে চকুৰ দৃষ্টিশক্তিয়ে কাম কৰা নাই। চকু মেলি তীক্ষ্ণ দৃষ্টিৰে চাই থাকিলেও তাইৰ মন আছে ক’ৰবাত। দীঘল, কিচ্‌কিচীয়া ক’লা চুলি কোছাৰ আগ সাপৰ জিভাৰ দৰে লক্ লক্ কৰি বতাহত উৰিছে। তাইৰ দৃষ্টিলৈ ভয় কৰি যেন মূৰ তুলি কোনোফালে চোৱা নাই লক্ষ্মণে। নামি অহাৰ আগতে উৰ্মিলাৰ লগত যেন দোৰ্ঘোৰ কন্দল হৈছিল লক্ষ্মণৰ। তাৰ মাজতেই আঁতৰি অহাৰ কাৰণে এতিয়াও তেওঁ নিজক আনটো পৰিবেশলৈ ওভতাই আনিব পৰা নাই। ইমান গম্ভীৰ লক্ষ্মণ!

“তোমাৰ হৈছে কি লক্ষ্মণ ?” মুখ ফুটাই চিঞৰি সুধিবৰ মন গ’ল সীতাৰ। কি হৈছে একো বুজিব নোৱাৰিলে। অকল ৰামৰ নহয়, লক্ষ্মণৰো একে চিন্তা। ৰাজ্য আৰু ৰাজত্ব! তেওঁলোক কোনেও সঁচা কথা কোৱা নাই। সঁচা কথা নকয়। মায়াৰ আৱৰণেৰে মাথো ঢাকি থব খোজে।

"ৰাম ক'তা ভাই লক্ষ্মণ" উচ্চকণ্ঠেৰে সুধি পেলালে সীতাই।

"আহিব নোৱাৰিলে।" কণ্ঠ নকণ্ঠকৈ গুন্‌গুনু কৰে কৈ ৰথত উঠি বহিল লক্ষ্মণ।

শব্দকেইটাই জোৰেৰে আহি সীতাৰ হৃদয়ত আঘাত কৰিলে। আঘাতটো চম্ভালিব নোৱাৰি তেওঁ বৰ বেছি অস্থিৰ হৈ উঠিল। চিঞৰি উঠিব খুজিলে—"আহিব নোৱাৰাৰ কাৰণ কি ?"

কিন্তু কিবা কোৱাৰ আগতেই ৰথখন যাবলৈ ধৰিলে। ৰথৰ চকাৰ ঘৰ্‌ঘৰ্ শব্দ শুনা গ'ল। ঘোঁৰাহালৰ হেহঁনিয়ে, খুৰাৰ খট্‌খট্ শব্দই আৰু গাত ঘনে ঘনে ঘূৰি-ঘূৰি আহি পৰা চটপ্ চটপ্ চাবুকৰ শব্দই চৌদিশ মুখৰিত কৰি তুলিলে। চটফট কৰি উঠিল সীতা। ঘোঁৰাৰ গাত নহয়, নিজৰ গাত যেন আহি পৰিছে চাবুকৰ কোব।

সিংহদ্বাৰ পাৰ হৈ গ'ল ৰথখন। প্ৰাসাদৰ সেই বিশেষ কক্ষটোত শেষবাৰৰ কাৰণে চকু পৰিল। একেদৰে নিথৰ নিস্পন্দ হৈ থিয় হৈ আছে উৰ্মিলা। দেহ নহয় এহাল চকু। ৰাতি বাঘৰ চকু জ্বলাদি জ্বলিছে চকুহাল।

আজিয়েই ৰামৰ মাথোন সময় নোহোৱা হ'ল ? সীতাই ভাবিলে। সময় নোহোৱাৰ কথা আগতেই তেন্তে নকলে কিয় ? এ.কা নোকোৱাকৈ হঠাৎ এনেদৰে আহিম বুলি কৈ নাছিল কিয় ? হিয়া ভাঙি কান্দোন ওলাই আহিব খুজিলে সীতাৰ। মনৰ ভিতৰখন হাঁহাকাৰ কৰি উঠিল। "তুমি বহা মই আহিছোঁ" বুলি প্ৰাসাদলৈ পুনৰ উভতি গৈছিল—কিবা যেন এৰি থৈ আহিছে পাহৰি। সকলো মিছা ? নহাৰ কাৰণ কি ? ৰাজকাণ্ড ? কিন্তু ৰজাৰো জানো ব্যক্তিগত জীৱন বুলি একো নাই ? ঘৰুৱাহি কাম ? নিজৰ ল'ৰা-তিৰোতাৰ চিন্তা ? সংসাৰ ! ধৰ্মপত্নী সীতাৰ বাবে ৰজা ৰামে কণমান ত্যাগ স্বীকাৰ কৰিব নোৱাৰে ? অকণমান সময় অপব্যয় ? দুদিনমানৰ আগলৈকে প্ৰতিদিন আবেলি দেখোন সময় পাইছিল। যোৱা কালিৰ বাদে, আবেলি প্ৰতিদিন ৰথখন লৈ ওলাই গৈছিল। প্ৰতিদিন ! কি আমোদ আনন্দৰ কথা ! সুখ আৰু শান্তিৰ জীৱন !! দেওবাৰে আবেলিও ৰাম গৈছিল লগত। হাঁহি হাঁহি আহি বহিছিল সীতা একাষত। সৰযু নৈৰ পাৰে পাৰে অনৰ্গল ফুচফুচাই দুয়ো কথা পাতিছিল। ঘোঁৰাৰ খুৰাৰ শব্দত কোনেও শুনে যদিও। ওপৰত আছে

সাৰথি সুমন্ত্ৰ। মাজে মাজে ঘোঁৰাৰ পিঠিত পৰা চাবুকৰ শব্দৰ বাহিৰে একো নাছিল। ৰামে হঠাৎ সুধি পেলাইছিল আসন্ন সন্তানৰ জন্মৰ কথা। সি কাৰ দৰে হ'ব? কাৰ স্বভাৱ আৰু চৰিত্ৰ লৈ। দুইটাই অলপ সময় কাজিয়া কৰিছিল। "মোৰ দৰে নহয়, তোমাৰ দৰে।" ৰামে কৈছিল।

"উঁহো তোমাৰ দৰে।" সীতাই কৈছিল।

কেইবাটাও মুহূৰ্ত দুইটাই খটবাজ্ঞ জুৰিলে। অৱশেষত সীতাই ক'লে,—"যদি ছোৱালী হয় মোৰ দৰে, যদি ল'ৰা হয় তোমাৰ দৰে। ওখ আৰু ল'নি।' কিন্তু গাৰ ৰং—"

হঠাৎ লাজ আৰু সংকোচ মনলৈ অহাত মনৰ কথা জিভাৰ আগলৈ নাহিল সীতাৰ। ফুটাই নকলেও মনে মনে ক'লে,—"লক্ষ্মণৰ দৰে হওক যেন তাৰ গাৰ বৰণ। গৌৰবৰ্ণ। তোমাৰ দৰে শ্যামল নহয়। কলীয়া ৰংটো মই সমূলি ভাল নেপাওঁ।"

ৰামৰ গাত আঁউজি ৰ'ল সীতা। মুখলৈ চাই চাই কথা পাতি গ'ল। প্ৰশ্ন কৰিলে আৰু উত্তৰ দিলে। উত্তৰ আৰু প্ৰশ্ন। প্ৰশ্ন আৰু উত্তৰ। হঠাৎ মনত পৰিল আজি অষ্টমী। কথা আছিল, অষ্টমীৰ দিনা ৰামে সীতাক লৈ যাব মন্দিৰলৈ। গৰ্ভস্থ সন্তানৰ মঙ্গলৰ বাবে প্ৰাৰ্থনা কৰিব। মন্দিৰৰ জাগ্ৰত দেৱতাৰ কাষত যিহকে বিচাৰে হেনো তাকে পায়।

মনৰ ভিতৰখন হাঁহাকাৰ কৰি উঠিল সীতাৰ। ৰামৰ বুকুত মুখ লুকুৱাই কান্দিবৰ মন গ'ল—পিঠিত হাত বুলাই বুলাই নিচুকায় ৰামে। অকণমানতে ঠেঁহ আৰু ৰোহ পাতে সীতাই। নমতা হয়। নেমাতোঁ বুলি পিছ মুহূৰ্ততে মাতি পেলায়। মস্কৰা কৰে। ৰামক এবাৰ মনৰ কথা কোৱাৰ উদগ্ৰ কামনাৰ জন্ম হ'ল। লৰি গৈ সুধি আহিবৰ মন গ'ল—"কি হৈছে তোমাৰ? আহাচোন যাওঁ। তুমি নগ'লে মইও নেযাওঁ—"

অসহায় অনুভৱ কৰিলে সীতাই। যিমানেই দিন হৈছে সিমানেই দুৰ্বল ভাৱটো ক্ৰমাৎ বেছি হৈছে। বেছি হৈছে অনাগত ভৱিষ্যতৰ আশঙ্কা।

"মই যদি জীয়াই নেথাকোঁ?" এদিন হঠাৎ কৈ পেলাইছিল।

"ছিঃ" সাৰটি ধৰি কৃত্রিম ভৎসনাৰে কৈছিল ৰামে—"এনে অমঙ্গলীয়া কথা কয় নেকি?"

"কি ঠিক?" সীতাই কৈছিল "পুৰুষৰ ৰণৰ দৰেই তিৰোতাৰ বিয়ন। জীয়াই থাকোঁনে নেথাকোঁ জানে কোনে? একমাত্র জীৱন দাতাই জানে ভৱিষ্যতৰ কথা।"

"তুমি যদি নোযোৱা মই যোৱাৰ আনন্দ থাকিল ক'ত? কিয় মই যাম অকলে? চিঞৰি উঠিব খুজিলে সীতাই—"লক্ষ্মণ! ৰথ ৰখোৱা। মই নেযাওঁ।"

কিন্তু—। ৰথখন গৈ থাকিল। ঘোঁৰাৰ খুৰাৰ খট্‌খট্ শব্দ হৈছিল। চকাৰ ঘৰঘৰণি শুনি ভোমোৰা আৰু মৌমাখিবিলাকৰ মাজত হুৱা-দুৱা লাগিল। কি হৈছে বুলি টিপচি চৰাই জাকে উভতি চালে। থমকি ৰৈ পুনৰ সিহঁতে নিজৰ কামত মন দিলে।

ধীৰে ধীৰে, ঘূৰি ঘূৰি পাছলৈ গ'ল প্ৰাসাদ আৰু মন্দিৰৰ চূড়াবিলাক। উদ্যান আৰু প্ৰাঙ্গণ। চাবিআলি আৰু আগচোতাল। ঠায়ে ঠায়ে নিত্য প্ৰয়োজনীয় বস্তুৰ গোলা। মাংসৰ দোকান। সমুখত কটা জন্তুৰ দেহৰ কাষত ৰহি আছে ব্যাধ আৰু নিষাদ। সিহঁতৰ ক'লা আৰু আপচু মুখলৈ চাই কাতৰ কণ্ঠে কাকুতি কৰিছে কাটিবলৈ আনি বান্ধি থোৱা হৰিণা আদি অবোধ জীৱই।

ধীৰে ধীৰে নগৰ শেষ হল। বৃহৎ আকাৰৰ শিল আৰু লোৰে নিৰ্মিত ওখ ওখ ভৱন আৰু প্ৰাসাদসমূহ শেষ হৈ আৰম্ভ হল কাঠ-বাঁহৰ মাটিৰ কুটীৰ। মাজে মাজে ভঙা-ছিঙা একোটা ঘৰ। ভাল মুকুট, মণি-মুকুতা, পৰিচ্ছদৰে সুসজ্জিত সামন্ত আৰু অমাত্যসকলৰ পৰিৱৰ্তে সাধাৰণ মানুহ। গাত উত্তৰীয় কাপোৰ এখনো নাই। নিম্নাংশত মাথোন আছে কটিবস্ত্র। ৰং-বিৰঙৰ ঘূৰিবে, মুখৰ ওপৰত এমুঠন ওৰণিৰে তিৰোতা। মূৰত, আধাৰিৰ ওপৰত মাটিৰ কলহ লৈ জাকপাতি নদীৰপৰা পানী আনিবলৈ গৈছে নাইবা জাউত জাউতকৈ নাম গাই পানী লৈ উভতি আহিছে। ধূলি উৰাই ৰথখন সিহঁতৰ কাষেৰে পাৰ হৈ গ'ল। বেলিটো এবাৰ হঠাৎ আহি ৰথৰ ভিতৰ সোমাল। ক্ৰমাৎ হেলনীয়া আৰু হেঙুলীয়া হৈছে বেলিটো। ডুবিবলৈ আৰু বেছি সময় নাই। ৰথৰ লগে লগে যেন প্ৰতিযোগীৰ দৰে সি দৌৰিছে। মাজে মাজে গছৰ আঁৰ হয়। নাইবা ঘৰ একোটাত

সোমাই পৰে। পুনৰ ওলাই মিচিক-মাচাককৈ হাঁহে। কিন্তু হাঁহিটো নির্মল নহয় যেন লাগিল সীতাৰ। সীতাক মস্কৰাহে কৰিছে বেলিটোৱে। তেজৰঙা জিভা উলিয়াই শিয়ঁৰিছে। নহয়, হাঁহিৰ লগত কান্দোন অলপ মিহলি হৈ যোৱাতহে তাক তেনে দেখা গৈছে। লুকা-ভাকু খেলিছে যেন দুষ্ট বেলিটোৱে সীতাৰ লগত।

এনেকৈয়ে উর্মিলাৰ লগত লুকা-ভাকু খেলিছিল সীতাই সৰুতে। উর্মিলাক সহজে বিচাৰি উলিয়াব নোৱাৰি। সীতাক কিন্তু উর্মিলাই ৰব সোনকালে আৰু সহজে বিচাৰি উলিয়ায়। সীতা বৰ সহজ। বৰ সৰল। মেৰপেচহীন। উর্মিলা কিন্তু অকণো সহজ নহয়। মনৰ কথা তাইৰ ধৰিব নোৱাৰি। মৰিলেও নকয়। খেলকো• জীৱনৰ দৰে কঠোৰভাৱে লয় উর্মিলাই। ধেমালি নহয়। খেলত হাৰিলে 'হাৰিলোঁ।" বুলি হাঁহি ক'ব নোৱাৰে। সীতাৰ দৰে যি কোনো পৰিণতিকে হাৰকেই বা জিককেই সহজভাৱে গ্ৰহণ কৰিব নোৱাৰে। জিকিলে আনন্দত তাই উত্ৰাৱল হৈ পৰে। হাৰিলে চেৰেউ-ফেৰেউকৈ কান্দে। খেল যেন জীৱনৰ এটা অঙ্গহে—নিজৰ দেহৰ এটা অঙ্গ হেৰুৱাৰ দৰে অস্থিৰ আৰু অধৈর্য্য হৈ উঠে উর্মিলা। ডাঙৰ হৈও উর্মিলা একেদৰে থাকিল। তাইৰ মন বুজা বৰ টান। নিজৰ মনৰ সকলো দুখ আৰু আনন্দ লুকুৱাই ৰখালে। চিৰদিন লুকাই থাকিল উর্মিলা।

সীতাৰ চকুত পৰিল বাটৰ এফালে এজাৰ, সোণাৰু আৰু শাল গছৰ শাৰী। বাটটোৰ আনফালে মদাৰ আৰু সমিধ। আম আৰু জামুৰ দৰে গছবিলাকে মলিয়াইছে। কঠালে মুচি পেলাইছে। মৌগুটিবিলাক, ৰং-বিৰঙৰ সৰু সৰু পখিলাবিলাক চাৰিওফালে উৰি ফুৰিছে। এটা অকলশৰীয়া কুলিৰ মাত। বাটৰ ওপৰত সৰি পৰা শুকান গছপাত মচমচকৈ ভাঙি আগুৱাই গৈছে ৰথখন। কেইবা-জোপাও গছ থূপখাই থকা এঠাইত হঠাৎ এজাক চৰাই জাকিমাৰি উৰি গ'ল। ৰথ চলাৰ শব্দটোত চিকাৰী অহা বুলি ভাবিও সিহঁতে হয়তো ভয় খালে। প্ৰাণলৈ কি ভয়! মানুহলৈ। মানুহ কেনে নির্দয়। সিহঁতৰ বিশ্বাস নাই। কোন মুহূর্তত ৰথৰপৰা শৰমাৰি কাক মাটিত পেলায় ঠিক কি? মানুহতকৈ নির্দয় জন্তু আৰু আছে কি!

এজাক চৰায়ে এজোপা গছত কোঢ়াল কৰি আছে। আশে পাশে কেইবাটাও কাউৰী আৰু চিলনি। ৰমলিয়াই ৰমলিয়াই উৰি

উৰি ঘূৰি ফুৰিছে। উইচিৰিঙা উৰিছে। উৰি আহি হঠাৎ একোটা থাপত থপিয়াই কাউৰী আৰু চিলনি জাকে ধৰি খাইছে। সিহঁতৰ সেই আনন্দত মৃত্যু হৈছে বহুতৰ, তাকতো নাজানে সিহঁতে। এজনৰ আনন্দত আন এজনৰ মৃত্যু। সেয়ে যেন প্ৰকৃতিৰ ধৰ্ম। জীৱৰ জীৱন।

আন এবাৰ সীতাৰ হঠাৎ চকুত পৰিল বাটৰ কাষত ক'ৰবাৰ-পৰা আহি থকা এখন নৈ আহি ওলাল। এজনী যেন গাভৰু ছোৱালী নৈখন। গুৱনি, চঞ্চলা-চপলা আৰু তৰুণ। খিলখিলকৈ বথখন দেখি যেন তাইৰ হাঁহি উঠিল। সুধিলে—"ক'লৈ যোৱা? ক'লৈ যোৱা??"

নৈৰ পৰিষ্কাৰ পানীত আহি পৰিছে বেলিৰ ৰঙা ৰ'দ। তেজৰ দৰে ৰঙচুৱা হৈ উঠিছে একো আঞ্জলি পানী।

এটা ঘাটত ধোবা এটাই কাপোৰ ধুইছে। আন এটাত এহাল মতা-তিৰোতাই খৰিয়ালে কৰিছে। বোধকৰো স্বামী-স্ত্ৰী। মতাটোৰ খালি গা। কাষত এজুম মানুহ থুপ খাইছে। মাজত পৰি আছে তিৰোতাজনী। তিতা কাপোৰ বোকা-মাটিৰে লিপিত খোৱা। কান্দোনত ভাঙি পৰিছে তাই। কি হৈছে জানিবৰ বৰ মন গ'ল সীতাৰ। মহৰ-শিঙীয়া গোঁফেৰে অসুৰ যেন লগা মেদেলা মানুহটোৱে তাইক চৰ, ভুকু-গোৰ সোধাইছে। প্ৰচণ্ড অঙ্গি-ভঙ্গি কৰি কথা কৈছে। বোধকৰো গুচি যাবলৈ কৈছে য'লৈকে ইচ্ছা যায় ত'লৈকে। বাট-টোৰ ভাঁজটো ঘূৰোতেই হঠাৎ দেখা গ'ল দৃশ্যটো। কি নিৰ্মম! নিৰ্দয়! থুপখাই থকা মানুহ জাকে মাথো ৰং চাইছে। হাঁয় হাঁয় ছি ছি কৰিছে দুৰ্ভগীয়া মানুহজনীৰ ভাগ্যক তাইৰ হাতত এৰি নিজৰ নিজৰ কামলৈ সিহঁত আঁতৰি গৈছে। নৈৰ পাৰে পাৰে বাটটো বহুত দূৰলৈ গ'ল। বাট এৰি পুনৰ বনৰ পথ ধৰিলে। অ'ত ত'ত সৰু সৰু জোপোহা গছ। ধাঁহনিৰ ওপৰেৰে ৰথ চলিছে। ঢৌ খেলোৱাৰ দৰে ওখ-চাপৰ ঠাই। নামনিলৈ নামি হঠাৎ ওপৰলৈ উঠিছে ৰথ। এসময়ত আৰম্ভ হ'ল অটব্য অৰণ্য। শালনি। ওখ ওখ চেগুণ গছ, বহল বহল চপলা পাতেৰে। শাৰি শাৰী। তলখন শুকান গছ পাতেৰে ভৰ্তি। তাৰ যেন শেষ নাই। বেলিটো ইতিমধ্যে ডুবিল। ৰশ্মি নাই। মাথোন পশ্চিম আকাশখন ৰঙচুৱা হৈ আছে বাঙ্কনী ৰ'দেৰে।

কিন্তু এইফালে ? এইফালে কলৈ যায় ? এই অৰণ্যলৈ কিয় আহিল ? কোশল, বিদেহ বা মিথিলালৈ যোৱা বাট জানো এইটো ? আবেলি ফুৰাৰ ঠাই এইয়াতো নহয় ? কোনোদিন অহা নাই এই বাটেৰে। কলৈ আনিছে ৰথ ? ঘোঁৰাৰ নাম নাই. উভতি যোৱাৰ নাম নাই ; মাথোন গৈ আছে—উভতি যেন নাহিব। চিৰদিনৰ বাবে যেন অযোধ্যা এৰি আহিছে ৰথখনে। চিএঃৰি সুধি পেলাব খুজিলে সীতাই। কিন্তু চকাৰ ঘৰঘৰণিত মাত জানো শুনিব ? ৰথৰ ওপৰত আছে লক্ষ্মণ সাৰথি হৈ। অকলশৰীয়াকৈ যেন সীতাক বন্দী কৰি থৈছে এই বন্ধ কোঠাত। ৰথ নহয় এইখন যেন এখন চলন্ত বন্দীশাল।

হঠাৎ। এঠাইত ৰথখন আহি ৰৈ গ'ল।

## দুই

আনফালে।

সুউচ্চ প্ৰাসাদবিলাকৰ আঁৰত নেদেখা হৈ পৰিল ৰথখন। ৰাজ-উদ্যানৰ আনটো মূৰত এবাৰ কণমান সময়ৰ বাবে দেখা গ'ল। শেষত একেবাৰে নেদেখা হৈ পৰিল। ঝুনুক ঝুনুককৈ বাজি যোৱা। ঘোঁৰাৰ ডিঙিৰ ৰঙা-নীলা মণিবিলাকৰ শব্দ কাণত বাজি থাকিল বহুত সময়। বহুত দূৰত এবাৰ মাথোন ঘোঁৰা দুটাৰ মূৰৰ ওপৰেৰে ঘূৰি ঘূৰি গাত পৰা চাবুকৰ আগটো দেখা গ'ল।

ৰথখন নেদেখা হোৱাৰ বহুত সময়ৰ পিছত গবাক্ষৰ মুখৰপৰা উভতি আহিল ৰাম। গবাক্ষৰপৰা চকু আঁতৰাই কোঠালৈ আনিয়েই হঠাৎ অনুভৱ কৰিলে কাৰুকাৰ্য্য খচিত পালঙ্ক আদি সকলো বস্তু একেদৰে আছে যদিও কিবা এটা যেন গভীৰ শূন্যতাই আবৰি আছে কোঠাটো। সীতা আছিল এই সকলো ঐশ্বৰ্য্য-বিভূতিৰ মূল আত্মা। জড় পদাৰ্থৰ মাজৰ জীৱন্ত পদাৰ্থ। সীতাক কেন্দ্ৰ কৰিয়েই গঁথা হৈছিল ৰং-বিৰঙৰ ফুলৰ এধাৰ মালা। সীতা আঁতৰি যোৱাৰ লগে লগে অসাৰ আৰু মূল্যহীন হৈ পৰিল সকলো।

বুকুখন হঠাৎ মোচৰ খাই উঠিল ৰামৰ। কেইটামান মুহূৰ্ত্তৰ আগলৈকে একমাত্ৰ চিন্তা আছিল সীতাৰ নিৰ্বাসন। সাপৰ দৰে

গাত মেৰাই ধৰি থকা সীতাক জোৰ কৰি আঁতৰাই পেলোৱাটোৱেই আছিল একমাত্র চিন্তা। কিন্তু এতিয়া? দেহৰ এটা ফাল যেন হঠাৎ অসাৰ হৈ পৰিছে। সীতা আছিল অৰ্দ্ধাঙ্গিনী—দেহৰ সেইফাল। সেইফালেই আছিল জীৱনৰ মূল। চালিকা শক্তিৰ আধাৰ। প্ৰাণ। সীতাই আছিল ৰামৰ জীৱন। সেই সীতা চিৰদিনৰ বাবে নিঃশেষ হৈ গ'ল। সীতা অবিহনে ৰামৰ জীৱন অচল। মূল্যহীন।

"সীতা!—" হঠাৎ প্ৰাণটাকি চিঞৰি দিবৰ মন গ'ল ৰামৰ। কোঠাটোৰপৰা ওলাই যাব খুজি দ্ৰুতবেগেৰে আগুৱাই গৈ আনটো মূৰ পালেগৈ। লুকাভাকু খেলিছে যেন সীতাই। দুৱাৰখনৰ চুকটোত হাঁহি হাঁহি সেইয়া বৈ আছে। কিবা কব খুজিছে। কিন্তু নহয়, সকলো মনৰ ভ্ৰম।

দুৱাৰডলিত থিয় হ'লে প্ৰকোষ্ঠৰ আনটো ফাল দেখি থাকে। বিয়াৰ পিছত প্ৰথম সেইয়া সেইখিনিত আহি দুইটা থিয় হৈছিল। চৈধ্য বছৰ আগৰ কিশোৰী সীতা। আনন্দৰ এটা যেন নিজৰা। চঞ্চলা, চপলা। দুৱাৰখনৰ সেই চুকটোত ৰামে জীৱনৰ প্ৰথম চুমাটো খাইছিল। প্ৰথম বাহুবন্ধন। বুকুৰ ওপৰত নিটাল মাৰি পৰম আবেশত শুই পৰিছিল সীতা। উন্মুক্ত প্ৰাঙ্গণৰ মুকলি আকাশৰ গুলঞ্চজোপাৰ তলৰ সেইখিনি ঠাইত এদিন শপত খাইছিল। জীৱনত আন কোনো তিৰোতাৰ গা স্পৰ্শ নকৰো বুলি। সীতা ৰামৰ প্ৰথম আৰু শেষ স্ত্ৰী। সকলো সৎগুণ আৰু ৰূপৰ আধাৰ সীতা। জীৱনৰ সুখ-দুখৰ লগৰী। কণমান সময় অন্যমনস্ক হৈ পৰিলেই সীতা হৈ পৰিছিল কেনেদৰে ব্যাকুল। ব্যস্ত।

এইটো কোঠাতেই বনবাসৰ আদেশ শুনাৰ পিছত প্ৰথম আহি সোমাইছিল। শুনাৰ লগে লগে এক মুহূৰ্ততে চিন্তা নকৰাকৈ ৰামৰ লগত যাবলৈ সীতাই খাটনি ধৰিছিল। কৈছিল—"তুমি যলৈকে যোৱা, যতেই থাকা সেয়ে মোৰ স্বৰ্গ। তোমাৰ কাষত থাকিবলৈ নেপালে মই জীয়াই থাকিব নোৱাৰোঁ। চৈধ্য বছৰ নেলাগে চৈধ্যটা দণ্ডও তুমি মোৰ চকুৰ আঁতৰ হোৱা মই সহিব নোৱাৰোঁ।"

"কিন্তু তুমি—"

"মই কি? আহি যদি দেখা, মই আৰু পৃথিৱীত নাই?"

"ছিঃ সীতা—"

"তোমাৰ চকুৰ আগতে মোক বাঘে খাওক সেয়ে মোৰ সৌভাগ্য ৰাম! বনত একো খাবলৈ নেপালেও খোজকাঢ়ি ফুৰিলেও সেয়ে মোৰ মহাসুখ। মহানন্দ। তুমিহীন ৰাজপ্ৰাসাদৰ সুখ-সম্ভোগ মোৰ বাবে বিষময় । এই শয্যা মোৰ বাবে কাঁইটৰ শয্যা। কণ্টকময়। মই তোমাৰ লগত যাম। যদি নিনিওঁ বোলা সৰযু নৈৰ পানীত—"

সীতাক সাৱটি ধৰি কবলৈ নিদি সোঁহাতৰ তলুৱাখনেৰে ওঁঠ দুখন ঢাকি ধৰিলে ৰামে। কলে,—"তুমি লগত নথকাৰ কথা মই কল্পনাই কৰিব নোৱাৰোঁ সীতা। ৰাজ্য আৰু পিতৃ-মাতৃ ত্যাগতকৈও তোমাক এৰি থৈ যোৱাৰ দুখ মোৰ বাবে —"

"সেই কাৰণেহে মোক লগত নিব খোজা নাই?" সীতাই অভিমান কৰি ক'লে।

"তুমি কষ্ট পাবা বুলিহে মই লগত নিব খোজা নাই। অটব্য অৰণ্যৰ মাজত চৌদ্ধটাকৈ বছৰ—"

"তুমি থাকিব পাৰিলে মই নোৱাৰিম কিয়?"

"মই যে পুৰুষ। কষ্ট সহ্য কৰা মোৰ প্ৰকৃতি।"

"তিৰোতাই কষ্ট সহিব নোৱাৰে বুলি তোমালোক পুৰুষবিলাকেহে ভাবা। দৰাচলতে পুৰুষতকৈ নাৰী বেছি কঠিন। বেছি কষ্টসহিষ্ণু।"

সীতাৰ সেই কথাবিলাক জানো সঁচা নাছিল? সেই মৰম আৰু স্নেহ সকলো জানো কৃত্ৰিম? মিছা? ৰাজপ্ৰাসাদৰ সুখ এৰি বনবাস খাটিবলৈ একে উশাহে সন্মত হোৱা সীতাক সন্দেহ কৰা হ'ল কিয়? কিয়?

সোণৰ হৰিণা দেখালৈকে সেই বনবাস আছিল সুখ, আনন্দ আৰু শান্তিৰ লীলাভূমি । হৰিণা নহয়, সি যেন ধূমকেতু। হৰিণাৰ ৰূপ লৈ সি আহি সোমাল ৰাম আৰু সীতাৰ মাজত। আঁতৰাই লৈ গ'ল ৰাম-লক্ষ্মণক। সীতাক।

জুইত পৰা ফৰিঙৰ দৰে ছটফট কৰি উঠিল ৰাম।

কোঠাটোৰ কাপোৰবিলাক, সাজ-সজ্জা যেনে আছে তেনেই আছে। যেন সীতা এইমাত্ৰ ঘূৰি আহিব। লক্ষ্মণৰ বাহিৰে কোনেও নেজানে কি হৈছে, ক'লৈ গৈছে সীতা। কোনেও নেজানে অযোধ্যাৰ ৰাজবধূ চিৰকালৰ বাবে নিৰ্বাসিতা।

ৰাজবধূ !! দশৰথ আৰু কৌশল্যাৰ মানত—একমাত্র কৈকেয়ী আৰু মন্থৰাৰ বাহিৰে—সমগ্ৰ ৰাজ্যৰ বাবে, ৰাজলক্ষ্মী সীতা। অযোধ্যাৰ সেই ৰাজলক্ষ্মী আজি নিৰ্বাসিতা।

চৈধ্যটা বছৰ বনবাস খটাৰ পিছত আহি অযোধ্যা পোৱাৰ প্ৰতিটো ক্ষণ এটা-এটাকৈ মনত পৰি গ'ল ৰামৰ। কোন সময়ত সীতা আছিল ৰামৰ প্ৰতি কঠোৰ, তিলমানো কৰিছিল অনাদৰ আৰু অৱজ্ঞা ? অনুৰক্ত নোহোৱাৰ উমান পোৱা গৈছিল ? একেদৰেই আছিল সীতা। চৌধ্য বছৰৰ আগৰ দৰেই। দেহ মাথোন হৈ পৰিছে ম্লান। ফুলৰ ৰেণুৰ দৰে পৱিত্ৰ ; নৱ পত্ৰিকাৰ দৰে চিৰসেউজীয়া যেন লগা মুখখনত দুশ্চিন্তাৰ ৰেখা। কথাই কথাই কান্দোন। চকুত চকুপানী। এদিন আছিল যিহাল চকুত কথাই কথাই হাঁহি। কেতিয়াবা হঠাৎ কিবা কথাত কান্দি উঠিছিল যদিও সেই কান্দোনত আছিল, তেতিয়া অভিমান আৰু স্নেহৰ দাবী ; এতিয়া যেন ক্ষোভ আৰু অভিযোগ। প্ৰতি-বাদ। হাঁহি আৰু কথাত জীৱনৰ নিদাৰুণ অভিজ্ঞতাৰ প্ৰলেপ। অন্যায় আৰু অবিচাৰৰ ইঙ্গিত।

জীৱনভৰ মাথোন দুখকেই পাইছে সীতাই। পিতৃ-মাতৃৰপৰা সীতা বঞ্চিতা। আনকেই নিজৰ বুলি আঁকোৱালি লৈছে। সেই কথা ওলালেই ৰামে সদায় দিছিল সান্ত্বনা। কৈছিল "তুমি কোন, কোন তোমাৰ পিতৃ-মাতৃ জনাৰ মোৰ প্ৰয়োজন কি ? মোৰ বাবে তুমি সীতা। মোৰ বুকুৰ আপোন, জীৱনৰ ধন। তোমাৰ পিতৃ আৰু মাতৃৰ বাবে নহয়, মই তোমাৰ বাবেই তোমাক ভাল পাইছোঁ। তেওঁ-লোকৰ লগত তোমাৰ সম্পৰ্ক কি জানিবৰ মোৰ প্ৰয়োজন নাই। মই তোমাক প্ৰথম দেখিছোঁ, বিয়া কৰাইছোঁ, ভাল পাইছোঁ, সেয়ে মোৰ জীৱন। হওক তোমাৰ মাতৃ কোনোবা বাৰাঙ্গনা, হওক পিতৃ-মাতৃ দুইজন নীহবো নীহ কুলৰ। মই জানো, পদুমৰ তলখনত কিমান বোকা। ক'ত তাৰ জন্ম। সি যে পদুম সেয়ে মোৰ বাবে যথেষ্ট।"

নিৰ্জন কোঠাটোৰ পালঙ্কখনত ৰাম বহি পৰিল। দাপোণখনত শূন্য পালঙ্কখন প্ৰতিবিম্বিত হৈছে। দাপোণৰ পূৰ্বৰ সেই অপৰূপ সৌন্দৰ্য্য এতিয়া নাই। সীতাৰ ৰূপেই আছিল তাৰ ৰূপ। জড়, জীৱন্ত সকলোতে আছিল যেন সীতাৰ গোপন উপস্থিতি। এতিয়াও

বতাহত ভাহিছে সীতাৰ গাৰ সেই সুগন্ধ। মাত কথাৰ মধুময় ধ্বনি। মাতৰ সেই বিশেষ ধ্বনি হঠাৎ ৰামৰ কাণত বাজি উঠিল। সেই বিশেষ হাঁহিৰ খলকনি। বিয়াৰ ঠিক পিছৰ সেই দিনবিলাকৰ দৰে পাছফালৰপৰা আহি যেন চকু মুজাই ধৰি হাঁহি হাঁহি সুধিব— "কোন বাৰু কোৱাচোন ?" যদিও জানে সীতাৰ বাহিৰে আন কোনো নহয় তথাপিও। সকলোতে মৰমৰ চাপ। মৰম আৰু মৰম। জাল পাতি বন্দী কৰি থৈছিল ৰামক। আজি সেই মৰমক এনেদৰে হত্যা কৰা হ'ল !!

অসহ্য যন্ত্রণাত চকুহাল মুজি দিলে ৰামে। কিন্তু চকু মুজিলেও দেখি থাকে সীতাৰ মুখখন। মায়হজনী।

সেইদিনা। সীতাক বিচাৰি আহি নেপাই সৃষ্টি হৈছিল মনত সাত সাগৰৰ ঢৌ। প্রচণ্ড ধুমুহা-বতাহ। সীতা এক জন্মৰ বাবে জীৱনৰপৰা হেৰাই যোৱাৰ এসাগৰ দুখ। অসাৱধানতা আৰু অৰক্ষণীয়া অৱস্থাত এৰি থৈ যোৱাৰ বাবে এদিন নিজৰ ওপৰত ধিক্কাৰ ওপজাত-কৈও পৰস্ত্রী হৰণকাৰী বুলি ৰাৱণৰ ওপৰত জন্মিছিল প্রচণ্ড ক্রোধ। কিন্তু আজি? আজি কাৰ ওপৰত খং কৰিব? ৰাৱণৰ ওপৰত দোষ জাপি দিয়াটোৱেই আছিল সেইদিনাৰ সান্ত্বনা। কিন্তু সেইদিনাৰ সেই ৰাৱণটো আজি হ'ল তেওঁ নিজে। নিজক নিজে এতিয়া সান্ত্বনা দিয়ে কেনেকৈ ?

চকুহাল মুজি নিথৰ হৈ পৰি ৰল ৰঘুপতি। অব্যক্ত বেদনাত দেহৰ সমস্ত অণু-পৰমাণু কঁপি উঠিল।

কেইবাটাও মুহূর্ত। যুগৰ পিছত যুগ।

হঠাৎ শুনা গ'ল। দুৱাৰমুখত কাৰোবাৰ ভৰিৰ খোজৰ শব্দ।

সীতা ! চিঞৰি উঠিব খুজিলে ৰামে। সীতা নহয়। লক্ষ্মণ। হঠাৎ চিঞৰি কব খুজিলে লক্ষ্মণক ৰামে—"সীতাক ক'ত এৰি থৈ আহিলি লক্ষ্মণ ? ওভোতাই আন।"

"দাদা—"

"অদ্ভুত মানসিক অশান্তিত, খঙত মই যেনিবা কলোঁৱেই তই তাক কৰিবি কিয় লক্ষ্মণ ? তোৰ জানো নিজৰ বিচাৰ-বিবেচনা নাই ? সীতা জানো তোৰ চেনেহৰ নবৌ নহয় ?"

"প্রভু !—"

হঠাৎ টোপনি ভগাৰ দৰে চক খাই উঠিল ৰাম। কোন?

"মই প্ৰভু! মন্ত্ৰী সুমন্ত্ৰ।" লক্ষ্মণ নহয়!

মন্ত্ৰী? কোন মন্ত্ৰী? কোন ৰজা? একো নেজানো মই। ৰজা নহয় মই মানুহ। দুখ আৰু বেদনাৰ এটা সমষ্টি। মই—

সুমন্ত্ৰৰ মুখলৈ নিথৰ হৈ চাই থাকিল ৰামে। সুমন্ত্ৰই ক'লে,—"প্ৰভুৰ ইচ্ছা অনুসৰি ধোবাটোক ধৰি অনা হৈছে।"

"কাক ??"

"ধোবাটোক—সেই ধোবাটোক প্ৰভু!"

"ধোবাটোক?? অঁ অঁ সিয়েই এই সকলো অশান্তিৰ মূল। তাৰ এষাৰ বাক্যই সৃষ্টি কৰিছে এই অনাসৃষ্টি। সীতাৰ নিৰ্বাসনৰ বাবে সিয়েই এইমাত্ৰ দায়ী। তাক মই—"

জাপ মাৰি পালঙ্কৰপৰা নামি গ'ল ৰাম। ক'ত আছে সি? গবাক্ষেৰে বাহিৰলৈ চালে ৰামে। ৰহুত তলত চাবিটা ৰক্ষীৰ মাজত এটা মানুহ। খালি গা। কঁকালৰ তলত কণমান এখন কাপোৰ। থক্ থক্ কৰে কঁপিছে সি। হাত দুখন ওপৰলৈ যোৰ কৰি আছে। ৰামক দেখাৰ লগে লগে হঠাৎ গুৰি কটা গছৰ দৰে ঢাঁচ কৰে মাটিত পৰি গ'ল আৰু হাও-হাওকৈ, বিনাই বিনাই কান্দিবলৈ ধৰিলে। সেইদিনা সেইয়া তাৰ কি দম্ভ! টেটুফালি সি চিঞৰি উঠিছিল—"মই ৰাম বুলি ভাবিছ? এবছৰ কিয় এক দণ্ডও লোকৰ ঘৰত থাকিলে মই গ্ৰহণ নকৰো। এই ঘৰত আৰু তোৰ তিলমানো স্থান নাই। য'লৈকে যাব, যালৈকে যাব যা। যতে মৰ মৰগৈ—কি আচৰিত? প্ৰথম শাৰীটো বাদে, সেই একে কেইষাৰ কথা অগ্নি পৰীক্ষাৰ দিনা ৰামে সীতাকো কৈছিল।

অসহায়া তিৰোতাজনীৰ সেই শুকান মুখ। করুণ ক্ৰন্দনৰ ধ্বনি! সেইজনীয়েই সেইদিনা আছিল সীতা। কিন্তু এই মানুহটোৰ বাৰু দোষ কি? এটা বছৰ আনৰ ঘৰত থকাৰ পিছত সীতা জানো সঁচাকৈয়ে সতী হৈ আছে? বিশ্বাস কি? তিৰোতাৰ বিশ্বাস!! এইফালৰপৰাই মাথোন বিচাৰ কৰিলে ৰামে। ধোবাটোৱেও। তিৰোতাজনীৰ ফালৰপৰা বিচাৰ কৰিলে ক'তা? দুটা দিন মাথোন মাকৰ ঘৰত তাই বেছিকৈ আছিল। সেই অপৰাধত সি তাইক ঘৰত সোমাব নিদিয়ে। এইয়া কেনে বিচাৰ হ'ল? কেনে ন্যায় বিচাৰ!

ক'বৰ মন গ'ল ৰামৰ—"তাক এৰি দিয়ক মন্ত্ৰীবৰ! তাৰ কোনো দোষ নাই।" কিন্তু ওঁঠৰপৰা ফুটি ওলাল—"তিৰোতাজনীক ?"

"মাকৰ ঘৰৰপৰা তাইকো আনিবলৈ পঠোৱা হৈছে প্ৰভু।"

"ঠিক আছে, মই তাৰ বিচাৰ কৰিম। তাক—তাক এতিয়া পোতাশালত থওক—"

ধোবাটোক নহয়, তেওঁ যেন নিজক হে বন্দীশালত ৰখোৱাৰ আজ্ঞা দিছে। যেন কৈছে: মই মোৰ নিজৰ বিচাৰ কৰিম। মোৰ নিজৰ তিৰোতাৰ ওপৰত কৰা অন্যায় আৰু অবিচাৰৰ বিচাৰ। বিচাৰৰ মূল অপৰাধী, সকলো অন্যায় আৰু অবিচাৰৰ দায়ী মই মোক এতিয়া থওঁ পোতাশালত।

অসহায় মানুহটো কটোৱালৰ পাছে পাছে পোতাশাললৈ সোমাই যোৱাৰ দৰে বাহিৰৰপৰা ধীৰে ধীৰে ভিতৰ সোমাই গ'ল ৰঘুপতি। পোতাশালৰ ভিতৰলৈ।

## তিনি

প্ৰকাণ্ড শিৰীষ গছ এডালৰ তলত ৰথখন আহি ৰৈ গ'ল। চাৰিওফালে হাবি আৰু হাবি। ৰথৰপৰা লক্ষ্মণ নামি আহিল। ধীৰে ধীৰে আহি দুৱাৰখন মেলি ধৰিলে। আৰু---

ইকি ?? লক্ষ্মণে ফোঁপাই ফোঁপাই কান্দিছে। সৰু ল'ৰা এটাৰ দৰে কণমান কেচুৱা এটাৰ দৰে বহুত সময় পিয়াহ নোখোৱাকৈ থকাৰ দুখত। সীতাৰ ভৰিহাল দুই হাতেৰে সাৱটি ধৰি মূৰটো ভৰিৰ মাজত সুমাই, গোঙাই গোঙাই কিবা কৈছে।

একো নুবুজি থিৰ হৈ ৰল সীতা। লক্ষ্মণৰ মূৰৰ চুলিত হাত ফুৰাই ফুৰাই সীতাই সুধিলে, "কি হৈছে তোমাৰ লক্ষ্মণ ? হ'ল কি ? নোকোৱা কিয় ?"

এনেকৈ কোনো পুৰুষক কোনোদিন কন্দা দেখা নাই সীতাই। শত-সহস্ৰ শত্ৰুৰ লগত যুঁজ কৰা বীৰ একোজন ইমান অসহায় ! আচৰিত ! ফোঁপাই ফোঁপাই উচুপি উচুপি কান্দোন মিহলি মাতেৰে বাৰে বাৰে কৈছে লক্ষ্মণে— "মোৰ একো দোষ নাই নবৌ ! মোক তুমি ক্ষমা কৰা। ক্ষমা কৰা।"

"তোমাৰ একো দোষ নাই লক্ষ্মণ।" একো নুবুজিলেও সীতাই ক'লে,—"সকলো তোমাৰ গুণ। কোনোদিনেই মই তোমাক দোষ দিয়া নাই। খং কৰা নাই .... এ'দিনৰ বাহিৰে। সেইয়া আছিল এক অদ্ভুত মানসিক অৱস্থা। হৃদয়ৰ কথা নহয়, সেইয়া আছিল প্ৰলাপ। প্ৰলাপ বুলি ভাবা। বলা লক্ষ্মণ উভতি যাওঁ। সন্ধ্যা হ'ল। আমি বহুত দূৰলৈ আহিলোঁ। সময় থাকোঁতেই উভতি নগৈ ক'লৈ আনিলা? মোৰ এনে লাগিছে পুনৰ যেন আমি বনলৈ আহিছোঁ। সেইবাৰ ৰাম আৰু সুমন্ত্ৰ আছিল ৰথত। এইবাৰ মাথোন তুমি আৰু মই।"

কান্দোনত ভাগি পৰিল লক্ষ্মণ। উচুপি উচুপি ক'লে,—"মইও নহয় নবৌ, এইবাৰ মাথো তুমি।"

"মাথোন মই?" কিবা এটা হঠাৎ অনুমান কৰিলে সীতাই। ক্ষীণ এটা বেঙণি। অৱচেতন মনেৰেই বুজি পালে কি ঘটিব ধৰিছে। সুধিলে—"তুমি কৈছা কি লক্ষ্মণ? বুজা নাই।"

লক্ষ্মণে ক'লে,—"যদি পাৰিলোহেঁতেন এনেকৈ তোমাক অকলৈ এৰি থৈ নগৈ ময়ো বনবাসী হলোহেঁতেন নবৌ। সৰযুৰ পানী সাক্ষী কৰি কৈছোঁ মোৰ কোনো দোষ নাই।"

নিথৰ হৈ ৰ'ল সীতা। এইয়া এক চক্ৰান্ত। চক্ৰান্তৰ বলি হৈছে সীতা। তাৰ বাবেই ৰাম অহা নাছিল, আহিল লক্ষ্মণ। তাৰ বাবেই কেইদিনমানৰপৰা ৰাম ইমান চিন্তাগ্ৰস্ত। তাৰ বাবেই লক্ষ্মণ ইমান গম্ভীৰ।

সেইয়া আছিল ধুমুহাৰ আগজাননী। জীৱনৰ ধুমুহা।

সীতা অস্থিৰ হৈ উঠিল। উত্তেজিত স্বৰেৰে লক্ষ্মণক সুধিলে,—"কিন্তু কিহৰ বাবে মোৰ এই নিৰ্বাসন? মোৰ কি অপৰাধ? অপৰাধৰ কথা নজনোৱাকৈ শাস্তিৰ এই বিধান কিয়? এইয়া কেনে বিচাৰ? কিহৰ বাবে লক্ষ্মণ? কোৱাচোন, নোকোৱা কিয়? মোৰ দোষ কি?"

"মই একো নেজানো নবৌ! মাথোন আদেশ পালন কৰিছোঁ। মই মাথোন আদেশৰ দাস।"

"আদেশৰ দাস??" ইমান দুখতো হাঁহি উঠিল সীতাৰ। ভাতৃস্নেহে দেখিছোঁ তোমাৰ চকুহাল অন্ধ কৰি থৈছে লক্ষ্মণ। আদেশ

পালন কৰাই জানো একমাত্ৰ কৰ্তব্য? ন্যায়-অন্যায় বিচাৰ কৰাৰ জানো প্ৰয়োজন নাই? ধৰ্ম-অধৰ্মৰ বিচাৰ জানো নিষ্প্ৰয়োজন? নিজৰ বিবেকক, হৃদয়ক নেওচা দি মাথোন চকু মুজি আদেশ পালন, সেইয়াই জানো উচিত? মাত্ৰ কোৱাৰ লগে লগেই তাক পালন কৰাই কৰ্তব্য? তোমাৰ দাদাৰ কথাই শিলৰ ৰেখা? সেয়ে যুক্তি, সেয়ে ধৰ্ম, সেয়ে সত্য? তাৰ বিপৰীত হলেই অসত্য, অন্যায়, অধৰ্ম? এইয়া কেনে যুক্তি লক্ষ্মণ? এনে কৰাৰ অন্তৰালত আছে কাপুৰুষতা, নহলে ভয়ঙ্কৰ স্বাৰ্থপৰতা। তোমাক মই বীৰ বুলিয়েই জানো লক্ষ্মণ। তেন্তে তুমি কিহৰ স্বাৰ্থত—"

"মোৰ কোনো স্বাৰ্থ নাই নবৌ। নিস্বাৰ্থভাৱে মই তোমালোকক সেৱা কৰিলোঁ। আদেশ পালন কৰিছোঁ।"

"কিয়??" আৰ্তনাদ কৰি উঠিল সীতাই—"আচৰিত তোমাৰ যুক্তি। তুমিয়েই কোৱা, তোমাৰ সেই আদেশৰ গৰাকীৰ কাৰণেই মই কি কৰা নাই? স্বইচ্ছাই চৈধ্য বছৰ বনবাস খাটিবলৈ গৈছিলো। তুমিতো—"

"মোৰ কথা নহয় নবৌ, তোমাৰ কথা কোৱা, তোমাৰ কথা ভাবা। মইতো মই নহয়। ৰামহীন লক্ষ্মণৰ কথা মই নিজেই ভাবিব নোৱাৰোঁ। মই তেওঁৰ আজ্ঞাবহ ভৃত্য। তেওঁৰ আদেশ—"

নিজক সংযত কৰিলে সীতাই। "কোৱা ৰামৰ কি আদেশ?" শুনিবলৈ প্ৰস্তুত হৈ দৃঢ়তাৰে সুধিলে— "তোমাক কি কৰিবলৈ কৈছে?"

লক্ষ্মণ কেইটামান মুহূৰ্ত মৌন হৈ ৰ'ল। কথাষাৰ কেনেকৈ কব ভাবিলে আৰু ক'লে,—"তোমাক ৰামে পৰিত্যাগ কৰিছে—"

"পৰিত্যাগ কৰিছে? কিয়?? কিহৰ বাবে? মোৰ অপৰাধ কি?"

"মই একো নেজানো।" লক্ষ্মণৰ সুৰ সলনি হ'ল। দৃঢ়তাৰে ক'লে—"এইয়া অযোধ্যাৰ শেষ সীমা। ইয়াৰ পিছত বিদেশ। যলৈকে ইচ্ছা এতিয়া তুমি যাব পাৰা। অযোধ্যাত আৰু তোমাৰ স্থান নাই।"

ধীৰে ধীৰে থিয় হৈ থকা ঠাইতে সীতা বহি পৰিল। থিয় হৈ থাকিবলৈ ভৰি হালৰ যেন শক্তি নাই। অৱশ হৈ আহিছে দেহ। মন। মাটিত লেপেতা খাই বহি তিতা হাঁহিৰে লক্ষ্মণৰ মুখলৈ

চাই ক'লে,— "এতিয়াও তোমাৰ কাৰণে অযোধ্যাত ঠাই আছে লক্ষ্মণ? কোৱাচোন, এইয়া অন্যায় নহয়? তুমি সেই অন্যায়ৰ প্ৰতিবাদ নকৰিলা কিয়? মাথোন তোমালোকৰ কথাই জানো শেষ কথা? মোৰ একো কব লগা নাই? মোক একো নোকোৱাকৈ, মোৰ কথা একো নুশুনাকৈ মোক এই শাস্তি দিছা কিয়? শাস্তিৰ বাবে মোৰ ভয় নাই লক্ষ্মণ, অনাদৰ-অৱহেলাৰ বাবেও। মোৰ দুখ তেওঁৰ মুখৰ আগত থিয় হৈ মই সুধিব নোৱাৰিলোঁ—"কোৱা, মোৰ দোষ কি? কি অপৰাধ? মোৰ দুখ, পুৰুষ হৈ এই অন্যায়ৰ প্ৰতিবাদ তুমি এবাৰো কিয় কৰিব পৰা নাই?"

"মোৰ প্ৰতিবাদৰ কোনো মূল্য নাই নবৌ?" লক্ষ্মণে গভীৰ হতাশাৰে ক'লে,— "তেওঁ ৰজা। অযোধ্যাৰ সম্ৰাট। তেওঁৰ ইচ্ছাই সকলো। বিনা প্ৰতিবাদে তাক মানি চলাই প্ৰজাৰ কাম। তাৰ বাহিৰে উপায় আছে কি?"

"উপায় আৰু একো নাই?" তিক্ত কণ্ঠেৰে বিদ্ৰূপ কৰি কৈ উঠিল সীতাই। "চকু মুদি থকাৰ, শুনাৰ বাহিৰে, আদেশ পালনৰ বাহিৰে আন একো উপায় নাই? তাকেই তেন্তে ৰামৰাজ্য বোলে, ৰজাৰ ইচ্ছাই য'ত ইচ্ছা, প্ৰজাৰ কোনো ইচ্ছা নাই, য'ত প্ৰতিবাদ নচলে, অন্যায়ক অন্যায় বুলি য'ত কব নোৱাৰি, সেয়ে তেন্তে ৰাম-ৰাজ্য? তেওঁৰ যুক্তিয়েই যুক্তি? তেওঁৰ ন্যায়েই ন্যায়? তেওঁৰ ধৰ্মই ধৰ্ম? সকলো তেওঁৰ ইচ্ছা। সেয়ে ৰামৰাজ্য? আচৰিত লক্ষ্মণ? তোমালোকৰ বাবে হ'ব পাৰে সেইয়া ৰামৰাজ্য, কিন্তু মোৰ বাবে নহয়। স্বৰ্গ নহয় সেইখন নৰ্ক। তোমালোক পুৰুষবিলাকৰ মুখতো এই কথা? ৰজাৰ অন্যায়ৰ প্ৰতিবাদ কৰাৰ তোমাৰ দৰে বীৰ পুৰুষৰো সাহস নাই? আজি তুমি নাই বুজা, এদিন বুজিবা, এইয়া অন্যায়, অবিচাৰ, অধৰ্ম। এদিন মোৰ দৰে তুমিও হ'বা পৰিত্যক্ত। আজি মই যিদৰে হৈছোঁ মিছা অভিযোগত অভিযুক্ত এদিন "আদেশৰ দাস" তুমিও হবা ৰামৰ ছলনাত বিনা বিচাৰে নিৰ্য্যাতিত, পৰিত্যক্ত। সেইদিনা তুমি বুজিবা ন্যায় কাক কয়, বিচাৰ কাক কয়, ধৰ্ম কাক কয়, তোমাৰ কৰ্তব্য কি। আদেশৰ দাস হৈ থকাৰ বাবে তোমাৰ বুকুত মোৰ দৰেই জ্বলিব একুৰা জীয়া জুই। ৰামক চকু মুদি সেৱা কৰাৰ বাবে তুমি—"

হঠাৎ সীতাই গম পালে ৰথখন চলিবলৈ আৰম্ভ কৰিছে। ঘনে ঘনে ঘোঁৰাকেইটাৰ ওপৰত পৰিছে চাবুকৰ কোব। সীতাৰ কথাৰ জুই সহ্য কৰিব নোৱাৰি লক্ষ্মণ যেন পলাইছে।

অসহায় আৰ্তনাদ কৰি ৰথখনৰ পাছে পাছে লৰৰি যাব খুজিছিল সীতা। কেইখোজমান গৈ অচেতন হৈ ঢলি পৰিল।

পৰি ৰ'ল।

## চাৰি

উৰ্মিলা ভৱনৰ অন্তেষপুৰ। অলিন্দৰ একোণত থকা গোপন গবাক্ষত চকু থৈ আপোনমনে পালঙ্কৰ ওপৰত বহি থকা উৰ্মিলা কাৰোবাৰ উপস্থিতিত সচকিত হৈ উঠিল। ধীৰে ধীৰে লক্ষ্মণ সোমাই আহিছে কক্ষলৈ। গভীৰ দুখ আৰু দুশ্চিন্তাৰে আৰ্চ্ছন্ন হৃদয়, মন।

বহুত বছৰৰ আগতে আন এদিনো এনেদৰেই আহি সোমাইছিল লক্ষ্মণ শয়নকক্ষত। ৰামৰ লগত স্বইচ্ছাৰে বনবাসলৈ যোৱাৰ সেইয়া আছিল আগমুহূৰ্ত। মনৰ প্ৰচণ্ড দ্বন্দ্ব, খং আৰু ক্ষোভ কাৰো আগত প্ৰকাশ কৰিব নোৱাৰি গুজৰি গুমৰি আহি পাইছিল শয়নকক্ষ। নিজৰ আদৰ্শৰ বিপৰীতে কাম কৰিব লগা হোৱাৰ কাৰণে দেহৰ ওপৰত স্পষ্টকৈ পৰিছিল মনৰ চাপ।

বহাৰপৰা উৰ্মিলা থিয় হ'ল। কিবা কৈছে নেকি শুনিবলৈ কাণ উনালে। কোনে আগতে কথা কয় কওক বুলি যেন দুইটা মনে মনে আছে। প্ৰথমে নিজে আৰম্ভ কৰিবলৈ টান পাইছে লক্ষ্মণে। উৰ্মিলাইও। দুইটাই দুইটাৰ উপস্থিতিত সমানেই অপ্ৰস্তুত। কিবা ক'লেই হঠাৎ টিঙিৰি তুলাৰ দৰে উৰ্মিলা জ্বলি উঠিব বুলি ভয় কৰিছে যেন লক্ষ্মণে।

উৰ্মিলাৰ ভয় নাই। ভয় নকৰাৰেই তপস্যা কৰিছে যেন উৰ্মিলাই। সঁচা কথা কোৱাৰ। হাৰকেই বা জিককেই অন্যায় আৰু অসত্যৰ বিৰুদ্ধে মাত মতাৰ।

"তুমি নগ'লা ?" হঠাৎ উৰ্মিলাৰ মুখৰপৰা ওলাই গ'ল। লক্ষ্মণে মুণ্ডনাব দৰে পালঙ্কৰ একোণত কিবা এটা বিচাৰি

থকাৰ ভাও জুৰিলে। প্ৰশ্নটো শুনাৰ লগে লগেই কিন্তু মনত বাজি গ'ল প্ৰকৃতিগত স্বভাৱেৰে উৰ্মিলাই তীৰ্য্যক ব্যঙ্গ আৰম্ভ কৰি দিছে। আচৰিত হৈ লক্ষ্য কৰিলে লক্ষ্মণে অন্তেষপুৰত বহি বহিও উৰ্মিলাই যেন সকলো দেখি আছে, শুনি আছে, জানি আছে। আলেঙে আলেঙে গম লৈ আছে ৰাজ্য আৰু ৰাজপ্ৰাসাদত কি ঘটিছে, লক্ষ্মণৰ গোপন ভূমিকা কি, ভূইকঁপৰ জোকাৰণিত কেনেকৈ কঁপি উঠিছে পৃথিৱী। বহিঃশত্ৰুৱে দেশ আক্ৰমণ কৰাতকৈও, ষড়যন্ত্ৰকাৰী সিংহাসনত উঠি বহাতকৈও এইয়া যেন ভীষণ অঘটন।

ধৈৰ্য্যৰ বান্ধোন ছিণ্ডি যাব খুজিলে লক্ষ্মণৰ।

লক্ষ্মণে নিমাতে থকা দেখি উৰ্মিলাই আকৌ এবাৰ শেল হানিলে। "মই ভাবিছিলো আকৌ এবাৰ তুমি কিজানি বনবাসলৈ—"

"উৰ্মিলা!" খংটো হজম কৰিব নোৱাৰি লক্ষ্মণে ক'লে—"সীতা তোমাৰ অগ্ৰজা।"

"সেই কাৰণেইতো আক' কৈছোঁ। তোমালোক পুৰুষবিলাক ইমান নিৰ্দয়! নিষ্ঠুৰ!! বেচেৰীজনীৰ কথা মনত পৰিলেই চকুপানী ওলায়। বনত ক'ত থাকিব, কি কৰিব? বাঘ ঘোং বাদেই, অসুৰ, ৰাক্ষস, দৈত্য-দানৱ কত কি। আকৌ এবাৰ যদি কোনোবা ৰাৱণে হৰণ কৰি নিয়ে? সাগৰত সেঁতু বান্ধিব কোনে? কাৰ গালৈ মাৰিব ৰাৱণে শক্তিশেল? তুমি তেওঁৰ কাষতে থকা হ'লেই ভাল আছিল লক্ষ্মণ।"

লক্ষ্মণৰ কাণত ঠল্‌ঠলাই বাজি থাকিল শব্দৰ পিছত শব্দ। উৰ্মিলাই সহজভাৱে কথাকেইষাৰ কোৱা নাই। বিহমিহলি সুস্বাদু লাড়ু যেন মুখত ভৰাই দিছে জোৰ কৰি।

খঙত কিলবিল কৰি উঠিল লক্ষ্মণৰ মন। ক'লে,—"তোমাৰ মনত বিহ আছে উৰ্মিলা! মায়া-মমতা একো নাই। শিলেৰে বন্ধোৱা হিয়া।"

"আৰু তোমাৰ? দয়া-মায়া-মমতা জানো তোমাৰেই হৃদয়ত আছে লক্ষ্মণ!" ব্যঙ্গ এৰি দৃঢ়তাৰে ক'লে উৰ্মিলাই। "আমাৰ বিয়াৰ কিমান বছৰ হ'ল মনত পেলোৱাচোন। অত বছৰে কেইটা মৰমৰ শব্দ কৈছা তুমি? পত্নীৰ প্ৰতি কেনেদৰে কৰ্তব্য পালন কৰিছা? বনবাসৰ চৈধ্যটা বছৰ মই কেনেকৈ জীৱন-যাপন কৰিছিলো এবাৰো জানো ভাবি চাইছিলা?"

উৰ্মিলাৰ প্ৰশ্নৰ উত্তৰ নিদিলে লক্ষ্মণে। মাথোন নিজক নিজে কোৱাৰ দৰে ক'লে,—"এনেকৈ সংসাৰ নচলে। এনেদৰে আৰু থাকিব নোৱাৰি।"

"তুমি থকা দৰেই জানো থাকিব পাৰি লক্ষ্মণ? তেনেকৈ জানো সংসাৰ চলে?" উৰ্মিলাই ক'লে,—"তোমাৰ দৰে ৰামৰ ভৰিৰ কাষত আঁঠুলৈ মই থাকিব নোখোজো। থাকিব নোৱাৰোঁ।"

"উৰ্মিলা!" লক্ষ্মণ আচৰিত হৈ গ'ল।

"ভৰত আৰু শত্ৰুঘ্নও জানো ৰামৰ ভাই নহয় লক্ষ্মণ?" উৰ্মিলাই ক'লে,—"ভাতৃৰ প্ৰতি কৰ্তব্য আৰু দায়িত্ব তেওঁলোকেও জানো পালন কৰা নাই? তেওঁলোক কিন্তু তোমাৰ দৰে ৰামৰ দাস নহয়। নিজৰ নিজত্বক, ভূত-ভৱিষ্যৎ-বৰ্তমান ৰামৰ ভৰিৰ কাষত থৈ তেওঁলোক নিশ্চিন্ত হৈ থকা নাই।" উত্তেজিতভাৱে উৰ্মিলাই সুধিলে,—"মোৰ মুখলৈ চাই কোৱাচোন, কোৱাচোন তোমাৰ সাহস হ'ব?"

"সাহস??"

"ওঁ। ৰামৰ ভৰিত মূৰ খুন্দিয়াই নমৰি মূৰ তুলি থিয় হোৱাৰ সাহস। তেওঁ কৰা অন্যায়, অত্যাচাৰ আৰু অবিবেচনাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰাৰ সাহস?"

"বিদ্ৰোহ" শব্দটো শুনি বিস্ময়, ভয় আৰু আতঙ্কত যেন শিয়ৰি উঠিল লক্ষ্মণ। চকুৰপৰা যেন ডুকুৰা জুই নিক্ষেপ কৰি কৈ গ'ল উৰ্মিলাই—

"ভৰত আৰু শত্ৰুঘ্নক সহায় কৰিবলৈ সিহঁতৰ মোমায়েকহঁত আছে কিন্তু তোমাৰ কোন আছে লক্ষ্মণ? সুদূৰ সুমিত্ৰা দেশৰপৰা কোনে আহি তোমাক সহায় কৰিব? তুমি নেজানা সেইটোৱেই তোমাৰ দুৰ্বলতাৰ মূল কাৰণ। ৰামৰ বাবে সিয়েই সুযোগ আৰু সুবিধা।"

"ৰাম মোৰ জ্যেষ্ঠভাতৃ উৰ্মিলা? পিতৃতুল্য।"

"সেইবিলাক নীতিশাস্ত্ৰৰ কথা লক্ষ্মণ। এইখন দেশৰ মাটিত শত-সহস্ৰবাৰ নিজভাতৃৰ বিৰুদ্ধে, পিতৃৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰা হৈছে। ভাতৃবধী, পিতৃবধী, মাতুলবধীয়ে সিংহাসন হস্তগত কৰিছে। ৰাজনীতিত নীতিশাস্ত্ৰৰ এনে কথাৰ ঠাই নাই লক্ষ্মণ। ৰামে কি কয়, বশিষ্ঠ আৰু বিশ্বামিত্ৰই কি কয় তাক মানি জীয়াই থাকিব নোৱাৰি।

মৰিব পাৰি। তুমি ৰঙ্গা ভোৰা, তেওঁলোকে তোমাকো একে দৰেই তোষামোদ কৰিব। তোমাৰ ওচৰতে সকলোৱে একেদৰে অঁাঠু ল'ব। যিমানেই ভক্তি দেখুওৱা সিমানেই তেওঁলোকে তোমাৰ দুৰ্বলতা বুলি ভাবিব। যি সদম্ভে নিজৰ ন্যায্য প্ৰাপ্য দাবী কৰে, জোৰেৰে অধিকাৰ কৰি লয় তেওঁকেই তেওঁলোকে ভয় কৰে।"

"কিন্তু---"

"মই জানো তুমি বৰ সৰল। তোমাৰ ভাতৃ-প্ৰেম পৱিত্ৰ। কিন্তু তুমি নেজানা ৰামে তোমাৰ এই সহজ-সৰল পৱিত্ৰ মনটোক সহজভাৱে গ্ৰহণ কৰা নাই। তোমাৰ কথা আৰু কামৰ ওপৰত, গতিবিধিৰ ওপৰত চোৰাংচোৱা লগাই থৈছে। তুমি নেজানা আচলতে তুমি গৃহবন্দী।"

"উৰ্মিলা।" আৰ্তনাদ কৰি উঠিল লক্ষ্মণে ! "তুমি এইবিলাক কৈছা কি? তোমাৰ হৈছে কি ? মই একো বুজা নাই। তুমি বিচাৰিছা কি ?"

"মই তোমাক অকলশৰে পাবলৈ বিচাৰোঁ লক্ষ্মণ। য'ত ৰাম নাই, সীতা নাই। য'ত থাকিম কেৱল মই আৰু তুমি। মই বিচাৰো ৰামৰ ওচৰত তুমি তোমাৰ প্ৰাপ্য দাবী কৰা। অযোধ্যাৰ অংশ। ইমান বছৰ দুখে-সুখে, যুদ্ধ আৰু শান্তিৰ সময়ত তেওঁক সহায় কৰাৰ প্ৰতিদান।"

"ছিঃ উৰ্মিলা। মই প্ৰতিদানৰ আশাত এই কাম কৰা নাই। মোৰ স্নেহ আৰু শ্ৰদ্ধা নিস্বাৰ্থ। তিলমানো স্বাৰ্থৰ গোন্ধ তাত নাই।"

"কিন্তু ৰামৰ আছে। সীতাৰ আছে।"

"কাৰ কি আছে মই নেজানো।"

"মই জানো।"

উৰ্মিলাৰ মনৰ ভিতৰত ইমান কথা। অভাৱনীয়, অকল্পনীয় চিন্তা। হতবাক হৈ গ'ল লক্ষ্মণ। উৰ্মিলাৰ মুখখন কঠোৰতৰপৰা কঠোৰতম হৈ উঠিল। আজি যেন শেষবাৰৰ বাবে তেওঁ কথা কৈছে। শেষ সিদ্ধান্ত কৰিব খুজিছে। চকুৰপৰা ভমক কৰে ওলাইছে যেন জুই। সেই জুইলৈ ভয় কৰি লক্ষ্মণ আঁতৰি গ'ল। কিন্তু মনে মনে তেওঁ দুৰ্বল হৈ গৈছে। দুৰ্বল হৈ আহিছে।

## পাঁচ

ধীৰে ধীৰে চকু মেলিলে সীতাই। নিজৰ অৱস্থাৰ প্ৰতি সচেতন হোৱাৰ লগে লগে তড়িৎ বেগে থিয় হ'ল। ভৰি হালে যি ফাল-লৈকে লৈ গ'ল যাবলৈ ধৰিলে। অলপ সময় খোজকঢ়াৰ পিছতে দেখিলে বাটভেটি বৈ আছে এখন খৰস্ৰোতা নদী। সমুখত এটা পানী ঘাট। আনটো পাৰৰ পানী যুৰীয়ৈত, বালিৰ ওপৰত এহাল বাঘ। এপাল হাতী ডাঠ হাবিৰ মাজলৈ আঁতৰি গৈছে সেইফালে। সীতাৰ গাৰ কাষতেই এজনী হৰিণী হঠাৎ পাৰ হৈ গ'ল। কাষে কাষে এটা পোৱালি। পোৱালিটো থমকি বৈ সীতাৰ মুখলৈ ৰ-লাগি চাই ৰ'ল। কি হৈছে? চকুৰে-মুখে তাৰ প্ৰশ্নবোধক চিন। সি যেন বুজি পাইছে মানুহৰ কথা। ঘাঁহ খাব খুজি মাকজনীয়েও সীতাৰ ফালে ঘনে ঘনে চালে। এনে এটা হৰিণাই জীৱনলৈ আনি-ছিল এদিন অভাৱনীয় দুৰ্যোগ। সেই আপদীয়া হৰিণাটোৰ সোণ বৰণীয়া ছালখনৰ লোভত ৰাক্ষস ৰাৱণৰ হাতলৈ গৈছিল সীতা। তাৰ কাৰণেই ৰামৰ বুকুত মৰমৰ সলনি সৃষ্টি হ'ল সন্দেহৰ। অবিশ্বাসৰ।

যুদ্ধৰ পিছত ৰামে কোৱা সেই কথাকেইষাৰ চাঁত কৰে সীতাৰ মনত পৰি গ'ল—"তুমি এতিয়া মুক্ত। তুমি মোৰ হৈ থকা নাই। এবছৰকৈ ৰাৱণৰ ঘৰত থকাৰ কাৰণে তোমাৰ দেহ অপৱিত্ৰ।"

এই সন্দেহ আৰু অবিশ্বাস নিৰসনৰ কাৰণে কৰা হ'ল অগ্নি-পৰীক্ষা। গুণী-জ্ঞানী সকলোৱে নিৰস্ত কৰিলেও জুইত জপিয়াই পৰিবৰ মন গৈছিল সীতাৰ। সন্দেহ, অবিশ্বাস আৰু নিৰ্দয়তাৰ জোকাৰণিয়ে হৃদয় কঁপাই তুলিছিল। তুমিও মোক সন্দেহ কৰা? অবিশ্বাস কৰা? অগ্নি-পৰীক্ষা মোৰ বাবে অপমান। মোৰ হৃদয়ক, প্ৰেমক, জুইত পুৰি মৰাৰ তোমাৰ সেই অপচেষ্টাক মই পাহৰি থাকোঁ কেনেকৈ? আনে নুবুজিলেও তুমি মোক বুজা উচিত আছিল—মই পৱিত্ৰ। মনেৰেও মই কোনোদিন দ্বিচাৰিণী হোৱা নাই। চিৰদিন মন মোৰ তোমাৰ কাষত। মোৰ জীৱন, তোমাৰ দৰে স্বামী পাই ধন্য হৈ গৈছে। তোমাতকৈ মোক আৰু লাগে কি? পিতৃ-মাতৃহীন অনাথিনী এজনী দুৰ্কপলীয়া ছোৱালীৰ এই সৌভাগ্য ৰাজকন্যা-ৰাজ-বধূ হোৱাৰ—তাতকৈ মোক আৰু লাগে কি? বিধতাৰ ওচৰত

মোৰ কোনো অভিযোগ নাই। সকলো পাইয়ো মই একো নেপালোঁ। সি মোৰ কপাল। মোৰ ভাগ্যই নাটে মই কৰোঁ কি?

কিন্তু মই কেনেকৈ প্ৰমাণ কৰোঁ তোমাক প্ৰাণতকৈও মই বেছি ভালপাওঁ? মোৰ ভালপোৱা নিস্বাৰ্থ। পৱিত্ৰ। কেনেকৈ প্ৰমাণ কৰোঁ, তুমিয়েই মোৰ জীৱন! হৃদয়।

ইফালৰপৰা সিফাললৈ ঢপলিয়াই গ'ল সীতা। মৰুভূমিত মৰীচিকা খেদি লৰি ফুৰা এজনী হৰিণীৰ দৰে। খোজকাঢ়ি ভৰি হাল বিষাই উঠিছে। দেহ-মন ভাগি পৰিছে। অন্ধকাৰ ধীৰে ধীৰে নামি আহিছে পৃথিৱীলৈ। শূৰ্পনখাৰ দৰে নখ-দাঁত-মুখ মেলি ৰাক্ষসী সন্ধ্যাই গিলি পেলাব খুজিছে পৃথিৱী।

আঃ তলপেটটো হঠাৎ বিষাই উঠিল। তোমাৰ সন্তান মোৰ গৰ্ভত। সীতাই বিৰবিৰাই ক'লে,—তাৰ পিছতো সন্দেহ? লঙ্কাৰ পৰা আহিয়েই যদি মোক পৰিত্যাগ কৰিলাহেঁতেন! ইমানদিন মই গমকে নেপালোঁ, তোমাৰ মৰমত ইমান বিহ আছিল। মৰম নহয় সেইয়া হলাহল। এই মৰম খাই খাই মোৰ এই দুৰ্গতি। মোৰ এই অপমৃত্যু কেনেকৈ মই পাহৰোঁ? তোমাক বেছি ভালপাওঁ কাৰণেই তুমি মোক এই আমৰণ দুখ দিলা?

মৰিবলৈ মোৰ ভয় নাই। কিন্তু নিজৰ জীৱনতকৈও সন্তানৰ প্ৰতি মাতৃৰ স্নেহ বেছি। মাতৃৰ মাতৃত্ব কাক কয় মই এতিয়া গম পাইছোঁ। গৰ্ভৰ সন্তান এতিয়া মোৰ ইহকাল পৰকাল। সকলোতকৈ বেছি আপোন, বেছি মৰমৰ যদিও তাৰ মুখ মই দেখা নাই। অস্তিত্বহে অনুভৱ কৰিছোঁ। তোমাতকৈও সি মোৰ বেছি মৰমৰ। বেছি আপোন। তাক আমাৰ বুলি কোৱাৰ সাহস তোমাৰ নহল? মই তাৰ মাক। হিংস্ৰ জন্তুৱে ছুইটাক খাই মাৰিবৰ কাৰণে পেলাই থৈ যাবলৈ আদেশ দিলা লক্ষ্মণক। কেনে নিদাৰুণ তোমালোক। অত আদৰ, অত স্নেহ আৰু সুখ স্মৃতিৰ এয়া প্ৰতিদান। কৰ্ত্তব্যৰ নামত আদেশ পালনৰ নামত। স্নেহতকৈ, মৰমতকৈ কৰ্তব্য আৰু আদেশ পালনৰ মূল্য ইমান বেছি? সত্যৰ মূল্য নাই? ন্যায়ৰ মূল্য নাই? সত্য আৰু ন্যায় নহয়, এইয়া ভণ্ডামি। অন্যায়। তোমালোকৰ ধৰ্ম মই বুজা নাই। এজনী গৰ্ভৱতী তিৰোতাক হিংস্ৰ জন্তুৰ মুখত পেলাই থৈ দিয়াটোৱেই তোমালোকৰ ধৰ্ম আৰু ন্যায়। বশিষ্ঠৰো? গোপনে ভাইৰ সতীত্বক সন্দেহ সিও এক ধৰ্ম? ভাইৰ দোষ কি?

স্বইচ্ছাৰে ৰাৱণৰ ঘৰলৈ তাই যোৱা নাছিল। ৰাৱণে তাইক অপহৰণ কৰিছিল। কিন্তু কেনেকৈ মই তোমাক বুজাওঁ মই পৱিত্ৰ। পৰপুৰুষৰ কথা কোনোদিন মই এক মুহূৰ্ত্তৰ বাবেও ভবা নাই। তোমাক বিশ্বাস কৰিছোঁ, ভাল পাইছোঁ, সেয়ে মোৰ পাপ? তুমি কিন্তু মোক বিশ্বাস কৰা নাই, ভালপোৱা নাই, তথাপিও তুমি ন্যায়বান, চৰিত্ৰবান। এই সত্য জানি যোৱাৰ পিছত এতিয়া মই জীয়াই থাকোঁ কেনেকৈ? মৃত্যুৰ বাহিৰে মোৰ আৰু গতি আছে কি? হৃদয়ৰ এই নিদাৰুণ যন্ত্ৰণা সহ্য কৰোঁ মই কেনেকৈ? তাতকৈ মই আত্মহত্যা কৰোঁ— নিশাচৰ জন্তুৰ খাদ্য হোৱাৰ আগতে তমসা নৈৰ এই পৱিত্ৰ পানীত মোৰ দেহ বিসৰ্জন দিওঁ। হে আই বসুন্ধৰা! মোক ক্ষমা কৰা।

ধীৰে ধীৰে পানীৰ ফালে আগবাঢ়ি গ'ল সীতা।



# তৃতীয় সর্গ

# এক

সৰয়ু নৈৰ পাৰ । ব্ৰহ্মমুহূৰ্ত ।

সৰু টিলা এটাৰ ওপৰৰ সমান ঠাইত বাঘৰ ছাল এখনত ধ্যানমগ্ন হৈ বহি আছে এজন ঋষি । ডাৱৰৰ দৰে শুকুলা ডাড়ি-গোঁফ । নৈৰ পাৰৰ শুকান খাগৰী এডালৰ দৰে হাড়ে-ছালে লগা দেহ । ঘৰচিৰিকাৰ বাঁহৰ দৰে জঁটা বন্ধা এমূৰ চুলি । উদাস চকুৰ দৃষ্টিত চিন্তাৰ সুস্পষ্ট ৰেখা । গভীৰ বিষাদে আবৰি আছে মুখমণ্ডল । নৈৰ সোঁতৰ দৰে নিৰবিচ্ছিন্ন চিন্তাৰ সোঁত চলিছে মনৰ মাজত ।

পূব আকাশ ৰঙচুৱা হৈ উঠাৰ লগে লগে বনৰীয়া জীৱজন্তু ধীৰে ধীৰে আঁতৰি যাব খুজিছে গভীৰ অৰণ্যলৈ । টিলাটোৰ নামনিত জোপোহা এটাৰ আঁৰত এহাল বাঘৰ পোৱালিয়ে ধেমালি কৰিছে । মাক শুই আছে একাৰত । একো একোবাৰ সিহঁত অলপ দূৰলৈ আঁতৰি যায় আৰু পুনৰ খেদাখেদি কৰি কাষ চাপি আহে । বেছি দূৰলৈ আঁতৰি গ'লে ক'ত আছে মাকে উদ্বিগ্নভাৱে মূৰ তুলি চায় । এবাৰ টিলাৰ ওপৰত নিথৰ হৈ বহি থকা ঋষিৰ মুখলৈ চাই বাঘিনী-জনীয়ে শব্দ কৰি হামিয়াই দিলে । পিছ মুহূৰ্ততে তেওঁৰপৰা তাইৰ পোৱালিকেইটাৰ অকণো বিপদ নাই জানি যেন তাই নিশ্চিন্ত হ'ল আৰু চকু জপাই পুনৰ শুই থাকিল । পোৱালিকেইটাই এবাৰ আশ্ৰমৰ পাছ চোতালৰ ডুবৰি বনৰ কোঁহ খাই চৰি ফুৰা হৰিণা পহু দুটাক অনাহকত ভয় খুৱাই আহিল । চক্ খাই উঠিলেও ধেমালি বুলি গম পাই পহুকেইটাই পুনৰ ঘাঁহ খোৱাত মন দিলে ।

পিতনিখনৰ সিপাৰৰ ঘাটটোৰ পানী যুঁৱলীত হাতীৰ এটা পাল চৰি আছে । ডাঙৰ ডাঙৰ শালগছবিলাকৰ তলেৰে হাতীপটিটোৰেদি আগে আগে আহিছে এটা দঁতাল হাতী । পাছত এজনী মাখুন্দী । প্ৰকাণ্ড ওখ আৰু শকত দঁতালটো সকলোৰে আগত । এবাৰ ঠোহ ধৰি অবাটে যাব খোজা পিলিঙা দুটাক সি চমক দি শাসন কৰিলে । সিহঁতৰ পাছে পাছে আহি আছে একুৰিমান হাতী । মাজত কেইবাটাও পোৱালি—সৰুৰপৰা ক্ৰমাৎ ডাঙৰলৈ । দুটামানৰ মাথোন দুই-এমাহ আগতহে জন্ম হৈছে । ডাঠ হাবিৰ মাজলৈ সোমাই যাব খুজি

এডোখৰ সমান আৰু কম হাবিয়লীয়া ঠাইৰপৰা দলপতি দঁতালটোৱে উভতি চালে আৰু শুৰডাল দাঙি ঋষিক যেন কিবা ক'লে। তাকে দেখি বাকী জাকেও। সিহঁতৰ চিএৰ শুনি পছুকেইটাই ৰ-লাগি ইফালে-সিফালে চাই থাকিল। বাঘ পোৱালিকেইটা মাকৰ ওচৰলৈ দৌৰি আহিল। বাঘিনীজনীয়ে দুই হাঁতোৰাৰে সিহঁত হালক সাৱটি ধৰি জোপোহাৰ আঁৰেৰে সিপাৰলৈ চাই সিহঁতক যেন কিবা বুজালে।

চৰ্ চৰ্ শব্দ শুনি সোঁফালে ঘূৰি চালে মহৰ্ষিয়ে। কোনোবা দুটামান সেইফালৰপৰা এই ফাললৈ আহিছে। গছৰ ডাল-পাত-বিলাক গাত লগাৰ কাৰণে শব্দটো হৈছে। তিনি-চাৰিমহীয়া সৰু হাতীপোৱালি এটাৰ গাত এবাৰ চকু পৰিল মহৰ্ষিৰ। লগত তাৰ মাক। মাকৰ চাৰিঠেঙৰ তলে তলে সি আহি আছে। হঠাৎ লৰবি আহি পোৱালিটো মহৰ্ষিৰ কাষ পালেহি। টিলাটোৰ ওপৰলৈ উঠি আহি মহৰ্ষিৰ গাত তাৰ গাটো ঘঁহাই ঠেলি দিলে। মাকে একাষৰ প্ৰকাণ্ড ঔটেঙা গছজোপাৰ তলত ৰৈ চাই থাকিল।

"য়্যেই দুষ্ট! হৈছে কি?" হাঁহি হাঁহি কৃত্ৰিম খঙেৰে ধমক দি পোৱালিটোৰ গালে-মুখে হাত ফুৰাই মৰম কৰিলে। পোৱালি-টোৱে শুৰডাল কমণ্ডলুটোলৈ মেলি দি ঋষিৰ গাত ঠেলি ঠেলি কিবা ক'লে।

"একো নাই অ'—মই গা ধুবলৈহে আহিছোঁ।" কৈ কৈ কমণ্ডলুটো তেওঁ উবুৰিয়াই দেখুৱালে। শুৰডালেৰে জোৰ কৰি কমণ্ডলুটো ধৰিব খোজা পোৱালিটোৱে ওফোন্দ পাতি দৌৰি মাকৰ কাষলৈ উভতি গ'ল। মাকৰ গাত গা ঘঁহাই থিয় হৈ শুৰডাল ওপৰলৈ তুলি শব্দ কৰি সি ঋষিক শিয়ঁৰি দিলে। মাকৰ চাৰিঠেঙৰ তলত সোমাইও সি আকৌ এবাৰ শিয়ঁৰিলে আৰু হাবিখনৰ আনফাললৈ মাকৰ লগে লগে আঁতৰি গ'ল। সিহঁত যোৱাৰ ফালে তন্ময় হৈ চাই থাকি মহৰ্ষি গভীৰ চিন্তাত পুনৰ নিমগ্ন গ'ল।

হঠাৎ কোনোবা এঠাইৰপৰা অহা এজাক চৰাইৰ ভয়াৰ্ত চিএৰত চিন্তাৰ আঁত হেৰাই গ'ল মহৰ্ষিৰ। জাকি মাৰি এজাক বনৰীয়া ৰাজহাঁহ পানী যুঁৱলীৰপৰা ওপৰলৈ উৰি গ'ল। উৰি উৰি গৈ দূৰণিৰ আন এঠাইত হাবিৰ মাজত অদৃশ্য হ'ল।

টিলাৰপৰা মহৰ্ষি নামি আহিল।

ইতিমধ্যে কাহিলী কাহিলী পোহৰেৰে পূব আকাশ ৰূপালী হৈ উঠিছে। ধীৰে ধীৰে ৰূপোৱালী আকাশখনৰ এটা চুক ৰঙচুৱা হৈ পৰিছে। চাওঁতে চাওঁতে জেজ্ ৰঙা কাঁহী এখনৰ দৰে বেলিটোৰ একাংশ পাহাৰৰ একোণত দেখা পোৱা হ'ল।

শূন্যৰ সাগৰত ঢৌ খেলি আহি ভুমুকি মাৰিলে সূৰ্য্যদেৱে। লুকাভাকু খেলি থকা এজনী কিশোৰীয়ে মুখত এমোকোৰা হাঁহি লৈ হঠাৎ দেখা দি খিল্‌খিল কৰে যেন হাঁহি উঠিছে। পোহৰৰ প্ৰতিবিম্ব সৰযু নৈৰ সোঁতৰ ওপৰত পৰিল। নৈৰ পানীৰপৰা ধোঁৱা বলিছে। দুই পাৰৰ গছ-বনবিলাকৰপৰা নিয়ৰৰ টোপাল সৰিছে। টুপুৰ-টাপাৰকৈ অ'ত ত'ত তলৰ শুকান গছপাতত পানী পৰাৰ শব্দ হৈছে।

বাটটোৰ আনফালে, অদূৰত সেউজীয়া কুঁহিপাতেৰে কুশবন ভৰা। কাটি নিয়াৰ পিছত ঠহঠহকৈ গজালি মেলিছে। পাদুকা নিপিন্ধাকৈ যাব নোৱাৰি—শুকান মুঢ়াবিলাকে কাঁইটৰ দৰে তলুৱাত পিন্ধে। বাঘজনী আৰু বাঘপোৱালিকেইটা সেইপিনেই ক'ৰবাত লুকাই আছে। হৰিণা দুটাই এতিয়াও কুশবনৰ কুঁহিপাত খাই ঘূৰি ফুৰিছে। সিফালে আছে দমনা আৰু দুবৰিবন এডৰা। আশ্ৰমৰ অগ্নিগৃহৰ একাংশ সেইখিনিৰপৰা দেখা যায়। আশ্ৰমৰ সেইয়া পাছ-চোতাল।

আশ্ৰমৰপৰা নৈৰ ঘাটলৈ অহা বাট ধৰিলে মহৰ্ষিয়ে। পোলোঙা পোলোং চেগুন আৰু শালগছৰ একে সমান পুলিবিলাকৰ মাজেৰে বাটটো। একাংশত নাহৰ, মদাৰ, সমিধ আৰু বগা কাঞ্চনফুলৰ গছনিডৰা। সকলোৰে শেষত নৈৰ পাৰত ডাঙৰ আঁহত গছ জোপা। প্ৰকাণ্ড বুঢ়া গছজোপা নৈ আৰু অৰণ্যভূমিৰে ভৰা অঞ্চলটোৰ অতীতৰ সাক্ষী হৈ অজস্ৰ ঠাল-ঠেঙুলি মেলি থিয় হৈ আছে। গছজোপাৰ তলখন পৰিষ্কাৰ। তাৰ তলত বহি গৰম কালি তপস্যা কৰে মহৰ্ষিয়ে। একমনে বহি সৰযূ নৈৰ পানী আৰু সিপাৰৰ ডাঠ অৰণ্যত চকু থৈ জীৱন আৰু জগতৰ কথা, স্ৰষ্টাৰ কথা ভাবে নাইবা কোনোবা অনুসন্ধিৎসু শ্ৰোতাক উপদেশ দিয়ে। দূৰণিৰ লগৰীয়া ঋষি-মুনি আহি ওলালে শাস্ত্ৰৰ তত্ত্ব আলোচনা কৰে। শিষ্য বুলিবলৈ মহৰ্ষিৰ কোনো নাই। একমাত্ৰ পৰিচাৰক মন্দৰ। সিয়েই যেন কণাৰ লাখুটি।

আনৰ দৰে তেওঁৰ ঐৰ্শ্বয্য-বিভূতি নাই। নাই কোনো ৰজা-মহাৰজা আৰু সদাগৰৰ লগত সম্পৰ্ক। ৰাজ-কাৰেঙলৈ কোনো-

দিন যোৱা নাই। তৰ্ক-সভাৰপৰা চিৰদিন আঁতৰি আছে তেওঁ। তৰ্কৰে নহয় উপলব্ধিৰ কষতি শিলেৰে ঘঁহি জুখি চাইছে জীৱনক। —জীৱন আৰু জীৱনদয়িতাৰ স্বৰূপ।

ঘাটলৈ যোৱা বাটটোৰ এঠাইত ডিমৰু জোপাৰ পকা পকা গুটিবিলাক পৰি আছে। বুঢ়া গছজোপাৰ ডালে-পাতে ওলমি আছে জাক জাক বাদুলী।

নামনিৰ এটা ডালত হঠাৎ মহৰ্ষিৰ চকু পৰিল। এহাল চাকৈ-চকোৱা। গাত গা লগাই বহি ইটোৱে সিটোক ঠোঁটেৰে খুটিয়াইছে। ঠোঁটত ঠোঁট থৈ যেন মৰমেৰে সি তাইক চুমা খাইছে। কোনোবা এবাৰ মুখৰ ওচৰলৈ মুখ নি ফুচফুচাই কিবা কৈছে। মাইকী চৰাই-জনীয়ে ইফালে সিফালে চাই হঠাৎ দুহাতমান আঁতৰি গ'ল আৰু কৈ উঠিল—"নিলাজটো কটা—এৰি দিয়া, মানুহ আহিছে।"

"আহক যোৱা—" কৈ কৈ মতাটো পুনৰ কাষ চাপি আহিল। আন এটা ডাললৈ চকোৱাজনী উৰি গ'ল। সিও। আকৌ তাই আগৰ ঠাইলৈ আহিল। আগৰ ডালটোৰ একে ঠাইতে আহি পৰিল। পাছে পাছে আহিল মতাটোও। মতাটোৰ চকুৱে-মুখে ফুটি উঠিছে আদিম তৃষ্ণা। জীৱ-জগতৰ সৃষ্টিৰ প্ৰকৃতিগত নিয়ম দৈহিক মিলনত মত্ত সিহঁত। তাৰেপৰা জন্ম প্ৰেমৰ। স্নেহ-প্ৰীতি সকলোৰে যেন সি আদি মূল। স্ত্ৰী আৰু পুৰুষৰ এই দেহৰ মিলনেই আত্মাৰ মিলনলৈ ৰূপান্তৰিত হয়। প্ৰকৃতি আৰু পুৰুষৰ, জড় আৰু চৈতন্যৰ মিলনত বিশ্বৰ বিশ্বাত্মা জাগৰিত।

মহৰ্ষি পানী যুঁৱলীলৈ নামি গ'ল। এককাললৈকে পানীত নামি তৰ্পণ কৰিলে আৰু ডুব মাৰিলে। এহাতৰ কমণ্ডলুটো চপচপীয়াকৈ পানীৰে বুৰাই লৈ নৈৰ গড়াৰ ওপৰলৈ উঠি আহিব খুজি তেওঁ শুনিলে হঠাৎ কোনোবা এঠাইত খুট্ কৰি যেন এটা শব্দ হ'ল। লগে লগে ডিমৰুজোপাৰ ওপৰত কিবা এটাই ঢপ্ ঢপাই উঠিল। চকু ঘূৰাই চোৱাত দেখিলে গছজোপাৰ ডাল এটাৰপৰা শুকান গছ-পাতবিলাকৰ ওপৰত কিবা এটা আহি খহি পৰিছে। হে ভগৱান! সেই চকোৱা চৰাইটো। তাৰ গাত এপাট শৰ লাগি আছে। ডেউকাখন ভগা। তেজেৰে তুমবলি হৈ উঠিছে দেহ। মাইকী চৰাই-জনীয়ে চিঞৰি খলকনি তুলিছে। সি যিমানেই ঢপ্ ঢপাইছে, উৰি

যোৱাৰ প্ৰাণপণ চেষ্টা কৰিছে, তাই সিমানেই চেৰেউ-ফেৰেউকৈ চিঞৰিছে। ইফালৰপৰা সিফাললৈ দৌৰি আহিছে, গৈছে—এবাৰ তাৰ কাষলৈ, এবাৰ গছজোপাৰ ওপৰলৈ, আন এবাৰ মাটিলৈ। গাত জুই লগাৰ দৰে তাইৰ সেইয়া কি ছটফটনি।

মহৰ্ষি লৰালৰিকৈ চকোৱাটোৰ কাষলৈ আগুৱাই গ'ল। ঋষিৰ ভৰিৰ কাষলৈ চুচৰি চুচৰি ভগা ডেউকাখন চোচোৰাই চোচোৰাই আনখন ডেউকাৰে চপ্‌চপাই সি আগুৱাই অহাৰ চেষ্টা কৰিলে। কমণ্ডলুটো হাতৰপৰা নমাই থৈ আলফুলকৈ চকোৱাটোক দুই হাতৰ মাজলৈ তুলি ল'লে মহৰ্ষিয়ে আৰু মূৰে-গাই পানী ছটিয়ালে। সোঁফালৰ ডেউকাখনৰ কাষেৰে বুকুৰ ভিতৰলৈ শৰ সোমাইছে। শৰডাল তেতিয়াও তাৰ গাত লাগি আছে। চৰাইটোৱে মহৰ্ষিৰ মুখলৈ ঘনেপতি চালে, তাৰ ভাষাৰে যন্ত্ৰণাকাতৰ গোঙনিৰে ঘনে ঘনে কিবা কোৱাৰ চেষ্টা কৰিলে। কিবা প্ৰকাৰে তাক জীয়াই ৰখোৱাৰ বাবে তাৰ সেইয়া কি কৰুণ কাকুতি! ইফালে সিফালে ছটফটাই ঘূৰি ফুৰা চকোৱাজনী মহৰ্ষিৰ কাষলৈ আহিল। তাইও তেওঁক প্ৰাণদান দিয়াৰ বাবে যেন কাকুতি কৰিছে—সিহঁতৰ সুখৰ সংসাৰ ভঙ্গকাৰী ৰাক্ষসটোক শাস্তি দিয়াৰ বাবে, এনে অন্যায় আৰু অধৰ্মৰ বিচাৰ কৰাৰ বাবে।

মহৰ্ষিয়ে হাতত এচলু পানী লৈ চৰাইটোৰ ঠোঁটখন মেলি ঢালি দিলে। পৰম তৃপ্তাহেৰে পানী খোৱাৰ সি চেষ্টা কৰিলে আৰু দেহৰ সমস্ত শক্তিৰে মুখ মেলি উশাহ লোৱাৰ চেষ্টা কৰি কৰি হঠাৎ নিথৰ হৈ পৰিল। চকোৱাজনীয়ে উৎকণ্ঠাৰে তাৰ মুখলৈ চাই আছিল, চিঞৰি চিঞৰি তাই কান্দিবলৈ ধৰিলে। কান্দি কান্দি মহৰ্ষিক কাকুতি কৰি ক'লে—"আপোনাৰ তপৰ প্ৰভাৱেৰে এওঁক বচাই দিয়ক প্ৰভু! বচাই দিয়ক।"

চৰাইজনী উৰি আহি মহৰ্ষিৰ বাওঁবাহুৰ ওপৰত পৰিল। ইটো বাহুৰপৰা সিটো বাহুলৈ গ'ল। মহৰ্ষিয়ে তাইক দুই হাতৰ মুঠিত ল'লে। কঁপিছে চৰাইজনী। তাইৰ সেই কঁপনি, চপচপনি নিজৰ বুকুতো অনুভৱ কৰিলে মহৰ্ষিয়ে। মৰম কৰি কৰি তেওঁ ক'লে,—"মোৰ কোনো তপৰ প্ৰভাৱ নাই আই। কোনোবাই যদি আছে বুলি কয় তেওঁ ফাকি দিয়ে। অবোধ মানুহক ঠগোৱাৰ বাবেই তেওঁলোকে নিজৰ অলৌকিক শক্তি আছে বুলি কয়। তোৰ দৰে

মইয়ো নিঃসহায়। কঁাড়ডাল বুকুত নোসোমোৱাহেঁতেন বনপাতৰ ঔষধ দিব পৰা গ'লহেঁতেন। হয়তো সি তেতিয়া বাচি উঠিলহেঁতেন।"

চৰাইজনীয়ে নুবুজি চেৰেউ-ফেৰেউকৈ কান্দিবলৈ ধৰিলে।

ঋষিয়ে অসহায় অনুভৱ কৰিলে। চৰাইটোক বচাই তুলিব নোৱাৰাৰ বাবে যন্ত্ৰণা অনুভৱ কৰিলে। কেইমুহূৰ্তমানৰ ভিতৰতে সেই যন্ত্ৰণা এক অদ্ভুত কান্দোনলৈ ৰূপান্তৰিত হ'ল। বাৰিষাৰ ফেনে-ফোটোকাৰে বাঢ়ি অহা নৈৰ প্ৰবল সোঁতৰ খলকনি অনুভৱ কৰিলে হৃদয়ত। হিলদল ভাঙি কলিজাৰ তেজৰ লগত মিহলি হৈ ওলাই আহিব খুজিছে মনৰ ভিতৰৰপৰা অনুভূতি ভাষাৰ ৰূপলৈ। উপলব্ধিৰ শব্দ, কান্দোনৰ শব্দ মনৰ ভিতৰত।

হঠাৎ গছজোপাৰ তলত চকু পৰিল মহৰ্ষিৰ। এটা ব্যাধ। কলীয়া আৰু বীভৎস তাৰ দেহ। তেজৰ দৰে ৰঙা চকুহাল। ততোধিক ৰঙা দুখন ওঁঠ। এহাতত ধনুশৰ। খালি গা। মাত্ৰ লেঙুটিডালৰ বাহিৰে তাৰ গাত একো নাই। ব্যাধ নহয় সি যেন সাক্ষাৎ যমদূত। মহৰ্ষিক সমুখত দেখি সি ভয় খাই মনে মনে বৈ আছে। তাৰ গাত চকু পৰাৰ লগে লগে চৰাইজনীয়ে চিঞৰি উঠি ক'লে,— "সৌটো সৌটো।"

ঋষিয়ে তাৰ ভৰিৰপৰা মূৰলৈ তুৰাৰমান চালে। মুখখনত চকু পৰাৰ লগে লগে ঋষিৰপৰা হঠাৎ তেওঁ দস্যু হৈ পৰিব খুজিলে। হাতটো আঘাত কৰিবলৈ উচপিচ কৰি উঠিল। চকুৰে দুকুৰা জুই ওলাই আহিব খুজিলে। খঙেৰে তেওঁ ব্যাধটোক সুধিলে,—"নিৰ্বোধ। চৰাইটোৱে তোৰ কি কৰিছিল ? কিয় তাক তই এনেদৰে হত্যা কৰিলি ?"

ব্যাধটোৱে হাতযোৰ কৰি মিনতি কৰি ক'লে,—"প্ৰভু। আপুনি জানেই, মই ব্যাধ। জীৱহত্যা মোৰ কাম। ই মোৰ জীৱিকা নিৰ্বাহৰ পথ।"

"মিছা কথা !" মহৰ্ষিয়ে কঠোৰ মাতেৰে ক'লে,—"শৰ-পছুৰ দৰে ডাঙৰ জীৱৰ মঙহ জীৱিকাৰ পথ হ'ব পাৰে। এই সৰু চৰাইটোৰ দেহত মাংসয়েইবা কিমান ?" ব্যাধটোৰ চকুত চকু থাপি তেওঁ খঙেৰে পুনৰ কৈ উঠিল,—"আশ্ৰম এখনত জীৱহত্যা কৰিবলৈ তোৰ ইমান দুঃসাহস হ'ল ?"

"এই ঠাইডোখৰ আশ্ৰমৰ বাহিৰত প্ৰভু।"

সঁচা কথা হ'লেও মুখে মুখে উত্তৰ দিয়া দেখি মহৰ্ষি পৰম বিৰক্ত হৈ উঠিল। ব্যাধটোৱে ভয়ে ভয়ে ক'লে,—"মোৰ অপৰাধ ক্ষমা কৰক প্ৰভু। হঠাৎ এই চৰাইটো মোৰ মাৰি পেলাবৰ মন গ'ল।"

মন গ'ল ?? আচৰিত হৈ গ'ল মহৰ্ষি। কাৰোবাৰ ইচ্ছা আৰু অনিচ্ছাত এটা জীৱনৰ অন্ত হ'ব? স্ৰষ্টাৰ খেয়াল-খুচীত তাৰ জন্ম ? মন গ'লে জন্ম, মন গ'লেই মৃত্যু। জীৱনৰ ৰহস্য ইমান সহজ ? মন গ'লেই হত্যা কৰিব লাগে; বিচাৰ আৰু বিবেচনাৰ কোনো প্ৰয়োজন নাই ? কঠোৰ কণ্ঠেৰে তেওঁ সুধিলে,—"সঁচা কথা ক, চৰাইটো কিয় মাৰিলি ?"

ব্যাধটোৱে কি কওঁ কি নকওঁ কৰিলে আৰু ক'লে,— "সিহঁত পাপ কামত লিপ্ত আছিল।"

ব্যাধটোৰ মুখত "পাপ" শব্দটো শুনি থৰ হৈ ৰ'ল মহৰ্ষি। এদিন তেৱোঁ এই শব্দটোৰ অৰ্থ বুজা নাছিল। সুধিলে—"অবোধ চৰাইটোৱে কি এনে পাপ কৰিছিল ব্যাধ ?"

ব্যাধটোৱে ভয়ে ভয়ে ক'লে—"দেহমিলনৰ পাপ প্ৰভু !"

দেহমিলনৰ পাপ ?? সেইয়া জানো পাপ ? সিয়েই জীৱন। সৃষ্টি। সি পাপ হয় কেনেকৈ ?

"স্নান কৰি উঠি আহি আপুনি দেখিব বুলি মোৰ ভয় হ'ল। গতিকে—"

মই দেখিম বুলি ? মহৰ্ষিৰ চকুহাল বিস্ফাৰিত হৈ উঠিল। তেওঁক এই জীৱহত্যাৰ লগত জড়িত কৰাৰ ব্যাধটোৰ কি দুঃসাহস ! দুৰ্মতি !!

ব্যাধটো মহৰ্ষিৰ ভৰিত দীঘল হৈ পৰিল আৰু কাকুতি কৰিলে,— "মোক অবিশ্বাস নকৰিব প্ৰভু ! অভিশাপ নিদিব। চকোৱাটো মৰাৰ সময়ত মই গৰ্হিত কাম বুলি ভাবিবই নোৱাৰিলোঁ। জীৱবধ কৰি কৰি মোৰ জীৱ-জন্তুৰ ওপৰত মায়া-মোহ নোহোৱা হৈছে। মই মাথো পাপ কাম আপোনাৰ পবিত্ৰ চকুত নপৰাকৈ আঁতৰাই ৰখোৱাৰ চেষ্টা কৰিলো। প্ৰথমে সিহঁতক হুৰাই দিয়াৰ চেষ্টা কৰিলো কিন্তু সিহঁত দেহ-মিলনৰ আনন্দত ইমান মত্ত হৈ আছিল যে উৰি নগ'ল। ইতিমধ্যে

আপুনি স্নান কৰি উভতি আহিলেই। বাটটোৰ ওপৰৰ নিচেই নামনিৰ ডাঙৰ ডালটোতেই সিহঁত আছিল। আপোনাৰ চকুত নপৰাৰ কোনো কাৰণেই নাই। গতিকে মই শৰডাল মাৰি দিলো—” ব্যাধটোৱে কৈ গ'ল,—“মই কিন্তু বুজিব পৰা নাই প্ৰভু। সামান্য চৰাই এটা মাৰোঁতে আপোনাৰ ইমান খং কিয় ?”

‘সামান্য’ আৰু ‘চৰাই’ শব্দ দুটাই মহৰ্ষিৰ বুকুত আঘাত কৰিলে। জীৱ-জন্তুৰ লগত মানুহৰ তেন্তে পাৰ্থক্য কি ? জন্ম আৰু মৃত্যুত সকলো একে। মানুহো জীৱৰ লগৰে এবিধ জীৱ মাথোন। মৃত্যু যন্ত্ৰণাও সকলোৰে একে। কাম-ক্ৰোধ-লোভ-মোহ সকলো জীৱৰে আছে। জন্তুৰ সকলো দোষগুণ লৈয়ে মানুহৰ জন্ম। মানুহৰ সমাজ আছে। হাতীবপৰা শিয়াললৈ বহুত জন্তুৱে জাকপাতি বাস কৰে। মাথোন মানুহৰ মূৰ আছে। সি ভাল-বেয়া চিন্তা কৰিব পাৰে। হৃদয়ৰ দুখ কমাই দিয়াৰ চেষ্টা কৰিব পাৰে। কিন্তু ইহঁত অসহায়। মাথোন জৈৱিক প্ৰয়োজন সিহঁতৰ সকলো কামৰ অৰ্থ। মানুহৰ শক্তি তাতকৈ বহুত বেছি। সি তাক বেছি কৰি নিব পাৰে, কম কৰিব পাৰে।

“মই বুজা নাই প্ৰভু !—” মাটিত পৰি থকা ব্যাধটোৰ মাত শুনিলে মহৰ্ষিয়ে— “ভগৱানেই জানো সিহঁতক অবোধ আৰু অসহায় কৰি জন্ম দিয়া নাই ? যি ভগৱানে সিহঁতক স্ৰজন কৰিছে সেই একেজন ভগৱানেই মোকো স্ৰজন কৰিছে। তাক মাৰি পেলোৱাৰ বাবে হোৱা মোৰ মনটোকো জানো সেই একেজন ভগৱানেই সৃষ্টি কৰা নাই ? তেন্তে মোৰ দোষ ক'ত ? মই দেখোন ভগৱানৰ ইচ্ছামতেই কাম কৰিছোঁ। চৰাই, হৰিণ আদিৰ মঙহ খায়েই আমি জীয়াই থাকো...”

ব্যাধটোৰ কথাত খং উঠাতকৈও মহৰ্ষিৰ চিন্তা বেছি হ'ল। সঁচা কথা, এদিন মানুহে মাথোন জন্তুৰ মঙহ খায়েই জীয়াই আছিল। কিন্তু এতিয়া সি উদ্ভিদভোজী। কৃষি-বিদ্যাৰ আৱিষ্কাৰৰ পিছত জন্তুৰ মঙহ নেখায়ো মানুহ জীয়াই থাকিব পাৰে। বাঘৰ দৰে মাত্ৰ জন্তুৰ মঙহৰ ওপৰতে মানুহ এতিয়া জীয়াই নেথাকে। জীৱহত্যা নকৰিলেও সি জীয়াই থাকিব পাৰে। মাংস খোৱা মানুহ আৰু উদ্ভিদ খোৱা মানুহৰ দেহ আৰু মনৰ পাৰ্থক্য আছে। বিভিন্ন খাদ্য বস্তুৱে মানুহৰ দেহ আৰু মনক বিভিন্ন কৰে। যি মাংসভোজী সি হিংস্ৰ আৰু ক্ৰূৰ।

জীৱহত্যাৰ বাবে সি দুখ অনুভৱ নকৰে। হৃদয় তাৰ কঠিন হয়, কাৰণ আবেগ-অনুভূতি কমি যায়। মাংসভোজীসকলৰ উত্তেজনা, খং, অসন্তোষ আৰু অশান্তি বাঢ়ে। বিচাৰ-বিবেচনা লোপ পায়। সাত্বিক চিন্তাৰ সি বাধক।

এয়াই ক্ষত্ৰিয় স্বভাৱ। মহৰ্ষিয়ে ভাবিলে। উদ্ভিদভোজী মানুহ দুৰ্বল আৰু নিমাখিত। জন্তু বধ, মৃগয়া আদিৰ দৰে দুঃসাহসিকতাৰ দেশ এখন শাসন কৰিবলৈ প্ৰয়োজন। চৰাই এটা মাৰিলে যি দুখ কৰে শত্ৰুৰ সৈতে সি যুঁজিব কেনেকৈ? আত্মৰক্ষাৰ প্ৰস্তুতিয়েইবা তাৰ ক'ত? শত্ৰুৰ ওপৰত জপিয়াই পৰাৰ সাহস আৰু শক্তি তাৰ হ'ব কেনেকৈ?

কিন্তু বাঘ বাঘেই। সেয়া তাৰ স্বভাৱ। প্ৰকৃতি। সি হৰিণা নহয়। হৰিণাও বাঘ হ'ব নোৱাৰে। বাঘ ক্ৰূৰ। প্ৰয়োজনৰ বাবেই তাৰ নখ আৰু চোকা দাঁত। চিকাৰৰ চিন্তা আৰু বুদ্ধি। চিকাৰৰ প্ৰতি দুখ, দয়া আৰু পুতৌ ওপজা মানেই তাৰ বাবে আত্মহত্যা।

হৰিণাৰ স্বভাৱ নিৰীহ আৰু নিমাখিত। দস্যুৰ হাতৰপৰা নিজক সি ৰক্ষা কৰিব নোৱাৰে। তাৰ শক্তি নাই, সাহস নাই। সি দুৰ্বল। সাহসেৰে থিয় হ'ব নোৱাৰাৰ বাবে বলীৰ হাতত তাৰ মৃত্যু। বলীয়ে তাক শাসন কৰে। এই দুৰ্বল শক্তি আহৰণ কৰাই জানো মানুহৰ ধৰ্ম হোৱা উচিত? তেনেহ'লে দেখোন বলীয়ে দুৰ্বলীক খায়েই জীয়াই থাকিব? বাঘৰ দৰে মাংসাশী জন্তুৰ স্বভাৱ আৰু চিকাৰৰ প্ৰকৃতি অনুশীলন কৰাই তেন্তে বেছি প্ৰয়োজন। প্ৰত্যেক মানুহৰ সিয়েই ধৰ্ম হোৱা উচিত? চিন্তাৰ আঁত হেৰুৱাই পেলালে মহৰ্ষিয়ে। উত্তৰ বিচাৰি নেপালে।

মহৰ্ষি পুনৰ গা ধুবলৈ গ'ল। চৰাইটো পানীত উটাই দিলে আৰু তৰ্পণ কৰি ক'লে,—"মই জীৱ-জন্তুৰ ৰহস্য বুজা নাই প্ৰভু! প্ৰকৃততেই যদি জন্মান্তৰ সঁচা তাক এই জন্ম যন্ত্ৰণাৰপৰা মুক্তি দিয়া।"

পুনৰ্বাৰ গা ধুই মহৰ্ষি উভতি আহিল। ডিমৰু গছজোপাৰ তল আহি পাই দেখিলে মৰা চকোৰাটো পৰা ঠাইত চকোৰাজনী জুপুকা লাগি বহি আছে। ঋষিক দেখি তাই কৰুণভাৱে মূৰ তুলি চালে। তাইৰ কান্দোন পুনৰ মহৰ্ষিয়ে নিজৰ হৃদয়ত অনুভৱ কৰিলে। বুকুত ভেওঁ অব্যক্ত বেদনা অনুভৱ কৰিলে। বুকু ভেদি ঘনে ঘনে

হুমুনিয়াহ হৈ ওলাই আহিল। ভেতিয়াও গছজোপাৰ তলত বৈ থকা ব্যাধটোক লক্ষ্য কৰি তেওঁ কৈ উঠিল—ব্যাধ তোৰ কল্যাণ নহব। জনমে জনমে কল্যাণ নহ'ব। এই পাপত জনমে জনমে তই দুখ ভুগিব লাগিব।

'দুখ' শব্দটো উচ্চাৰণ কৰাৰ লগে লগে তেওঁৰ মনলৈ আহিল। সঁচাকথা। দুখেই মানুহৰ জীৱন। খং, বিদ্বেষ, হিংসা, ক্ৰূৰতা নহয়—দুখ। দুখ বুজাৰ চেষ্টা কৰাই মানুহৰ কৰ্তব্য। সি দয়াৰ সৃষ্টি কৰে। ক্ষমাৰ সৃষ্টি কৰে। কৰুণা, সমদৰ্শিতাৰ, মনৰ মাজত ন্যায়-অন্যায়ৰ বিচাৰৰ সৃষ্টি কৰে। সিয়েই মনুষ্যত্ব। নিজৰ হৃদয় আৰু দেহৰ দৰে আনকো ভবাৰ চিন্তা। সকলো প্ৰাণীৰ প্ৰতি সমদৃষ্টি। বালিচাহিৰপৰা গজহস্তিলৈ। দয়া আৰু ক্ষমাৰ। সহানুভূতিৰ। উত্তৰটো যেন হঠাৎ পাই গ'ল। বুকুৰ খলকনি কমি গ'ল। কিঞ্চিত শান্ত হ'ল।

কোন সময়ত বাটছোৱা পাৰ হৈ আহি আশ্ৰম পালেহি মহৰ্ষিৰ জ্ঞান নেথাকিল। হঠাৎ চমকি উঠাৰ দৰে চেতন পাই দেখিলে আশ্ৰমৰ চোতালত দুজন সন্ন্যাসী বৈ আছে। এজন তিনিমূৰীয়া বুঢ়া আৰু আনজন চফল ডেকা। দেখাৰ লগে লগে মহৰ্ষিয়ে মানুহ দুজনক চিনি পালে। তেওঁ লৰালৰিকৈ আগবাঢ়ি গ'ল আৰু সমুখত ভক্তিভৰে আঠু কাঢ়িলে। হঠাৎ মহৰ্ষিৰ বুকুখন বিষাই উঠিল। ফেনে-ফোটোকাৰে বাঢ়ি অহা বাৰিষাৰ নদীৰ দৰে হৃদয় উজাৰি উঠিল। দুই চকু পানীৰে উপচি পৰিল আৰু একোপধ্যে নিজক সংযত কৰিব নোৱাৰি ফোঁপাই ফোঁপাই কান্দিবলৈ ধৰিলে। কান্দোনৰ মাজেৰেই কথা কোৱাৰ চেষ্টা কৰিলে, "আপোনালোক মোৰ বাবে দেৱতা। দিনৰ পিছত দিন মই আপোনালোকক আকৌ এবাৰ দেখা পোৱাৰ আশাৰে বাট চাই আছিলো—"

"ৰত্নাকৰ!" বুঢ়া সন্ন্যাসীজনে গভীৰ স্নেহ আৰু সহানুভূতিৰে ক'লে,—"তোমাৰ তপস্যা পূৰ্ণ হৈছে। এতিয়া তুমি দ্ৰষ্টা। তোমাৰ এই উপলব্ধিক তুমি ভাষাৰে ৰূপ দিয়া—শ্লোক ছন্দৰে।"

"মই যে ভাষা শিকা নাই প্ৰভু! জীৱনৰ আধা বয়স গ'ল মোৰ দস্যুগিৰি কৰি। মই কি লিখিম? কেনেকৈ লিখিম? ধৰ্মকৰ্মৰ কথা, শাস্ত্ৰৰ কথা, মই একো নেজানো। মোৰ লগত কাৰো মিল নাই। বশিষ্ঠৰ, বিশ্বামিত্ৰৰ। বশিষ্ঠ জন্মগত আৰু বিশ্বামিত্ৰ কৰ্মগত ব্ৰাহ্মণ। তেওঁলোকৰ সেই গৌৰৱ মোৰ ক'ত? তেওঁলোকৰ এজন

পুৰোহিত, আনজন শাস্ত্ৰজ্ঞ আৰু জ্ঞানী। বিশ্বামিত্ৰ ক্ষত্ৰিয়। এদিন তেওঁ সম্ৰান্ত আছিল। ৰাজসিকতাৰপৰা সাত্ত্বিকতা লৈ উন্নীত হৈছে। কিন্তু মই? দস্যু। অধ্যয়ন নাই, তপস্যা নাই। শাস্ত্ৰ মথি জ্ঞান আহৰণ কৰা নাই। মাত্ৰ উপলব্ধি, অনুভূতিয়েই মোৰ সম্বল। পৰম্পৰাগত শাস্ত্ৰজ্ঞান, বংশগৌৰব, বেদ-বেদাঙ্গৰ জ্ঞান একো মোৰ নাই। যাগ-যজ্ঞ, আচাৰ-অনুষ্ঠান কৰাৰ প্ৰকৃতি আৰু প্ৰবৃত্তিও মোৰ নাই। মানুহক মই কিহেৰে ভুলাওঁ? দস্যুৰপৰা আজি মই ঋষি হ'লো। কিন্তু ঋষি হৈও কাৰো লগত মোৰ সম্বন্ধ নাই, সম্পৰ্ক নাই। কোনেও মোক ঋষি বুলিয়েই গণ্য নকৰে। নিজৰ শাৰীত বহুৱাবলৈ নাক কোচায়। বংশ-মৰ্যাদাহীন বাবে। পৰম্পৰাগত শিক্ষাহীনতাৰ বাবে।"

"বংশ-মৰ্যাদা আৰু শিক্ষা অবিহনেও তুমি প্ৰকৃত জ্ঞানী ৰত্নাকৰ।" বুঢ়া ঋষিজনে ক'লে,—"পুথিৰ বিদ্যাই সৰ্বস্ব নহয়। বশিষ্ঠ, বিশ্বামিত্ৰ আদিৰ মাথোন আছে পুথিগত বিদ্যা, শাস্ত্ৰজ্ঞান আৰু ধৰ্মচিন্তা। ধৰ্মৰ কথা নহয়, তুমি লিখা জীৱনৰ কথা। মানুহৰ কথা।"

"জীৱনৰ কথা! মানুহৰ কথা!!" বিস্ময়াভিভূত হোৱাৰ দৰে ৰত্নাকৰে উচ্চাৰণ কৰিলে--- "কিন্তু কি লিখিম? কেনেকৈ লিখিম?"

"কেনেকৈ লিখিবা সেয়া তোমাৰ কথা ৰত্নাকৰ। আমাৰ উপদেশ তুমি মানুহৰ কথা কোৱা। মানুহৰ কাহিনী। কাহিনীৰ মাজেৰে ন্যায় আৰু ধৰ্মৰ কথা কোৱা—কৰ্তব্যৰ কথা। ৰজা আৰু প্ৰজাৰ। পতি আৰু পত্নীৰ। পিতা, পুত্ৰ আৰু ভাতৃৰ।"

## দুই

গোটেই দিনটো এক অব্যক্ত মানসিক অশান্তিত কটালে মহৰ্ষিয়ে। মনৰ মাজত ঢৌৰ পিছত ঢৌ উপলি উঠিল, মাৰ গ'ল। জীৱন আৰু জগতৰ সৃষ্টিৰ ৰহস্য পতিয়ন যাব পৰাকৈ বিচাৰি উলিয়াব নোৱাৰি চিন্তাৰ সোঁতত বুৰ গৈ থাকিল।

অতীতৰ লগত বাৰু বৰ্তমানৰ সম্বন্ধ কি? এবাৰ তেওঁৰ মনলৈ আহিল। বৰ্তমানৰ লগতেই বা ভৱিষ্যতৰ সম্বন্ধ কি? প্ৰশ্নৰ লগে লগে উত্তৰটোও তেওঁ মনত পেলালে—সময় নামৰ অদৃশ্য সূতাৰে ফুলৰ মালা গঁথাৰ দৰে বিচিত্ৰ এই পৃথিৱীখন গাঁথি থোৱা হৈছে।

সেই অদৃশ্য সূতাত বগাই আহি অতীত হয় বৰ্তমান। বৰ্তমান হয় ভৱিষ্যত। ৰাতিপুৱায়, দুপৰ হয়, সন্ধ্যা লাগে। জীৱই জন্ম লয়, মৰে।

সময়েই জীৱন। জীৱনৰ নিৰবিচ্ছিন্ন সোঁতেই সময়ৰ সোঁত। বৰ্তমান যেন এডাল সাঁকো। অতীত আৰু ভৱিষ্যত তাৰ দুই মূৰ। মহাকাল নামৰ খোলচটোৰ ভিতৰতে সোমাই থাকে সৃষ্টি, স্থিতি, প্ৰলয়—কণমান গুটি এটাৰ ভিতৰতে যিদৰে সোমাই থাকে মহতীবৃক্ষ। গছৰপৰা গুটি হয়, গুটিৰপৰা গছ। গুটিটোৰ সেই সূক্ষ্ম শৰীৰত সোমাই থাকে বৰগছ, সেয়া যেন তাৰ সিজন্ম। গছডাল মৰিলে গুটিত সি জীয়াই থাকে। একেদৰেই কণমান কেঁচুৱাটোৰ মাজত সোমাই থাকে অশীতিপৰ বৃদ্ধ। সি তাৰ উত্তৰ পুৰুষত জীয়াই থাকে।

হৰিণা পোৱালিটো কুৰকুটি আহি কোঁচত সোমালত চেতনা হ'ল মহৰ্ষিৰ ৰাতিপুৱাটো কেতিয়াবাই আবেলি হ'ল। আবেলিটো সন্ধিয়া। সন্ধিয়াটো এসময়ত হ'ল মাজনিশা। পিঠি ফালে ঘোঁপ মৰা এন্ধাৰ। সমুখৰ একোণত গছাৰ ওপৰত টিমিকি টিমিকি জ্বলিছে মাটিৰ চাকি। ঠগীত ভূৰ্জপত্ৰ। কাপ আৰু মৈলাম। বহুত সময় তেওঁ লেখাৰ চেষ্টা কৰিলে। কাটিলে কুটিলে। মনৰ ভাব প্ৰকাশৰ উপযুক্ত ভাষা বিচাৰি নেপাই হাঁহাকাৰ কৰি উঠিল মন। ভাব আৰু ভাষা সমান হ'লেই মাথো হয় সুন্দৰ সৃষ্টি। আবেগ আৰু অনুভূতি সুতীব্ৰ হোৱাৰ কাৰণে ভাষা হ'ল গৌণ। হিয়া ঢাকুৰি কান্দিবৰ মন গ'ল তেওঁৰ। আবেগত অধীৰ হৈ উঠিল হৃদয়। বানপানীয়ে ভেটা ভঙাদি হৃদয়ৰ পাৰ ভাঙি সমস্ত ভাৰ মনৰপৰা কাপৰ মুখলৈ ওলাই আহিব খুজিলে। একে সমান সময়ত প্ৰচণ্ড বেগেৰে হিলদল ভাঙি বাহিৰ ওলাই আহিব খুজিলে হৃদয়ৰ সকলো দুখ। এক নতুন ৰূপত।

চকোৱাজনীয়ে হঠাৎ আকৌ এবাৰ কান্দি উঠিল। মনৰ ভিতৰত পুনৰবাৰ গভীৰ দুখৰ ঝঙ্কাৰ তুলিলে সি। এটা যেন কৰুণ সঙ্গীত বাজি উঠিছে। সুৰটোৱে বাৰে বাৰে আহি হৃদয়ত আঘাত কৰিলে। অলপ আগতে সামৰি থোৱা ভূৰ্জপত্ৰখিনি পুনৰ চকুৰ আগত তেওঁ মেলি ল'লে। হঠাৎ মনত ঝঙ্কাৰ দি উঠিল ভাষাই। চকোৱাজনীৰ কান্দি থকা সুৰটোৱে ভাষাৰ ৰূপ ল'লে। সুৰত সুৰ মিলাই কিছুমান শব্দই মনৰ মাজত দোলা দি গ'ল। হৃদয় খলকি উঠিল। গভীৰ

জলবাশিত শব্দ হোৱাৰ দৰে। সেই শব্দই ভাষা। হৃদয়ৰ অনুভূতি-উপলব্ধিৰ প্ৰকাশৰ ভাষা হ'ল মাধ্যম।

গোটেই ৰাতিটো বহি বহি ভাৱিলে মহৰ্ষিয়ে। লিখি লিখি কাটিলে। পুনৰ লিখিলে।

হঠাৎ মহৰ্ষিৰ দুই চকু পানীৰে উপচি পৰিল। দুখ মিহলি এক অদ্ভুত আনন্দত খলকি উঠিল বুকু। এই দুখেই আনন্দ। সৃষ্টিৰ দুখ। প্ৰসৱ বেদনাত কাতৰ মাতৃৰ পুত্ৰ দৰ্শনত হোৱা আনন্দ। দুখৰেই এক স্বকীয়া ৰূপ আনন্দ। হৃদয় ভেদি ওলাই আহিল সুৰ মিহলি দুশাৰী দুখৰ শব্দ। বাৰে বাৰে সুৰ লগাই শাৰী দুটা তেওঁ গাবলৈ ধৰিলে। যিমানেই গায় সিমানেই আৰু বেছি মোহময়, ৰহস্যময় হৈ উঠিল। অজস্ৰ কথা লুকাই থকা এটা কাহিনীৰ আৰম্ভ, অলেখ অজান শব্দ থূপ খাই এটা শ্লোক।

"মা নিষাদ প্ৰতিষ্ঠাং......কাম মোহিতম।" যি চকোৱাটোক এনে অৱস্থাত নিৰ্মমভাৱে-হত্যা কৰিলে জনমে জনমে যেন তাৰ কল্যাণ নহয়। তাৰ যেন ইহকাল পৰকাল সকলো—আঃ!

টোপাল সৰাৰ শব্দত, চৰাইৰ কিচিৰ-মিচিৰ কোঢ়ালত গম পালে ৰাতি পুৱাল। ঘনে ঘনে মনলৈ আহিল ব্যাধটোৰ কথা। মূৰ্খ হ'লেও আচৰিত আৰু ভাবিবলগীয়া প্ৰশ্ন কৰিলে ব্যাধটোৱে। সঁচাকৈয়ে পথ কি? বাঘ হ'বনে হৰিণা হ'ব? কি হোৱা উচিত? বাঘৰ ধৰ্মটো ৰাজসিক ধৰ্ম। ক্ষত্ৰিয় ধৰ্ম। ৰজা বাঘৰ দৰে হ'ব লাগে। কিন্তু হোৱা জানো উচিত? বাঘৰ হৃদয় বোলা বস্তু নাই। হৰিণা মাৰি সি হৃদয়ত দুখ অনুভৱ নকৰে। কিন্তু ক্ষত্ৰিয় হ'লেও ৰজা মানুহ। সৃষ্টিকৰ্তাই মানুহৰ হৃদয় দিছে। দুখানুভূতিৰ উৎস হৃদয়। বিচাৰ-বিবেচনাৰ উৎস মস্তিষ্ক। সৃষ্টিকৰ্তাৰ উদ্দেশ্য আৰু ইচ্ছা কি? মানুহ বাঘো হওক, হৰিণাও হওক? উপযুক্ত সময়ত প্ৰয়োজন অনুসৰি সি ৰূপ লওক? ৰূপ সলাওক? কিন্তু একেজন মানুহ এই দুই বিৰুদ্ধ প্ৰাকৃতিৰ হোৱাতো জানো সম্ভৱ?

ওঁহো, কোনোবাখিনিত ভুল হৈছে—আঁতডাল হেৰাই গৈছে। সৃষ্টিকৰ্তাৰ উদ্দেশ্য হ'ব পাৰে মানুহ মানুহ হওক। বেয়া স্বভাৱ, কুচৰিত্ৰ আৰু বিৰুদ্ধ পৰিবেশ সৃষ্টি কৰি দি তাক ভাল হোৱাৰ চেষ্টা কৰাইছে সৃষ্টিকৰ্তাই। পদুমৰ দৰে হৈ থকাৰ। বোকা-পানীৰ মাজত থাকিও সি পবিত্ৰ হওক। বেয়াৰ মাজত জন্মি ভাল হওক।

মানুহৰ সমাজত অজস্ৰ সংস্কাৰ। বিশ্বাস আৰু অন্ধবিশ্বাস। তাৰ ভালৰ কাৰণে নিজৰ, সমাজৰ, বিশ্বৰ চিন্তা কৰাৰ শক্তি আছে। সি তাৰ মনুষ্যত্ব ৰক্ষা কৰাৰ, সমাজ ৰক্ষা কৰাৰ চিন্তা কৰিব পাৰে। ব্যাধ এটা বাঘ। মহৰ্ষিৰ লগতে বাকীসকলো হৰিণ। এটা যেনিবা অসুৰ বা ৰাক্ষস, আনটো দেৱতা নাইবা মানুহ। ৰাক্ষস শ্ৰেণীটোৱে মাত্ৰ সিহঁতৰ নিজৰ কথা ভাবে। বৈষয়িক লাভ-লোকচানৰ কথা। নিজৰ ঘৰখন, নিজৰ সমাজৰ ৰীতি-নীতি ৰক্ষা কৰাৰ কথা। আনক হত্যা কৰি সিহঁত জীয়াই থাকিব খোজে। মানুহ মাৰি সিহঁতে আনন্দ পায়। আনৰ শান্তি আৰু সুখত বাধা দিয়াই সিহঁতৰ প্ৰকৃতি আৰু ধৰ্ম। সিহঁত স্বাধীন আৰু ইন্দ্ৰিয়াসক্ত। লোভ-মোহ-কাম-ক্ৰোধৰ বশবৰ্তী। তাক মুক্তভাৱে আচৰণ কৰাই সিহঁতৰ জীৱন।

কিন্তু প্ৰকৃত মানুহ ? অসুৰৰ বিপৰীতে, ৰাক্ষসৰ বিপৰীতে দেৱতাসকল। কিন্তু দেৱতাসকলো জানো অসুৰধৰ্মী নহয় ? মৰ্ত্যলৈ আহি সিহঁতে নকৰে কি ? স্বয়ং দেৱৰাজ ইন্দ্ৰ কিমান ইন্দ্ৰিয়াসক্ত! গৌতম মুনিৰ স্ত্ৰী অহল্যাক ছলনা কৰি ইন্দ্ৰই জানো বলাৎকাৰ কৰা নাছিল? দেৱতাৰ এই চৰিত্ৰৰ চঞ্চলতা ঋষি-মুনিসকলেও জানো দেখুওৱা নাই? মহৰ্ষি বিশ্বামিত্ৰ অপ্সৰা মেনকাৰ কাষত কেনেদৰে হৈ পৰিছিল চঞ্চল! ইন্দ্ৰিয়াসক্ত!

সৰযূ নৈৰ পাৰৰ শিলছটাত তন্ময় হৈ বহি ৰ'ল বাল্মীকি। ছুটা সৰু সৰু পাহাৰৰ মাজত ধীৰে ধীৰে ডুব গৈছে বেলিটো। সন্ধ্যা-দেৱীৰ বুকুৰ মাজত আশ্ৰয় লৈছে যেন সূৰ্য্যদেৱে। তমসাৰ পানীত তাৰ প্ৰতিবিম্ব পৰি ৰঙা হৈ উঠিছে। লাজত ৰঙা হৈ পৰা মুখখন ঢাকিবলৈ এন্ধাৰ ক'লা চুলি কোছা ছটিয়াই ল'ব খুজিছে মুখৰ ওপৰত।

বহি থকা শিলছটাৰ ওপৰৰপৰা নামি আশ্ৰমৰ ফালে খোজ দিব খুজি হঠাৎ শুনিলে মহৰ্ষিয়ে কোনোবা এঠাইত যেন কোনোবাই কুঁ-কুঁকৈ কান্দিছে। শৰবিদ্ধা হৰিণীৰ দৰে কান্দোন। হৰিণীৰ কথা মনত পৰাৰ লগে লগে চকোৱাজনীলৈ ভেওঁৰ মনত পৰি গ'ল।

সেই দুষ্ট ব্যাধটোৱে হয়তো আশ্ৰমৰ কাষতেই আকৌ এবাৰ হৰিণা বধ কৰিবলৈ সাহস কৰিছে। বিনা শাস্তিৰে এৰি দিয়াৰ সুযোগ লৈ পুনৰ্বাৰ সি বাল্মীকিক জোকোৱাৰ দুঃসাহস কৰিলে। বিশ্বামিত্ৰ আৰু দুৰ্বাসাৰ দৰে খঙাল ঋষিৰ কাষত সি এনে কৰিব নোৱাৰিলেহেঁতেন। সঁচাকৈয়ে মানুহৰ ভালৰ কাৰণেই ইহঁতক ভস্ম কৰি পেলোৱা উচিত। কাৰণ সহজ-সৰল, সহানুভূতিশীল আৰু দয়ালু মানুহৰ ধৈৰ্য্য, দয়া আৰু ক্ষমাক ইহঁতে শাৰীৰিক দুৰ্বলতা বুলিহে ভাবে।

বিৰক্তিৰে শব্দ অনুসৰণ কৰি তমসাৰ পাৰে পাৰে উত্তৰ মুৱাকৈ যাবলৈ ধৰিলে মহৰ্ষি।

আশ্ৰমৰ একাষৰপৰা সেইফালে আৰম্ভ হৈছে সৰু সৰু জোপোহা গছৰ শাৰী। কাঁইটহীন, বিশেষ এবিধ লতা ফুল। বনৰীয়া খৰিকাজাঁই ফুলবিলাক আশ্ৰমৰপৰা সিচঁৰতি হৈ পৰিছে এইফালৈ। জোপোহা-জোপোহ বগৰী পুলি কেইজোপাৰ ওপৰত হালধীয়া আকাশী লতা পৰি আগুৰি ধৰিছে। সেইখিনি সাৰিয়েই ধীৰে ধীৰে আৰম্ভ হৈছে অৰণ্যভূমি। প্ৰথমে বহল বহল পাতৰ পোলোঙা আৰু ওখ ডাঙৰ শালগছ। কাষে কাষে সোণাৰু আৰু এজাৰৰ ৰঙীন ফুল। সেইফালৰপৰাই আহিছে কান্দোন। মাজে মাজে নোহোৱা হৈ—পুনৰ আৰম্ভ হয়। যিমানেই ওচৰ চাপি যায় সিমানেই যেন আঁতৰি গৈছে কান্দোনটো— মায়াবীৰ মায়াৰ দৰে। আচলতে ডাঙৰ ভাঁজটোৰ কাৰণে শিলহটাৰপৰা নামি আহোঁতে নিচেই কাষত যেন বোধ হৈছিল। অলপ সময় কান্দোন মুগুনাত শালগছ এজোপাৰ তলত থমকি ৰ'ল মহৰ্ষি।

হঠাৎ নিচেই কাষত কান্দোন শুনা গ'ল। মাত্ৰ দুজোপা গছৰ সিফালেই। প্ৰকাণ্ড বুঢ়া শিৰীষ গছ এজোপাৰ তলৰপৰা আহিছে কান্দোনটো। তাৰ সিফালেই সৰযু।

কেইখোজমান আগলৈ গ'ল মহৰ্ষি। নৈৰ গড়াত থিয় হৈ আছে কোনোবা এটা। নীলা চাদৰ এখনেৰে ঢকা পিঠিকাল দেখা গৈছে। ডিঙিৰ ভাঁজটোৰ ওপৰত খোপা এটা। কিৰীটিৰ দৰে ওখ শিৰ। সমুখত তমসা। আত্মহত্যাৰ বাবে যেন গড়াত থিয় হৈছে। কেইখোজমান আগলৈ গ'লেই পৰি যাব সৰযুৰ পানীত। একাষৰীয়া হৈ সমুখৰ ফাল হ'ব খোজাত মহৰ্ষিয়ে দেখিলে এগৰাকী যুৱতী ৰাজমহিষী! গছজোপাৰ ফালে পিঠি দি চকু মুজি থিয় হৈ আছে। চকুপানীৰে তিতি গৈছে গাল-মুখ। নাকৰ পাহি কুলি কুলি উঠিছে।

সোণবৰণীয়া বুটাবছা নীলা চাদৰ এখন তেওঁৰ গাত। জিলিকি চিত্ৰ-বিচিত্ৰ হাৰ, হাতত কঙ্কণ, ভৰিত নূপুৰ। আনফালে মুখ কৰি থকাৰ কাৰণে মুখখন ভালকৈ দেখা নাই। থোৰ মেলিব খোজা কুঁহিপাত ৰঙৰ হাত-ভৰিৰ ৰং। পোলোগা, মগুহাল আৰু মিহি। কিন্তু কঁকালৰ অংশটো যেন অলপ বেছি শকত। কঁকালৰ তলছোৱা কাপোৰৰ ওপৰলৈ অলপ বেছি আৰু অস্বাভাৱিকভাৱে ওখ হৈ গৈছে।

কেইটামান মুহূৰ্ত মহৰ্ষি কিংকৰ্তব্য বিমূঢ়ৰ দৰে থিয় হৈ ৰ'ল। এনেকৈয়ে এৰি থৈ যায় শাপভ্ৰষ্টা দেৱীক। উৰ্বশী আৰু মেনকাৰ দৰে। কাৰোবাৰ তপস্যালৈ ভয় কৰি। তলমল কৰি উঠে দেৱতাৰ সিংহাসন। ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ। দেৱৰাজ ইন্দ্ৰই উৰ্বশী, ৰম্ভা, মেনকাক পঠায় তপোভঙ্গলৈ। এনেকৈয়ে ধৰ্ষণ কৰি এৰি থৈ গৈছিল ইন্দ্ৰই অহল্যাক। ৰেণুকাক। মেনকাৰ লগত হোৱা মহাঋষি বিশ্বামিত্ৰৰ সেই কলঙ্কৰ কাহিনী যেন এয়া। মহতী সাধনাৰ বলেৰে বলীয়ান ঋষি এজনো কেনেকৈ ইমান ইন্দ্ৰিয়াসক্ত হৈ পৰে! তললৈ নামি যায়।

তিৰোতাগৰাকীয়ে চকু মুজি আছে। হাত হাল যোৰ কৰা। আত্মহত্যা কৰাৰ আগতে যেন সৰযু নৈক স্তুতি কৰিছে। সমুখত আহি থিয় হোৱা মহৰ্ষিৰ উপস্থিতিও অনুভৱ কৰা নাই।

বাল্মীকি নৈৰ ফালে, পিঠি দি তিৰোতা গৰাকীৰ মুখামুখিকৈ থিয় হ'ল আৰু হাত যোৰ কৰি মৰমেৰে উচ্চাৰণ কৰিলে—"আই!"

চকুহাল খপ্ কৰে মেলি চালে তিৰোতা গৰাকীয়ে। কান্দি কান্দি অৱশ তিৰোতাগৰাকী। ওৰণিখন মূৰৰ ওপৰৰপৰা খহি পৰিছে। সোণৰ পাতেৰে বন্ধা চুলি কোছা আউল বাউল। চকুপানীৰে তিতি গৈছে গাল-মুখ। নাকৰ পাহি ফুলি ফুলি উঠিছে। পানীৰে উপচি থকা ৰঙচুৱা চকুৰ মণিত আহি প্ৰতিবিম্বিত হ'ল—এজন সন্ন্যাসী। জটা, উত্তৰীয়, পাদুকা। হাতত কমণ্ডলু।

"কোন তুমি আই?" ৰত্নাকৰে সুধিলে।

মৰমৰ মাত শুনি হঠাৎ কান্দোন বেছি হৈ গ'ল মানুহগৰাকীৰ। হয়তো ভাবিছিল এই জন্মত মানুহৰ সৈতে আৰু দেখাদেখি নহ'ব। বাঘ আৰু বন্যপশুৰ পেটত তেওঁ জাহ যাব। মানুহৰ মাত শুনি দুগুণে চকুপানী ওলাল। কান্দোনৰ শব্দ এক মুহূৰ্ত থমকি বৈ হঠাৎ

বেছি হৈ গ'ল। উচুপনিও। মানুহতকৈ মানুহৰ আৰু কোন আপোন আছে ?

উচুপি উচুপি ঘনে ঘনে চকুহাল থাপি ধৰিলে ৰত্নাকৰৰ গাত ৰাজমহিষীয়ে। চকুৰ চাৱনিত সন্দেহ। ভয় আৰু আশঙ্কা। মানুহ হয়নে নহয় ? মানুহৰ বেশত পিশাচ নহয়তো ?

ৰত্নাকৰে নিথৰ হৈ চাই ৰ'ল।

কান্দি কান্দি ৰঙা হোৱা চকুহালৰপৰা নিজৰি পৰিল নতুন এসোঁতা চকুপানী। ঘনে ঘনে মহৰ্ষিৰ গাত চকু থৈছে। সেই চকোৱাজনীয়েও এনেদৰে মহৰ্ষিৰ চকুলৈ চাইছিল। ভয়েৰে, কাকুতিৰে। এনেকৈয়ে মুমূৰ্ষু চকোৱাটোৰ দৃষ্টিত আছিল জীৱন ৰক্ষাৰ আকুতি। সি আছিল চৰাই। কিন্তু জীৱজন্তু সকলো একে। মানুহো। কি অসহায় মানুহ ! মানুহৰ বাবে মানুহৰ কি দুৰৱস্থা ! দুখ আৰু যন্ত্ৰণা ! মানুহ মানুহৰ পৰম আপোনেই নহয় মহা-শত্ৰুও। মহা অশান্তি আৰু মৃত্যু-ভয়ৰ কাৰণো।

ঋষি নহৈ, বৃদ্ধ নহৈ কামাসক্ত এটা ৰাক্ষসে মানুহক দেখা হ'লেও এনেদৰে আশ্ৰয় ভিক্ষা, জীৱন ৰক্ষাৰ আকুতি জানো ফুটি উঠিলহেঁতেন ? মনলৈ অহাৰ লগে লগে মুহূৰ্ততে যেন কেইবাদিনৰপৰা উলিয়াব নোৱাৰা প্ৰশ্নটোৰ উত্তৰ পালে বাল্মীকিয়ে। এই সময়ত, এজনী অসহায়া তিৰোতাক ৰক্ষা কৰাৰ সময়ত মানুহ বাঘৰ দৰে সাহসী হোৱা উচিত নে হৰিণাৰ দৰে দুৰ্বল হোৱা উচিত ? ব্যাধ হোৱা উচিত নে মহৰ্ষি ?

এই তিৰোতাজনীও সেই চৰাইজনীৰ দৰে। হয়তো নিজৰ স্বামীক কোনোবা ব্যাধৰ হাতত হেৰুৱাইছে। ভগৱানৰ কি অপাৰ মহিমা। এজনী অসহায়া, আশ্ৰয়হীনা চৰাইক আশ্ৰয় দি আশ্ৰমত ৰখোৱাৰ পিছতেই আহিল এগৰাকী অবলা তিৰোতা।

লৰালৰিকৈ মহৰ্ষিয়ে তিৰোতা গৰাকীৰ মনৰপৰা ভয় আৰু সংকোচ ভাব আঁতৰাবলৈ কৈ উঠিল—"দেৱতা-দানৱ কোনো নহয় মই আই। মই মানুহ—মানুহ হোৱাৰ চেষ্টা কৰিছোঁ। কাষতেই মোৰ পঁজা ঘৰ। মানুহে তাক আশ্ৰম বোলে, কাৰণ দুখীসকলৰ সি আশ্ৰয়স্থল। আপোনাক দেখিয়েই বুজি পাইছোঁ আপুনি প্ৰচণ্ড দুখ আৰু অসহায় অৱস্থাত পৰিছে। কি হৈছে মই নেজানো। ধীৰে ধীৰে পিছত

জানিব পাৰিম। আগতে আহক, সুস্থিৰ হওক। কষ্ট হলেও আশ্ৰমত আপোনাৰ মৰ্যাদাৰ তিলমানো লাঘৱ নহয়। আপোনাক আতিথ্যদান কৰিবলৈ পালে মই কৃতজ্ঞ হ'ম।

তিৰোতাগৰাকীয়ে উচুপনিৰ মাজেৰেই আকৌ এবাৰ মহৰ্ষিৰ মুখলৈ চালে। চকু্ৰে-মুখে বিশ্বাস আৰু অবিশ্বাসৰ দ্বন্দ্ব। সন্দিগ্ধ দৃষ্টি। সন্দেহ। বাঘনে হৰিণধৰ্মী এই ঋষি? নে ঋষিৰ বেশত কোনোবা? দুষ্ট লোকেও কাৰ্য্য সিদ্ধিৰ বাবে মিঠ মাত মাতে। সেইয়া তাৰ ভেশছন। পঞ্চৱতীবনৰ অকলশৰীয়া সীতাৰ ওচৰলৈ এনেকৈয়ে বুঢ়া মুনিৰ ভাও জুৰি আহিছিল ৰাৱণ। হাতত ধৰাৰ লগে লগে হৈ উঠিছিল সি ভয়ঙ্কৰ ৰাক্ষস। এই মুনিও যদি মুনিৰ বেশত কোনোবা—

মানুহগৰাকীৰ মনৰপৰা সংশয় আৰু দ্বিধাভাব আঁতৰাবলৈ ৰত্নাকৰে পুনৰ ক'লে,—"মোক বিশ্বাস কৰক আই! মই মানুহ—দেৱতা-দানৱ কোনো নহয়—মানুহ।"

তিৰোতাগৰাকীয়ে বিশ্বাস কৰিলে। থোকাথুকি মাতেৰে ক'লে,—"কিন্তু মই বৰ অভাগিনী। মোৰ দৰে দুখিনী—"

"আপোনাৰ দুখৰ কথা পিছত শুনিম—প্ৰথমে সুস্থ হওক। আহক আই, মোৰ অ'শ্ৰমলৈ আহক। নিচেই কাষতে মোৰ আশ্ৰম—"

মহৰ্ষিয়ে হাত দাঙি বাটটো দেখুৱাই দিলে।

ৰত্নাকৰ পিছত হ'ল। বাট দেখুৱাই গ'ল। আগে আগে তিৰোতা গৰাকী। কান্দি কান্দি, উচুপি উচুপি গৈ আছে। উচুপনি এতিয়া কম হৈছে। কান্দোনৰ শব্দও। কু-কু কান্দোন। কঁপি কঁপি উঠিছে দেহ। সেই কঁপনি আহি ঠেকা খাইছেহি পাছে পাছে আহি থকা ৰত্নাকৰৰ বুকুত। হৃদয়ত।

# তিনি

পিছদিনা পুৱা

পৰ্ণকুটীৰৰ দুৱাৰমুখলৈ আগুৱাই আহি থমকি ৰ'ল ৰত্নাকৰ। কুটীৰৰ একোণত পৰি থকা কুশাসনৰ ওপৰত সোঁহাতৰ গাঁঠিত মূৰ থৈ কুচুতি-মুচুতি হৈ শুই আছে ৰাজমহিষী। আউল-বাউলকৈ সিঁচৰিত হৈ থকা এন্ধাৰ ক'লা চুলিকোছাই ঢাকি ধৰিছে গাল-মুখ। থাকি থাকি মৰা উচুপনি আৰু কোঁপনিত কঁপি কঁপি উঠিছে দেহ।

চোতালখনৰ একাষৰপৰা আৰম্ভ হৈছে আশ্ৰমৰ গছলতা। কেইবাটাও সৰু সৰু হৰিণা পোৱালিয়ে চোতালখনত ধেমালি কৰি আছে। নিশাৰ এন্ধাৰৰ পিছত দিনৰ পোহৰ পাই আনন্দত কিৰিলি পাৰি উঠিছে কণ কণ এজাক টোকোৰা চৰায়ে। মহৰ্ষিক দেখাৰ লগে লগে জাকি মাৰি সিহঁত উৰি গুচি গ'ল। ধীৰে ধীৰে চোতালখনত আহি পৰিল একাজলি ৰ'দ। গাত ৰ'দ পৰাৰ লগে লগে হৰিণা পোৱালিকেইটা আনন্দত জপিয়াই উঠিল। মহৰ্ষিক দেখি আটাইতকৈ সৰু পোৱালিটো লগৰীয়াৰ লগৰপৰা আঁতৰি তেওঁৰ কাষ চাপি আহিল। চুচুক-চামাককৈ সি কুটীৰৰ ভিতৰলৈ জুমি চালে আৰু একাষেৰে আগুৱাই গৈ ভিতৰ সোমাল। কুচুতি-মুচুতি হৈ শুই কান্দি থকা তিৰোতাগৰাকীৰ সি কাষ পালেগৈ। কেইটামান মুহূৰ্ত একেথৰে চাই সি তবধ মানি ৰ'ল। ভাষা নুবুজিলেও সি যেন কান্দোন বুজি পালে। ৰিণিকি ৰিণিকি তাৰ মনত পৰিল তাৰ মাকেও এদিন এনেদৰে কান্দিছিল। এদিন এনেকুৱা সময়তে সিহঁত জুৰিৰ পাৰত কোমল ঘাঁহ খাই ঘূৰি ফুৰিছিল। হঠাৎ পাখিলগা কাঁড় এপাট তাৰ গাৰ কাষেৰে সোঁ সোঁৱাই পাৰ হৈ গৈ মাকৰ তলপেটত লাগিল। অস্বাভাৱিকভাৱে আৰ্তনাদ কৰি মাটিত বাগৰি চেৰেউ-ফেৰেউকৈ মাকে কান্দিবলৈ ধৰিলে। লাহে লাহে মাকৰ ছটফটনি কমি গৈছিল। কু-কু কান্দোনটো বহুত পৰলৈকে আছিল। তাৰকালে সতৃষ্ণ নয়নেৰে চাই বাৰে বাৰে মাকে তাক কিবা কব খুজিছিল। কিন্তু কব নোৱাৰি দুই চকুৰ কোণেৰে ধাৰাসাৰে চকুপানী ব'লে। অলপ সময়ৰ পিছতে মাক নিথৰ হৈ পৰিল। তাৰ মনত আছে সেই সময়তে ক'ৰবাৰপৰা

আহি মহৰ্ষিয়ে তাক বুকুৰ মাজত আলফুলকৈ সুমুৱাই লৈ মৰম কৰিবলৈ ধৰিলে।

মাকৰ কথা মনত পৰাত বুকুৰ ভিতৰখন তাৰ খলকি উঠিল। ফেনে-ফোটোকাৰে বুকুৰ ভিতৰৰপৰা উঠি আহিব খুজিলে কান্দোন। অবুজ ভাষাৰে কিবা কৈ কৈ এবাৰ বাল্মীকিলৈ আৰু আন এবাৰ তিৰোতা গৰাকীলৈ চাই চকুৰ চাৱনিৰে যেন মহৰ্ষিক সুধিলে—এওঁনো কোন পিতা? কিয় কান্দিছে? কৈ কৈ পোৱালিটো তিৰোতাগৰাকীৰ কাষ চাপি গ'ল, চাদৰৰ আচল এটাত খামুচি ধৰিলে আৰু তাৰ নিজৰ ভাষাৰে কিবা কৈ তেওঁক যেন সান্ত্বনা দিবলৈ চেষ্টা কৰিলে।

তিৰোতাগৰাকীয়ে সোঁহাতেৰে পোৱালিটো কেইবাবাৰো আঁতৰাই দিয়াৰ চেষ্টা কৰিলে আৰু আঁঠুৰ ওপৰৰপৰা মূৰ দাঙি বেৰখনত আঁউজি চকু মুজি ৰ'ল। কান্দোনত ৰঙা হৈ উঠিছে মানুহজনীৰ মুখখন। চকুপানীৰে তিতি আছে গাল-মুখ। চুলিকোছা আউল-বাউল হৈ সিঁচৰিত হৈ পৰি আছে গাইমূৰে।

তুৱাবডলিত বৈ চাই থকা মহৰ্ষিয়ে মৰমেৰে ক'লে,—"তাইও তোমাৰ দৰে অনাথ আই! জন্ম হোৱাৰ দুদিনমানৰ পিছতে তাইৰ মাকক এদিন এটা ব্যাধে হত্যা কৰিলে। মাকৰ শৱ-দেহৰ কাষত বৈ চেৰেউ-ফেৰেউকৈ তাই কান্দি আছিল। ব্যাধটোৱে ধৰি লৈ যাব খোজাত শাপি ভস্ম কৰাৰ ভয় দেখুৱাই মই তাইক লৈ আহিলোঁ। বহু কষ্টেৰে খুৱাই-বুৱাই তাইক মই ডাঙৰ কৰিছোঁ।"

চকুহাল মুজি তিৰোতাগৰাকীয়ে শুনি আছিল। নতুনকৈ চকুপানী এসোঁতা ওলাই দুগালেৰে দুধাৰ বৈ গ'ল। মচি পেলোৱাৰ চেষ্টা নকৰি কান্দোন মিহলি মাতেৰে ক'লে,—

"ইয়াৰ দৰে মইও অনাথ। মোৰো কোনো নাই। পিতৃ-মাতৃ কোন মই নেজানো। কোনোবা কাপুৰুষ পিতৃৰ মই অবৈধ সন্তান। জন্মৰ পিছতেই মাতৃয়ে মোক পৰিত্যাগ কৰিলে। খেতিৰ পথাৰত পাই এজন মানুহে মোক হেনো তেওঁৰ ঘৰলৈ লৈ আহিল। সেই দয়ালু লোকজন আছিল অপুত্ৰক। মৰম কৰি তেওঁ মোক তুলি-তালি ডাঙৰ কৰিলে আৰু—"

গভীৰ দুখ বোধ কৰিবলৈ তিৰোতাগৰাকী ৰ'ব লগা হ'ল। মাতটো কান্দোনেৰে খোকা-খুকি আৰু অস্পষ্ট হৈ উঠিল। কুঁহিপাতৰ

দৰে কোমল আৰু পাতল ওঁঠ দুখন থৰথৰ কৰে কঁপি উঠিল। বাল্মীকিয়ে সান্ত্বনা দিবলৈ ক'লে—

"দুখৰ কথা ভাবিলে দুখ বেছি হয় আই। পৃথিৱীখন দুখৰ আলয়। জ্ঞানী-মূৰ্খ, ৰজা-ভিখাৰী সকলোৰে কিবা নহয় কিবা এটা দুখ আছে। প্ৰত্যেকৰে দুখৰ প্ৰকাৰ মাথোন বেলেগ। যিদৰে মৃত্যুৰ কাৰণ বহুত হলেও তাৰ এটায়েই মাথোন ৰূপ—মৃত্যু। কিন্তু সকলোৱে দুখক উপলব্ধি নকৰে। মানুহৰ বাবে দুখেই তাৰ জীৱন। সেই দুখৰ অনুভূতি আৰু উপলব্ধিয়েই প্ৰকৃত মানুহৰ জীৱনৰ ব্ৰত। এক অপৰিসীম, অব্যক্ত কাৰুণ্যৰপৰাই পৃথিৱীত জ্ঞানৰ জন্ম হৈছে। সেই জ্ঞানৰপৰাই সৃষ্টিকৰ্তাই বিশ্ব-ব্ৰহ্মাণ্ড সৃষ্টি কৰিছে। সাংসাৰিক দুখৰপৰাই মুক্ত হৈ সেই মহতি দুখক উপলব্ধি কৰাৰ ঋষি-মুনিসকলে তপস্যা কৰে।"

কৈ কৈ অন্যমনস্ক হৈ পৰা বাল্মীকিয়ে শুনিলে তিৰোতাগৰাকীয়ে ক্ষোভ জড়িত কণ্ঠস্বৰেৰে কৈছে—

"দুখ দিবলৈ মইতো কাৰো একো দোষ কৰা নাই। নিজৰ পাপ গোপন কৰিবলৈ কোনোবা মাতৃয়ে জন্ম হোৱাৰ লগে লগে মোক দলিয়াই পেলালে। মোৰ কাপুৰুষ পিতৃয়ে নিজৰ অপৰাধ গোপন কৰি মনে মনে থাকিল। মোৰ কি দোষ? কিহৰ বাবে জন্মৰ এই দুখ মই বহন কৰিব লগা হ'ল? মোৰ ধৰ্ম-পিতৃয়ে মৃত্যুৰ মুখৰপৰা মোক ৰক্ষা কৰিলে। তেওঁৰ দয়া আৰু স্নেহেৰে মোক জীয়াই ৰখালে। তেওঁৰ সম্বন্ধ নহলেও তেওঁ হ'ল মোৰ পিতৃ।" কেইটামান মুহূৰ্ত থৰ হৈ ৰ'ল, উচুপিলে আৰু পুনৰ তেওঁ ক'লে—"আপুনিও মোক আজি নিশ্চিত মৃত্যুৰপৰা ৰক্ষা কৰিলে। তেওঁৰ দৰে আপুনিও মোৰ পিতৃ—মোৰ দৰে অনাথিনীক—"

হঠাৎ তিৰোতাগৰাকীয়ে দুই আঠু পেলাই মাটিত উবুৰি খাই পৰি গ'ল আৰু প্ৰথমে উচুপি আৰু শেষত হুৰাওবাৰে কান্দিবলৈ ধৰিলে।

মহৰ্ষিয়ে কিংকৰ্তব্য বিমূঢ়ভাৱে নিথৰ হৈ চাই থাকিল। এসময়ত ক'লে—"কিন্তু মোৰ ধাৰণা হৈছে আই জন্ম য'তেই নহওক ৰাজসিক তত্ত্বাৱধানতেই তুমি আজীৱন আছা—তুমি ৰাজকন্যা আৰু ৰাজবধূ।"

"আপুনি সৰ্বজ্ঞ পিতা! লুকুৱাব খুজিলেও মই লুকাব নোৱাৰোঁ।

মই বিদেহৰ ৰাজকন্যা। বিদেহৰাজ জনক মোৰ ধৰ্মপিতৃ।"

"জনক !!" মুখলৈ ৰ-লাগি চাই থাকি উচ্চাৰণ কৰিলে বাল্মীকিয়ে আৰু ক'লে—"জনক অপুত্ৰক আছিল বুলি মই জানো। তেওঁৰ কন্যা –"

"মই তেওঁৰ পালিতা কন্যা। অপুত্ৰক জনকৰ বহুত দিন কোনো সন্তান হোৱা নাছিল। মোক তুলি লোৱাৰ পিছত এগৰাকী কন্যা জন্ম হয়। পিতৃ কোন নেজানিলেও, মাতৃ হেনো মোৰ বসুমতী।"

"বসুমতী ??" গভীৰ আবেগেৰে উচ্চাৰণ কৰিলে বাল্মীকিয়ে আৰু অভিভূত হৈ পৰিল – "তেন্তে তুমি—" কিবা ক'বলৈ ধৰি হঠাৎ নিজক সংযত কৰি পেলালে মহৰ্ষিয়ে। লক্ষ্য কৰা হ'লে তেওঁৰ সেই ধ্যগ্ৰতা আৰু উদ্বিগ্নতাত অত্যধিক আবেগ আৰু অস্বাভাৱিক কাৰুণ্য দেখা পালেহেঁতেন। শব্দটোৱে তেওঁৰ হৃদয়ত যেন খলক্ লগালে। যেন এক করুণ কাহিনী মনত পেলাই দিলে। যাৰ লগত তেওঁ নিজে প্ৰত্যক্ষভাৱে জড়িত। ধীৰে ধীৰে অনুচ্চ কণ্ঠেৰে তেওঁ ক'লে,—"শকুন্তলাক এনেকৈয়ে মেনকাই এৰি থৈ গৈছিল। তেওঁৰ পুত্ৰ ভৰতৰপৰাই এইখন দেশৰ নাম হৈছে ভাৰত –" কবলৈ এৰি বাল্মীকিয়ে ভাবিলে—"দেৱতাৰ এই তিৰোতাসকলৰ সেয়া আছিল ব্যভিচাৰৰ দান। তেওঁলোক চিৰযৌৱনা, চিৰমুক্তা আৰু অবন্ধনা। স্বামী আৰু স্ত্ৰীৰ বৈবাহিক বৈধ সম্পৰ্ক দেৱভূমিত নাই।" ফুটাই তেওঁ ক'লে,—"আপোনাৰ – "

"আপুনি বুজি মোক লাজ দিছে কিয় পিতা ? মই আপোনাৰ কন্যা"—"কন্যা ?? সঁচা তুমি মোৰেই কন্যা আই, মোৰেই কন্যা—" বাল্মীকিয়ে অন্যমনস্কভাৱে বাহিৰলৈ চালে। সেউজীয়া পৃথিৱী আৰু শুকুলা ডাৱৰেৰে উৰা আকাশখনলৈ। পৰিচয় উলিওৱাৰ চেষ্টা কৰি শেহত সুধিলে—"কিন্তু ৰাজকন্যাই নহয় তোমাক ৰাজবধূৰ দৰে দেখা গৈছে। চাদৰখনৰপৰা কবৰীলৈ এনে সাজ-সজ্জা মাথোন—"

তিৰোতাগৰাকী কেইবাটাও মুহূৰ্ত মনে মনে থাকিল। মনৰ মাজত খেলি-মেলি হৈ থকা কাহিনী কিছুমান জুকিয়াব খুজিলে। কাহিনীৰ লগতে ছবিবিলাক চকুৰ আগলৈ অহাৰ কাৰণে ৰ'ব লগা হ'ল। এসময়ত ক'লে,— "মই অযোধ্যাৰ ৰাজবধূ।"

"অযোধ্যাৰ !!" আকৌ এবাৰ বাল্মীকি চমকি উঠিল। মুখলৈ

চাই থকাৰ কাৰণে তিৰোতাগৰাকীয়ে ঋষিৰ মুখৰ অভিব্যক্তি আৰু পৰিবৰ্ত্তন লক্ষ্য কৰিলে আৰু সুধিলে, – "আপুনি ইক্ষ্বাকু বংশৰ কথা নিশ্চয় জানে—"

"ইক্ষ্বাকু বংশৰ নাঁম নুশুনা লোক ভূভাৰতত আছে কোন আই ? দিলীপ, সগৰ, ভগীৰথ, মান্ধাতা, ৰঘুৰ দৰে সেই বংশৰ অ:লেখ বিখ্যাত সম্রাট। সমগ্র ব্ৰহ্মাবৰ্ত এদিন তেওঁলোকৰ অধীন আছিল। তেওঁলোকে বহুতবাৰ দিগ্বিজয় যাত্ৰা কৰিছিল। বহুতবাৰ অনাৰ্য্য ৰজাসকলে দেৱভূমি অধিকাৰ কৰি দেৱৰাজ্যৰ ৰাজধানী অম্রাৱতী নিজৰ হাতলৈ নিছে। বহুতবাৰ তেওঁলোকে ছল আৰু চক্ৰান্তৰে, কৌশলেৰে পুনৰ তাক অধিকাৰ কৰিছে। এই কাহিনীসমূহ আমাৰ শাস্ত্ৰসমূহত থুপখাই আছে। মহান কবিসকলৰ কল্পনাৰ বহুন প্ৰকৃত কথা আৰু কাহিনীৰ লগত মিহলি হৈছে।

দেৱতাসকলৰ লগত সম্বন্ধটো আঁতৰি আহিলত শেহবাৰৰ বাবে অযোধ্যাৰাজ দশৰথে দেৱৰাজ ইন্দ্ৰক সহায় কৰিবলৈ গৈছিল। সেই যুদ্ধৰ পৰিণতি হিচাপে গান্ধাৰ, কেকয় আদি কেইবাখনো দেশৰ লগত দশৰথৰ মিত্ৰতা হ'ল। আনফালে গঙ্গাৰ পাৰলৈকে সমগ্র অঞ্চলটোৰ ৰজা হ'ল ইক্ষ্বাকুবংশী কোশল ৰজাসকল। কোশলৰ ৰাজধানী অযোধ্যা সম্রাট ৰঘুৰ দিনত নতুনকৈ গঢ়া হ'ল। সুদৃশ্য ৰাজপ্রাসাদ অম্রাৱতীৰ আৰ্হিৰে দেৱভূমিৰ কাৰুশিল্পীৰ হতুৱাই সজালে।

বাল্মীকিয়ে ফুটাই ক'লে— "তুমি তেন্তে অযোধ্যা ৰাজৰ স্ত্রী ?"

সৰু সৰুকৈ মূৰ লৰাই সমৰ্থন জনালে তিৰোতাগৰাকীয়ে।

অযোধ্যাৰাজ ৰামচন্দ্ৰ বৰ্মাৰ ? যাক স্বৰ্ণলঙ্কাৰ ৰজা দশাননে বলাৎকাৰ কৰিছিল ? যাৰ বাবে তেওঁ সাগৰত সেতু বান্ধিছিল ? উৎসুকতাৰে বাল্মীকিয়ে সুধিলে। সীতাই লাজ আৰু সংকোচেৰে সৰু সৰুকৈ মূৰ লৰাই তলমূৰ কৰি বল। ঋষি-মুনিয়েও তেওঁক সন্দেহ কৰে ? বাল্মীকিয়ে কিন্তু অকণো ভাৱান্তৰ নোহোৱাকৈ ক'লে,—

"তোমালোক বনলৈ যোৱাৰ সময়ত মই আছিলো তমসা নৈৰ তীৰত। সেয়া আছিল মোৰো বনবাস।"

"বনবাস ??" সীতাই আচৰিত হৈ মূৰ তুলি চাই সুধিলে।

অন্যমনস্কভাৱে বাল্মীকিয়ে ক'লে,—"অৰ্থাৎ অজ্ঞাতবাস। সেই সময়ত দস্যুৰপৰা মানুহ হোৱাৰ মই তপস্যা কৰিছিলো।"

সীতাই সুবুদ্ধি মহৰ্ষিৰ মুখলৈ চাই ৰ'ল। বাল্মীকিয়ে ক'লে,—"মোৰ নাম আছিল ৰত্নাকৰ। দস্যুৰপৰা উন্নীত হৈ মই হৈছো ঋষি। জনসমাজৰপৰা আঁতৰি উঁইহাফলুৰে ভৰা এই ঠাইখিনিত আশ্ৰম পাতি থকাৰ বাবে সকলোৱে এতিয়া মোক বাল্মীকি বোলে। ব্ৰাহ্মণ পুৰোহিত, বশিষ্ঠ, ক্ষত্ৰিয় ৰাজকুমাৰ বিশ্বামিত্ৰ, ৰাজৰ্ষি জনকৰ লগত মোৰ কোনো সম্পৰ্ক নাই। পূৰ্বজন্মৰ সেই স্খলনৰ বাবে মোক ঋষি বুলিয়েই তেওঁলোকে গণ্য নকৰে। মই সকলোৰে দ্বাৰা পৰিত্যক্ত, ঘৃণিত আৰু অৱহেলিত। তেওঁলোক সকলোৱে এতিয়া জন্মৰ ওপৰত বেছি প্ৰাধান্য দিবলৈ লৈছে। বশিষ্ঠ পুৰোহিত শ্ৰেণীৰ প্ৰতিনিধি। তেওঁলোকে আশ্ৰম পতাতকৈ সমাজ পতাৰ ওপৰতহে গুৰুত্ব দিছে বেছি। সন্ন্যাসতকৈ সংসাৰ হৈ পৰিছে তেওঁলোকৰ প্ৰিয়। বিশ্বামিত্ৰ আৰু মোৰ মাজত অৱশ্যে সামান্য এঠাইত যোগসূত্ৰ আছে। তেওঁ ক্ষত্ৰিয়। ক্ষত্ৰিয়ত্ব পৰিহাৰ কৰি ব্ৰাহ্মণত্বক তেওঁ অৱলম্বন কৰিছে। ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ৰ বিশুদ্ধ তেজ আৰু কৰ্মৰ গৌৰৱেৰে তেওঁলোক গৌৰৱান্বিত। কিন্তু ব্ৰাহ্মণ কুলতেই যদিও মোৰ জন্ম মোৰ জীৱিকা বশিষ্ঠৰ দৰে শাস্ত্ৰপাঠ আৰু পুৰোহিতালি নাইবা ৰজাক মন্ত্ৰণা দান নহয়। বিশ্বামিত্ৰৰ দৰে অস্ত্ৰশিক্ষা নাইবা গৌতম আদিৰ দৰে দাৰ্শনিক জ্ঞানৰ পৰিবৰ্তে মোৰ পিতাই কৃষি বিদ্যাত আত্মনিয়োগ কৰিছিল। জীৱিকাৰ বাবে মই আৰু তললৈ গৈ দস্যুবৃত্তিক গ্ৰহণ কৰিছিলো। শাস্ত্ৰজ্ঞানহীন পিতা আৰু শূদ্ৰ মাতাৰ ঔৰষত মোৰ জন্ম। গতিকে মই তেওঁলোকৰ মানত অন্ত্যজ। এতিয়া মই সংজীৱন যাপন কৰিব খুজিছোঁ। কিন্তু বেদ-বেদান্তৰ কথা মই নেজানো। ধৰ্মৰ তত্ত্ব, দেৱতাৰ জন্মৰ ৰহস্য, বিশ্বাত্মা আৰু পৰমব্ৰহ্মাৰ কথা মোৰ বাবে অনাহক চিন্তা। জীয়াই থাকিবলৈ ইমান চিন্তাৰ প্ৰয়োজন কি; মানুহ যতেই জন্ম নলওক সি তাৰ বৃত্তি সলাব পাৰে। মানুহ মানুহেই। মানুহ সং হওক; সুখী হওক। শান্তিৰে জীয়াই থাকক—"

আপোন মনে কৈ যোৱা বাল্মীকি সীতাৰ মাতত বৈ গ'ল। হাতৰ আঙুলিৰে দুই চকুৰ চকুপানী মচাৰ চেষ্টা কৰি সীতাই ক'লে—"কিন্তু মইতো কাৰো একো অনিষ্ট কৰা নাই পিতা; জন্মৰ বাবে মই দায়ী নহয়, মাতৃয়ে মোক জন্ম দিয়েই পৰিত্যাগ কৰিলে। বিনাদোষত এই দুখ, এই মহাশাস্তি মূৰ পাতি লব লগা হ'ল। হৰিণাৰ মঙহৰ বাবে ব্যাধে তাক হত্যা কৰে, হৰিণাৰ দোষ কি?

ৰাৱণে হৰণ কৰি নিয়াৰ বাবে মই কেনেকৈ দায়ী হওঁ?"

বাল্মিকী মনে মনে ব'ল। উত্তৰ বিচাৰি নেপালে। বিনাদোষত পোৱা শাস্তিৰ কাৰণৰ উত্তৰ উলিয়াবলৈকে তেওঁ অনেক চেষ্টা কৰিছে। ঋষি-মুনিসকলেও তাকে কৰিবলৈ ধৰ্ম, ন্যায়, পুণ্য নামৰ এই শব্দ-বিলাকৰ জন্ম। কিন্তু সিও জানো মানুহৰ মনত শান্তি দিব পাৰিছে? দুখ কমাব খুজিলেও দুখৰ মাত্ৰা বেছি হৈছে। ধৰ্ম, ন্যায় আৰু পুণ্যৰ সুফল ভোগ কৰিছে ৰজা আৰু মহাৰজাই। ব্ৰাহ্মণ আৰু উচ্চবৰ্ণৰ সাউদ-সদাগৰসকলে। দৰিদ্ৰ আৰু দুৰ্বলসকল চিৰদিন হৈ থাকিল দুখীয়া। অনাদৃত। কিন্তু এই তত্বই মানুহৰ বাবে, দুখ নিবৃত্তিৰ বাবে কিমান কি কৰিছে? জ্ঞান আৰু উপলব্ধি হৈছে কিমান? তত্বই জ্ঞান নহয়। যাগ-যজ্ঞই জ্ঞানবৃদ্ধি নকৰে। মাথোন শাস্ত্ৰ অধ্যয়নে বিদ্বান আৰু তাৰ্কিক কৰে, সাধক নকৰে। কাৰণ তাত উপলব্ধি নাই। কাৰুণ্যতা নাই। দয়া, মায়া, সহিষ্ণুতা, কৰুণা, ক্ষমা নাই। হৃদয় নাই।

গধুৰ কথাবিলাক মনৰপৰা জোকাৰি পেলোৱাৰ চেষ্টা কৰি বাল্মীকিয়ে ক'লে,—"দুটা মাটিৰ কলহ ওচৰা-উচৰিকৈ থাকিলেও গাত গা লাগে, ঠেকা খায়। ভিন্ন স্বভাৱ আৰু চৰিত্ৰৰ দুটা মানুহৰ সহবাস। এখন সংসাৰ। এৰা-ধৰাইহে সংসাৰ ইটোৰ প্ৰতি সিটোৰ স্নেহ, সহানুভূতি আৰু প্ৰেমই হ'ল বৈবাহিক জীৱনৰ সুখৰ মূল কাৰণ। দাম্পত্য জীৱনৰ সকলোতকৈ প্ৰধান কথা হ'ল বিশ্বাস।

# চাৰি

বিশ্বাস !!

সুতীক্ষ্ণ শৰ এপাট আহি গাত লগাৰ দৰে চমকি উঠিল সীতা। বাল্মীকিৰ মুখলৈ মূৰ তুলি চালে। সঁচা কথা এই বিশ্বাসেই আদি-মূল। স্বামীৰ অবিশ্বাসৰ পাত্ৰী সীতা। লক্ষ্মণে একো কোৱা নাছিল। ছল কৰি ফুৰাবলৈ আনি বনত এৰি থৈ গ'ল। কিন্তু হঠাৎ এতিয়া ভাব হ'ল সঁচাকৈয়ে এই নিৰ্বাসনৰ আঁৰত আছে অবিশ্বাস। কোনোদিন তাক তেওঁ বুজি নেপালে। এটা এটাকৈ আজি সকলো কাম আৰু কথাৰ প্ৰকৃত অৰ্থ অনুভৱ কৰিলে। সকলো পৰিষ্কাৰ হৈ উঠিল। ৰামে তেওঁক অবিশ্বাস কৰে। দুদিনমানৰপৰা অত্যধিক অন্যমনস্ক হৈ আছিল ৰাম। ৰাজকাৰ্য্যৰ চিন্তা বুলি ভাবি আছিল সীতাই। সোধোতে অন্যমনস্কভাৱেই কৈছিল কামৰ কথা। সংসাৰৰ নহয় ৰাজ্যৰ। সংসাৰ বুলি তেওঁৰ যেন একো নাই। সকলো ৰাজ্য। আজি বুজি পালে সীতাই তাৰ কাৰণেই ৰাম কেইদিনমান ইমান আনমনা হৈ আছিল? তাৰ কাৰণেই কৰ্তব্যৰ অজুহাতত ৰাজসভাতেই আছিল তেওঁ বেছি সময়। এই সকলো আছিল মাথোন সীতাৰ সান্নিধ্য এৰাৰ ছল। সকলোৰে আঁৰত অবিশ্বাস।

"তুমিতো মোক ক'ব পাৰিলাহেঁতেন তোমাৰ মনৰ কথা—" সীতাই নিজৰ মনতে কৈ উঠিল—"জানিবলৈ মোক নিদিলা কিয়? মই তোমাৰ পত্নী। অৰ্দ্ধাঙ্গিনী। নিচেই কাষত প্ৰতিদিন শুই থাকিও তোমাৰ মনৰ ভিতৰত হোৱা দ্বন্দ্বৰ কথা এবাৰো মই গম নেপালো।"

হঠাৎ মহৰ্ষিৰ মাত শুনিলে সীতাই—"ৰাম হেনো শীলবান। তেওঁৰ দৰে জ্ঞানী, উদাৰ আৰু ধাৰ্মিক সম্ৰাট বিৰল। আনকি আশ্ৰমবাসীৰ দুখ-সুখো তেওঁ অনুভৱ কৰে। সকলোৰে প্ৰতি তেওঁ সমভাৱাপন্ন। দয়ালু আৰু সহানুভূতিশীল। সুবিচাৰক—"

সীতাই নিজৰ মনতে কৈ উঠিল—"আপুনিয়েই নহয় সকলোৱে ৰামৰ গুণ দেখে। অকণো দোষ নাই, সকলো তেওঁৰ গুণ। তেওঁ হেনো দয়ালু! সহানুভূতিশীল!! সুবিচাৰক!!! যি নিজৰ গৰ্ভৱতী স্ত্ৰীক এনেদৰে হিংস্ৰ জন্তুৱে খাবলৈ গভীৰ অৰণ্যত পেলাই থৈ যাব

পাৰে তেৰেঁ৷ দয়ালু ? দোষীক দোষৰ কথা নজনোৱাকৈ যি শাস্তি বিহিব পাৰে তেৰেঁ৷ সুবিচাৰক। অপৰাধীৰ প্ৰতি এয়া সুবিচাৰ? মোৰ সৌভাগ্যৰ বলতেই হিংস্ৰ জন্তুৰ মুখৰপৰা মই ৰক্ষা পালোঁ। দয়ালু বাল্মীকিয়ে মোক তুলি আনি আশ্ৰমত স্থান দিলে। জন্মৰ পিছত মোৰ মাতৃয়েও মোক এনেকৈয়ে পৰিত্যাগ কৰিছিল। জীয়াই থাকিলে তেওঁৰ জীৱন দুখময় হয় বুলি। কোনে জানে তেওঁ এতিয়া কোন ৰজাৰ অঙ্কশায়িনী হৈ সতী-সাধ্বীৰ ভাও জুৰিছে। অবৈধ সন্তান জন্ম দিও হৈ আছে কুমাৰী। কোনে জানে মই কাৰ সন্তান? মোৰ পিতৃ কোন? মাতৃ কোন? ৰাক্ষস নে দেৱতা? ভুল যিয়েই নকৰক তেওঁলোক হৈ থাকিল পৱিত্ৰ। মোৰ মৃত্যুৰ কাৰণে সকলোৰে কি অবিৰাম প্ৰচেষ্টা আৰু আয়োজন। ৰামৰো। মোৰ অবিহনেই তেওঁলোক সুখী হয়। শান্তি হয়! ময়েই যেন পৃথিৱীৰ ভাৰ। কিন্তু মোৰ দোষ কি? কামটো দোষণীয় নহয়, কাৰণটো দোষণীয়? কেনে বিচাৰ! কণমান অবৈধ সন্তানটোৰ দোষ আছিল কি? পতিব্ৰতা স্ত্ৰীৰ কৰ্তব্য মই মনে-প্ৰাণে পালন কৰিছোঁ। ৰামেই মোৰ জীৱন। তেৰেঁই মোৰ ভগৱান। কিন্তু তেওঁ মোক তেওঁৰ জীৱনৰ ভাৰ বুলি ভাবে। মই তেওঁক মোৰ হৃদয় বুলি মানো, কিন্তু তেওঁ মোক অপ্ৰয়োজনীয় কুঁজ যেন দেখে। মই যেন গাৰ পঁচা অংশ।

বাল্মীকিয়ো মনে মনে আছিল। তেৰেঁ৷ ভাবিছে—"সঁচাকৈয়ে এই কাম জানো সুবিচাৰ? ৰামৰ দৰে প্ৰজাবৎসল, দয়ালু আৰু জ্ঞানী ৰজাৰ বাবে?? কিন্তু আন এফালৰপৰা ভাবিলে নিশ্চয় এয়া সুবিচাৰ বুলিয়েই ক'ব লাগিব। তেওঁ ৰজা। স্বইচ্ছাৰে অপৰাধীক শাস্তি দিব পাৰে। হত্যা কৰাব পাৰে—হাতীৰে গচকাই, পানীত ডুবাই ঘাটকৰ হতুৱাই শিৰচ্ছেদ কৰি। কিন্তু তেওঁ তাক কৰা নাই। মাথোন পৰিত্যাগ কৰিছে। তেওঁৰ ভাগ্যৰ ওপৰত এৰি দিছে। দয়ালু আৰু পত্নীৰ প্ৰতি থকা স্নেহৰ কাৰণে। ইয়াৰ মাজতো প্ৰকাশ পাইছে স্ত্ৰীৰ প্ৰতি থকা গভীৰ স্নেহ। যি কৰিছে সেয়া মাথোন কৰ্তব্য। হৃদয়ৰ আবেগ-অনুভূতিৰে নহয় যুক্তিৰে। হিংসা দ্বেষেৰে নহয়, বিচাৰ আৰু বিবেচনাৰে।

বাল্মীকিয়ে ফুটাই ক'লে,—"মোৰ হৃদয়ে কৈছে ৰামে তোমাক প্ৰাণতকৈয়ো বেছি ভাল পায় সীতা! তোমাক নিৰ্বাসন দি তেওঁ তিলোমানো মনত শান্তি পোৱা নাই। ৰামে এতিয়াও তোমাক গ্ৰহণ

কৰিব। ব'লা আই, মই তোমাক নিজে লৈ যাওঁ—"

"কলৈ ??" শিঁয়ৰি উঠিল সীতা ! ক্ষুব্ধ স্বৰেৰে ক'লে—"অযোধ্যালৈ ? ৰাজপ্ৰাসাদলৈ ? ৰামৰ ওচৰলৈ ? যি স্বেচ্ছাই মোক পৰিত্যাগ কৰিছে, হিংস্ৰ জন্তুৰ মুখত খাই মাৰিবৰ কাৰণে এৰি থৈ গৈছে, তেওঁৰ ভৰিৰ ওপৰত পুনৰ মই মূৰ খুন্দিয়াই ক'বগৈ লাগে মোক গ্ৰহণ কৰক ? তাতকৈ মৃত্যু মোৰ শতগুণে শ্ৰেয়। মই তেওঁৰ বিবাহিতা স্ত্ৰী। খেলাৰ পুতলাৰ দৰে তেওঁ মোক ব্যৱহাৰ কৰিছে। তেওঁৰ ইচ্ছা নাই ? তেওঁ পৰিত্যাগ কৰিব পাৰে, মই নোৱাৰোঁ ? তেওঁ অবিশ্বাস কৰিব পাৰে, মই নোৱাৰোঁ ? বলিয়া কুকুৰ খেদাৰ দৰে তেওঁৰ কাষৰপৰা, প্ৰাসাদৰপৰা, ৰাজ্যৰপৰা, মোক খেদি পঠোৱাৰ পিছত কোনটো নাকেৰে ভিক্ষাৰিণীৰ দৰে মই তেওঁৰ ওচৰলৈ গৈ স্নেহ ভিক্ষা কৰিম ? দয়া, পুতৌ আৰু আহাৰ ভিক্ষা কৰিম ? তাতকৈ কওক পিতা, আপোনাৰ আশ্ৰমত মোৰ বাবে ঠাই নাই। আশ্ৰমত যদিও ঠাই নাই সৰযুৰ বুকুত মোৰ বাবে বহুত ঠাই আছে পিতা — মই—" সীতাই ঘন ঘনকৈ কোঁপালে। ফেঁাপাই ফেঁাপাই নিজক নিজে ক'লে,— "মোৰেই দুৰ্কপাল যি মোক অবিশ্বাস কৰিছে তেওঁৰেই সন্তান মই মোৰ গৰ্ভত ধাৰণ কৰি আছোঁ—"

হঠাৎ সীতা চমকি উঠিল। গৰ্ভত থকা সন্তানটোযে তেওঁৰ তাৰেইবা প্ৰমাণ কি ? অবিশ্বাসী ৰামৰ কাষলৈ গ'লে যদি তাৰ প্ৰমাণ বিচাৰে ? মুহূৰ্ত্ততে সীতাৰ মনলৈ আহিল সন্তানটো আকৌ এটা দুখৰ কাৰণ। দুখৰপৰা দুখৰ জন্মই দুখৰ প্ৰকৃতি। দুখৰ এখন সাগৰৰ সৃষ্টি কৰায়েই সৃষ্টিকৰ্তাৰ উদ্দেশ্য ! ইয়াতকৈ গৰ্ভস্থ সন্তানটোক নিঃশেষ কৰায়েই মঙ্গল নেকি ? সি যেতিয়া ডাঙৰ হ'ব, বুজিব পাৰিব তাৰ মাকক তাৰ বাপেকে পৰিত্যাগ কৰিছে, অবিশ্বাসত তাৰ জন্ম, তাৰ বাপেকে তাক নিজ পুত্ৰ বুলি গ্ৰহণ কৰা নাই। সন্তানৰ চকুত মাতৃৰ ইয়াতকৈও ডাঙৰ অপমানৰ কথা আছে কি ?

কিন্তু ৰামে অবিশ্বাস কৰাৰেইবা কাৰণ কি ? আগতে কোনো-দিনেই তেওঁ কোৱা নাছিল। কোনোদিনেই সন্দেহ কৰা নাছিল। যেতিয়াই গৰ্ভ আৰম্ভ হ'ল তেওঁৰ সন্দেহ হ'ল ? তোমাক মই দেৱতা বুলি ভাবিছিলো ৰাম, দেৱতা নহয় তুমি অসুৰ আৰু ৰাক্ষসতকৈও অধম। গৌতমে অহল্যাক শিলাস্তূপত পৰিণত কৰা সাধুটো তুমি সদায় কোৱা। সেয়া আছিল প্ৰমাণিত সত্য। কিন্তু তোমাৰ ?

তিৰোতাৰ প্ৰতি পুৰুষৰ এই অবিশ্বাস যুগে যুগে। সাধাৰণ স্তৰৰ ইতৰলোকৰ মাজত এই অবিশ্বাস আৰু বেছি প্ৰকট। গোপন প্ৰেমিকে এনেদৰে বিশ্বাসঘাতকতা কৰে। গৰ্ভ হোৱাৰ পিছত সংসাৰলৈ তাৰ মনত পৰে। সমাজলৈ। তাৰ আগলৈকে তাৰ সেয়া আছিল গভীৰ প্ৰেম। কামনাহীন! পৱিত্ৰ!! কিন্তু গৰ্ভত থিত লোৱাৰ বতৰা শুনাৰ লগে লগে সি হয় সন্দেহ। ঘৃণা। তাৰ সন্তান নহয় বুলি পৰিত্যাগ কৰাৰ সি চেষ্টা কৰে। পলায়ন কৰাৰ তাৰ দুৰ্বাৰ বাসনা জন্মে। তুমিও তেন্তে তাৰ দৰে? ইতৰ আৰু অধম? কিন্তু তুমি জানো গোপন প্ৰেমিক? তুমি যে মোৰ স্বামী!

ফুটাই সীতাই ক'লে—"আপোনাৰ আশ্ৰমত যদি ঠাই নাই সৰযুৰ পানীত মোৰ বাবে ঠাই আছে পিতা! মই—"

বাল্মীকিয়ে ভয় খোৱাৰ দৰে লৰালৰিকৈ ক'লে,—"নহয়, নহয় সীতা! তোমাৰ মন নহ'লে মই জোৰ নকৰোঁ। আশ্ৰম তোমাৰ। আশ্ৰম দুখীয়া আৰু অনাথৰ আশ্ৰয়স্থল। তুমি নিঃসন্দেহে বাস কৰা। কিন্তু মই দুখিত ৰাজকন্যা আৰু ৰাজবধূ হৈ আশ্ৰমৰ এই জীৱন—"

"দুখতেই মোৰ জন্ম পিতা! মোৰ জন্ম-লগ্নতেই আছিল এই দুখ। তাক মই এৰাওঁ কেনেকৈ? মই নামত মাথোন ৰাজকন্যা। ৰাজৰ্ষি জনকৰ মহত্বৰ গুণত মই তেওঁৰ জী হ'লো। কোনেও মোক বিচৰা নাছিল—আনকি মোৰ "স্নেহময়ী জননী" জন্মদাতৃ মাতৃয়েও। কোন সেই হৃদয়হীনা পাষাণী মাতৃ আৰু কোন সেই কাপুৰুষ পিতৃ মই নেজানো। মোৰ সৌভাগ্যৰ বলত জনক ৰজাই তুলি ল'লে। মই হ'লো ৰাজকন্যা। মোৰ পিতা হ'ল জনক। পিতৃ জনকৰ নামেৰেই মোৰ নাম জানকী। মাতৃৰ মাতৃস্নেহ পালো মই। তেওঁলোকে পৰম স্নেহেৰে, স্বাৰ্থহীনভাৱে মোক পালন কৰিলে। মোৰ ভাগ্যৰ বলেৰে ৰামৰ দৰে অযোধ্যাৰ ৰাজকুমাৰৰ পত্নী হলোঁ। ৰাজকুমাৰী নহৈও ইক্ষ্বাকু বংশৰ মই হ'লো কুলবধূ। দশৰথ আৰু কৌশল্যাৰ স্নেহ আৰু মমতা মই পাহৰিব নোৱাৰোঁ। সৰুলোৰেপৰা পোৱা এই স্নেহেই মোৰ জীৱন। কিন্তু বিধাতাই দিলেও মোৰ কপালে নাটিলে। দুৰ্কপাল আৰু দুৰ্ভাগ্যই মোৰ জীৱনৰ লগ নেৰিলে। মন্থৰা আৰু কৈকেয়ীৰ সেই ষড়যন্ত্ৰ, ৰামৰ বনবাস আৰু ভৰতৰ

ৰাজ্যলাভ মই পাহবোঁ কেনেকৈ ? এই সকলো মোৰ দুৰ্ভাগ্যৰ কাৰণেই হৈছে। পতিব্ৰতাৰ উদাহৰণ দিবলৈ গৈ ৰামৰ লগত মই বনবাস খাটিবলৈ গ'লো। স্বামীৰ সুখেই মোৰ সুখ বুলি। স্বামীৰ দুখৰ ভাগ অৰ্দ্ধাঙ্গিনী পত্নীয়েও লোৱা উচিত বুলি। উৰ্মিলাৰ দৰে ময়ো থাকিব লাগিছিল অযোধ্যাত। তেতিয়া হয়তো বন্ধ হ'লহেঁতেন সীতাহৰণ। বন্ধ হ'লহেঁতেন আজিৰ এই বনবাস।"

মাটিত বাগৰি পুনৰ ডুকৰি ডুকৰি সীতাই কান্দিবলৈ ধৰিলে।

বাল্মীকিয়ে পৰম স্নেহেৰে সান্ত্বনা দি ক'লে,—"উঠা জানকী! দুখ নকৰিবা। দুখেই যদি তোমাৰ জীৱন গঢ়িছে সেই দুখৰ ওচৰত নিজক হেৰুৱাই দিবা কিয় ? হতাশাক জয় কৰা। সবল হোৱা। ভাগ্যলিপিৰ পৰিবৰ্ত্তন কৰিব নোৱাৰি যদিও তাৰ ওচৰত হাৰ মনা অনুচিত। সকলো পৰিবেশ আৰু পৰিস্থিতিৰ বাবে প্ৰস্তুত থকাৰ সংকল্প গ্ৰহণ কৰা। যি হৈ গ'ল তাৰ বাবে দুখ নকৰি যি হ'ব তাৰ বাবে সাজু হোৱা। ভৱিষ্যতৰ কথা ভাবা।"

"ভৱিষ্যত ? মোৰ আৰু ভৱিষ্যত আছে কি পিতা ?"

"আছে সীতা! অতীত, বৰ্তমান আৰু ভৱিষ্যত মহাকালৰ তিনিটা ৰূপ। বৰ্তমান যিদৰে অতীত হৈছে এদিন ভৱিষ্যত বৰ্তমান হ'ব। কাৰ্য্যৰ পৰিণতি আছে। জীৱনৰ। শেষ নহয় মানে সিয়েই জীৱন।"

কথাৰ মোৰ ঘূৰাই ক'লে বাল্মীকিয়ে—"যোৱা কালিৰপৰা মই নিৰম্বু উপবাস খাটিছোঁ। ভোজনৰ ব্যৱস্থা কৰা।"

"মই ??" আচৰিত হৈ প্ৰশ্ন কৰিলে সীতাই—"আপোনাৰ বাবে ? মই—মই যে পিতা---"

"তুমি মোৰ বাবে গোসানী আই! পিতা বুলি মাতিছা যেতিয়া তুমি মোৰ জীয়াৰী। পৃথিৱীয়ে ত্যাগ কৰিলেও তুমি আহি পাইছাহি মোৰ ওচৰ। ভগৱানে তোমাক মোৰ কাষ চপাই দিছে। সিজন্মত হয়তো তুমি মোৰ মাতৃ আছিলা। মোৰ জীৱন ধন্য কৰিছাহি এই জন্মত। এই ক্ষুদ্ৰ আশ্ৰম তোমাৰ পদস্পৰ্শত পৱিত্ৰ হ'ল। উঠা, পলম নকৰিবা। মন্দৰে সকলো ব্যৱস্থা কৰি দিব। স্নান কৰা। দেহ আৰু মনৰপৰা দুখ নোহোৱা হ'ব। ভোজন কৰিলে ভৱিষ্যতৰ কাৰ্য্য চিন্তা কৰাৰ কাৰণে মনত বল পাবা। তোমাৰ লগতে

মই মোৰ নিৰম্বু উপবাস এমুঠি অন্নৰে ভঙ্গ' কৰোঁ। উঠা আই।"

"কিন্তু—কিন্তু মই যে অপৱিত্ৰা পিতা!—ৰাক্ষসৰ দ্বাৰা ধৰ্ষিতা আৰু—"

"আত্মশ্লাঘা কৰিছা কিয় সীতা? অপৱিত্ৰ নহয় তুমি পৰম পৱিত্ৰ। উঠা তোমাৰ সন্তানৰ মঙ্গলৰ কথা চিন্তা কৰা। পিতৃ-মাতৃ সন্তানৰ মাজত জীয়াই থাকে। মাতৃৰ বৰ্তমান সন্তানৰ ভৱিষ্যত। সিহঁতক সৎ আৰু মহৎ কৰিবৰ বাবে গৰ্ভাৱস্থাৰপৰাই হ'ব লাগে সাৱধান।" আঁতৰি যাব খুজি বাল্মীকিয়ে ক'লে,—"ধৈৰ্য্যৰে চাই থাকা, যি এদিন তোমাক অৱহেলা কৰিছে তেওঁ তোমাক—"

"তেওঁৰ লগত আৰু মোৰ কোনো সম্বন্ধ নাই পিতা। যি আছিল সেয়া সিজন্মত। আপোনাৰ আদেশ আৰু আশীৰ্বাদ পালন কৰি তেওঁৰ পুত্ৰ জন্ম হোৱালৈকে মই মোৰ কৰ্তব্য কৰিম। তাৰ পিছত—"

কুটীৰৰ বেৰখনত আঁউজি সৰযুৰ পানীত চকু থ'লে সীতাই। পলাশ, মদাৰ আৰু সমিধ গছৰ শাৰী— ৰঙা ৰঙা ফুল। ফুল নহয় তেজ। কাৰোবাৰ কান্দোন গোট মাৰিছে। অদূৰত নৈখনে ভাঁজ লৈ আঁতৰি গৈছে। পানীৰ সোঁতৰ ওপৰত বেলিৰ চোকা ৰ'দ পৰি জিলিকি উঠিছে। পানীৰ সোঁত নহয় যেন জীৱনৰ সোঁত। পৰ্বতৰপৰা সৰুবৰ জান-জুৰি-নিজৰা লগ হৈ শস্য শ্যামলা ভৈয়ামৰ মাজেৰে বৈ গৈছে সাগৰলৈ। মানুহৰ জীৱনো একে। কাৰ কি ইচ্ছা কোনে জানে? কিহৰ বাবে তাৰ জন্ম? কিহৰ বাবে মৃত্যু? কোনে জানে? কাৰ আদেশত জীয়াই থাকে? মৰে। তেওঁৰেই ইচ্ছাত? তেওঁৰেই আদেশত? নৈখনৰ বুকুলৈ চাই চাই বাল্মীকিয়ে ভাবিলে।

এসময়ত মন্দিৰৰ পাছে পাছে ধীৰে ধীৰে সৰযু নৈৰ পাৰলৈ আগবাঢ়ি গ'ল সীতা।

স্নান কৰি আহি আশ্ৰম পাই দেখিলে চোতালত থিয় হৈ আছে এজন ঋষি। পিঠিত মুৰিয়াই থোৱা বাঘৰ ছাল। হাতত কমণ্ডলু। গাত ছাই ভস্ম। কলীয়া মুখৰ ঋষিজন। জীৰ্ণশীৰ্ণ দেহ। লগত এগৰাকী তিৰোতা। গাভৰু, স্বাস্থ্যৱতী আৰু সুন্দৰী। মুখখন ইমানেই মোহনীয় যে হঠাৎ সীতাৰ নিজৰ ৰূপো তেওঁৰ তুলনাত নিষ্প্ৰভ যেন বোধ হ'ল। কপালত ডগ্‌মগীয়া পকা অঙঠাৰ দৰে সেন্দূৰৰ ফোঁট।

শিৰতো। ঋষিজনৰ দৰেই তেওঁৰ গাতো হালধীয়া কাপোৰ। হালধীয়া ৰংটোৱে ত্ৰিৰোতাগৰাকীক আৰু বেছি মোহনীয় কৰি তুলিছে।

দুয়ো হাঁহি মুখেৰে বাল্মীকিৰপৰা বিদায় লৈ আঁতৰি যাব খুজিছিল, সীতাক দেখি থমকি ৰল।

বাল্মীকিয়ে কিবা কোৱাৰ আগতেই সীতাই আঁঠু কাঢ়িলে। বাল্মীকিয়ে চিনাকি কৰি দিলে---তেওঁলোক মহৰ্ষি গৌতম আৰু তেওঁৰ স্ত্ৰী অহল্যা।

অহল্যা! শব্দটো শুনাৰ লগে লগে চক্ খাই উঠিল সীতা। এক অবৰ্ণনীয় আবেগৰ শিহঁৰণ বৈ গ'ল মনৰ ভিতৰেৰে। মৃত্যুকাতৰ জীৱৰ দৰে ছট্‌ফটাই উঠিল মন। মুখৰপৰা হুলক কৰে ওলোৱা তেজৰ দৰে দুই চকু ফাটি হঠাৎ দুহোলোকা চকুপানী ওলাই গ'ল।

সৰুৰেপৰা কত সহস্ৰবাৰ শুনিছে সীতাই এই এটা নাম। মিথিলাত। অযোধ্যাত। স্বৰ্ণলঙ্কাত।

সীতাই থৰ লাগি অহল্যাৰ মুখখনলৈ চাই ৰ'ল। দেৱৰাজ ইন্দ্ৰৰ দ্বাৰা ধৰ্ষিতা হৈও অহল্যা গৌতমৰ প্ৰিয়তমা ভাৰ্য্যা! বিশ্বাসৰ পাত্ৰী!! আৰু সীতা—

গৌতম আৰু অহল্যাই বিদায় মাগিলে। দণ্ডকাৰণ্যৰ গাঢ় বনভূমিত আঁৰ হৈ নোযোৱালৈকে চাই থাকিল সীতাই। বাল্মীকিয়ে। শেষত বাল্মীকিয়ে ক'লে,—"বিচ্ছেদৰূপী অগ্নিত স্নান কৰি পৰম পবিত্ৰ হৈছে অহল্যা সীতা! দেহ আৰু মনৰ মলিনতা ধুই দুয়ো নিকা হৈছে। হৃদয়ৰ কাষত পৰাজিত হৈছে সামাজিক বান্ধোন, ৰীতি-নীতি, আচাৰ আৰু বিচাৰ।"

"পিতা!" অধীৰ আবেগেৰে সীতাই কৈ উঠিল। "সকলোৱে জানে সামাজিক স্বীকৃতি দানেৰে ৰামে অহল্যাক 'উদ্ধাৰ' কৰিছিল। অহল্যাৰ দৰে আনৰ দ্বাৰা ধৰ্ষিতা নোহোৱা সত্ত্বেও সমাজৰ ভয়ত সেই একেজন ৰামেই মোক পৰিত্যাগ কৰিলে। আপোনালোক সকলোৰে মানত অহল্যা সতী-সাধ্বী আৰু মই? মই কি পিতা? কলঙ্কিনী? দুশ্চৰিত্ৰা? অহল্যাক পুতো কৰিব পাৰি, ক্ষমা কৰিব পাৰি, মোক নোৱাৰি? মই ইমান নীচ? ইমান হীন আৰু হেয়? দেহ অশুচি হ'লেও অহল্যাক গৌতমে পবিত্ৰ বুলি গ্ৰহণ কৰিব পাৰে, তেওঁক লৈ সুখ আৰু শান্তিৰে সংসাৰ কৰিব পাৰে; কিন্তু মোক

লৈ ৰামে নোৱাৰে ? তথাপিও আপোনালোকৰ বাবে ৰাম আদৰ্শবান, সকলো সুগুণৰ অধিকাৰী আৰু মই—"

উত্তেজিতভাৱে কৈ কৈ হঠাৎ বৈ গ'ল সীতা। বুকুখনত হাতৰ তলুৱাৰে হেঁচা মাৰি ধৰিলে। উশাহ ল'ব নোৱাৰি কেইবাটাও মুহূৰ্ত ছটফট্ কৰি কটালে আৰু হঠাৎ জ্ঞান্ হেৰুৱাই নিশ্চল হৈ মাটিত ঢলি পৰিল।

কিংকৰ্তব্য বিমূঢ় বাল্মীকি কেইবাটাও মুহূৰ্ত নিথৰ হৈ থাকিল। গায়ে-মুখে কমণ্ডলুৰ পানী ছটিয়ালে আৰু সুস্থ হ'বলৈ অপেক্ষা কৰি সৰযূ নৈৰ পাৰত গৈ থিয় হৈ থাকিল। মনৰ ভিতৰত চলি থাকিল নৈৰ সোঁতৰ দৰেই চিন্তাৰ সোঁত। দ্বন্দ্ব।

অলপ সময়ৰ ভিতৰতে সীতাই সম্বিৎ ঘূৰাই পালে। দেহ অচল হৈ থাকিলেও ধীৰে ধীৰে মনৰ দুৱাৰখন মেল খাই যোৱা যেন অনুভৱ কৰিলে। গম পালে পৃথিৱীখন যেন সলনি হৈছে। বহুত বছৰৰ আগৰ পৃথিৱীখনলৈ তেওঁ উভতি গৈছে। আগৰ জীৱনলৈ। মিথিলাৰ জীয়াৰী জীৱন শেষ কৰি অযোধ্যাত বোৱাৰী জীৱন আৰম্ভ কৰিছে। আৰু সেই বনবাস! পঞ্চৱতী বন! দণ্ডকাৰণ্য!

দণ্ডকাৰণ্য !!

# পাঁচ

দণ্ডকাৰণ্য।

গভীৰ অৰণ্যৰ মাজত প্ৰকাণ্ড আঁহত গছ এজোপা। সুবৃহৎ আৰু প্ৰাচীন। অসংখ্য শাখা-প্ৰশাখা বিস্তাৰিত কৰি থিয় হৈ আছে। এফালে একাষৰপৰাই আৰম্ভ হৈছে শালবন, আনফালে সৰযূ নৈ। অসংখ্য সৰুবৰ শিলৰ ওপৰেৰে বাগৰি আহি বহল হৈ পাঁচোটা ভাগত বিভক্ত হৈ পৰিছে এইখিনিত নৈখন। বাৰিষা হ'লে সকলো লগ হৈ বহুত দূৰলৈকে পানী বঢ়াৰ স্পষ্ট চিন। পাৰত নৈৰ ৰূপোৱালী বালি। বালি আৰু বালি। পানীৰ যুৰলিত সিঁচৰিত হৈ পৰি আছে অজস্ৰ সৰুবৰ শিল। সিটো পাৰ ইয়াতকৈ বহুত চাপৰ। সিপাৰৰ দূৰণিত বিনিকি বিনিকি দেখা গছৰ শাৰী। মৰা সুঁতিৰ দলনি। পিতনি আৰু পানী-বোকাৰে ভৰা পথাৰ।

নৈৰ নিৰ্মল পৰিষ্কাৰ পানী। আইনাৰ দৰে স্বচ্ছ পানীৰ তলৰ বালি দেখি থাকি। সৰু সৰু জাক-জাক মাছে বগা পিঠি উলিয়াই মাজে মাজে জাকিমাৰি একোটা প্ৰকাণ্ড মাছৰ ভয়ত লৰি অহা সৰু সৰু এজাক মাছে খলকনি তোলে।

গড়াটোৰ এঠাইত এজোপা আম। দোঁ-খাই আছে পকা পকা সেন্দুৰীয়া আমেৰে। কাষত এজোপা বেলগছ। বেলফুল আৰু পকা বেলৰ গোন্ধ আহিছে বতাহত। আম আৰু বেল দুজোপাৰ মাজৰ সমান ঠাইখিনিত সৰু এটা পঁজা। সোণবৰণীয়া শৰণ খেৰেৰে ছোৱা আৰু বাঁহ-কাঠৰ টুকুৰা পুতি বেৰ দিয়া। বেৰৰ কাষৰেপৰা এডৰা বনৰীয়া খৰিকাজাঁই ফুল আৰম্ভ হৈ ডাঠ হাবিৰ মাজ পাইছেগৈ।

ঠাইখিনিৰ নাম পঞ্চবটী। সৰযূ নৈৰ পাঁচোটা সোঁতাৰপৰাই নিশ্চয় তাৰ নাম হৈছে। কুটীৰৰ সমুখত থিয় হ'লে দূৰ-দূৰণিৰ নীলা আকাশৰ লগত মিলি থকা দিগবলয়ত দেখা যায় হিমালয়ৰ ধৱল কিৰীটি-যুক্ত গিৰিশৃঙ্গ। পুৱাৰ ৰ'দ পৰি সোণবৰণীয়া হৈ উঠে। আবেলিৰ বাহ্ননি ৰ'দত সি হৈ পৰে হেঙুলীয়া।

এই ঠাইডোখৰতেই ৰাম-লক্ষ্মণ আৰু সীতা বহুত দিন থাকিল।

ঠাইডোখৰৰ অপূৰ্ব ৰমনীয় শোভাৰ মোহ এৰি যাব পাৰে কোন ?

এদিন আবেলি। কুটীৰৰ আগচোতালত মাটিত আধা পোত খাই থকা গছৰ প্ৰকাণ্ড টুকুৰা এটাত বহি আছে সীতা। আগফালৰ ৰবগছ জোপাৰ তলত থিয় হৈ পানী ঢবালে গভীৰ মনোযোগেৰে কিবা চাই আছে লক্ষ্মণে। পাছফালে এঠাইত জোপোহা এটাৰ কাৰত বাঁহৰ কাঠিৰে চৰাইৰ বাহ এটা সাজি তেওঁ এখন চিটিকা পাতিছে। এজনী কপৌ চৰাই সোমাই আছে বাহটোত। থাকি থাকি ভাই কুকলিয়াইছে। লগৰীয়াৰ কুকলি শুনি কাষৰ বালিত আহি পৰিছে এটা মতা কপৌ। এবাৰ জোপোহাটোলৈ উৰি গৈ পুনৰ ঘূৰি আহি আলেখ-লেখ চাই ধীৰে ধীৰে সি কাষ চাপি আহিছে। বাহত সোমোৱাৰ লগে লগে জাপ খাই যাব ঝাপখন। এনেবিলাক কথাত লক্ষ্মণৰ বৰ বুদ্ধি। বৰ পাকৈত। এনেকৈয়ে ধৰা ভাটৌ টোৱে এতিয়া মাত লৈছে। মইনাজনীয়েও। এই অৰণ্যত সিহঁতেই ৰাম-লক্ষ্মণহঁতৰ লগৰীয়া। এইখনেই সীতাৰ সংসাৰ। লক্ষ্মণ শব্দটো ভাটৌ আৰু মইনাজনীয়ে ক'ব নোৱাৰে। সিহঁতৰ মুখত মাথোন ৰাম-সীতা। সীতাই লক্ষ্মণ বুলিবলৈ কিমান শিকাইছে, নকয়।

মাজে মাজে লক্ষ্মণ চিকাৰলৈ যায়। বেছি দূৰলৈ অৰণ্যে যাব লগা নহয়। চকুৰে দেখি থকা নৈৰ পাৰৰ এক যোজনমান ঠাইৰ ভিতৰতে চিকাৰ পায়। নৈৰ পাৰত গজা কোমল ঘাঁহ খাবলৈ আহে হৰিণা। পাছফালে অলপ দূৰতে থকা নৈ-ঘাটত পানী খাবলৈ আহে বাঘ-ঘোং নাইবা প্ৰকাণ্ড শৰ পহু। মাংস শুকাই খোৱাতকৈ নতুন জন্তু মাৰি খোৱাই বেছি ভাল। ধনুখন কান্ধত লৈ মাজে মাজে লক্ষ্মণ হাবিখনৰ মাজলৈ যায়গৈ। সীতাৰ তেতিয়া কিবা ভয় ভয় লাগে, অটব্য অৰণ্যত নাই কি ? নিশাচৰ প্ৰাণী দিনতেই ঘূৰি ফুৰে। বাঘ-ঘোং, দৈত্য-দানৱ, মানুহ খোৱা অসুৰ। ৰাক্ষসী দেৱীৰ আগত সিহঁতে মানুহ বলি দিয়ে। অপুষ্টবাট সাধু শুনি পেটতে হাত-ভৰি লুকায়।

বাহ্নটোৰ কাষে প্ৰকাণ্ড এজোপা গছ উভালি পৰি আছে। ডালপাতবিলাক বালিত পোত খাই আছে। তাৰ কাষৰ ঠাইখিনি নৈৰ সোঁতে খান্দি দ গাঁত কৰাত এটা কুঁহৰ সৃষ্টি হৈছে। কুঁহটো মাছৰ খলি। তাতে মাছ চিকাৰ কৰাৰ ব্যৱস্থা কৰি লৈছে লক্ষ্মণে।

সেইখিনিতে পাতি যোৱা বৰশীটোত কিবা এটা লাগিছে। প্ৰচণ্ড শব্দ কৰি জপিয়াই পানীত খলকনি তুলিছে। ওদাল গছৰ বাকলিৰে ৰছি কৰি কাঁড় এডালৰ বেঁকা আগটোত এটা মাছ খুৱাই থৈছিল লক্ষ্মণে। ৰছিডালৰ মূৰটো বন্ধা আছে গছডালৰ ডাল এটাত। মাছটোৰ শব্দ শুনাৰ লগে লগে লক্ষ্মণ লৰি আহিল আৰু ৰচিডালত ধৰি ধীৰে ধীৰে টানিবলৈ ধৰিলে। মাজে মাজে মৰাৰ দৰে পৰি থাকে মাছটো। সোঁতত গা এৰা দি ওপডি গৈ থাকি হঠাৎ একোবাৰ সি প্ৰচণ্ড বিক্ৰমেৰে জপিয়াই উঠে আৰু দেহৰ সমস্ত শক্তিৰে টান মাৰে। কিন্তু ওদালৰ ৰছিডাল বৰ টান। ছিঙাৰ তাৰ সাধ্য কি? পানীত হঠাৎ একোটা প্ৰকাণ্ড শিল পৰাৰ দৰে শব্দ হয়; খলকনি উঠে। পাৰৰপৰা গভীৰ উৎকণ্ঠাৰে চাই থকা ৰাম সীতাই কি বস্তু ধৰিব পৰা নাই। লক্ষ্মণে ৰছিডাল ক্ৰমাৎ ঢিলাই দি থাকি পুনৰ লাহে লাহে টানি আনি থাকে। মৰাৰ দৰে জীৱটো পৰি থাকিলে টানে, নহ'লে এৰি দিয়ে। দৰপৰা ক্ৰমাৎ বামলৈ আৰু পাৰৰ ফালে ক্ৰমাৎ আগুৱাই আহি আছে সি।

"মইও যাম নেকি লক্ষ্মণ?" ৰামে এবাৰ চিঞৰি ক'লে।

"নেলাগে মযে পাৰিম।" লক্ষ্মণে ক'লে।

"কি লাগিছে?" সীতাই আনন্দ উপচি পৰা মতেৰে সুধিলে।

"প্ৰকাণ্ড এটা বাহু মাছ। চোৱাহি আহাঁ।"

গড়াৰপৰা নামি পানী-যুঁৰলীলৈ সীতা লৰি গ'ল। পাছে পাছে ৰাম। মাছটো এতিয়া পানী যুঁৰলীত। সৰু এখন টুলুঙা নাও উবুৰি খাই পৰাদি সি পৰি আছে। মাজে মাজে মুখখন মেলি উশাহ লৈছে। কমাই কমাই আনফালে আঁতৰি যোৱাৰ চেষ্টা কৰিছে। মাছটো ইমান ডাঙৰ যে দুটামান মানুহেহে তাক আঁকোৱালি পায়। "ৰবা মযো ধৰোঁ—" ৰাম নামি গ'ল। দুইটাই ধৰা-ধৰি কৰি বহুত সময়ৰ চেষ্টাৰ মূৰত তাক পানীৰপৰা বামলৈ উঠাব পাৰিলে। তাৰ সেয়া কি ধৰ্ ফৰণি। তেজেৰে পানীখিনি ৰঙা হৈ পৰিল। হঠাৎ প্ৰাণটাকি জাপ এটা মাৰি গৈ সি সীতাৰ ভৰিৰ কাষত পৰিল।

"আয়ৈ দেহি!" সীতাই পুতৌ কৰি কৈ উঠিল—"বেচেৰাই

এৰি দিবলৈহে যেন মোক কাকুতি কৰিছে ভাই—"

লক্ষ্মণে হাঁহি দিলে। ক'লে,—"এৰি দিবলৈ মন গৈছে, জিভাৰো পানী পৰিছে, নহয়?"

লক্ষ্মণৰ কথাত ৰামেও হাঁহি পেলালে।

মাছটোৱে শেষবাৰৰ কাৰণে কিবা যেন কোৱাৰ চেষ্টা কৰিলে আৰু হঠাৎ হলক্ কৰে এসোপামান তেজ বতিয়াই দিলে।

"তোমালোক বৰ নিৰ্মম ভাই।" সীতাই কৈ উঠিল।

লক্ষ্মণে হাঁহিলে আৰু ক'লে,—"খাদ্যৰ প্ৰক্ৰি এনে চেনেহ হ'লে জীৱ, জন্তু, মানুহ সকলো লঘোনে থাকি মৰিব লাগিব বুইছা?" চেচু গছৰ পাত একোখিলাৰ সমান ডাঙৰ আৰু ঠাক-ঠাককৈ সজোৱা ৰূপোৱালী বাকলিবিলাকলৈ চাই থকা সীতাক লক্ষ্মণে হঠাৎ ক'লে,— "বাকলিবিলাকেৰে ধুনীয়াকৈ মালা এডাল সিব পৰা যাব নহয়।"

"হুঁ! কৰ ধৰণি এডাল কৰিম। ঘৰলৈ গৈ উৰ্মিলাক দিমগৈ।"

উৰ্মিলাৰ নাম শুনি লক্ষ্মণ জুইত পানী পৰাৰ দৰে হঠাৎ জঁয় পৰি গ'ল। ইমান সময়ৰ সকলো উৎসাহ আৰু আনন্দৰ মোহনাত উৰ্মিলা নামৰ ভেটাটো পৰি বন্ধ হৈ যাব খুজিলে।

"মাছটো দেখা পোৱা হ'লে তাই যে কিমান ভাল পালেহেঁতেন।" সীতাই ক'লে।

লক্ষ্মণ অন্যমনস্ক কৈ থাকিল। উৰ্মিলাৰপৰা বিদায় লোৱাৰ সময়ৰ সেই দৃশ্যটো চকুৰ আগত মুহূৰ্ততে ভাঁহি উঠিল। উৰ্মিলাই উদ্ধতভাৱে প্ৰশ্ন কৰিছিল—"বনলৈ যাবলৈ তোমাৰ ইমান হেঁপাহ কিয়? ৰামৰ লগত সীতা যাওক। সীতা তেওঁৰ ঘৰিণী। লোকৰ অদৃষ্টৰ লগত নিজক সাঙুৰি লৈছা কিয়? তোমাকতো কোনেও যাবলৈ কোৱা নাই?"

"তুমি বুজা নাই উৰ্মিলা—"

"অৱশ্যে। মই একোকে নুবুজোঁ।" ব্যঙ্গৰ সুৰটোৱে লক্ষ্মণক আঘাত কৰিলে। তুমি বেছি বুজা মানুহ কাৰণেই সুধিছোঁ বাৰু কোৱাচোন তোমাৰ এই অহেতুক ভাতৃ-প্ৰেমৰ কাৰণ কি? এনে ইচ্ছাকৃত বনবাসৰ প্ৰবৃত্তি হ'ল কিয়?"

"ৰাম মোৰ জ্যেষ্ঠ—"

"ভৰতৰো জানো নহয়? শত্ৰুঘ্নৰো জানো নহয়?"

"তেওঁলোক এতিয়া ৰাজধানীত নাই। থকা হ'লে—"

"থকা হ'লে তেওঁলোক মাকৰ ফলিয়াই হ'লহেঁতেন। বিয়াৰ সময়ত পিতৃ দশৰথে প্ৰতিজ্ঞা কৰা মতেই এইখন ভৰতৰ ৰাজ্য। চলে-বলে-কৌশলে তাক হস্তগত কৰিব খুজিছিলা—"

"উৰ্মিলা!" খঙত ফুঁছৰিয়াই উঠিল লক্ষ্মণ।

"সঁচা কথা ক'লেতো তোমাৰ খং উঠিবই।" উৰ্মিলাই ক'লে,—"তোমাৰ এনে অবিবেচনাৰ সহযোগী মই নহওঁ। তোমালোকৰ বিবেচনাক মানি ল'লে পত্নী হিচাবে মইও দেখোন তোমাৰ লগত বনলৈ যাব লাগিব। বনবাসৰ বাবে ভয় মোৰ নাই। পতিৰ অবিবেচনা, অন্যায় আৰু অবিচাৰৰ সহযোগী হোৱাটোৱেই জানো স্ত্ৰীৰ কৰ্তব্য? বোৱাৰী হিচাবে আই সুমিত্ৰাৰ পৰিচৰ্যা কৰাটো মোৰ জানো কৰ্তব্য নহয়? পত্নী অকল পতিৰ সুখ-দুখৰেই লগৰী নহয়, শহুৰ, শাহু, দেওৰ-ননদেৰে ভৰা একোখন ঘৰৰ মান-সন্মানৰো অধিকাৰিণী।"

লক্ষ্মণৰ মনৰ ভিতৰত উৰ্মিলাৰ ৰূপ আৰু কথা গুজৰি গুমৰি ঘূৰি ফুৰিবলৈ ধৰিলে।

## ছয়

এসময়ত।

আবেলিটো সন্ধিয়া হ'ল। খণ্ডত ৰঙা পৰি উঠা ঊৰ্মিলাৰ মুখখনৰ দৰে পশ্চিম আকাশ ৰঙা হৈ উঠিল। নৈৰ পানীত ধীৰে ধীৰে অন্ধকাৰাচ্ছন্ন হৈ উঠিল পৃথিৱী।

এফালে গছজোপা, আনফালে নৈখন। পূবফালে বিস্তীৰ্ণ প্ৰান্তৰ, পশ্চিম ফালে অটব্য অৰণ্য। এন্ধাৰৰ আগে আগে ৰাম-সীতা কুটীৰৰ ভিতৰ সোমায়। লক্ষ্মণ ৰাতিটোৰ বাবে হৈ ৰয় প্ৰহৰী।

হঠাৎ লক্ষ্মণৰ চকুত পৰিল আমগছ জোপাৰ আঁৰত কোনোবা এটা বৈ আছে। মুহূৰ্ততে কান্ধৰ ধনুখন হাতলৈ তুলি লৈ শৰ জুৰি কৈ উঠিল—“কোন ?”

গছজোপাৰ মাটিৰ কাষতে আৰম্ভ হোৱা ছুটা ডাঙৰ ডালৰ ফেৰেঙনিৰে মাজ ঠাইত দেখা গল এজনী গাভৰুৰ মুখ। এই কাজ সন্ধিয়া ইয়ালৈ গাভৰু এজনী আহিল ক'ৰপৰা ? ইয়াততো মানুহ নাই। এফালে অৰণ্য, দণ্ডকাৰণ্য, আনফালে নদী। নৈখন পাৰ হৈ নাহিলে নাইবা গভীৰ অৰণ্যত বাস কৰা কোনোবা নহলে আহিব ক'ৰপৰা ?

গাভৰুজনীয়ে লোলুপ দৃষ্টিৰে লক্ষ্মণলৈ চাই আছে। তাইৰ চাৱনিতেই ধৰা পৰিল অস্বাভাৱিক কামুকতা। তাইৰ তলপেটৰপৰা আঁঠুৰ ওপৰলৈকে মাছৰ বাকলি ঠাক্-ঠাককৈ সজাই কৰা এখন আচ্ছাদন। বুকুখন সৰু এচলা কাচুলীৰে বন্ধা। অস্বাভাৱিক ওখ, ডাঙৰ আৰু মঙহৰ ছুটা টোপোলা যেন লগা গাৰ ছুই কাষলৈ কাচুলী ফালি যেন ওলাই যাব খুজিছে। মঙহাল পেটটো ওলোৱা। এটা দ' গাঁতৰ দৰে নাইটো। মাছৰ বাকলিৰ ঘুৰিটোৰ কাষত মেলা কঙ্কালটোৰ মঙহবিলাক মেটুৰা-মেটুৰ হৈ পৰি আছে। ভৰিত ঘুংগুৰু। সোণৰ অলঙ্কাৰেৰে ঠাহ খোৱা দেহা। ডিঙিত অষ্টমীৰ জোনবাইটোৰ আকৃতিৰ এচলা জোনবিৰি। নাকত আমৰ মলৰ দৰে ওলমি থকা আৰু কণমান জোকাৰ খালেই তিৰবিৰাই কঁপি থকা নাকফুল। কেটোৰ ক'লা গাৰ ৰঙৰ ওপৰত এই অপৰূপ সজ্জা বৰ বেছি

দৃষ্টি-কটু। ভোটোকা নাকটোৱে শকত মানুহজনী। লক্ষ্মণৰ সমানেই ওখ হ'ব। ইমান ওখ-ডাঙৰ তিৰোতা অযোধ্যাত কোনো নাই। ওখ সমান হলেও লক্ষ্মণৰ দুগুণমান শকত। মাংসৰ এটা যেন লদা। হাতীৰ লগতেই মাথোন তুলনা কৰিব পাৰি মানুহজনীক। কোনো এটুকুৰা ঠাই নাই বাঢ়িবলৈ। গাটো যেনেকৈ ফিকি পৰিছে ফাটি যাব যেন।

"কোন তুমি?" লক্ষ্মণ সন্ত্ৰস্ত হ'ল।

"শূৰ্পা।" আচহুৰা মাতৰ ধ্বনিৰে তাই উচ্চাৰণ কৰিলে আৰু ক'লে,—"তোমাৰ লগতে মই আজি ৰাতি থাকিম।"

কথাষাৰ উচ্চাৰণ কৰাৰ ধৰণটোতেই বুজিব পৰা গ'ল তিৰোতাৰ সহজাত লাজ-মান-কমনীয়তা, সুৰুচিপূৰ্ণ স্বভাৱ আৰু চৰিত্ৰ বুলিবলৈ মানুহজনীৰ একো নাই। প্ৰাচীন প্ৰকৃতি এৰি আৰ্য্যৰ তিৰোতাই দৈহিক পৰিশ্ৰম নকৰা হ'ল। মাথোন খোৱাৰ দিহা কৰা আৰু নিজকে দেখিবলৈ ধুনীয়া কৰাই তেওঁলোকৰ কাম। গাত আঁচোৰ এটাও নলগা আৰু আলসুৱা হোৱাৰ কাৰণে কেইখোজমান কাঢ়িলেই ভাগৰ লাগে। সীতা লগত থকা কাৰণেই ৰাম-লক্ষ্মণ নিজৰ ইচ্ছামতে দূৰ-দূৰণিলৈ যাব পৰা নাই। লগত নথকা হলে ৰামে কিজানি তেওঁক কোঁচত লৈ ফুৰিলেহেঁতেন।

তিৰোতাক মাথোন ভোগৰ সামগ্ৰী হিচাবে ব্যৱহাৰ কৰাৰ কাৰণেইতো তেওঁলোকৰ সমাজ এনে হৈছে। ইয়াৰ বিপৰীতে এই অনাৰ্য্য তিৰোতাসকলো স্বাধীন। পুৰুষৰ দৰেই সকলো কঠিন কাম তেওঁলোকে কৰে। পাহাৰ আৰু হাবি-বনত নিৰ্বিবাদে নিঃসঙ্কোচে বিচৰণ কৰে।

"সেইহাললৈ চোৱাচোন—" দূৰত কাঠডালৰ ওপৰত গাত গা লগাই বহি থকা ৰাম-সীতালৈ আঙুলিয়াই হঠাৎ শূৰ্পাই ক'লে,—"তেওঁৰ দৰে তোমাৰ লগত কোনো তিৰোতা নাই। তুমি অকলশৰীয়া। পুৰুষ আৰু তিৰোতা লগ লাগিয়েই সংসাৰ। দিন আৰু ৰাতিৰ দৰে এটাৰে জীৱন সম্পূৰ্ণ নহয়। দুটাৰ প্ৰয়োজন।"

"মই তপস্বী।"

"তপস্বী?" চেকচেককৈ হাঁহি দিলে। ডাঙৰ ডাঙৰ দাঁত কেইচলাৰ সৈতে বঙা বঙা আলুবিলাক দেখা গ'ল। তেজৰঙা

জিভাখনে লক্‌লকাইছে। ক'লে—"আহাহা—তোমালৈ মোৰ বৰ মৰম লাগিছে—এই কোমল বয়সতে তোমাৰ এনে বৈৰাগ্য কিহৰ বন্ধু? প্ৰয়োজন কি? খাদ্যবস্তু উভৈনদী হৈ থাকিলে উপবাসে থকা মূৰ্খামি।" গছ জোপাৰ ডাল এটাত শূৰ্পাই অশ্লীল ইঙ্গিত দি সাৰটি ধৰিলে আৰু ক'লে,—"মোৰ ঘৰ স্বৰ্ণ লঙ্কাত। ইয়াৰপৰা কেইবা যোজনো পথ। সোণ-ৰূপ-মণি-মৰকতৰ দেশ সেইখন। অধিপতি লঙ্কেশ্বৰৰ মই ভনী। আধা ৰাজ্য মোৰ। আমাৰ নিয়মমতে কন্যা-সন্তানে সম্পূৰ্ণ ভাগ পায়। তুমি যদি সন্মত হোৱা মই তোমাক লৈ যাম। দুইটাই সুখেৰে জীয়াই থাকিম। বলা—"

"তুমি এনেকৈ অকলে অকলে ঘূৰি ফুৰিছা কিয়?"

"আমি স্বাধীন। যলৈকে ইচ্ছা যাব পাৰোঁ। যাৰে লগত ইচ্ছা থাকিব পাৰোঁ। কোনেও বাধা দিব নোৱাৰে।"

"তিৰোতা স্বাধীন হোৱা অনুচিত। স্বাধীন মানেই বাৰাঙ্গনা।"

"সেইবিলাক তোমালোকৰ কথা, আমাৰ নহয়। আৰু যদি পুৰুষ স্বাধীন হয়? তোমালোকে পুৰুষক ইমান সুবিধা দিছা কিয়? পুৰুষ আৰু স্ত্ৰী দুয়ো সমানে সুবিধা ভোগ কৰা উচিত। সমানে স্বাধীন হোৱা উচিত। দুইটাৰ বাবে সুকীয়া সুকীয়া আচৰণ-নীতি হ'ব কিয়?"

সেই সময়তে ৰাম-সীতা কুটীৰলৈ উভতি অহাত লক্ষ্মণ গছজোপাৰ আঁৰত ৰৈ লক্ষ্য কৰি থাকিল।

শূৰ্পাই লেনিয়াই ৰামক গৈ ক'লে,—"তুমি মোক বিয়া নকৰোৱা কিয়?"

"মই বিবাহিত—" ৰামে ক'লে—"এওঁ মোৰ ভাৰ্য্যা।"

"মাথোন এজনী? আৰ্য্যহঁতৰ অলেখ ঠাই ভ্ৰমিছোঁ মই। মই জানো ইচ্ছামতে তেওঁলোকে বিয়া কৰাব পাৰে। তোমাৰ পিতা দশৰথৰ নামো মই শুনিছোঁ। তেওঁৰ তিৰোতা সাতশ, মুখ্য কুঁৱৰীয়েই তিনিজনী।"

"পিতাই কৰিলে বুলিয়েই মই নকৰোঁ। আমি ইটোৱে সিটোক ভালপাওঁ।"

শূৰ্পাই বিদ্ৰূপ কৰি হাঁহিলে আৰু ক'লে,—"অৰণ্যো, এজনী

নহৈ কেইৰাজনীও হোৱা হ'লে বনলৈ অহাৰ সময়ত কোনো এজনী নাহিলহেঁতেন । কি আচৰিত। পিতাৰাই যা বুলি ক'লে আৰু তুমি আনক সিংহাসন এৰি দি গুচি আহিলা ? দেখাত বীৰ যেন লাগিলেও আচলতে তুমি কাপুৰুষ।"

"ভৰত মোৰ ভাই। তাৰ মাক মোৰ মাতৃ--- "

"সতীয়া ভাই নিজৰ ভাই ? মাহীআই নিজৰ মাতৃ ? মাৰাক সুধিবাচোন সিহঁত তেওঁৰ কি হয়। আচলতে মই ধৰিব পাৰিছোঁ, তুমি ভৰতলৈ ভয় কৰিলা । তাৰ মোমায়েক কেকয়ৰাজ প্ৰচণ্ড পৰাক্ৰমী। সিংহাসন এৰি নহা হ'লে অজস্ৰ সৈন্যেৰে তেওঁ অযোধ্যা আক্ৰমণ কৰি ধ্বংস কৰিলেহেঁতেন। দশৰথে মনে মনে তোমাক, কিয় ৰাজ্য দিব খুজিছিল তাকো মই জানো । আনকি তোমাৰ শহুৰ কোশলৰাজ জনককো বতৰা নিদিয়াৰ কাৰণ বাৰু কি জানা ? সত্যবাদী আৰু ন্যায়পৰায়ণ বুলি খ্যাত ৰজা জনকে এই কু-অভিসন্ধিৰ বিৰোধিতা কৰিব বুলি ? আনক ফাঁকি দিব পাৰিলেও আমাক কি ফাঁকি দিবা ? আমি সকলো জানো--- " সীতাৰ ফালে চাই শূৰ্পাই হঠাৎ ক'লে,---"তুমিও বৰ বেঙী । স্বামীৰ লগত ইমান দুখ ভোগাৰ প্ৰয়োজন কি ? ৰাজপ্ৰাসাদত থাই-বৈ মহাসুখেৰে নেথাকিলা কিয় ?"

তেওঁলোকক নিৰলে কথা পতাৰ যেন সুবিধা দি ৰাম নৈৰ ফালে আঁতৰি গ'ল । সীতাই ক'লে— "স্বামীৰ দুখেই মোৰ দুখ, তেওঁৰ সুখেই মোৰ সুখ । স্বামীয়েই মোৰ ইহকাল পৰকাল । দেৱৰো দেৱতা ।"

শূৰ্পাই মঙহাল ওঁঠ দুখন থুপ খুৱাই হঠাৎ হেঁ হেঁকৈ হাঁহি দিলে । গাল-মুখৰ মঙহবিলাক কঁপি উঠিল। চকুহাল মঙহাল ভ্ৰূ দুটাৰ তললৈ নামি আহি জপাই ধৰিলে। ডাঙৰ ডাঙৰকৈ চকুহাল মেলি তাই ক'লে,— "এইবিলাক কথা শুনিলে কেনে লাগে। এজন অচিনাকি মানুহ তেওঁ হয় পতি। তেওঁৰ লগতেই এক জন্ম থাকিব লাগে। থাকিব পাৰি ? ভাবিব নোৱাৰা কথা । তোমাৰ আমনি লগা নাই ? তিৰোতা আৰু মতা এটা বা এজনীৰ লগতে গোটেই জীৱন থাকিবলৈ ভগৱানে সৃষ্টি কৰা নাছিল । কৰা হ'লে তাৰ মনটো তেনেকৈয়ে তেওঁ তৈয়াৰ কৰিলেহেঁতেন। সঁচা কথা কোৱাচোন তোমাৰ ৰাৰু আন কোনোবা এজনৰ লগত শুবলৈ মন নেযায় নে ?"

"ছিঃ—" প্ৰচণ্ড লাজ আৰু ঘৃণাৰে সীতাই উচ্চাৰণ কৰিলে আৰু কাণত আঙুলি দিলে ।

বৰ আমোদ পোৱাৰ দৰে খেক্‌খেকাই শূৰ্পাই হাঁহি দিলে আৰু ক'লে,— "নিজৰ ইচ্ছামতে খাব, শুব, থাকিব পৰাটোৱেই স্বাধীনতা । তোমালোকে ফাকি দিয়া । মনক চেপি ৰখোৱাটোকে তোমালোকৰ কাৰণে সভ্যতা । যি কোনো ভাল লগা মানুহৰ লগত ইচ্ছামতে সহবাস কৰাৰ সুখ কি তুমি কি বুজিবা—" হঠাৎ আনফালে মুখ ঘূৰাই সীতাৰ চকুত চকু থাপি তাই কৈ উঠিল— "সেইটো কোন চোৱা—"

হাবিখনৰ ফালে মুখ কৰি গছজোপাৰ তলত বৈ থকা লক্ষ্মণৰ পাছফালটোত সীতাৰ চকু পৰিল ।

"মই দেখাৰ লগে লগে ধৰিছোঁ"—শূৰ্পাই ক'লে—"বহুত সময়ৰপৰা তোমালোকক মই লক্ষ্য কৰি আছিলোঁ—তোমালোৰে কথা পতা, হঁহা । ফাঁকি নিদিবা, তুমিও তাক বিচাৰা, সিও তোমাক—"

সীতা লাজত মৰি যাব খুজিলে । মুখখনৰ তেজবিলাক লৰি অহাৰ কাৰণে গাল-মুখ ৰঙা হৈ পৰিল । শূৰ্পাই কৈয়েই থাকিল,— "নহ'লে সি এনেকৈ আহিব কিয় ? কিহৰ বাবে তাৰ এই বনবাস ? সিও জানো ৰামৰ সতীয়া ভাই নহয় ?" ব্যঙ্গৰ হাঁহি মাৰিলে তাই । হাঁহিটোত সন্দেহ উচলি পৰিল । সইত খুৰাইহে তাই যেন সীতাক সুধিলে—"কোৱাচোন সঁচানে মিছা, সি মাথোন তোমাৰ লোভতেই ৰাক লগত অহা নাইনে ?"

"ৰাক্ষসী ।।" সীতাই দুই কাণত আঙুলি দি চিঞৰি উঠিল । কাণ-মূৰ লাজত ৰম্‌ৰমাই গ'ল । কেনে লাজ লগা কথা । মহাপাপ । লক্ষ্মণ মোৰ ভাইৰ লগৰ ভাই । মোৰ দেওৰ—

"আমাৰ দেশত দেওৰো আমাৰ স্বামী । "বৰ" শব্দটো দেখোন শব্দটোত আছেই । মতাটোৰ মৃত্যুৰ পিছত দেওৰেই আমাৰ স্বামী হয় । মন কৰিলেই আমি তেওঁৰ লগত—"

"সেই কাৰণেই তহঁত ৰাক্ষস । অনাৰ্য্য বুলি আমাৰ মানুহে ঘৃণা কৰে । অসুৰ বুলি ভয় কৰে । সেই কাৰণেই আমি সভ্য । আৰ্য্য ।"

"সভ্য" আৰু "আৰ্য্য" শব্দ দুটা প্ৰচণ্ড ব্যঙ্গ আৰু ঘৃণাৰে উচ্চাৰণ কৰিলে শূৰ্পাই আৰু লক্ষ্মণৰ কাষলৈ আঁতৰি গ'ল । আগতকৈ জেনিয়াই, মাতটো মিহি কৰাৰ ভাও জুৰি তাই ক'লে—"আহাঁ লক্ষ্মণ আমি দুয়ো—"

"আঁতৰি যোৱা—" লক্ষ্মণে খং আৰু বিৰক্তিৰে ক'লে ।

"তোমাক ৰাজ্য নালাগে? ধন-সোণ, ঐশ্বৰ্য্য-বিভূতি নালাগে? সুখ-সম্ভোগ কৰাৰ ইচ্ছা নাই? তপস্যা কৰি থাকি লাভ কি?"

"ৰাক্ষসহঁতে এনেবিলাক কথা কি বুজিব?"

"বুজোঁ, বুজোঁ। নাই বুজা বুলি ভাবিছা?" পেংলাই কৰি কোৱা কথাষাৰত সন্দেহ উছলি পৰিল শূৰ্পাৰ। একে সুৰতে ক'লে,— "তোমাৰ এজনী আছে বাবেই মোক তুমি ভালপোৱা নাই। সেইজনীৰ কাৰণেই নিজৰ ঘৰ এৰি, তিৰোতা এৰি বনবাস খাটিছা—"

"চুপ—" প্ৰচণ্ড খঙেৰে লক্ষ্মণে গৰজি উঠিল। শূৰ্পনখাই হাঁহি হাঁহি কৈয়েই গ'ল,—"কালিও মই আহিছিলোঁ, তোমালোকে কথা পাতোতে মই আঁৰত বৈ বৈ চাই আছিলোঁ। মোক কি ফাকি দিবা? দুয়োটাৰে চকুৰে-মুখে প্ৰকাশ পাইছিল ইটোৰ প্ৰতি সিটোৰ গোপন আসক্তি। ৰামৰ মৰমত নহয়, সীতাৰ মৰমতহে তুমি বনলৈ আহিছা—"

"ৰাক্ষসী !!"

"সেইজনীয়েই মোৰ শত্ৰু। তাইৰ কাৰণেহে তুমি মোক—" কৈ কৈ সীতাৰ ফালে শূৰ্পাই চোঁচা মাৰি খেদি যাব খুজিলে। লক্ষ্মণে খঙেৰে তাইক খেদি গ'ল। ভয়ঙ্কৰ মূৰ্তি ধৰি শূৰ্পাই ফেপেৰি পাতি ধৰিলে। তিৰোতাৰ তিলমানো কোমলতা তাইৰ গাত এতিয়া আৰু নাই। আহত বাঘিনীৰ দৰে তাই হিংস্ৰ আৰু ক্ৰুদ্ধ।

লক্ষ্মণে তাইক জোৰেৰে ঠেলি লৈ গৈ গছডালত আঁওজাই হেঁচা মাৰি ধৰিলে আৰু হাতৰ দাখনেৰে নাকটোত বেপ দি খঙেৰে ক'লে,— "লাজ কাক কয় নেজান নিলাজী! তোৰ নাক-কাণ কাটি পেলাওঁ—"

শূৰ্পাৰ বিকট চিঞৰত ৰাম আৰু সীতা সচকিত হৈ পৰিল। নাক-কাণৰপৰা হোহোকৈ ওলোৱা তেজেৰে ৰঙা হৈ পৰিছে মানুহজনী। ক'লা দেহৰ ওপৰত ৰঙা তেজ। বীভৎস। চকুৰপৰাও তাইৰ যেন তেজৰঙা জুই ওলাইছে। কঁকালত কোব পৰা ফেঁটী সাপৰ দৰে যন্ত্ৰণা-কাতৰ গেঙনিৰে চিঞৰি ফোঁচফোঁচাই কবলৈ ধৰিলে—"দেখা যাব তহঁত কোন? মই শূৰ্পনখা। লঙ্কাৰ সম্ৰাট মোৰ ভাই। চাই লম তহঁত কিমান বীৰ—"

কৈ কৈ হাবিবন ভাঙি তাই ঢপলিয়াই গ'ল। ডাল-পাতত ধঁহনি খাই হোৱা শব্দটো বহুত সময়লৈকে সীতাৰ কাণত বাজি থাকিল। তাই কোৱা কথাৰ লগতে তাইৰ সেই ভয়ঙ্কৰ মূৰ্তি চকুৰ আগত পৰি ৰ'ল।

# সাত

তাৰ পিছৰপৰাই যুদ্ধ। শূৰ্পনখা যেন তাৰ আগজাননী আছিল। খোৱা-থকাৰ সুখ নাই, যি কোনো মুহূৰ্তত সিহঁত আহি ওলায়। হাবিৰ ফালৰপৰাই কোনোবা অহা দেখে। কোনোবাই যেন গোপনে লক্ষ্য কৰি আছে, ছল চাই ফুৰিছে। কোনোবা সময়ত হঠাৎ চকুত পৰে গছডালৰ আঁৰলৈ বৈ আছে দুটা মানুহ। ফুচফুচাই কথা পাতিছে। শুনিলেও ভাষা নুবুজে। বিং-বিং-বাং-বাং শব্দ। শূৰ্পনখাই অনাই-বনাই ঘূৰি ফুৰি আৰ্য্য ভাষা শিকিছিল, হেনা-হুচাকৈ হলেও ক'ব পাৰে, ইহঁত কিন্তু সম্পূৰ্ণ অনাৰ্য্য।

তাৰ পিছতেই সেই সোণবৰণীয়া হৰিণা দেখিয়েই মৰম লাগিল। তাক ধৰি নিদিলে সীতাৰ যেন জীৱন নৰয়। প্ৰথমে ৰাম গ'ল। পিছত লক্ষ্মণ। লক্ষ্মণক পঠোৱাৰ সময়ত কোৱা সেই ঘিণ লগা কথা—শূৰ্পানখাৰ সেই সন্দেহ। "মই জানো, মোৰ কাৰণেই তুমি বনলৈ আহিছা, বনবাস খাটিছা। ছল-চাতুৰি কৰি ৰামক মাৰি মোক তুমি---"

"ছিঃ নবৌ।" লক্ষ্মণৰ মুখখন বিস্ময়ত লাজ আৰু ঘৃণাত বিকৃত হৈ গ'ল। পৱিত্ৰ সম্পৰ্কটোত নিজে সানি লোৱা এই অপৱিত্ৰতাৰ বাবে লক্ষ্মণে সীতাক কোনোদিনেই ক্ষমা কৰিব নোৱাৰে।

কিন্তু কাল নাগিনীৰ দৰে সীতাই যেন শেষ খোটটো মাৰিলে— "তুমি মোৰ গা চুৱা কৰাৰ আগতেই মই পানীত পৰি মৰিম—"

"নবৌ! —এনে পাপ কথা কেনেকৈ তোমাৰ মুখৰপৰা ওলাল?" লক্ষ্মণৰ মাতত কান্দোন মিহলি হৈ গ'ল। হঠাৎ তেওঁ আঁঠুকাঢ়ি সেৱা কৰিলে আৰু সীতাৰ ভৰিৰ পতাৰ ওপৰত মূৰ থৈ কলে,--- "ঠিক আছে নবৌ, মই যাওঁ। তোমাৰ ৰক্ষাৰ বাবে মাথো মই আঁতৰি যাব খোজা নাছিলোঁ। কিন্তু সাৱধান দুৱাৰডলিৰ ইপাৰলৈ ঘৰৰ ভিতৰৰপৰা ওলাই নাহিবা। মোৰ দুখ, এই অৰণ্যত তোমাক এনেদৰে অকলশৰীয়াকৈ এৰি থৈ যাব লগা হ'ল।"

ধনুশৰ হাতত লৈ লক্ষ্মণ বেগেৰে আঁতৰি গ'ল। লক্ষ্মণ যোৱাৰ লগে লগেই নিজৰ ভুলটো মনৰ ভিতৰত পৰিষ্কাৰ হৈ পৰিল সীতাৰ। ছিঃ ছিঃ

ইমান লাজ লগা, ঘিণ লগা কথা, এনে পাপ শব্দ তেওঁৰ মুখৰপৰা ওলাল কেনেকৈ ? নিজৰ কথাৰ চোকত নিজেই হতভম্ব হৈ বহুত সময় নিথৰ হৈ থাকিল সীতা। কুটীৰৰ ভিতৰ সোমাই গৈয়ো ছটফট কৰি থাকিল তেওঁ।

হঠাৎ এবাৰ শুনিলে চোতালত যেন কাৰোবাৰ মাত। ভৰিৰ শব্দ। বেৰৰ জলঙাৰে চাই দেখিলে এটা ভিক্ষাৰী। সন্ন্যাসী। এই অটব্য অৰণ্যৰ মাজত ভিক্ষাৰী ইমান দিন এই ঠাইলৈ কোনো অহা নাছিল। আজিয়েই মাথোন ভিক্ষাৰী আহিল ! যি সময়ত ঘৰত কোনো নাই। নাই ৰাম, নাই লক্ষ্মণ। কিবা এক অজান আশংকাত হৃদয় কঁপি উঠিল সীতাৰ।

"মই কেইবা সাজো একো খোৱা নাই আই !" ভিক্ষাৰীটোৱে শেহাই শেহাই কোনোমতে ক'লে আৰু অৱশ মানুহটো দুৱাৰমুখতে শুই পৰিব খুজিলে। বহি থাকিবলৈও যেন তাৰ গাত শক্তি নাই। সি কিন্তু ক্ষীণ নহয়, ৰুগীয়া যেন লগা নাই। কিন্তু—

দুটামান ফলমূল হাতত লৈ ভিতৰৰপৰা ওলাই আহিল সীতা। শোৱাৰ ভাওঁৰেই ভিক্ষাৰীটোৱে জোলোঙাটো মেলি ধৰিলে। জোলোঙাটোত একো নাই। বোধকৰো সি প্ৰথম ইয়ালৈকে আহিছে। এই হাবিৰ মাজত সি দেখোন তলসৰা ফলমূল খায়েই জীয়াই থাকিব পাৰে।

দুৱাৰডলিৰপৰা সোঁভৰিটো আগবঢ়াই দিব খুজিলে সীতাই। লগে লগে লক্ষ্মণে কৈ যোৱা কথা মনত পৰি গ'ল— "মন্ত্ৰপূত আঁচডাল পাৰ হৈ আগলৈ নেযাবা। ঘৰৰ দুৱাৰডলিৰপৰা ওলাই বাহিৰলৈ।" কিন্তু ভিক্ষাৰীটোৱে কেঁকাই কেঁকাই ক'লে—"আৰু এখোজ আগলৈ আহক আই। মই উঠিব নোৱাৰোঁ।" সি গাটো কোনোমতে লৰাব খুজিলে। সীতা এখোজ আগলৈ গ'ল। হাত মেলি জোলোঙাত ফল দুটা পেলাই দিব খোজাৰ লগে লগে আচম্বিতে ভিক্ষাৰীটোৱে সীতাৰ হাতখনত খাপমাৰি ধৰিলে আৰু তড়িৎ গতিৰে থিয় হৈ গ'ল। জোকাৰণিটোত সীতাৰ হাতৰপৰা ফল দুটা ছিটিকি পৰিল। সৰ্বশৰীৰ জিকাৰ খাই উঠিল। সীতাৰ অন্তৰাত্মা ভয়ত কঁপি উঠিল। কি হৈছে বুজি পোৱাৰ আগতেই তাৰ হাতৰ আজোৰটো চম্ভালিব নোৱাৰি সীতা গৈ মানুহটোৰ গাত উবুৰি খাই পৰিল। গছ কেইডালত পৰি থকা কেইটামান কাউৰীয়ে ভয়ত চেৰেউ-কেৰেউকৈ চিঞৰি উঠিল। লগে লগে মানুহটোৰ কি বিকট হাঁহি! হাঁহিত যেন সি ফাটি পৰিব। সি ভিক্ষাৰী নহয়, সন্ন্যাসী নহয়—ৰাক্ষস।

"ৰাম !!" দেহৰ সৰ্বশক্তিৰে সীতাই চিঞৰি উঠিল। কিন্তু মাতটো ৰাক্ষসটোৰ বিকট হাঁহিৰ কোৰত তল পৰি গ'ল। সি সীতাক দুই হাতেৰে জপটিয়াই সাৱটি ধৰিলে, আলাসতে কোঁচলৈ তুলি ল'লে আৰু গছকেইজোপাৰ আনটো মূৰলৈ দৌৰি গ'ল। সেই ফালেই এখন ৰথ ৰখাই থোৱা আছিল! ৰথত নি সি সীতাক জোৰ কৰি বহুৱাই দিলে। সীতাই ছটফটাই থাকিল। চিঞৰত গগন ফালিব খুজিলে। কান্দোনত গছৰ পাত সৰালে। কিন্তু—

বিম্বাশবদে ৰথখন যাবলৈ ধৰিলে। উৰিহে গৈছে যেন। এই ফালেই যে ইমান ওচৰতে এটা বাট আছে, জুৰিটো পাৰ হৈয়েই টিলাটোৰ সিপাৰে বোধকৰোঁ ৰাম-লক্ষ্মণেও নেজানে।

ৰাম-লক্ষ্মণৰ নাম ধৰি ধৰি চিঞৰি ছটফটাই যোৱা সীতাৰ কান্দোনৰ ধ্বনি, পাহাৰ-জান-জুৰি-নদীৰে ভৰা অৰণ্যত ঠেকা খাই খাই প্ৰতিধ্বনিত পৰিণত হ'ল। গছ-গছনিৰ লগতে চৰাই-চিৰিকতি আৰু জীৱ-জন্তু সকলোয়ে নিৰুপায় বেদনাত 'ৰ' লাগি চাই ৰ'ল।

বাঁহৰ ছুৱাৰথনত ঢকিয়াই ঘনে ঘনে মৰা শব্দত সীতাই সাৰ পাই গ'ল। চাদৰখন চকুপানীৰে তিতি গৈছে। চিঞৰি চিঞৰি ডিঙিটো শুকাই গ'ল। মাত মাতিব পৰা নাই। সেপ ঢুকিব পৰা নাই। কুচুকি-মুচুকি হৈ কুশবনৰ কঠখনৰ ওপৰত যেনে ভাঁজত শুই আছিল তেনেকৈয়ে পৰি ৰ'ল সীতা। হাত-ভৰিও মেলিব পৰা নাই। হাত আৰু ভৰিহাল একেলগ কৰি কোনোবাই যেন জৰপুৰকৈ বান্ধি থৈছে।

আকৌ এবাৰ বাল্মীকিৰ মাত শুনি কোনোমতে উত্তৰ দিলে সীতাই—"পিতা!"

"কি হৈছে তোমাৰ আই? ইমান গোঙাইছা! কিমান সময় মাতিছোঁ সাৰ পোৱা নাই---"

কন্দা আৰু চিঞৰা বিশিকি বিশিকি মনত পৰিল সীতাৰ।

বহুত দিন আগতে ঘটা সেই ঘটনাৰ স্মৃতি মনৰপৰা আজিও মচ খাই যোৱা নাই। অৱচেতন মনত খুন্দ খাই আছে সি। মনত পৰিলে ভয়ত কঁপি উঠে সমস্ত হৃদয়। সমগ্ৰ জীৱন সি লণ্ড-ভণ্ড কৰি থৈ গ'ল। প্ৰচণ্ড ধুমুহাৰ দৰে, ভুইকঁপৰ দৰে, বলিয়া বানপানীৰ দৰে।

## আঠ

কৰণিটো হাতত লৈ মহৰ্ষি আশ্ৰমৰ পাছফালে থকা ফুলনি-ডৰাৰ মাজলৈ নামি গ'ল। ফুল আনি সন্ধ্যা-আহ্নিক কৰি প্ৰতিদিনৰ দৰে তেওঁ অধ্যয়নৰত হ'ব।

"ৰত্নাকৰ!" একোণৰ গুলঞ্চ ফুলজোপাৰ তল পাই হঠাৎ বুকুত আহি পৰা বিহ কাঁড়ৰ শব্দত যেন চমকি উঠিল মহৰ্ষি। আপদীয়া সেই শব্দটো পৃথিৱীৰপৰা আজিও মচ খাই যোৱা নাই? পাহৰিব পৰা নাই অতীতৰ সেই কলঙ্ক-কাহিনী?

পলু আৰু পখিলাৰ দৰে ৰত্নাকৰ আৰু বাল্মীকি একেটা মানুহৰে দুটা নাম। এটা অতীত, আনটো বৰ্তমান। এটা দুৰ্গম, শিলাময় পাহাৰৰ মাজেৰে আৰম্ভ হোৱা এখন নদীৰ আদি ছোৱা, আনটো শস্যশ্যামলা ভৈয়ামৰ মাজেৰে বৈ যোৱা অংশ। পাহৰণিৰ গৰ্ভত লীন হৈ গ'ল আদিম সেই জীৱন। শৈশৱ আৰু কৈশোৰৰ দৰে সি ৰহস্যময়। লজ্জাকৰ কাহিনীৰ দৰে মনত পৰাৰ লগে লগে সংকুচিত হৈ উঠে মন। ৰত্নাকৰ নোহোৱা হ'লেইবা বাল্মীকি জন্ম হয় কেনেকৈ? সেই যুগ আৰু জীৱনৰ মাজেৰে পাৰ হৈ অহাৰ কাৰণেই বৰ্তমান ইমান জীৱন্ত। ইমান কৰুণ, প্ৰাণময় আৰু গতিশীল। সকৰুণ জীৱনৰ কথা আৰু কাহিনী ইমান হৃদয়-বিদাৰকভাৱে মনৰ চকুত পৰিছে। দুটা হ'লেও একেটা দেহৰ মাজত নিজৰি নিজৰি বৈ আছে একেটাই জীৱন। একেটাই সোঁত। শামুকৰ দৰে ৰত্নাকৰ নামৰ কঠিন খোলচটোৰ ভিতৰত লুকাই আছিল কোমল হৃদয়ৰ বাল্মীকি। মাথোন খাদ্য আহৰণেই আছিল এদিন ৰত্নাকৰৰ জীৱন। জন্তুৰ সেই জীৱনৰপৰাই মানুহ হ'ল ৰত্নাকৰ। বাল্মীকি হ'ল।

মাথোন এটা শব্দই মানুহৰ বিস্মৃতিৰ অটল গৰ্ভত লীন হৈ যোৱা অতীতলৈ ও:ভাতাই নিবলৈ যথেষ্ট। হেৰাই যোৱা পৃথিৱীখনৰ কথা মনত পেলাই দিবলৈ যথেষ্ট। এজাক মানুহ, পিতৃ-মাতৃ আৰু সন্তান, সমাজ আৰু সংসাৰ—

"ৰত্নাকৰ !!" এইবাৰ শব্দটো বৰ ওচৰতে শুনা যেন লাগিল। কুশবনডৰাৰ একাষত থকা বেলগছ কেইজোপাৰ তলৰপৰা নাইবা আশ্ৰমৰ পাছফালৰ কৰবী ফুলজোপাৰ কাষৰপৰা। ফুল তুলিবলৈ এৰি কেইখোজমান আগলৈ গ'ল বাল্মীকি। বেলগছজোপাৰ তলত চকু পৰাৰ লগে লগে শিয়ঁৰি উঠিল। প্ৰচণ্ড বিদ্ৰূপ মিহলি হাঁহিৰে থিয় হৈ আছে এজনী প্ৰৌঢ়া তিৰোতা। বাল্মীকিৰ সকলো তপস্যা ভৰিৰে মোহাৰি পেলাব খুজিছে। সন্দেহ, ঘৃণা আৰু তাচ্ছিল্যৰে উৰাই দিব খুজিছে বাল্মীকিৰ বৰ্তমান। চকুৰ চাৰিনিত সিচঁৰতি হৈ পৰিছে কালকূট বিহৰ ছিটিকনি। খোঁট মাৰিবলৈ উদ্যত হৈছে যেন কালনাগিনী।

বুকুৰ ভিতৰত অব্যক্ত এক যন্ত্ৰণা অনুভৱ কৰিলে মহৰ্ষিয়ে।

"বসুমতী!" লাজ আৰু ধিক্কাৰেৰে, অস্পষ্ট গোঙনিৰ দৰে উচ্চাৰণ কৰিলে বাল্মীকিয়ে।

"অদ্ভুত!" বসুমতীয়ে ঘৃণাৰে উচ্চাৰণ কৰিলে। "তোমাক মই দস্যু বুলিয়েই জানি আছিলো ৰত্নাকৰ, তুমি দেখোন সুনিপুণ অভিনেতাও। সন্ন্যাসীৰ এই ভাও—"

"ভাও নহয় বসু! মই—"

"ভাও নহয়? তোমাৰ নিজকেই বাৰু কেনেবা লগা নাইনে? লোকক ফাকি দিব পাৰা কিন্তু নিজক? নিজে নিজক ফাকি দিছা কেনেকৈ ৰত্নাকৰ? বাহ্যিক আচৰণত তুমি সন্ন্যাসী। মূৰত জঁটা, ভৰিত পাদুকা, হাতত কমণ্ডলু। কোনে তোমাক এতিয়া ৰত্নাকৰ বুলি কয়? কেইবাদিনো দেখিও মই ধৰিব পৰা নাছিলো তুমিয়েই সেই দস্যু ৰত্নাকৰ। একালৰ সেই বিভীষিকা। শত-সহস্ৰ লোমহৰ্ষক কাহিনীৰ স্ৰষ্টা।"

"মোৰ সেয়া সিজন্ম বসুমতী!" বাল্মীকিয়ে অস্পষ্টভাৱে ক'লে,—"এজন বৃদ্ধক শিশুৰেই সেই ৰূপ বুলি যিদৰে ধৰিব নোৱাৰি, মোকো আজি সেইদিনাৰ সেই একেটা মানুহ বুলি—"

"তুমি জ্ঞানীৰো নিখুঁত অভিনয় কৰিব পৰা হ'লা ৰত্নাকৰ? অভিনয়ত দেখিছোঁ পুৰুষবাকো তুমি চেৰ পেলালা। কিন্তু চকুয়ে-মুখে সং হোৱাৰ ভাও জুৰিলেও তুমি সেই একেটাই মানুহ। ডাঢ়ি-চুলি, কমণ্ডলু আৰু পাদুকাৰ দৰেই ভাটৌৰ দৰে মুখত শাস্ত্ৰ আৰু জ্ঞানৰ কথা—"

"মোৰ একো জ্ঞান নাই বসুমতী! মই অজ্ঞান। অন্ধকাৰত আজিও মই পৰি আছো? এধানিমান পোহৰ কেনেবাকৈ ক'ৰবাত দেখো নেকি খেপিয়াই ফুৰিছো। আজিও মই বুজা নাই জীৱন মানে কি? জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য। সাৰ্থকতা। মোৰ সকলো দোষগুণ, ভুল-ভ্ৰান্তি, পাপ-পুণ্য দেহ আৰু মনত লৈয়েই মই জীয়াই আছো। মাথোন সাধনাৰ বলত লাভ কৰিছো চেতনা। ভুলক ভুল বুলি, পাপক পাপ বুলি চিনাৰ সচেতনতা।"

"তুমি ইমান ধুনীয়াকৈ সজাই-পৰাই কথা ক'ব পৰা হ'লা ৰত্নাকৰ! ইমান মোহনীয় ভাষা। এদিন তুমি ভাষাই শিকা নাছিলা, ধীৰ আৰু শান্তভাৱে কথা কোৱা নাছিলা, দুখ আৰু সহানুভূতিৰে কথা কোৱা নাছিলা, কৈছিলা খঙেৰে, ঢমকনিৰে। তুমি আছিলা বজ্ৰপাতৰ দৰে, ধুমুহা আৰু ভুঁইকঁপৰ দৰে। আজি ইমান শান্ত! ইও তোমাৰ ছলনা! অভিনয়! দুৰ্দ্ধৰ্ষ চৰিত্ৰৰ অভিনেতাই সুচৰিত্ৰ এটিও কেনেদৰে ফুটাই তোলে! চকুত পানী উলিয়াই, মাত কোমল কৰে। চাৱনিত মৌ বৰষায়। কেনেদৰে স্নেহ আৰু প্ৰেমৰ অভিনয় কৰে! ডিভিটোৰ ওপৰৰ ছোৱাত প্ৰকাশ পোৱা সেই অভিনয়ক সঁচা বুলি দৰ্শকে ধৰি লয়। চকুপানী টোকে, হাঁহে। জীৱন ধন্য কৰে। কিন্তু প্ৰকৃত দৰ্শকে জানে বাজিকৰৰ বাজিৰ আঁৰত সকলো মিছা। ফাকি। সকলো দৰ্শকক ঠগাব পাৰিলেও তুমি মোক ঠগাব নোৱাৰা ৰত্নাকৰ। তোমাৰ কাষত কটাইছো মই জীৱনৰ কেইবাটাও মূল্যবান বছৰ। সকলোৱে পাহৰি যাব পাৰিলেও মই পাহৰিব নোৱাৰো। তুমি মোৰ কাষত থকাৰ কথা, আঁতৰি যোৱাৰ কথা—"

"মোৰ সেয়া আছিল তপস্যা। মানুহ হোৱাৰ তপস্যা কৰিছিলো মই।"

"মানুহ হোৱাৰ অভিনয়ৰ তপস্যা! দস্যুত্বক ঢাকি জ্ঞানীৰ ভাও দিয়াৰ।"

"নহয় বসু, নহয়। মোৰ তপস্যাৰ ৰূপ যদি দেখিলাহেঁতেন! খঙক মই সলনি কৰিছো কান্দোনলৈ। ধ্বংসক সৃষ্টিলৈ। মোৰ সকলো অপকৰ্ম আৰু কুচৰিত্ৰক মই এতিয়া নতুন ৰূপত সজাইছো।"

"বুজিছো, বুজিছো ৰত্নাকৰ! তোমাৰ নতুন ৰূপ মোৰ চকুত পৰিছে। এই বয়সতো আকৌ এজনী গাভৰু জীৱন—"

"বসুমতী !!" ক্ৰুদ্ধভাৱে চিঞৰি উঠিল মহৰ্ষিয়ে। দুই চকুৰপৰা ভমক্ কৰে ওলাই আহিব খুজিলে দুকুৰা জুই, কিন্তু পিচ মুহূৰ্ততেই নিজক তেওঁ সংবৰণ কৰিলে। বল্মীকৰপৰা পুনৰ হৈ পৰিল বাল্মীকি।

করুণ আৰু শান্তভাৱে মহৰ্ষিয়ে ক'লে,—"তিৰোতা গৰাকী নিৰাশ্ৰয়া বসু! জীৱনৰ কাঁইটনিৰ মাজত সোমাই জীয়াতু ভোগা আতুৰ প্ৰাণীক সহায় কৰাটো মোৰ ধৰ্ম।"

"ধৰ্ম !! শব্দটো তোমাৰ মুখত শুনি কেনে লাগিছে ৰত্নাকৰ! আতুৰক সহায় নকৰাটোৱেই আছিল এদিন তোমাৰ ধৰ্ম। মনত পেলোৱাচোন কিমান আতুৰ আৰু অনাথক তুমি নিৰ্দয়ভাৱে হত্যা কৰিছিলা। কিমান জীয়ৰী-বোৱাৰীৰ পৱিত্ৰ দেহ তুমি চুৰা কৰিছিলা। মোৰ মুখলৈ চোৱা, চাই কোৱা। মনত আছে, ৰাজকন্যা বসুমতীক কেনে নিৰ্দয়ভাৱে তুমি ধৰ্ষণ কৰিছিলা। মনত আছে নিৰ্মমভাৱে যাতনা ভোগাই মোক তুমি তোমাৰ ৰক্ষিতা কৰি ৰখাইছিলা? এদিন কুকুৰ-মেকুৰীৰ দৰে মোক—"

"সেই পাপৰেই মই এয়া প্ৰায়শ্চিত্ত কৰিছো বসুমতী! তোমালোক সকলোৱে শাওপাতৰ ফলত মোৰ জ্ঞান চকু মুকলি হ'ল। মই এতিয়া মানুহ হ'লো। দুখক দুখ বুলি চিনি পালো। মানুহক মানুহ বুলি।"

"এই আচৰিত ভাওৰে তুমি আৰু মোক ভুলাব নোৱাৰা ৰত্নাকৰ।"

"ভাও নহয় বসু! মই ভাও ধৰা নাই। মোক তুমি বিশ্বাস কৰা। মই এতিয়া আৰু ৰত্নাকৰ নহয়। দস্যু ৰত্নাকৰৰ সেই দেহ-টোৰে ভিতৰত জীয়াই থকা মই আন এটা মানুহ। কোশল আৰু বিদেহৰ সকলোৱে মোক এতিয়া বাল্মীকি বোলে।"

"কোশল আৰু বিদেহ কিয়, গোটেই বিশ্বই কওক বাল্মীকি বুলি, মোৰ চকুত তুমি ৰত্নাকৰ। বন্যপশু। তোমাৰ পশুত্বৰ দাগ আছে মোৰ অধৰত, মোৰ হৃদয়ত। দেহৰ প্ৰতিটো চুকে-কোণে। তোমাৰ পাপৰ ফলত মোৰ গৰ্ভত জন্মা শিশুটিক হত্যা কৰিবলৈ মোৰ কোলাৰপৰা আজুৰি কেনেকৈ সেইদিনা লৈ গৈছিলা মই পাহৰি থাকো কেনেকৈ?"

"বসুমতী!" অসহ্য যন্ত্ৰণাত ছটফট কৰিলে বাল্মীকিয়ে। "মোৰ সেই সকলো পাপৰ মই প্ৰায়শ্চিত্ত কৰিছো বসু। দানৱৰপৰা

মানুহ হ'বলৈ মই আপ্ৰাণ চেষ্টা কৰিছো। মানুহে কৈছে তপস্যাত মই সিদ্ধ হৈছোঁ। মোৰ কবিতাৰ করুণ সুৰ আৰু ধ্বনিত গলি যায় পাষাণৰো হৃদয়। মোৰ কলিজাৰ কেঁচা তেজে লৈছে কবিতাৰ ৰূপ। মানুহৰ মুখে মুখে ৰামায়ণৰ করুণ কাহিনী।"

ৰত্নাকৰৰ মুখলৈ নিথৰ হৈ চাই ৰ'ল বসুমতী! সঁচাকৈয়ে এওঁ বাল্মীকি? সেই একেটাই মানুহ? শিলৰ দৰে কঠিন বুকু ফালি ওলাইছে অমৃতৰ ধাৰা? ৰামায়ণৰ করুণ কাহিনী সঁচাকৈয়ে জানো ৰত্নাকৰৰ সৃষ্টি?

"আহা বসু! মোৰ লগত আহা—" বাল্মীকিৰ মাত শুনি বসুমতী চমকি উঠিল।

"ভয় নাই বসু! মই তোমাক তোমাৰ সেই সন্তান দেখুৱাওঁ।"

"সন্তান? মোৰ সন্তান?"

"আমাৰ সেই সন্তান বসুমতী! সেই সন্তান জীয়াই আছে। বিধাতাৰ কি অপূৰ্ব বিচাৰ বসু। পাপৰ প্ৰায়শ্চিত্ত কৰিবৰ কাৰণে মোৰ সেই সন্তান মোৰেই হাতত আনি গতাই দিছে। তোমাতকৈও, মোতকৈও অধিক জীৱন-যন্ত্ৰণা তাই ভোগ কৰিছে। মোৰেই পাপত তাইৰ এই দশা হ'ল। মোক আৰু নিৰ্দয়ভাৱে তুমি আঘাত নকৰিবা। মোক সিজন্মৰ সেই ঘিণলগা জীৱন পাহৰি যাবলৈ দিয়া বসু। মই পাহৰি যাওঁ। তুমিও। ৰত্নাকৰ নহয়, মই এতিয়া বাল্মীকি। তুমি ৰাজকন্যা বসুমতী নহয়, সহনশীলা পৃথিৱী। শস্যশ্যামলা ধৰিত্ৰী।

বসুমতীৰ সোঁহাতখন দুই হাতৰ মাজত সুমাই ল'লে বাল্মীকিয়ে। মিনতি ভৰা চকুহালৰ গুৰি তিতি গৈছে চকুপানীৰে। কাকুতিভৰা মাতত কান্দোন মিহলি হ'ল। এয়া অভিনয় নহয়। এয়া জীৱন।

ইটোৱে সিটোৰ কঁপনি অনুভৱ কৰিলে দেহত। হৃদয়ত। অনুভৱ কৰিলে হৃদয়ৰ কান্দোন। নিয়তিৰ অলঙ্ঘ্য বিচাৰ, অবাধ গতিৰ বিৰুদ্ধে যুঁজিব নোৱাৰাৰ নিৰুপায় বেদনা।

কেইখোজমান আশ্ৰমৰ ফালে আগুৱাই আহিল বাল্মীকি। একাষত বসুমতী।

প্ৰাঙ্গণৰ ফালে মুখ কৰি বেৰখনত আঁউজি বহি আছে সীতা। চকুহাল আধামুদা। যেন মূৰ্তিমতী বিষাদ। দেহৰ ভিতৰখন জ্বলি জ্বলি নিঃশেষ হোৱাৰ চিন।

বসুমতীয়ে ৰত্নাকৰৰ চকুলৈ মুখ তুলি চালে। চাই ৰ'ল। এতিয়া আৰু তাত জুই নাই। আছে চকুপানী।

বাল্মীকিৰো।

ন

কোঠালৈ সোমাই অহাৰ লগে লগে কৈ উঠিল উৰ্মিলাই— "তোমাক ৰামে সন্দেহ কৰিছে লক্ষ্মণ, তুমি জানা ?"

"কিয় ?" লক্ষ্মণ যেন আকাশৰপৰা পৰিল।

"তুমি তেওঁৰ বিৰুদ্ধে ষড়যন্ত্রত লিপ্ত হৈছা বুলি।"

"মিছা কথা।"

"সঁচা মিছা বিচাৰত প্রমাণ হ'ব।"

"বিচাৰ !!"

"ওঁ। ন্যায় বিচাৰ। ৰাম-ৰাজ্যত অন্যায়, অধৰ্ম, অসত্য আৰু অবিচাৰ নচলে। ৰাম ন্যায়ৰ অৱতাৰ।" উৰ্মিলাই বিদ্রূপ কৰি হাঁহি দিলে—"তুমি ৰাক বিশ্বাস কৰিবানে তোমাৰ চেনেহৰ ককায়ে সমগ্র অযোধ্যা তেওঁৰ সন্তানৰ নামত ৰখাইছে ?"

"তেওঁৰ সন্তান নাই।"

"চাৰিওফালে তেওঁ চোৰাংচোৱা পঠাই—"

"মই জানো। তেওঁৰ মন সজনি হৈছে। সীতাক বিচাৰি আনিবৰ বাবে—"

"সীতাৰ বাবে নহয়, তেওঁৰ সন্তানৰ বাবে লক্ষ্মণ। অযোধ্যাৰ উত্তৰাধিকাৰী বিচাৰি। অযোধ্যাৰ সিংহাসনত বহিব ৰামৰ পুত্র, লক্ষ্মণৰ নহয়, ভৰত-শত্রুঘ্নৰ নহয়। সীতাক সন্দেহ কৰিলেও ৰামক এতিয়া পুত্রৰ বৰ প্রয়োজন।"

লক্ষ্মণ অস্থিৰ হৈ উঠিল। উৰ্মিলাৰ এনেবিলাক কথা সঁচানে মিছা ? সপোনতো কোনোদিন তেওঁ ভৰা নাছিল ৰামে তেওঁক সন্দেহ কৰিব। লক্ষ্মণৰ প্ৰতি তেওঁ ইমান নিদাৰুণ হৈ উঠিব। ফুটাই ক'লে,—"আনক সন্দেহ কৰিলেও তেওঁ মোক সন্দেহ নকৰে উৰ্মিলা।

ৰামক মই সকলোতকৈ বেছি জানো, চিনি পাওঁ। তেওঁৰ ওপৰত মোৰ অগাধ বিশ্বাস।”

উৰ্মিলাই আকৌ এবাৰ হাঁহি দিলে আৰু কঠোৰভাৱে ক'লে,—“যি নিজৰ স্ত্ৰীক সন্দেহ কৰিব পাৰে তেওঁ ভায়েকক সন্দেহ কৰিব নোৱাৰে? যি নিজৰ গৰ্ভৱতী তিৰোতাক বনবাসৰ আদেশ দিব পাৰে তেওঁ ভাতৃহত্যা কৰিব নোৱাৰে? তুমি পাহৰি গৈছা কিয় লক্ষ্মণ, ৰাম তোমাৰ সহোদৰ নহয়, সতিয়া ভাই?”

লক্ষ্মণ থৰ হৈ ৰ'ল। এইবিলাক কি হৈছে? কি শুনিছে? চাৰিওফালে যেন দপ্ দপ্ কৰে জ্বলি উঠিছে জুই। তাৰ তাপত সিজি যাব খুজিছে লক্ষ্মণ। তাত জাহ যাব খুজিছে লক্ষ্মণৰ পৱিত্ৰ মন। জীৱন।

ধীৰে ধীৰে গৈ মন্ত্ৰণাকক্ষৰ দুৱাৰমুখত থিয় হ'ল লক্ষ্মণ। দ্বাৰৰক্ষী দুজনে আগলৈ যাবলৈ বাধা দি খোলা তৰোৱাল দুখনেৰে বাট ভেটি ধৰিলে। আচৰিত! সিহঁতৰ ইমান সাহ? কোনোদিন লক্ষ্মণক এনেদৰে অপমান কৰিবলৈ সিহঁতে সাহস কৰা নাছিল। সিহঁতক তেওঁ আদেশ দিছিল। তেওঁৰ ভৰিৰ কাষত সিহঁতে ইমান দিনে আঁঠু কাঢ়িছিল। কিন্তু আজি?

“দ্বাৰপাল।” প্ৰচণ্ড খঙেৰে উচ্চাৰণ কৰিলে লক্ষ্মণে—“বাট এৰা।”

“মন্ত্ৰণাকক্ষত প্ৰবেশ নিষেধ ঠাকুৰদেৱ।”

“মোৰো?”

“আপোনাৰো ঠাকুৰদেৱ। আমাক স্পষ্টকৈ কোৱা হৈছে।”

“ভিতৰত কোন আছে?”

“প্ৰভু আৰু এজন সন্ন্যাসী।”

সন্ন্যাসী?? সন্ন্যাসীৰ লগত ধৰ্মৰ কথাই পতা হয়। পাপ-পুণ্য, ন্যায়-অন্যায়ৰ কথা। লক্ষ্মণে শুনিব নোৱাৰে। উৰ্মিলাৰ কথাই তেন্তে সঁচা? লক্ষ্মণৰ বিৰুদ্ধে কিবা গোপন ষড়যন্ত্ৰ চলিছে। কিবা গোপন মন্ত্ৰণা।

ক্ষিপ্ৰ গতিৰে কোষৰপৰা তৰোৱাল উলিয়াই ললে লক্ষ্মণে। দ্বাৰৰক্ষী দুইটাই ভয় খাই গ'ল। সিহঁতে আঁঠুকাঢ়ি প্ৰাণভিক্ষা খুজিলে।

মন্ত্ৰণাকক্ষৰ বন্ধ দুৱাৰখন সন্তৰ্পনে খুলি ধৰি চমকি উঠিল লক্ষ্মণ। ৰামৰ মাত শুনিছে ভিতৰত। কৈছে—"লক্ষ্মণক মৰমেৰে মই হাত কৰি থৈছো কালনেমী। কিন্তু তোমাৰ কথাই যদি সঁচা হয় সি ষড়যন্ত্ৰত লিপ্ত হৈছে---" আধাকোৱাকৈয়ে ৰৈ গ'ল ৰাম। কাৰোবাৰ উপস্থিতি অনুমান কৰি কৈ উঠিল---"কোন?"

"মই দাদা! লক্ষ্মণ।"

"লক্ষ্মণ! মন্ত্ৰণাকক্ষত তুমি অনধিকাৰ প্ৰবেশ কৰিছা। মোৰ আদেশ অমান্য কৰাৰ অপৰাধত তুমি অপৰাধী।"

"মোক এনেদৰে সন্দেহ কৰিছা কিয়? অপৰাধী কৰিছা কিয়?"

"ৰাজ্যৰ ভালৰ কাৰণে। প্ৰজাৰ ভালৰ কাৰণে।"

"ৰাজ্যৰ ভালৰ কাৰণে? প্ৰজাৰ ভালৰ কাৰণে? প্ৰজাই সীতাক বিচৰা নাছিল? প্ৰজাৰ কাৰণেই ৰামে তেওঁক সন্দেহ কৰিছিল? মৰমৰ স্ত্ৰীতকৈ প্ৰজাৰ সেই সন্দেহৰ মূল্য বেছি? বেছি ক্ষতিকাৰক? তাৰ বাবেই সীতাক ৰামে পৰিত্যাগ কৰিছে?"

"ৰামৰ বাবে লক্ষ্মণতকৈও ৰাজ্য বেছি মৰমৰ। প্ৰজা বেছি মৰমৰ। প্ৰজাৰ নামত লক্ষ্মণক পৰিত্যাগ কৰিবলৈকো, আনকি হত্যা কৰিবলৈকো ৰামে কুণ্ঠাবোধ নকৰে।"

লক্ষ্মণৰ মুখলৈ চোৱা নাই ৰামে। পিঠি দি আছে। ইমান দিন চকুলৈ চাইছিল। মৰম আছিল চকুৰ চাৱনিত। কিন্তু আজি?

"তোমাক ইমান দিনে মই বুজিব পৰা নাছিলো। ভাবিছিলো, তুমি স্নেহৰ অৱতাৰ। ইমান দিন মাথোন শিলৰ মূৰ্তিৰ কাষত আঁঠুকাঢ়ি কটালো যাৰ দয়া নাই, মায়া নাই। মৰম আৰু চেনেহৰ যি ভাও জোৰে। যাৰ ওপৰত ভাৰসা কৰি মই জীয়াই আছিলো---"

"মোৰ ওপৰত তোমালোকেই ভাৰসা কৰিছিলা। তোমাক মই বিচৰা নাছিলো, সহায় ভিক্ষা কৰা নাছিলো। স্বইচ্ছাৰে তুমিয়েই গৈছিলা বনলৈ। যুদ্ধলৈ। স্বইচ্ছাৰে মোৰ আদেশ পালন কৰি আছা। সেয়া মোৰ দোষ?"

"প্ৰতাৰক! বিশ্বাসঘাতক!!" শব্দকেইটা শুনাৰ আগতেই দুৱাৰখন ঝন ঝন শব্দ কৰি বন্ধ হৈ গ'ল লক্ষ্মণৰ মুখৰ ওপৰত।

ত্ৰস্ত পদেৰে নিজ ভৱনলৈ উভতি আহিল লক্ষ্মণ। অন্তঃপুৰৰ সেই প্ৰকোষ্ঠলৈ। উৰ্মিলাক এবাৰ দেখা পাবলৈ। ইমান বছৰে

উৰ্মিলাক বুজা নাছিল। আজি প্ৰথম অনুভৱ কৰিলে সীতাতকৈও উৰ্মিলা বেছি মৰমৰ। বেছি আপোন। ৰামতকৈও বেছি বিশ্বাসী। ৰাম আৰু সীতাতকৈও লক্ষ্মণ আৰু উৰ্মিলাৰ জীৱনৰ মূল্য বেছি।

"উৰ্মিলা !!"

পালঙ্কত চকু পৰাৰ লগে লগে মৰণকাতৰ আৰ্তনাদ কৰি উঠিল লক্ষ্মণে। নিশ্চল হৈ পৰি আছে উৰ্মিলা। নীলা হৈ উঠিছে দেহ! চকু আধা মেলা। লক্ষ্মণলৈ নিথৰ হৈ চাই আছে। সুধিছে, "তুমি মোক কিয় নুবুজিলা? এদিনো অকণমানো কিয় মৰম নকৰিলা? নিজৰ কৰি নল'লা?"

"মোক তুমি ক্ষমা কৰি, যোৱা উৰ্মিলা! অত বছৰৰ সকলো অন্যায়, অবিচাৰ, অৱজ্ঞাৰ বাবে ক্ষমা কৰি যোৱা। মই এতিয়া জীয়াই থাকো কেনেকৈ? কাক লৈ? মই এতিয়া বিদ্ৰোহ কৰো কেনেকৈ?"

উৰ্মিলাৰ মৃতদেহটো সাৱটি ডুকৰি ডুকৰি কান্দিবলৈ ধৰিলে লক্ষ্মণে।

কান্দিবলৈ ধৰিলে।

## দহ

অযোধ্যাৰ ৰাজসভা।

আশ্ৰমবাসী সন্ন্যাসী এজনৰ পাছে পাছে হালধীয়া ৰঙৰ বল্কল পিন্ধা দুগৰাকী তিৰোতা আহি প্ৰবেশ কৰিলে। একেগঢ়ী আৰু সমান ওখ তিৰোতা দুগৰাকীৰ এগৰাকী যৌৱন শেষ হ'ব খোজা গাভৰু। আনগৰাকী প্ৰৌঢ়ত্বৰ দুৱাৰডলি পাৰ হ'ব খোজা বৃদ্ধা। জীৱনৰ এঁকাবেঁকা আৰু ওখোৰা মোখোৰা বাটেৰে বাট বুলাৰ স্পষ্ট চিন তেওঁলোকৰ গাই-মুখে। জীৱন ভুঁইকঁপৰ প্ৰচণ্ড জোকাৰণিত সৃষ্টি হোৱা দুটা যেন ধ্বংসস্তূপ দুইগৰাকী তিৰোতা। এগৰাকী প্ৰাচীন, অৰ্দ্ধবিধ্বস্ত আৰু জৰাজীৰ্ণ এটা যেন প্ৰাসাদ। আনগৰাকী ধুমুহাই লণ্ডভণ্ড কৰি এৰি থৈ যোৱা এখন যেন ফুলনি।

আগত অহা গাভৰু তিৰোতাগৰাকীতেই প্ৰথম সকলোৰে চকু পৰিল। মূৰৰ ওপৰত থকা ওৰণিখনে অশ্ৰুসিক্ত চকুহাল ঢাকি ধৰি আছে। গেৰুৱা ৰঙৰ বল্কলখনৰ দৰেই তেওঁৰ গাৰ ৰং। ডাৱৰৰ আঁৰৰপৰা হঠাৎ ভুমুকি মৰা পূৰ্ণিমাৰ জোনটোৰ একো অংশৰ দৰে মাজে মাজে মুখখনৰ একো ছোৱা দেখা গৈছে—বতাহত কঁপি উঠা কুঁহিপাতৰ দৰে পাতল ওঁঠ দুখন আৰু নাকৰ পাহি। কোনোবা সময়ত চকুৰ পতা। তলমূৰ কৰি থৰ হৈ তেওঁ থিয় হৈ আছে। কোনোফালে চোৱা নাই। কলৈকো, কালৈকো।

গাভৰুগৰাকীৰ নিচেই কাষত থিয় হৈ আছে প্ৰৌঢ়া তিৰোতা-গৰাকী। গাৰ গঠন, দেহৰ ৰং আৰু মুখৰ আকৃতিলৈ লক্ষ্য কৰিলে আৰু এযুগমানৰ আগত গাভৰুগৰাকী তেওঁৱেই আছিল বুলি ভ্ৰম হৈ যাব। ধুমুহা-বতাহৰ সময়ত চৰাই পোৱালিক ডেউকাৰে মাকে আবৰি ধৰি থকাৰ দৰে সোঁহাতটোৰে আলফুলকৈ তেওঁ গাভৰুগৰাকীক ধৰি আছে।

কঁাহ পৰি জীণ গ'ল ৰাজসভা। নিমাত। নিস্তব্ধ। তেওঁলোকক দেখাৰ লগে লগেই আচম্বিতে সিংহাসনত বহি থকা সম্ৰাট থিয় হৈ গৈছিল। সিংহাসন এৰি তেওঁ সৰ্বসাধাৰণৰ সুবলৈ তললৈ নামি আহিব খুজি সম্বিৎ ঘূৰাই পাই যেন থৈ গ'ল। মনৰ অধীৰ উৎকণ্ঠা আৰু গভীৰ আবেগ সংযত কৰি ঋষিৰ কথা শুনিবলৈ বাট চালে।

আশীৰ্বাদ বচন শেষ কৰি আৰু কিবা ক'ব খুজি ঋষিয়ে অন্যমনস্ক-ভাৱে গাভৰুগৰাকীৰ ফালে চালে। নিৰ্জীৱৰ দৰে খিয় হৈ থকা তিৰোতাগৰাকীলৈও। কেনেদৰে কি ক'ব তেওঁ যেন ধৰিব পৰা নাই। কোনখিনিৰপৰা আৰম্ভ কৰিব, ক'ত কৰিব শেষ। অৱশেষত নিজৰ টিনাকি দি তেওঁ ক'বলৈ ধৰিলে---

"কোশল আৰু বিদেহৰ পূৱ সীমান্তত গভীৰ অৰণ্যৰ মাজত থকা আশ্ৰমৰপৰা আমি আহিছো। ওখ-চাপৰ অসংখ্য টিলাৰে ভৰা ঠাইডোখৰৰ নাম অনুসৰি মোৰ নাম বাল্মীকি। শ্লোক ছন্দেৰে ৰচিত ৰামায়ণৰ স্ৰষ্টা বুলি মোৰ নাম সকলোৱে আদৰ আৰু স্নেহেৰে উচ্চাৰণ কৰিবলৈ লৈছে।

স্বয়ং অযোধ্যাৰাজৰ দ্বাৰা নিৰ্বাসিতা ৰাজলক্ষ্মী জানকীক মই লগত লৈ আহিছোঁ। মোৰেই আশ্ৰমত তেওঁ কেইবাটাও বছৰ কটাইছে। সগৰ্ভা অৱস্থাতে বনবাস-দণ্ড বিহা জানকীয়ে মোৰেই আশ্ৰমত যঁজা সন্তান প্ৰসৱ কৰে। তেওঁলোকক মই তুলি-তালি ডাঙৰ কৰিছো। সকলো বিদ্যা-শিক্ষা দিছো। কিশোৰ হ'লেও যুদ্ধবিদ্যাৰপৰা ব্ৰহ্মবিদ্যালৈ সকলোতে তেওঁলোক এতিয়া পাৰ্গত। ৰামায়ণৰ দ্বৈতগায়ক বুলি তেওঁলোকৰ নাম প্ৰজাৰ মুখে মুখে। সভাসদসকল!

মোৰ তপৰ যদি কিবা প্ৰভাৱ আছে, পৃথিৱীত সাধনা আৰু সততাৰ যদি কিবা মূল্য আছে, আপোনালোক ৰজা আৰু প্ৰজাৰ সন্মুখত উৰ্দ্ধবাহু হৈ মই কওঁ, ৰাজৰাণী জানকী নিষ্পাপ। পৰম পৱিত্ৰ। মনে-প্ৰাণে স্বামীৰ প্ৰতি তেওঁ অনুৰক্তা। তেওঁক তিলমানো অবিশ্বাস কৰাৰ, অনাদৰ আৰু অৱজ্ঞা কৰাৰ থল নাই। সম্ৰাটে ৰাজৰাণীক বিনাদ্বিধাই বিনা সংকোচে গ্ৰহণ কৰিব পাৰে। গ্ৰহণ কৰা উচিত।"

ক্ষমা খোজাৰ ভঙ্গীৰে সম্ৰাটে হাত দুখন যোৰ কৰিলে। তেওঁ যেন কৃতকৰ্মৰ বাবে লজ্জিত। অনুতাপৰ জুইত দগ্ধ। কাতৰ কণ্ঠে ক'লে,—"মহৰ্ষিৰ ইচ্ছা আৰু আদেশ মই নতশিৰে গ্ৰহণ কৰিছো। মোৰ ভুল, অবিবেচনা আৰু অবিচাৰৰ বাবে মই দণ্ডাৰ্হ।"

একাষত বৈ থকা মহামন্ত্ৰী সুমন্ত্ৰক লৰালৰিকৈ আদেশ দি তেওঁ ক'লে,—"ৰাজৰাণীক অতি শীঘ্ৰে প্ৰাসাদৰ অন্তেৰপুৰলৈ লৈ যাওক

মহামন্ত্ৰী। স্নান কৰি, নতুন বস্ত্ৰ আৰু অলঙ্কাৰেৰে সুশোভিত হৈ বিয়লিৰ ৰাজসভাত ৰাজসিংহাসনত তেওঁ আৰোহণ কৰিব।"

শুনি থকা গাভৰুগৰাকী হঠাৎ যেন শিয়ঁৰি উঠিল। মনৰ ভিতৰত চলা আবেগে সৰ্বশৰীৰ তেওঁৰ থৰ্ থৰ্ কৰে কঁপাই তুলিলে। এহাতেৰে মূৰৰ ওপৰৰ ওৰণিখন এচাৰ মাৰি তেওঁ খহাই পেলালে। ধোৱ মেলা কলপাত এখন জুইৰ তাপত সিজি যোৱাৰ দৰে তেওঁৰ মুখখন এতিয়া সম্পূৰ্ণকৈ দেখা গ'ল।

সম্ৰাটলৈ পিঠি দি সভাসদসকললৈ তেওঁ মূৰ তুলি চালে। চকুহালত কাৰুণ্যৰ পৰিবৰ্তে তীব্ৰ প্ৰতিবাদৰ ইংগিত ধ্বনিত হ'ল। চকুপানীৰ ঠাইত জুই আঙনি ছিটিকি পৰিল। প্ৰথমে সক সকৈ আৰু শেষত অগ্নিবৰ্ষী ভাষাৰে তেওঁ ক'বলৈ ধৰিলে,—

"মই জানো, ৰজাৰ ওচৰত বিচাৰ দি লাভ নাই। গতিকে মই বিচাৰ দিছো বাইজৰ ওচৰত। মোৰ বিচাৰ, ৰজাৰো বিচাৰ, বাইজে কৰক। মই ন্যায়, সত্য আৰু ধৰ্মৰ পৱিত্ৰ নামলৈ এই কথা কৈছো; অন্যায় আৰু অবিচাৰৰ বিৰুদ্ধে মাত্ৰ মতাৰ সাঃ সেৰে। এতিয়া আৰু মই ৰাজৰাণী হৈ থকা নাই। ৰাজকন্যা, ৰাজলক্ষ্মী, ৰাজবধূ নাইবা ৰাজৰাণী শব্দবিলাক মোৰ গাত আৰু নেখাটে। মোৰ দেহলৈ চাওক—গাত বাকলিবসন। মই বনবাসিনী। পিতৃ বাল্মীকিৰ আশ্ৰমত মই বাৰটা বছৰ বাস কৰিছো। গাৰ্হস্থ্য ধৰ্মৰ পৰিবৰ্তে মই গ্ৰহণ কৰিছো প্ৰব্ৰজ্যা। ৰজাৰ আদেশত কাম কৰিবলৈ কোনো ৰজাৰ অধীন মই নহয়।

সকলোৱে জনা কথা, এদিন মই এইজন পুৰুষৰ স্ত্ৰী আছিলো। সুখে-দুখে তেওঁৰ আছিলো সহধৰ্মিনী। সহচৰী। কিন্তু তেওঁ মোক কোনোদিন বিশ্বাস কৰা নাই। স্বইচ্ছাৰে মই ৰাৱণৰ লগত পলাই যোৱা নাছিলো। মোক মোৰ ইচ্ছাৰ বিৰুদ্ধে হৰণ কৰা হৈছিল। কিন্তু বলাৎকাৰ বা ধৰ্ষণ কৰা হোৱা নাছিল। তথাপিও মোৰ স্বামীয়ে মোক বিশ্বাস কৰা নাছিল। তাৰ বাবেই জুইত জাপি দি তেওঁ মোক মাৰিব খুজিছিল। বিভীষণ, সৰমা, হনুমানহঁতে কাকুতি কৰাতো মান্তি হোৱা নাছিল। স্বয়ং দেৱতাসকলে আহি ক'লেও তেওঁ বিশ্বাস নকৰে বুলি কৈছিল। বুঢ়া জাম্বৱন্তই দশৰথৰ তাও লৈ তেওঁক বুজাব লগা হৈছিল মই পৱিত্ৰ। গ্ৰহণযোগ্য। পিতৃ দশৰথৰ বিদেহী আত্মাৰ কথা শুনি তেওঁ মোক জীয়াই জীয়াই পুৰি মৰাৰ

পৰা বিৰত থাকিল। কিন্তু মনেৰে তেওঁ কাৰো কথা বিশ্বাস কৰা নাছিল। তেওঁৰ মনত মোৰ প্ৰতি থকা অবিশ্বাস আৰু সন্দেহে বাহ বান্ধি থাকিল। মোৰ প্ৰতি তেওঁৰ যিকণ মৰম আৰু শ্ৰদ্ধা আছিল ধীৰে ধীৰে সি নিঃশেষ হৈ গ'ল। তেওঁ কিন্তু একো নোহোৱাৰ ভাও জুৰি থাকিল। ছলে-বলে-কৌশলে মোক পৰিত্যাগ কৰাৰ সুযোগ বিচাৰি থাকিল। শেষত চিত্ৰ এখন দেখিয়েই সন্দেহ-পৰায়ণ হৈ, সামান্য ধোবা এটাৰ কথাকেই প্ৰজাৰ ইচ্ছা বুলি বন্য-জন্তুৱে খাই মাৰিবলৈ অটব্য অৰণ্যত অকলশৰে সগৰ্ভা অৱস্থাত নি এৰি থৈ আহিল। মোক এবাৰো কোৱা নহ'ল মোৰ দোষ কি? কিহৰ বাবে মই অপৰাধী!

ভাগ্যৰ বলেৰে পিতৃ বাল্মীকিয়ে মোক আসন্ন মৃত্যুৰ মুখৰপৰা ৰক্ষা কৰিলে। বাৰ বছৰৰ পিছত, কেইদিনমানৰ আগতে তেওঁ গম পালে, মই মৰা নাই, জীয়াই আছো। মোৰ গৰ্ভত থকা সন্তান জীয়াই আছে। আজি হওক কাইলৈ হওক, সিহঁতে তেওঁৰ সিংহাসন দাবী কৰিব পাৰে। দাবী কৰিবলৈ সিহঁত সক্ষম। সিহঁত যুদ্ধবিশাৰদ, সকলো শাস্ত্ৰত পাৰ্গত। অযোধ্যাৰ উপযুক্ত ভাৰী সম্ৰাট! যুৱৰাজ। চন্দ্ৰ বামে ন্যায্য প্ৰাপ্য দাবী কৰাৰ আগতেই নিজক দোষমুক্ত কৰিবলৈ, উদাৰ বুলি জহাব খুজিছে। তাৰ কাৰণেই ৰাজঅন্তেষপুৰত মোক পুনৰ ঠাই দিয়াৰ তেওঁ ভাও জুৰিছে।

কিন্তু ৰাজপ্ৰাসাদত মোৰ আৰু প্ৰয়োজন কি? আধা জীৱন মই প্ৰাসাদৰ বাহিৰত কটালো। প্ৰথমবাৰ তেওঁৰ কাৰণে— চৈধ্যটা বছৰ। দ্বিতীয়বাৰ তেওঁ ভোগা দণ্ড ভুগি বাৰ বছৰ। তেওঁ মোক এতিয়া পুনৰ ৰাজৰাণী কৰিব খুজিছে। ওভতাই দিব খুজিছে মোৰ অন্তেষপুৰ, দাসী আৰু লৈতেলী। কিন্তু মই হেকওৱা জীৱনৰ এই ছাবিকশটা মূল্যবান বছৰ মোক তেওঁ ওলোটাই দিব পাৰিবনে?

আমাৰ বিবাহিত জীৱনত মই দিছো তেওঁক বিশ্বাস, প্ৰেম আৰু সন্তান। প্ৰতিদানত তেওঁ মোক দিছে ঘৃণা আৰু সন্দেহ। অগ্নিপৰীক্ষা আৰু বনবাস।

আপোনালোকে মোৰ মুখলৈ চাওক। মোৰ এই দেহটোলৈ। মোৰ দেহৰ ওপৰত পৰিছে এতিয়া সময়ৰ চাপ, বয়সৰ চাপ। ছাব্বিশ বছৰত মই হেৰুৱাইছোঁ মোৰ ৰূপ আৰু যৌৱন। দেহত প্ৰথমৰ সেই সৌন্দৰ্য্য নাই। মই এতিয়া তেওঁক কিহেৰে ভুলাম?

ৰূপ আৰু যৌৱন যেতিয়া আছিল তেতিয়াই তেওঁ মোক ভামোলৰ চোবাৰ দৰে দলিয়াই পেলাইছিল। এতিয়া যে নেপেলাব তাৰেইবা বিশ্বাস কি? দুবাৰকৈ তেওঁ মোক অবিশ্বাসৰ উদাহৰণ দেখুৱালে আৰু এবাৰ যে নেদেখুৱাব নিশ্চয়তা ক'ত? আগৰ দুবাৰ প্ৰজাক সাক্ষী কৰি, প্ৰজাৰ নামত শাস্তি বিহিছিল, এইবাৰ তেওঁ যে প্ৰজাৰ চকুৰ আঁৰত নিবিহিব বিশ্বাস কি? প্ৰজাই মাথোন এদিন গম পাই যাব সীতা নামৰ তেওঁৰ ৰাজৰাণী এজনী অন্তেষপুৰত নাই। ক'তো বিচাৰি পোৱা নাই। হয়তো ক'ৰ কোনোবা ৰাৱণৰ লগত তাই পলাই গ'ল। বহুত দিনৰ পিছত খটখটিৰ তলত হঠাৎ হয়তো পোৱা যাব তাইৰ কঙ্কাল। হাড়-মূৰ। তেতিয়া?

এনে নকৰিব যে তাৰেই বা প্ৰমাণ কি? তেওঁ মোৰ দেহটো ভাল পায়, মনটো ভাল নেপায়, হৃদয়খন ভাল নেপায়। কণীয়া হ'লেই, বুঢ়া হ'লেই তেওঁ মোক দলিয়াই পেলাব। অন্তেষপুৰৰ আন যুৱতী আৰু সুন্দৰী ৰাজৰাণীৰ কাষত কেইদিনমানৰ ভিতৰতে মই এলাগী হ'ম। তেওঁৰ অন্তেষপুৰত এতিয়া ৰাজৰাণী কিমান আছে কোনে জানে? মোক তেওঁ বিশ্বাস কৰা নাই, মই তেওঁক বিশ্বাস কৰো কেনেকৈ?"

উশাহ ল'বৰ কাৰণে সীতা ৰ'ল। ছটফটালে। বুকুখন যেন ছিৰাছিৰ হৈ ফাটি গৈছে। চকুৰে-মুখে ওলাইছে তেজ।

লাজ আৰু অপমানত ৰঙা হৈ উঠিল ৰাম। লাজ-অপমান হয়তো নহয়, খঙত। কিন্তু সংযত হৈ থাকি গম্ভীৰভাৱে ক'লে— "সকলো দোষ মই স্বীকাৰ কৰিছো। মই তেওঁক ঘিণ নকৰো, ভাল পাওঁ, বিশ্বাস কৰো। মই তেওঁক গ্ৰহণ কৰিছো।"

"চাওক—" সীতাই কৈ উঠিল—"ঠিক এই একে কেইষাৰ কথা তেওঁ সেইবাৰো কৈছিল। ঠিক এনেকৈয়ে—গভীৰ আন্তৰিকভাৱ ভাওৰে। নম্ৰভাৱে। ঠিক এনেকৈয়ে কৈছিল বিশ্বাসৰ কথা, মৰমৰ কথা, নিসঙ্কোচে গ্ৰহণ কৰাৰ কথা। কিন্তু মই জনা নাছিলো তেওঁ বিশ্বাস কৰাৰ, মৰম কৰাৰ, ভালপোৱাৰ ভাও জুৰিছিল। আজি আকৌ এবাৰ তেওঁ সেই একে ভাও জুৰিছে। সকলোৱে বিশ্বাস কৰিলেও মই আৰু তেওঁক বিশ্বাস নকৰো। তেওঁৰ ভুৱা ভাওত মই ভোল নেযাওঁ। মই জানো তেওঁ মৰম কৰি কৰি মোক বিহ খুৱাব পাৰে। মাৰি পেলাব পাৰে।

আপোনালোক কোনেও মোৰ পিতৃ কোন, মাতৃ কোন নেজানে। তেৱোঁ। শুনক হে আৰ্য্যসকল! ইক্ষ্বাকু বংশৰ বিশুদ্ধ তেজৰ উত্তৰাধিকাৰী সকল! মোৰ পিতৃ ব্ৰাহ্মণ নহয়। ক্ষত্ৰিয় নহয়। শূদ্ৰ মাতৃৰ গৰ্ভত তেওঁৰ জন্ম। বশিষ্ঠ-বিশ্বামিত্ৰৰ দৰে ব্ৰহ্মত্বৰ অহঙ্কাৰ তেওঁৰ নাই। তেওঁ এজন দস্যু। মোৰ মাতৃ এগৰাকী বাৰবণিতা। দস্যুৰ ঔৰষত, বাৰাঙ্গনাৰ গৰ্ভত মোৰ জন্ম। এই কথা শুনাৰ পিছতো তুমি মোক গ্ৰহণ কৰিবা? মোক মৰম কৰিবা? বিশ্বাস কৰিবা? এতিয়াও মোৰ বাবে ক্ষত্ৰিয়ৰ সমাজত ঠাই আছে? ৰাজ-অন্তেৰপুৰত ঠাই হ'ব? তথাপিও তেওঁক মই ভালপাওঁ, ঘিণো কৰো। তেওঁক মই বিশ্বাস কৰো, সন্দেহো। যদিও মই জানো মোৰ জন্মৰ কথা জানি যোৱাৰ পিছত তেওঁ আৰু মোক ভাল নেপায়, বিশ্বাস নকৰে, গ্ৰহণ নকৰে। তেওঁ নেজানে মই তেওঁক কিমান ভালপাওঁ। এতিয়াও। ইমানৰ পিছতো। যদি ভগৱান আছে মই খাটিছোঁ জনমে জনমে যেন তেওঁ মোৰ স্বামী হয়, কিন্তু এই দুখ আৰু নেথাকে। এই বিৰহ বিচ্ছেদ যাতনা, এই অবিশ্বাস আৰু যেন নেথাকে—"

জুইত পৰা চগাৰ দৰে কেইটামান মুহূৰ্ত সীতাই ছট্‌ফট কৰিলে আৰু হঠাৎ গুৰিকটা গছৰ দৰে ঢলি পৰি যাব খুজিলে। অদ্ভুত দুখেৰে, আবেগেৰে, লাজ, অপমান আৰু খঙেৰে, গভীৰ আকুতি ভৰা চাৰনিৰে চাই থকা ৰামে সিংহাসনৰপৰা নামি ল'বি আহিল। কিন্তু কাষ পোৱাৰ আগতেই থমকি বৈ যাব লগা হ'ল। ইমান পৰে নিৰৱ দৰ্শক হৈ থকা প্ৰৌঢ়া মহিলা গৰাকীয়ে ক্ষিপ্ৰভাৱে সীতাক সাৱটি ধৰিছে। ফেটীসাপে হঠাৎ ফেঁট জুৰি খুটিবলৈ উদ্যত হোৱাৰ দৰে চকুৰপৰা জুইৰ ফিৰিঙতি ছটিয়াই চিঞৰি উঠিছে—"সুচুৰা।"

মহামন্ত্ৰী সুমন্ত্ৰৰ লগতে ৰাজপাৰিষদবৰ্গসকল আচৰিত হৈ গ'ল। বিস্ময়াভিভূত হৈ লক্ষ্য কৰিলে সেয়া আন কোনো নহয়, পূৰ্বৰ কোশল ৰাজকন্যা বসুমতী।

বাল্মীকিয়ে কাতৰ কণ্ঠে মাথোন উচ্চাৰণ কৰিলে,— "শান্ত হোৱা। ধৈৰ্য্য ধৰা।"

সীতাৰ অচেতন দেহটো কোলালৈ তুলি লৈ ৰামৰ মুখত দুই চকু ৰাখি ক'লে বসুমতীয়ে— "ইমান দুখেই আঁতিছে ৰাম! তাইক আৰু দুখ নিদিবা। তাই মোৰ বুকুৰ মাজত থাওক। আমনি নকৰিবা।"

পাৰিষদবৰ্গৰ ফালে চাই ক'লে,—"সীতা মোৰেই কন্যা! ৰাজ প্ৰাসাদৰপৰা মই যিদৰে ওলাই আহিলো তায়ো ওলাই আহিল বাহিৰলৈ। বাহিৰৰপৰা ভিতৰলৈ ঘোৰাৰ আৰু পথ নাই। প্ৰয়োজন নাই।"

মহৰ্ষি বাল্মীকিৰ মুখলৈ চাই কাকুতি কৰাৰ দৰে ক'লে বসুমতীয়ে—"বলা ৰত্নাকৰ! ৰাজপ্ৰাসাদৰ এই বিষাক্ত ৰতাহৰপৰা আমাক তুমি আঁতৰাই লৈ ব'লা।"

"—ব'লা।"